প্রাকৃত সাহিত্য

সভ্যতা সংস্কৃতিৰ বাস্তৱ চিত্ৰটো ৰূপায়িত হয় সাহিত্য শিল্পীৰ কৰ্ম বৈচিত্ৰ্যত। একোটা ভাষা একোটা কালৰ অবিস্মৰণীয় সাংস্কৃতিক মানচিত্ৰ। প্ৰাকৃত সাহিত্য সংস্কৃত সাহিত্যৰ পৰৱৰ্তী কালীন ভাৰতীয় সংস্কৃতি সাধনাৰ অন্যতম বিকাৰ গ্ৰস্তহীন প্ৰতিকৃতি। মধ্যযুগীয় ভাৰতীয় সমাজ সভ্যতাৰ চিন্তাধাৰাৰ অধ্যয়নত এইবিধ সাহিত্যৰ মূল্যায়ন কোনো তুলনাৰেই সীমিত কৰা সম্ভৱ নহয়। মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ ধাৰাত প্ৰাকৃত সাহিত্য এটা ধূমায়িত কালৰ ভাৰতীয় সাহিত্য সংস্কৃতিৰ সম্ভেদ প্ৰদানৰ অন্যতম নিৰ্ভৰযোগ্য অৱলম্বন। প্ৰাকৃত সাহিত্যৰ পাতে পাতে সেই কথা স্বাক্ষৰিত হৈ আছে। কোনো এটা সংজ্ঞাৰদ্বাৰা পৰিসীমিত কৰিবলৈ হলে প্ৰাকৃত সাহিত্যক প্ৰাকৃত ভাষাত ৰচিত ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠতম পৰিচয়পঞ্জী বোলাহে শ্ৰেয়।

পৰম পূজনীয় শিক্ষাগুৰু

অধ্যাপক ৺ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱা

এম এ বি এল (কেল) পি. এইচ ডি (লণ্ডন)

দেৱৰ পবিত্ৰ স্মৃতিত

॥ প্ৰাকৃত সাহিত্য ॥

ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
আধুনিক ভাৰতীয় ভাষা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

STATE CENTRAL LIBRARY
ASSAM

॥ বাণী প্ৰকাশ ॥

পাঠশালা গুৱাহাটী কলিকতা

PRAKRIT SAHITYA A book on Prakrit Literature with the learned translation of the Grammar portion of An Introduction to Prakrit by A C Woolner being the Second Part of the book by Dr Satyendranarayan Goswami M A D Phil (Cal) Reader Department of Modern Indian Languages G U Formerly Reader in Deptt of Assamese D U Ex Research Scholar of the Govt of Assam at G U Ex Khaira Research Scholar in Indian Lingustics and Phonetics of Calcutta University and Senior Research Fellow of the University Grants Commission in Assamese Department Gauhati University with a valuable Forword by Prof Dr S k mar Sen M A Ph D (Cal) F A S Hd of the Dept of Comparative Philology and Khaira Professor of Indian Linguistics & Phonetics C U (retired)

প্ৰকাশক

শ্ৰীঅম্বিকাপদ চৌধুৰী

বাণী প্ৰকাশ

পাঠশালা অসম

শাখা

পাণবজাৰ

গুৱাহাটী ৭৮১ ১

১ কৈলাস বসু ষ্ট্ৰীট

কলিকতা ৭

দ্বিতীয় পৰিবৰ্ধিত সংস্কৰণ

আগষ্ট ১৯৮৫

মূল্য ষোল টকা মাথোন

ছপা

পূৰ্বোদয় প্ৰেছ

১ কৈলাস বসু ষ্ট্ৰীট

কলিকতা ৭

নিবেদন

সাহিত্য ধাৰা সমুদ্ৰগামী নদীৰ দৰে প্ৰবাহমান। আবহমান কালৰেপৰা এই ধাৰা প্ৰবাহিত হৈ আহিছে আৰু যুগে যুগে পাৰিপাৰ্শ্বিক সাংস্কৃতিক অন্বয়ৰ লগত তাল ৰাখি সাহিত্যব্ৰতীসকল অগ্ৰসৰ হৈ আহিছে সেই গতিধাৰাকে আকোৱালি লৈ। তাৰ নিমজ স্পৰ্শত আমাৰ মন ৰোমাঞ্চিত অভিসিঞ্চিত। সেয়ে আৰ্যাবৰ্তৰ আদিম কালৰেপৰা বৰ্তমান কাললৈকে সাহিত্য ধাৰাৰ লগত পৰিচিত হবলৈ আমাৰ এই প্ৰবল উৎসুকতা। অসমীয়া সাহিত্য প্ৰবাহৰ পূৰ্ণ পৰিচয়ৰ কাৰণে পূৰ্বকালীন ভাষা সাহিত্যৰ ইতিবৃত্ত জনা দৰ্কাৰ। আধুনিক ভাৰতীয় আৰ্যভাষাৰ সাহিত্যালোচনা বা তাৰ অধ্যয়নত প্ৰত্ন ভাৰতীয় আৰ্যভাষা আৰু মধ্য ভাৰতীয় আৰ্যভাষাৰ সাহিত্য ধাৰাৰ লগত বিশেষভাৱে চিনাকি হোৱা প্ৰয়োজন। মধ্য ভাৰতীয় আৰ্যভাষাৰ যুগটোক থূলমূলকৈ প্ৰাকৃতৰ যুগ বুলিব পাৰি। এই যুগটোক আদি মধ্য শেষ—তিনিটা স্তৰত বিভক্ত কৰা হয় যদিও এই তিনি স্তৰৰ সাহিত্যৰ মূল সুৰটো সমধৰ্মী। এই স্তৰবিভাগ সাহিত্যিক লক্ষণৰ ভেটিত নহয় ভাষাগত বৈশিষ্ট্যৰ ভেটিতহে মূৰ্তমান।

পালি প্ৰাকৃত অপভ্ৰংশ ভাষা এই মধ্য যুগৰ ভাষাৰ অন্তৰ্গত। এই ভাষাত ৰচিত সাহিত্যৰ ভঁৰালটোৰো উলাই কৰিব লগীয়া নহয় বেচ শকত। এই সম্পৰ্কে উৎসুকতা প্ৰায় বিলাকৰে সমান কিন্তু অসমীয়া ভাষাত সেই অভাৱ পূৰাব পৰা কোনো এখন পুথিয়েই নাই। সেই কথালৈ লক্ষ্য ৰাখি মই এই পুথি প্ৰণয়নৰ প্ৰয়াস কৰা হৈছে। পুথিৰ শেষত দীঘলীয়া গ্ৰন্থপঞ্জীৰ সমাৱেশ কৰাৰ অভিপ্ৰায়ো সেই একেটাই। তদুপৰি অসমীয়াৰ বিশেষকৈ অনাৰ্চ আৰু স্নাতকোত্তৰ পৰীক্ষাৰ্থীসকলে এই যুগৰ ভাষা সাহিত্য আয়ত্ত কৰা প্ৰয়োজন কিন্তু বিশ্ববিদ্যালয়ে নিৰ্ধাৰিত কৰি দিয়া এই সম্পৰ্কীয় প্ৰায়বোৰ পুথিয়েই দুৰ্লভ। অন্যান্য ভাষাত দুই এখন সুলভ সংস্কৰণৰ পুথি দেখা যায় যদিও নিৰ্ভৰযোগ্য নহয়। ফলত অসমীয়াৰ অনাৰ্চ আৰু এম এ ৰ ছাত্ৰ ছাত্ৰীসকলৰ কাৰণে এই বিষয়টো এটা বিভীষিকা যেন হৈ পৰিছে।

প্ৰায় পাঁচ বছৰ আগতে অসমীয়া ভাষাতত্ত্বৰ গৱেষণাৰ কাম আৰম্ভ কৰা সময়ত আমি এনেকুৱা এখন পুথি প্ৰণয়নৰ পৰিকল্পনা হাতত লৈছিলোঁ। এই আঁচনিৰ কথা শুনি পৰম পূজনীয় স্বৰ্গীয় অধ্যাপক বিৰিঞ্চিকুমাৰ বৰুৱা এম এ বি এল পি এইচ ডি দেৱে বিস্তৰ উপদেশ আৰু পৰামৰ্শেৰে আমাক অনুপ্ৰাণিত কৰিছিল। আন্তৰ্জাতিক খ্যাতিসম্পন্ন এই মনীষীজনাৰ সেই কথা আজিও মনত পৰে। ইতিহাস প্ৰসিদ্ধ নালন্দা ৰাজগীড় পাৱাপুৰী বুদ্ধগয়া আদিত পূজাৰ চুটি কটাবলৈ যোৱা সময়ত

তেখেতৰ সেই উপদেশ মতেই এই পুথিৰ ৰচনাত হাত দিছিলো কিন্তু আমাৰেই দুৰ্ভাগ্য যে জীৱিতাৱস্থাত তেখেতক আমি কেৱল এই পুথিৰ পৰিকল্পনা আৰু তাৰ কিয়দ শ পাণ্ডুলিপিহে দেখুৱাবলৈ সক্ষম হৈছিলোঁ। তেখেতৰ আজ্ঞা আৰু নিৰ্দেশানুক্ৰমে তুলনামূলক ভাষাতত্ত্বৰ অধ্যয়ন আৰু গৱেষণাত ব্ৰতী হবলৈ সুযোগ পাইছিলোঁ। সেয়ে তেখেতৰ পবিত্ৰ স্মৃতিত এই পুথি উছৰ্গা কৰা হ ল।

প্ৰাকৃত সাহিত্য ৰ নামকৰণ সম্পৰ্কে এষাৰ কোৱা উচিত হব। এই পুথিখন তিনিটা সৰু সৰু খণ্ডত সম্পূৰ্ণ প্ৰথম খণ্ডত মধ্য ভাৰতীয় আৰ্য ভাষাৰ বিশেষকৈ প্ৰাকৃতৰ সংক্ষিপ্ত ইতিবৃত্ত দ্বিতীয় খণ্ডটোত উলণাৰ ৰচিত প্ৰাকৃত উপক্ৰমণিকা ৰ ব্যাকৰণ অ শৰ অসমীয়া ৰূপান্তৰ আৰু তৃতীয় খণ্ডত গ্ৰন্থপঞ্জীৰে সৈতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বি এ আৰু এম এ শ্ৰেণীৰ প্ৰায়বোৰ selected MIA pieces একেই সন্নিবিষ্ট কৰা হৈছে। অৱশ্যে দ্বিতীয় খণ্ডত তাৰকাচিহ্ন পাদটীকাৰে কিছুমান নতুন কথাৰ সমাবেশ কৰা হৈছে সেইবোৰ আচলতে স্বেচ্ছাকৃত সংশোধন নহয়—উলণাৰৰ পৰৱৰ্তীকালীন অধ্যয়ন গৱেষণা প্ৰদত্ত তথ্যহে। সংস্কৃত বা প্ৰত্ন ভাৰতীয় আৰ্যভাষা (Old Indo Aryan Languages) অৰ্থাৎ বৈদিক (Vedic) আৰু সংস্কৃতৰ (Classical Sanskrit) পৰৱৰ্তী আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ (Modern Indo Aryan Languages) মধ্যৱৰ্তী কালছোৱাৰ এই ঠালটোৰ ভাষাক সাধাৰণভাৱে প্ৰাকৃত ভাষাৰ যুগ বোলা হয়। সেই বাবেই পুথিখনৰ নাম মধ্য ভাৰতীয় আৰ্যভাষাৰ ইতিবৃত্ত নাৰাখি চমুকৈ **প্ৰাকৃত সাহিত্য** ৰখা হ ল। এই পুথি প্ৰণয়নত সহায়ক হিচাপে লোৱা পুথিবোৰৰ নাম পাদটীকা আৰু গ্ৰন্থপঞ্জীত উল্লেখ কৰা হৈছে। সেই সকল গ্ৰন্থকাৰৰ প্ৰতি আমি অকুণ্ঠচিত্তে ঋণ স্বীকাৰ কৰিলোঁ।

প্ৰাকৃত সাহিত্য ৰচনাত বন্ধুবৰ শ্ৰীযুত গুৰুপদ চৌধুৰী দেৱৰপৰা পোৱা উৎসাহ উদ্দীপনাৰ কথা আমি পাহৰিব নোৱাৰোঁ। আকৌ উলণাৰ প্ৰণীত An Introduction to Prakrit অৰ প্ৰথম সংস্কৰণৰ পুথি এখনৰ যোগান ধৰাৰ উপৰিও প্ৰেছৰ পাণ্ডুলিপি প্ৰস্তুত কৰাত আমাক বিশেষভাৱে সহায় কৰা বাবে কলিকতা বিশ্ববিদ্যালয়ৰ তুলনামূলক ভাষাতত্ত্বৰ পৰীক্ষাৰ্থীনী শ্ৰীমতী বাণী হোড় আমাৰ বিশেষ ধন্যবাদৰ পাত্ৰী। আন যিসকলৰ দিহা পৰামৰ্শৰদ্বাৰা আমি উপকৃত আৰু উৎসাহিত হৈছোঁ সিসকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সত্যেন্দ্ৰনাথ শৰ্মা ড° মহেশ্বৰ নেওগ শ্ৰীযুত গোলোকচন্দ্ৰ গোস্বামী ড° মুকুন্দমাধৱ শৰ্মা ড° প্ৰফুল্লচন্দ্ৰ কটকী নলবাৰী স স্কৃত কলেজৰ অধ্যক্ষ পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী, কটন কলেজৰ অধ্যাপক শ্ৰীযুত বিনয়ভূষণ চৌধুৰী বি বৰুৱা কলেজৰ অধ্যক্ষ শ্ৰীযুত প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য নলবাৰী কলেজৰ অধ্যাপক শ্ৰীযুত শশীনাথ শৰ্মা, নৰ্থ লক্ষীমপুৰ কলেজৰ

অধ্যাপিকা শ্ৰীমতী চফিকা বৰুৱা শঙ্কৰদেৱ কলেজৰ অধ্যাপক শ্ৰীমান দ্বিজেন্দ্ৰনাৰায়ণ গোস্বামী, শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত কৈলাস শৰ্মা কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত প্ৰণবেশ সিংহ ৰায় ড দ্বিজেন্দ্ৰনাথ বসু ড সত্যস্বৰূপ মিশ্ৰ আৰু কলিকতা সংস্কৃত কলেজৰ অধ্যাপক ড ভক্তিপ্ৰসাদ মল্লিক আদিৰ নাম উল্লেখযোগ্য। এইখিনিতে উক্ত সুধীবৃন্দৰ উদ্দেশ্যে শলাগ জনালোঁ।

নিবেদনৰ পূৰ্ণতাৰ কাৰণে আৰু এষাৰ কথা কোৱা প্ৰয়োজন। আমাৰ এই প্ৰাকৃত সাহিত্য ছপা হৈ থকা অৱস্থাতে পুথিখনিৰ আদ্যপান্ত খৰচি মাৰি চাই কলিকতা বিশ্ববিদ্যালয়ৰ তুলনামূলক ভাষাতত্ত্বৰ প্ৰধান অধ্যাপক আৰু ভাৰতীয় ভাষাতত্ত্ব আৰু ধ্বনিবিজ্ঞানৰ খয়ৰা অধ্যাপক হিচাপে সম্প্ৰতি অৱসৰ লাভ কৰা স্বনামধন্য ভাষাতাত্ত্বিক পূজ্যপাদ আচাৰ্য শ্ৰীযুত সুকুমাৰ সেন এম এ পি এইচ ডি এফ এ এচ দেৱে কামৰ প্ৰবল হেচাৰ মাজতো সুকণ্ডা উলিয়াই চৌতে খৰ মাৰি এটি তাৎপৰ্যপূৰ্ণ বহুমূলীয়া মন্তব্য আগবঢ়াইছে। তাৰ কাৰণে গুৰুৰ ওচৰত ঋণ স্বীকাৰ কৰাৰ বাহিৰে আমাৰ আন উপায় নাই।

সদৌ শেষত পুথিখনিৰ প্ৰকাশৰ দায়িত্ব লৈ খৰধৰকৈ ছপাই উলিয়া বাবে বাণী প্ৰকাশ মন্দিৰৰ অন্যতম স্বত্বাধিকাৰী শ্ৰীযুত অম্বিকাপদ চৌধুৰী দেৱৰ শলাগ লওঁ। যিসকল পাঠক পাঠিকাৰ উদ্দেশ্যে প্ৰাকৃত সাহিত্য মুদ্ৰিত কৰা হ'ল সিসকলৰ পৰা সমাদৰ লাভ কৰিলেহে শ্ৰমৰ সাৰ্থকতা স্বীকাৰ কৰিব পৰা যাব। লগতে সুধীসকলৰ প্ৰতি অনুৰোধ এয়ে যে ভাষাতত্ত্বৰ ক্ষেত্ৰত প্ৰাকৃত সাহিত্য ই আমাৰ প্ৰথম প্ৰচেষ্টা। গতিকে ইয়াত দোষ ত্ৰুটি থকাটো অস্বাভাৱিক নহয় তেওঁলোকে যেন ব্যক্তিগত ভাৱে সম্ভৱ নহলেও প্ৰকাশকৰ যোগে সিবোৰ আমাৰ দৃষ্টিগোচৰ কৰে। কিয়নো তেতিয়া হলে পৰৱৰ্তী সংস্কৰণত ইয়াৰ উত্তৰোত্তৰ উন্নতি সাধন কৰিব পৰা যাব।

এই ক্ষুদ্ৰ পুথিখনে প্ৰাকৃত ভাষা সাহিত্য সম্পৰ্কে অসমীয়া পাঠক পাঠিকাৰ কৌতূহল উদ্দীপিত কৰক—এয়ে আমাৰ কামনা।

কলেজ স্কোৱাৰ কলিকতা

শ্ৰীপঞ্চমী ১৮৮৬ শক

শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

দ্বিতীয় সংস্কৰণ

প্ৰাকৃত সাহিত্যৰ প্ৰথম সংস্কৰণৰ পুথি বহুদিনৰ আগতে বজাৰত নাইকিয়া হ'ল। দ্বিতীয় সংস্কৰণৰ বাবে কাম হাতত লোৱা হ'ল আৰু লগে লগে বহু বন্ধু বান্ধৱৰ উপৰিও সুধীজনৰ পৰামৰ্শও মনলৈ আহিল। প্ৰথম সংস্কৰণৰ পুথিখনি ছপা হোৱাৰ পিছতেই এই পৰামৰ্শবোৰ আমাৰ হাতত পৰিছিল। সেই কথালৈ লক্ষ্য ৰাখি পুথিৰ প্ৰথম খণ্ডটোত বহু নতুন কথাৰ অৱতাৰণা কৰা হ'ল ফলত এই অংশটো পূৰ্বৰ দুগুণতকৈয়ো বেছি দীঘলীয়া হ'ল। শিক্ষাৰ্থী আৰু কৌতুহলী ভাষাপ্ৰেমী পাঠক পাঠিকা এই উভয় শ্ৰেণী লোকেই ইয়াৰদ্বাৰা উপকৃত হ'ব বুলি ধাৰণা হৈছে। পৰৱৰ্তী খণ্ড দুটাটো কিছু কথা সংযোগ কৰাৰ মন হৈছিল কিন্তু পুথিখনিৰ প্ৰকাশত কিছু খৰখেদা কৰিব লগীয়া হোৱা বাবে এই দুটাৰ সাল সলনি নকৰি পুনৰ মুদ্ৰিত কৰাহে হ'ল। এই খণ্ডৰ নতুন কথা ভালেখিনি সংযোগ কৰা হেতুকে পৰিবৰ্ধিত সংস্কৰণৰূপে প্ৰকাশ কৰা হ'ল। এইবাৰো পুথিখনিৰ প্ৰকাশকৰ দায়িত্ব ললে প্ৰবীণ প্ৰতিষ্ঠান বাণী প্ৰকাশে। সেই বাবে এই প্ৰতিষ্ঠানৰ সদৌজনেই আমাৰ মাজত ধন্যবাদৰ পাত্ৰ।

প্ৰথম সংস্কৰণৰ দৰে এই পৰিবৰ্ধিত সংস্কৰণটোৱে সহৃদয় পাঠক পাঠিকাৰ সমাদৰ লাভ কৰা যেন দেখিলেই আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

১৫ আগষ্ট ১৯৮৫

শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

Foreward

[By Dr Sukumar Sen M A Ph D F A S Hd of the Deptt of Comparative Philology and Khaira Professor of Indian Linguistics and Phonetics C U (retired)] A knowledge of Middle Indo Aryan (Pali and the Prakrits) is very necessary for a proper understanding of the structure of Modern Indo Aryan Languages like Assamese Bengali Hindi Oriya etc The M A Course in a modern Indo Aryan languages therefore provides for elementary study of Middle Indo Aryan But reliable text books on the subject in a modern Indo Aryan tongue is generally not available Dr Satyendra Narayan Goswami M A D Phil has written the following pages for the benefit of the Assamese students Dr Goswami is a linguistician and I am sure his book will be of immense help to those for whom it is intended

Sukumar Sen
12 8 65

সূচীপত্ৰ

বিষয়		পৃষ্ঠা
প্ৰথম খণ্ড		
মধ্যভাৰতীয় আৰ্যভাষা আৰু সাহিত্যৰ ইতিবৃত্ত		
প্ৰথম অধ্যায়	আৰম্ভণ	১
দ্বিতীয় অধ্যায়	প্ৰাকৃত সাহিত্য	৬
তৃতীয় অধ্যায়	প্ৰাকৃত ভাষা	১৪
চতুৰ্থ অধ্যায়	প্ৰাকৃত শব্দভাণ্ডাৰ	৩৮
দ্বিতীয় খণ্ড		
পাতনি ৰোমান প্ৰতিলিপি		৪৩
প্ৰথম অধ্যায়	বিষয় নিৰ্দেশ	৪৯
দ্বিতীয় অধ্যায়	প্ৰাকৃত	৫৩
তৃতীয় অধ্যায়	প্ৰাকৃতৰ সাধাৰণ লক্ষণ	৫৬
চতুৰ্থ অধ্যায়	ধ্বনি বিজ্ঞান	৬
পঞ্চম অধ্যায়	যুক্ত ব্যঞ্জন	৬১
ষষ্ঠ অধ্যায়	স্বৰধ্বনি	৭৪
সপ্তম অধ্যায়	সন্ধি	৮
অষ্টম অধ্যায়	শব্দৰূপ	৮২
নৱম অধ্যায়	ধাতুৰূপ	৯৩
দশম অধ্যায়	প্ৰাকৃতৰ শ্ৰেণী বিভাগ	১ ৮
একাদশ অধ্যায়	প্ৰাকৃত সাহিত্য	১২৯
তৃতীয় খণ্ড		
পাঠ স কলন (বি এ এম এ)		
[বহধিৰ অপ্ৰমাদবৰ্তি আৰু ভিক্ষুধৰ্ম সুভাষিত ভাস কালিদাস হাল উদ্ধৃতিয়ে]		১৪১
[অগ গি বচ ছগোত্ত অনুগীমাগ ধম্মপদ বজ্জালগ গ]		১৫৪
গ্ৰন্থপঞ্জী		১৭৩

প্রাকৃত সাহিত্য

প্রথম খণ্ড

মধ্য ভাৰতীয় আৰ্যভাষা আৰু সাহিত্যৰ ইতিবৃত্ত

প্ৰথম অধ্যায়

প্ৰাকৃত সাহিত্য আৰু ভাষা

আৰম্ভণ

সমগ্ৰ ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ধাৰা তথা ইতিহাস অধ্যয়নত তিনিটা বিশিষ্ট স্তৰ নিৰ্দেশিত হয় প্ৰত্ন ভাৰতীয় আৰ্য (Old Indo Aryan) মধ্য ভাৰতীয় আৰ্য (Middle Indo Aryan) আৰু নব্য ভাৰতীয় আৰ্য (New Indo Aryan)। বৈদিক ৰচনাৱলী মহাকাব্যসমূহ পাণিনি পতঞ্জলিৰ স স্কৃত ৰচনা আৰু পৰৱৰ্তী কালৰ কালিদাস প্ৰমুখ্যে সাহিত্যিকসকলৰ ৰচনা সম্ভাৱে ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনস্তৰভুক্ত সাহিত্যৰ নিদৰ্শন দাঙি ধৰে। এই স্তৰৰ সাহিত্যৰ ভাষা মূলতে বৈদিক আৰু শিষ্টসম্মত স স্কৃত। দ্বিতীয় স্তৰৰ সাহিত্যৰাজিৰ ভিতৰত বিভিন্ন শিলালিপি তথা অশোকৰ অনুশাসনসমূহ পালি ভাষাত লিখিত গ্ৰন্থৰাজি বিভিন্ন নাটকত ব্যৱহৃত প্ৰাকৃত ৰচনাৰাজি জৈন গ্ৰন্থৰাজি দোহা গান গাথা আদি সামৰি লোৱা হয়। এই কালৰ সাহিত্যৰ ভাষা হ ল পালি বিবিধ প্ৰাকৃত আৰু অপভ্ৰ শ।[১] ইয়াৰ পৰৱৰ্তী স্তৰটোৱেই হ ল নব্য বা আধুনিক ভাৰতীয় আৰ্যভাষা তথা অসমীয়া বঙালী হিন্দী উৰিয়া মাৰাঠী ৰাজস্থানী আদি ভাষা সাহিত্যৰ যুগ। ভাৰতীয় আৰ্যভাষাৰ এই ক্ৰমবিকাশৰ ধাৰাটো সিপিঠিত দিয়া দৰে চিত্ৰৰ সহায়ত সহজে দেখুৱাব পাৰি।

মধ্য ভাৰতীয় আৰ্যভাষাৰ বিকাশ সম্পৰ্কে নানা মুনিৰ নানা মত কিন্তু এটা কথাত সকলো একমত যে এই কালৰ সাহিত্যৰাজিয়ে প্ৰাকৃত ভাষাৰ নিদৰ্শন দাঙি ধৰে। বৈদিক ভাষাৰ ৰচনাৱলী লিপিবদ্ধ হৈ অহাৰ পিছতো কথ্যভাষাৰূপে বহুকাল ব্যাপি প্ৰচলিত হৈ থকা লৌকিক স স্কৃত ভাষায়ো সাহিত্যিক মৰ্যাদা পৰিগ্ৰহ কৰিলে কিন্তু তাৰো এটা অশিষ্টসম্মত অৰ্থাৎ কথিত ৰূপ লোকসমাজৰ মাজত প্ৰচলিত হৈয়ে

---

১ দ্ৰষ্টব্য—বিষয় নিৰ্দেশ M Winternitz A History of Indian Literature Vol II E Muller A Short History of the Pali Language and Literature Dr S Sen Bhāratīya Sahityer Itihas (in Bg)



থাকিল। এনেকুৱা অশিষ্টসম্মত তথা সাধাৰণৰ কথ্যভাষা মূল সংস্কৃতৰ ওপৰতেই প্ৰাকৃতৰ অভ্যুদয়। সেই প্ৰাকৃতেও ক্ৰমবিকশিত হৈ সাহিত্যিক ৰূপপ্ৰাপ্ত হোৱাৰ পিছত লোক সমাজৰ কথিত ভাষাৰূপে প্ৰচলিত হৈ থকা অমাৰ্জিত প্ৰাকৃতৰ পৰিণতিয়েই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহ।

বিশেষকৈ সংস্কৃত সাহিত্যতো প্ৰাকৃত ভাষাই স্থান পাই আহিছে। প্ৰখ্যাত কবি নাট্যকাৰ ভাস কালিদাসৰ নাটকত প্ৰাকৃতে বহুখিনি ঠাই অধিকাৰ কৰি আছে। কোনো কোনো পণ্ডিতে প্ৰাকৃত ম্লেচ্ছভাষিতম্ আখ্যা দি প্ৰাকৃত চৰ্চাত বাধা প্ৰদান কৰিলেও বিশ্বনাথ কবিৰাজ বা ৰাজশেখৰৰ নিচিনা বহুভাষা বিশাৰদ কবি সকলে প্ৰাকৃত চৰ্চাত বিশেষভাবে মনোনিবেশ কৰি গৈছে। সঁচা কথা সংস্কৃত সাহিত্য অতি ব্যাপক আৰু যথেষ্ট গভীৰ, প্ৰাকৃত সাহিত্যৰ পৰিসৰ বহু সীমিত। কিন্তু প্ৰাকৃত ভাষা সাহিত্য যে সংস্কৃত আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ মাজত একমাত্ৰ যোগসূত্ৰ সেই কথাও অস্বীকাৰ কৰিব নোৱাৰি। প্ৰাকৃতৰ স্তৰ ভেদ কৰিহে এই নতুন ভাষাবোৰে নিজ নিজ ৰূপ লৈছে। প্ৰাকৃতৰ গভীৰ অধ্যয়ন নকৰিলে এই ভাষাসমূহৰ পূৰ্ণাঙ্গ অধ্যয়ন অসম্ভৱ। তদুপৰি সংখ্যাত তাকৰ হলেও প্ৰাকৃত সাহিত্যও উপভোগ্য সামগ্ৰীৰে সমৃদ্ধ। বিশেষকৈ গীতি কাব্যৰ ক্ষেত্ৰত প্ৰাকৃতৰ অৱিহনা সংস্কৃততকৈ কোনো গুণে হেয় নহয়।

হালৰ গাহাসত্তসঈ প্ৰেমগাথাৰ এক অপূৰ্ব নিদৰ্শন প্ৰকাশভঙ্গী সুৰ মাধুৰ্য, ভাব সম্পদ আৰু স্থানীয় চিত্ৰাঙ্কনৰ পিনৰপৰা ই এখনি উৎকৃষ্ট প্ৰেম কাব্য। সেই প্ৰাকৃত ভাষাৰ বিষয়ে সৰ্বভাষা বিচক্ষণ কবিৰাজ ৰাজশেখৰে[১] এইবুলি কৈছে, সংস্কৃত ৰচনা কঠোৰ প্ৰাকৃত ৰচনা সুকোমল পুৰুষ আৰু মহিলাৰ মাজত যি পাৰ্থক্য এই দুই ভাষাৰ মাজতো সেই পাৰ্থক্য। সংস্কৃত ভাষাত প্ৰাকৃতজ বিবিধ উপাদান থকাৰ উপৰিও নাটকত এই ভাষাৰ মাধ্যমেদি ভালেমান চৰিত্ৰই বিকাশ লাভ কৰিছে। সেইবোৰ কাব্যৰ প্ৰকৃত ৰসাচ্ছাদনৰ বাবেও প্ৰাকৃত ভাষাৰ অধ্যয়ন কৰা দৰ্কাৰ। আনহাতে ভাৰতীয় দৰ্শনৰ এক বিপুল অংশ অধিকাৰ কৰি আছে বৌদ্ধ আৰু জৈন দৰ্শনে। তাৰ অধিকাংশই প্ৰাকৃতৰ অন্তৰ্গত বিবিধ ভাষাত লিপিবদ্ধ। প্ৰাকৃত চৰ্চা অবিহনে এই ভাৱসমৃদ্ধ গ্ৰন্থৰাজিৰ প্ৰকৃত বোধ জানো সম্ভৱ? আনহাতে আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ মূল উপাদান যেনে শব্দসম্ভাৰ তদ্ভৱ অৰ্দ্ধতৎসম আৰু দেশী প্ৰাকৃতজ শব্দাদিৰদ্বাৰা সমৃদ্ধ। এইবোৰৰ প্ৰকৃত ব্যুৎপত্তি আৰু তাৎপৰ্য্য উদ্ধাৰৰ কাৰণেও প্ৰাকৃতৰ গভীৰ অধ্যয়নৰ প্ৰয়োজন। সেইদৰে বৰ্তমান আমি যি জন সাহিত্যৰ কথা কৈছোঁ সেই জনসাহিত্য সংগ্ৰহ আৰু সংৰক্ষণৰ সূচনা বৈদিক যুগতে হৈছিল যদিও প্ৰাকৃত ভাষাতহে সি অধিক স্থায়ীৰূপ পালে। যথাৰ্থত লোক সাহিত্য নহলেও জনসাধাৰণৰ হৰ্ষ বিষাদ আশা আকাঙ্ক্ষা সমাজৰ নানা দিশৰ সম্বেদ প্ৰদানত এই প্ৰাকৃত সাহিত্যৰ অৱদান কম নহয়। প্ৰাকৃত সাহিত্যৰাজিক সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ দৈনন্দিন জীৱনৰ নক্সা বুলিব পাৰি।[২] আকৌ প্ৰাচীন শিলালিপিসমূহো প্ৰত্নতত্বৰ এক অমূল্য সম্পদ। বৌদ্ধ আৰু জৈন যুগত লিখিত শিলালিপি ৰাজিয়ে সেই সময়ৰ বহুকথাৰ সম্বেদ দিয়ে কিন্তু এইবোৰৰ ভাষাও প্ৰাকৃতৰ অন্তৰ্গত ভাষাৰাজি। সিবিলাকৰ আচল পাঠোদ্ধাৰৰ বাবেও প্ৰাকৃত চৰ্চাৰ দৰ্কাৰ। এইদৰে দেখা যায় যে প্ৰাচীন কালৰ ভাৰতীয় সমাজ ব্যৱস্থা ৰাজনীতি অৰ্থনীতি দৰ্শন ধৰ্ম সংস্কাৰ শিক্ষা আদি ভালেমান বিষয়ৰ উপৰিও ভাৰতীয় আৰ্যভাষাৰ বিপুল সাহিত্যৰাজিৰ অধ্যয়নত প্ৰাকৃত ভাষাই বহন কৰি অনা মূল্যবান সাসম্ভাৰৰ কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।[৩] চমুকথাত, মধ্যযুগৰ প্ৰাকৃত ভাষাই ভাৰতীয় আৰ্য্যভাষাৰ ইতিহাসত

---

১ পৰুসা সক্কঅবন্ধা পাউঅবন্ধা বি হোই সুউমাৰো।
পুৰিসমহিলাণ জেত্তিঅমিহন্তৰ তেত্তিঅমিমাণ ॥ ॥

কৰ্পূৰমঞ্জৰী ১ম জৱনিকান্তৰম্ ৰাজশেখৰ

২ M Winternitz A History of Indian Literature Vol II

৩ বসন্তকুমাৰ চট্টোপাধ্যায় সম্পাদিত বৰৰুচি প্ৰণীত প্ৰাকৃত প্ৰকাশ।

এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছিছে বুলিব পাৰি। সেয়ে প্ৰাকৃত ভাষা আৰু সাহিত্যৰ অধ্যয়ন অতি অপৰিহাৰ্য।

মধ্য ভাৰতীয় আৰ্যভাষাৰ সমগ্ৰ ৰচনা সম্ভাৰৰ সাহিত্যিক ঐতিহ্য আৰু তাৰ সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰিবলৈ গলে আমাৰ দৃষ্টিত এইটো কথা স্পষ্ট হৈ উঠে যে ভাৰতীয় আৰ্য বা সাধাৰণভাৱে সংস্কৃত আৰু মধ্য ভাৰতীয় আৰ্য বা তথাকথিত প্ৰাকৃত ভাষাৰ সাহিত্যৰ মাজত এটা পাৰম্পৰিক প্ৰভাৱ বিদ্যমান। সংস্কৃতেই প্ৰাকৃতৰ মূল যদিও প্ৰাকৃতৰ পূৰ্ণ বিকাশে সংস্কৃতক পঙ্গু কৰিবলৈ সক্ষম নহ'ল। তাৰ যাই কাৰণ সম্ভৱত পণ্ডিতসমাজৰ সংস্কৃতৰ প্ৰতি পক্ষপাতিতা আৰু প্ৰাকৃতৰ প্ৰতি উদাসীনতা। এই খিনিতে এবাৰ কথা উল্লেখ কৰা দৰ্কাৰ যে সংস্কৃত বুলিলে OIA অৰ্থাৎ বৈদিক (Vedic) আৰু পাণিনি পতঞ্জলিৰ সংস্কৃত (Classical Sanskrit) উভয়কে সামৰি লোৱা হয়। গতিকে সংস্কৃতৰ বিকাশ বুলিলে পাণিনি পতঞ্জলিৰ সংস্কৃত বুলি ভবাটো ভ্ৰমসঙ্কুল ভিন্ন আন একো নহয় বা সেই সংস্কৃতৰ পৰাই প্ৰাকৃতৰ বিকাশ বোলাও সমীচীন নহয়। অৱশ্যে এইটো কথাত অকণো সন্দেহ নাই যে প্ৰকৃত ব্যাকৰণকাৰ সকলে সংস্কৃত বৈয়াকৰণিকসকলৰপৰা ব্যাকৰণ প্ৰণয়ন কৰিবলৈ অনুপ্ৰেৰণা পাইছিল। তেওঁলোকৰ ব্যাকৰণৰ অৱলম্বনত প্ৰাকৃত ব্যাকৰণ ৰচনা কৰিছিল কাৰণেই তাৰ ভাষা আছিল সংস্কৃত আৰু গঠন (structure) বা ব্যাখ্যাৰীতি (explanation) আছিল সংস্কৃতগন্ধী।[১] এই যুগৰ সাহিত্যসমূহৰ আলোচনাৰ সুবিধাৰ্থে সাহিত্যিক লক্ষণলৈ লক্ষ্য ৰাখি সমস্ত ৰচনাৰাজি থূলমূলকৈ নিম্নপ্ৰদত্তৰূপে শ্ৰেণীবিভাগ কৰি লব পাৰি —

(১) ধৰ্মমূলক প্ৰাকৃত (Religious Prakrit)—দক্ষিণাঞ্চলৰ হীনযানী বৌদ্ধ সকলৰ পালি প্ৰাচীন জৈনসূত্ৰৰ ভাষা অৰ্থাৎ আৰ্য প্ৰাকৃত বা অৰ্ধমাগধী জৈন মাহাৰাষ্ট্ৰী জৈন শৌৰসেনী আৰু জৈন আখ্যানমূলক ৰচনাৰ অপভ্ৰংশ ভাষা।

(২) সাহিত্যিক প্ৰাকৃত (Literary Prakrit)—মাহাৰাষ্ট্ৰী শৌৰসেনী মাগধী পৈশাচী অপভ্ৰংশ আৰু অন্যান্য উপভাষাসমূহ।

(৩) নাটকীয় প্ৰাকৃত (Dramatic Prakrit)—মাহাৰাষ্ট্ৰী শৌৰসেনী মাগধী আৰু তাৰ উপভাষাসমূহ প্ৰাচীন অৰ্ধমাগধী আৰু ঢক্কী আদি কেতবোৰ উপভাষা।

১ দ্ৰষ্টব্য—পুথিৰ একাদশ অধ্যায় R Pischel Grammatik der Prakrit Sprachen W Geiger Pali Literature and Sprachen I J S Taraporewalla Elements of the Science of Language S M Katre Prakrit Languages and their Contribution to India Culture S K Chatterje Origin and Development of the Bengali Language S Sen Comparative Grammar of the Middle Indo Aryan

(৪) বৈয়াকৰণিকৰ প্ৰাকৃত (Prakrits illustrated by the grammarians) —সংস্কৃত নাটক আৰু প্ৰাকৃত কথা সাহিত্যত প্ৰয়োগ কৰা মাহাৰাষ্ট্ৰী শৌৰসেনী মাগধী পৈশাচী চুলিকা পৈশাচী আৰু অপভ্ৰংশ। প্ৰাকৃত ব্যাকৰণকাৰসকলে তেওঁলোকৰ ব্যাকৰণত উল্লেখ কৰি যোৱা ভাষাসমূহ।

(৫) বহিৰ্ভাৰতীয় প্ৰাকৃত (Extra Indian Prakrit)—খোটানত খৰোষ্ঠী লিপিত লিখিত প্ৰাকৃত ধম্মপদৰ কিছু অংশ আৰু মধ্য এচিয়াত আবিষ্কৃত নিয়া প্ৰাকৃত আৰু খোটানী প্ৰাকৃত।

(৬) অনুশাসনৰ প্ৰাকৃত (Inscriptional Prakrits)—মৌৰ্য্য অশোক আৰু তেওঁৰ পৰৱৰ্তীকালৰ ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপিত লিখিত শিলালিপি প্ৰস্তৰলেখ স্তম্ভলেখ আৰু গুহাৰ অনুশাসনৰ প্ৰাকৃত। এইবোৰ ঘাইকৈ ভাৰতবৰ্ষ আৰু সিংহলৰ নানা ঠাইত আবিষ্কৃত হৈছে।

(৭) কথ্য সংস্কৃত (Popular Sanskrit বা Buddhistic Prakrit)—বৌদ্ধ সংস্কৃত জৈনসংস্কৃত আৰু হিন্দু সংস্কৃত। ইয়াৰ মূলতে হল সংস্কৃতৰ প্ৰাকৃতায়ন (Prakritisation) আৰু প্ৰাকৃতৰ সংস্কৃতায়ন (Sanskitrisation)। হিন্দুৰ মহাকাব্য জৈনসকলৰ সংস্কৃত ৰচনা আৰু বৌদ্ধসকলৰ সংস্কৃত ৰচনাত পোৱা প্ৰাকৃত।

এই বিবিধ শ্ৰেণীৰ অন্তৰ্ভুক্ত মধ্যভাৰতীয় আৰ্যভাষাৰ সাহিত্যসমূহৰ ৰচনা কাল সাধাৰণভাৱে খৃ পূ ৬ অব্দৰপৰা খৃ ১১ অব্দলৈকে নিৰ্ণয় কৰা হয়। আধুনিক আৰ্যভাষাৰ বিকাশ খৃ ১ অব্দ বুলি ধৰা হয় সঁচা কিন্তু ইয়াৰ পিছতো মধ্যে ভাৰতীয় আৰ্যভাষা বিশেষকৈ অপভ্ৰংশ ভাষাত সাহিত্য ৰচিত হৈয়ে আছিল প্ৰায় খৃ ১৪ অব্দলৈকে। বিদ্যাপতিক সেইকালৰ কীৰ্তিমান কবি আখ্যা দিব পাৰি।

আনহাতে প্ৰাকৃত সাহিত্যৰাজিৰ ভাষাতাত্বিক বিশ্লেষণত সংস্কৃত সাহিত্যৰ দৰে কেইটামান বিশিষ্ট স্তৰ নিৰ্দেশিত হয়। কেৱল সাহিত্যালোচনাতেই কোনো এটা ভাষাৰ পূৰ্ণৰূপ পোৱা নাযায় তাৰ ভাষাগত তাৎপৰ্যোদঘাটনো দৰ্কাৰ। ওপৰোক্ত সাহিত্যসমূহৰ ভাষাতাত্বিক বিশ্লেষণত প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশত ঘাইকৈ তিনিটা স্তৰ পৰিলক্ষিত হয় আদি মধ্য আৰু অন্ত বা শেষ। ব্যাপক অৰ্থত লোৱা প্ৰাকৃতকেই সমালোচনাত এই তিনি স্তৰত ক্ৰমান্বয়ে পালি, প্ৰাকৃত আৰু অৰ্বাচীন প্ৰাকৃত বা অপভ্ৰংশৰূপে অভিহিত কৰা হয়। অপভ্ৰংশ স্তৰৰো একেবাৰে শেষ ছোৱাত অৱহট্‌ঠ ভাষা ৰূপে সম্প্ৰতি এটা স্তৰ নিৰ্দেশিত হৈছে।[১] এই খণ্ডত সন্নিবিষ্ট পৰৱৰ্তী অধ্যায়ত প্ৰাকৃত সাহিত্যসমূহ আৰু তাৰ ভাষাতত্বৰ সংক্ষিপ্ত সমাচাৰৰ অৱতাৰণা কৰা হৈছে। তদুপৰি এই খণ্ডত উদ্ধৃতিৰ সমাবেশ নকৰি নিৰ্ভৰযোগ্য গ্ৰন্থকাৰ আৰু গ্ৰন্থৰ নামহে পাদটীকাত উল্লেখ কৰা হৈছে অভিপ্ৰায় ছাত্ৰ-ছাত্ৰীৰ কৌতুহল উদ্দীপিত কৰা।

১ Subhadra Sen Proto Indo-Aryan

দ্বিতীয় অধ্যায়

প্ৰাকৃত সাহিত্য

প্ৰাকৃতক ব্যাপক গণ্ডীভুক্ত কৰি যি সাহিত্যিক নিদৰ্শনৰ সন্ধেদ দিয়া হ'ল তাৰ পৰ্যালোচনা কৰাৰ আগতে কৈ থোৱা ভাল যে এই আলোচনাত সাহিত্যিক মূল্যায়নৰ প্ৰতি মনোযোগ দিবলৈ নগৈ কেৱল তাৰ এটা সংক্ষিপ্ত পৰিচয় দিবলৈহে চেষ্টা কৰা হৈছে। বহল বৰ্ণনাৰ কাৰণে Winternitz অৰ বাহিৰেও ছাত্ৰ ছাত্ৰীসকলে নিজে কেই খনমান পুথি অধ্যয়ন কৰা বাঞ্ছনীয়।[১]

ধৰ্মমূলক সাহিত্য পালিভাষাত ৰচিত বৌদ্ধ গ্ৰন্থসমূহ অৰ্দ্ধমাগধীত ৰচিত প্ৰাচীনতম জৈনসূত্ৰসমূহ মাহাৰাষ্ট্ৰী শৌৰসেনী আৰু অপভ্ৰংশত ৰচিত কাহিনীমূলক ৰচনাসমূহ এইবিধ প্ৰাকৃত সাহিত্যৰ অন্তৰ্গত।

বৌদ্ধধৰ্মৰ প্ৰধান শাস্ত্ৰ **তিপিটক** (সং ত্ৰিপটক—three baskets) **ৱিনয়পিটক সুত্তপিটক** আৰু **অভিধম্মপিটক** এই তিনি ভাগত বিভক্ত।

ৱিনয়পিটক সুত্তৱিভঙ্গ খন্ধক পৰিবাৰ তিনিভাগত পূৰ্ণ। সুত্তৱিভঙ্গৰো মহাৱিভঙ্গ আৰু ভিক্খুনীৱিভঙ্গ দুটা শাখা আছে। খন্ধকৰো সেইদৰে মহাবগ্গ আৰু চুল্লবগ্গ দুটা শাখা আছে। উনৈছটা শাখাত বিভক্ত পৰিবাৰ অংশ সিংহলৰপৰা প্ৰচাৰিত হৈছিল। সুত্তপিটক পঞ্চনিকায় অৰ্থাৎ পাঁচটা খণ্ডত সম্পূৰ্ণ সিয়েই হ'ল দীগ্ঘনিকায় মজ্ঝিম নিকায় সংযুত্তনিকায় অঙ্গুত্তৰনিকায় আৰু খুদ্দনিকায়। ইয়াৰে প্ৰথমৰ চাৰিটা নিকায়ক একেলগে আগম বুলিও কয়। ধম্মপদ উদান ইতিবুত্তক সুত্তনিপাত বিমানবত্থু থেৰগাথা পেতবত্থ জাতক নিদ্দেস বুদ্ধবংস চৰিয়াপিটক আদি উক্ত খুদ্দনিকায়ৰে অন্তভুক্ত। সুত্তপিটকৰ পঞ্চনিকায়ৰ কথা চুল্লবগ্গতো পোৱা যায় কিন্তু অভিধৰ্ম্মপিটক সম্পৰ্কে চুল্লবগ্গ নিমাত। অভিধৰ্ম্মপিটক ধৰ্ম্মসঙ্গনি ৱিভঙ্গ কথাবত্থু পুগ্গলপঞ্ঞত্তি ধাতুকথা যমক আৰু মহাপট্ঠান এই সপ্তখণ্ডত সম্পূৰ্ণ। ইইতক একেলগে সত্তপকৰণ বা সপ্তপ্ৰকৰণ বুলিও কোৱা হয়।

প্ৰাচীনতম অশাস্ত্ৰীয় পালি সাহিত্যৰ ভিতৰত **মিলিন্দপঞ্ঞহ** বিশেষ উল্লেখযোগ্য। **দীপবংস**ও এই শ্ৰেণীৰ পুথি। এই কালৰ আন দুখনি লেখত

---

১ দ্ৰষ্টব্য—B C Law A History of Pali Literature Vol I & II H R Kapadia A Hisfory of the Cononical Literature of the Jainas A B Keith History of Sanskrit Literature Dey and Dasgupta History of Sanskrit Literature S Sen Bharatiya Sahityer Itihas (in Bg)

লেখনীয়া পুথি হ'ল **জাতকট্‌ঠকথা** আৰু **ধম্মপদট্‌ঠকথা**। বৌদ্ধধৰ্মৰ বুৰঞ্জী আলোচনাৰ বাবে **মহাবংস** শ্ৰেষ্ঠতম গ্ৰন্থ। **ধম্মকন্ধ ধাতুকীয় পঞ্‌ঞত্তিশাস্ত্ৰ** আদি মূলতে সংস্কৃতত ৰচিত হৈ পালিত অনূদিত হোৱা পুথি। সেইদৰে আন এখনি গুৰুত্বপূৰ্ণ পুথি **বৈপুল্লসুত্ত** ই প্ৰাকৃত আৰু সংস্কৃতৰ মিশ্ৰৰূপ দাঙি ধৰে। সম্ভৱত প্ৰাকৃতৰ প্ৰচলন হ্ৰাস হৈ অহাত আৰু সংস্কৃতৰ প্ৰসাৰ বৃদ্ধি হব ধৰা সময়ত কণিষ্কৰ দিনত প্ৰণীত এই পুথিৰ প্ৰাকৃতাংশ সংস্কৃতলৈ অনূদিত হয়। কণিষ্কৰ দিনতে নাগাৰ্জুনে বৌদ্ধমহাযান সম্প্ৰদায়ৰ গ্ৰন্থ **সুখাৱতীবূ্যহ** ৰচনা কৰে। ইয়াৰ পাছতো ধৰ্মশাস্ত্ৰৰ পৰিশিষ্ট হিচাপে প্ৰবাদমূলক ইতিহাসমূলক ধৰ্মমূলক নানা গ্ৰন্থ পালিভাষাত ৰচিত হৈছিল। সিবোৰৰ ভিতৰত **অনাগতবংস দীপবংস মহাবোধিবংস অদ্দকপপাৱদান অৱদানসতক জাতকমালা বোধিচয়্যাৱতাৰ** অশ্বঘোষৰ **বুদ্ধচৰিত** আদি প্ৰধান। পালিভাষা আৰু সাহিত্যৰ ক্ৰমবিকাশ আৰু ৰূপান্তৰ কালটো খৃ পূ ৬ ৰপৰা খৃ ১২ লৈকে বিস্তৃত। ক্ৰমবিকাশৰ এই ধাৰাটো আকৌ পাঁচটা স্তৰত বিভক্ত।

প্ৰথম স্তৰটো বুদ্ধদেৱৰ জীৱিত কালতেই সমাপ্ত এইটোক গাথাস্তৰ বুলিব পাৰি। সুত্তনিপাত থেৰ থেৰীগাথা আদি এই যুগৰ বিশেষ উল্লেখযোগ্য ৰচনা। এই যুগৰ গাথা আৰু কবিতাৰ বিশেষত্ব হ'ল সমৃদ্ধ বাগধাৰা (idiom) তেজাল প্ৰকাশভঙ্গী আৰু প্ৰয়োগৰীতিৰ প্ৰাচীনতা। দ্বিতীয় স্তৰৰ ৰচনাৰ ভিতৰত পৰে উদান ইতিবৃত্তক কিছুমান কথোপকথন আৰু কিছুমান সুত্ত। এই স্তৰৰ ৰচনা সৰল আৰু আগৰ তুলনাত শৃঙ্খলাবদ্ধ তথা সংস্কৃতীয়া। প্ৰথম বৌদ্ধমহামেলৰপৰা দ্বিতীয় বৌদ্ধমহামেললৈকে এই স্তৰৰ কাল নিৰূপিত হয়। দ্বিতীয় বৌদ্ধমহামেলৰপৰা তৃতীয় বৌদ্ধমহামেললৈকে কল্পিত হয় তৃতীয় স্তৰ। এই সময়তে পালি গদ্য আৰু কাব্যৰ পূৰ্ণ পৰিস্ফূৰণ হয় ভাষা আৰু প্ৰকাশভঙ্গীত ব্যঞ্জনা আৰু মাধুৰ্য বিদ্যমান। তদুপৰি এই স্তৰৰ প্ৰাকৃত কবিতাসমূহ ঘাইকৈ বৰ্ণনামূলক। **বুদ্ধবংস চৰ্যাপিটক অপদান** এই কালৰ ৰচনা। চতুৰ্থ স্তৰৰ আৰম্ভণ খৃষ্টীয় প্ৰথম শতিকাৰ পৰা। এই সময়ৰ সাহিত্য গদ্যপ্ৰধান ভাষাও অলঙ্কাৰবহুল আৰু সংস্কৃত প্ৰভাৱপূৰ্ণ। **মিলিন্দপঞ্‌হো** এই সময়ৰ কীৰ্তিস্তম্ভ স্বৰূপ। পঞ্চমস্তৰ খৃষ্টীয় চতুৰ্থ শতিকাৰ শেষভাগৰপৰা দ্বাদশ শতিকালৈকে বিস্তৃত। বিবিধ ভাষ্য অত্থকথা ঘটনাৱলীৰ সঙ্কলন সাৰগ্ৰন্থ আদি এই কালৰ প্ৰধান সাহিত্য। সহজ সৰল ৰচনাভঙ্গী এই স্তৰৰ পালি সাহিত্যৰ প্ৰথম প্ৰধান বিশেষত্ব। পালিভাষাত ৰচিত বিবিধ গ্ৰন্থৰাজিৰ অধিকাংশই ভাৰতৰ বাহিৰত যেনে তিব্বত নেপাল চীন শ্যাম ব্ৰহ্মদেশ সিংহল আদি দেশত সংৰক্ষিতাৱস্থাত আছে। পালি পণ্ডিতসকলৰ মতে পালি

সাহিত্যত বাস্তৱধৰ্মিতা চমৎকাৰ শব্দ যোজনা আৰু প্ৰকাশভঙ্গীৰ নিৰলংকাৰ আভিজাত্য—এই তিনিটা মহৎগুণৰ সমাবেশ ঘটিছে।

প্ৰাচীন জৈন সূত্ৰসমূহৰ ভাষা অৰ্দ্ধমাগধী।[১] শ্বেতাম্বৰী জৈনীসকলৰ পুথিসমূহ নিম্নলিখিত ছভাগত বিভক্ত। (১) **দ্বাদশ অঙ্গ**—আয়াৰ সূয়গদ ঠাণ সমবায় বিয়াহপণ্ণত্তি নায়ধম্মকহাও উৱাসগদসাও অন্তগড়দসাও অনুত্তৰোৱৱাইঅদসাও পণ্হাবাগৰণাইম্ বিৱাগসুয় আৰু দিট্‌ঠিৱায়। (২) **দ্বাদশউৱঙ্গ**—উৱৱাইয়, ৰায়পসেণইজ্জ জীৱাভিগম পণ্ণৱণা সূৰপণ্ণত্তি জম্বুদ্দিৱপণ্ণত্তি চন্দপণ্ণত্তি নিৰয়াৱলিয়াও কপ্পৱড়িংসিয়াও পুপ্ফিয়াও পুপ্ফচূলাও আৰু ৱণ্হিদসাও। (৩) **দস পইণ্ণ**—চউসৰণ ভত্তপৰিণ্ণা স থাৰ আউৰপচ্চক্খাণ মহাপচ্চক্খাণ চন্দাৱিজ্ঝয় গণিৱিজ্জা ত তুলৱেয়ালিয় দেৱিন্দথায় আৰু বিৰথয়। (৪) **ছেঅসুত্ত**—আয়াৰদসাও কপ্প ৱৱহাৰ নিসীহ মহানিসীহ আৰু পঞ্চকপ্প। (৫) **ব্যক্তিগত গ্ৰন্থ**—নন্দী আৰু অনুত্তগদাৰা। (৬) **মূলসুত্ত**—উত্তৰজ্ঝায়া বা উত্তৰজ্ঝায়ণ দসৱেয়ালিয় আৱস্‌সনিজ্জুত্তি আৰু চনিজ্জুত্তি।

জৈন সাহিত্যিকসকলৰ ভিতৰত মহাবীৰৰ শিষ্য ভদ্ৰবাহু আৰু স্থূলবাহু সৰ্বাগ্ৰণী। ভদ্ৰবাহুৰ **পিংদনিজ্জুত্তি** আৰু **ওঘনিজ্জুত্তি** আৰু সেজ্জম্ভৱৰ **দসৱেয়ালিয়** লেখত লব লগীয়া ৰচনা।

জৈন মাহাৰাষ্ট্ৰী আছিল অশাস্ত্ৰীয় ৰচনাৰ প্ৰধান ভাষা। বিমলসূৰিৰ **পউমচৰিয়** সজ্ঘদাসৰ **ৱসুদেৱহিণ্ডী** হৰিভদ্ৰৰ **সমৰাইচ্চকহা** ধৰ্মদাসৰ **উৱএসমালা** জৈনমাহাৰাষ্ট্ৰীত প্ৰণীত এই কালৰ উল্লেখযোগ্য পুথি। সমৰাইচ্চকহাৰ গদ্যাংশত শৌৰসেনী প্ৰভাৱ লক্ষ্য কৰিব লগীয়া।

জৈন শৌৰসেনীত ৰচিত ধৰ্মপুথিৰ ভিতৰত কুন্দকুন্দৰ **পৱয়ণসাৰ** প্ৰাচীনতম গ্ৰন্থ। ৱট্টকেৰাচাৰ্যৰ **মূলাচাৰ** কাৰ্তিকেয়স্বামিনৰ **কত্তিকেয়াণুপেক্‌খা** কুন্দকুন্দৰ **ছপ পাহুড সময়সাৰ** আৰু **পঞ্চত্থিকায়** শ্ৰেষ্ঠ গ্ৰন্থ।

অপভ্ৰংশ ভাষাত ধৰ্মপুথি ৰচনা কৰিবলৈ লৈছিল দিগম্বৰী জৈনীসকলে। **ভৱিসত্তকহা সনৎকুমাৰচৰিতম্** জোইন্দৰ **পৰমপ্পয়াস** পুষ্পদন্তৰ **মহাপুৰাণ জসহৰচৰিউ নায়কুমাৰচৰিউ** আৰু কণকামৰৰ **কৰকণ্ডচৰিউ** অপভ্ৰংশত প্ৰণীত শাস্ত্ৰীয় পুথি। হেমচন্দ্ৰৰ **কুমাৰপাল প্ৰতিবোধে** সংস্কৃত আৰু অপভ্ৰংশৰ মিশ্ৰৰূপ দাঙি ধৰে। লক্ষ্মণগণীৰ **সুপাহণাচৰিয়ম্** শ্ৰীচন্দ্ৰৰ **কথাকোশ** হেমবিজয়ৰ **কথাৰত্নাকৰ** অপভ্ৰংশত ৰচিত উল্লেখযোগ্য পুথি।

১ দ্ৰষ্টব্য—পুথিৰ একাদশ অধ্যায় A M Ghatage Introduction to Ardhamagadhi

পূৰ্ব ভাৰততো অপভ্ৰংশত বৌদ্ধসিদ্ধাচাৰ্যসকলে সাহিত্য প্ৰণয়নৰ প্ৰয়াস কৰিছিল কাণ্হ আৰু সৰহৰ **দোহাকোষ** তাৰেই সাক্ষ্য। বিনীতদেৱৰ মতে বৌদ্ধধৰ্মৰ সম্মিতীয় সম্প্ৰদায়ে অপভ্ৰংশ মহাসাংঘিক সম্প্ৰদায়ে প্ৰাকৃত আৰু স্থবিৰবাদী সম্প্ৰদায়ে পৈশাচী প্ৰাকৃতকেই পুথি প্ৰণয়নৰ ভাষাৰূপে লৈছিল।

সাহিত্যিক প্ৰাকৃত দণ্ডীয়ে সৰ্বোৎকৃষ্ট প্ৰাকৃতৰূপে মন্তব্য দি যোৱা মহাৰাষ্ট্ৰী প্ৰাকৃতৰ বিষয়ে প্ৰায়বিলাক ব্যাকৰণতে আলোচনা পোৱা যায়। এই ভাষাত ৰচিত হালৰ **সত্তসঈ** আৰু জয়বল্লভৰ **বজ্জালগ্গ** উল্লেখযোগ্য গীতিকাব্য। লোক সাহিত্যৰ পূৰ্ণ প্ৰভাৱযুক্ত বিভিন্ন ছয় প্ৰকাৰ পাঠ প্ৰণালীৰ কাৰণে ইয়াক কোষকাব্য (anthology) বুলি কোৱা হয়। প্ৰৱৰসেনৰ **ৰাৱণবহো** বা **দহমুহবহো** বা **সেতুবন্ধ** আৰু বপ্পইৰাঅৰ **গউড়বহো** আন দুখন মহাকাব্য। দণ্ডীৰ **কাব্যাদৰ্শত** প্ৰৱৰসেনৰ উল্লেখে বাণভট্টই **হৰ্ষচৰিতত** প্ৰৱৰসেনক উচ্চ প্ৰসংশা কৰা কথাৰে স্বীকৃতি দিয়ে। আনন্দবৰ্ধনৰ **ধ্বন্যালোকত** বপ্পইৰাঅ প্ৰণীত **মহুমহবিজ্জ** আন এখন কাব্যৰ উল্লেখ পোৱা যায়। শৌৰসেনী আৰু মাগধীতো কাব্য প্ৰণয়নৰ অনুমান কৰা হয় যদিও নিদৰ্শনৰ অভাৱ। আনহাতে পৈশাচীত প্ৰণীত গুণাঢ্যৰ **বৃহৎকথা** প্ৰসিদ্ধ কাব্য ক্ষেমেন্দ্ৰৰ **বৃহৎকথামঞ্জৰী** বুধস্বামীৰ **বৃহৎকথাশ্লোকসংগ্ৰহ** আৰু সোমদেৱৰ **কথাসৰিৎসাগৰ** এই কাব্যৰে তিনিটা সংস্কৃতৰূপ। জয়কীৰ্তিৰ **সীলোৱএসমালা** আৰু হৰিচন্দ্ৰৰ **উপদেশপদ** আন দুখন প্ৰাকৃত শ্লোকৰ পুথি। মুনিচন্দ্ৰ সূৰিৰ **গাথাকোশ** নীতিশ্লোকৰ সংগ্ৰহ। সময়সুন্দৰৰ **গাথাসহস্ৰীৰ** দৰে **ভাৱবৈৰাগ্যশতক** আন এখন নীতিশ্লোকসংগ্ৰহ। অজ্ঞাত লিখকৰ বিখ্যাত পুথি **কালকাচাৰ্যকথানক** গদ্য আৰু পদ্য মিশ্ৰিত পুথি। সোমচন্দ্ৰৰ **কথামহোদধি** প্ৰকৃত আৰু সংস্কৃত মিশ্ৰভাষাত ৰচিত পুথি। হেমচন্দ্ৰ বিজয়ৰ **কথাৰত্নাকৰ** নামৰ আখ্যান প্ৰাকৃত পুথিখনো সংস্কৃত প্ৰাকৃত মিশ্ৰভাষাত ৰচিত। ইয়াৰ গদ্যাংশৰ অধিকাংশৰ ভাষা সংস্কৃত আৰু কাব্যাংশ সংস্কৃত মাহাৰাষ্ট্ৰী প্ৰাকৃত অপভ্ৰংশ আৰু প্ৰাচীন হিন্দী প্ৰাচীন গুজৰাটী ভাষাত সম্পূৰ্ণ। হেমচন্দ্ৰ আৰু পৰৱৰ্তী ব্যাকৰণকাৰ সকলে উদ্ধৃত কৰা অপভ্ৰংশত ৰচিত গাথাৰ নিচেই তাকৰাংশহে ধৰ্মমূলক। বিখ্যাত দূতকাব্যৰ অনুকৰণত প্ৰণীত জনৈক আব্দুৰ ৰহমাণৰ (অপ অদ্দহমাণ) নামত **সন্দেশৰাসক** (সন্দেহৰাসয়) কাব্যৰ ভাষা অৰ্বাচীন অপভ্ৰংশ। ই এখনি উৎকৃষ্ট প্ৰেমময় দূত কাব্য। ভাব আৰু ভাষাৰ কোমলতা এই কাব্যৰ বিশেষত্ব।

নাটকীয় প্ৰাকৃত নাটকীয় প্ৰাকৃতৰ প্ৰধান ভাষা মাহাৰাষ্ট্ৰী শৌৰসেনী আৰু অৰ্ধমাগধী। সংস্কৃত নাটকত নাৰীৰ গদ্যৰ সংলাপত শৌৰসেনী আৰু গানত মাহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহৃত হৈ আহিছে। সংস্কৃত নাটকত মাগধী প্ৰাকৃতৰ ব্যৱহাৰো

নোহোৱা নহয় কিন্তু তাৰ সংৰক্ষণত প্ৰচুৰ অৱহেলা পৰিলক্ষিত হয়। অশ্বঘোষে সংস্কৃতৰ লগত প্ৰাকৃতৰ ব্যাপক ব্যৱহাৰৰ কথা ঘোষণা কৰি গৈছে। বিভিন্ন প্ৰাকৃতৰ সমাৱেশ কৰা শূদ্ৰকৰ **মৃচ্ছকটিক** সৰ্বোৎকৃষ্ট নাটক। ইয়াত মাগধীৰ অন্তৰ্গত **শাকাৰী চাণ্ডালী** আদি উপভাষাৰ প্ৰয়োগ দেখা যায়। মৃচ্ছকটিকত বিদূষকৰ ভাষা **প্ৰাচ্যা** বীৰকৰ ভাষা **আৱন্তী** চন্দনকৰ ভাষা **দাক্ষিণাত্য** আৰু মাথুৰৰ ভাষা **ঢক্কী**। কালিদাসৰ **বিক্ৰমোৰ্বশীৰ** ভালেমান গান অপভ্ৰংশত ৰচিত।

প্ৰাকৃত নাটকৰ সংখ্যা নিচেই কম। ৰাজশেখৰৰ **কৰ্পূৰমঞ্জৰীয়েই** সৰ্বপ্ৰধান। ই দৰাচলতে এখনি সট্টক হে ইয়াৰ ভাষাসম্বন্ধে মতভেদ আছে কোনোৰ মতে আৱন্তী কোনোৰ মতে শৌৰসেনী আৰু কোনোৰ মতে শৌৰসেনী মাহাৰাষ্ট্ৰীৰ মিশ্ৰিত ৰূপ। এই ক্ষেত্ৰত Sten Konowৰ মন্তব্য মন কৰিব লগীয়া।[১] আকবৰৰ শাসনকালত জনৈক অজ্ঞাত জৈন কবি ৰচিত **নয়সুন্দৰী** নামৰ এখন সট্টক জাতীয় নাটক পোৱা যায়। নাটকীয় প্ৰাকৃতৰ বিভিন্ন নিদৰ্শনসমূহ খৃষ্টীয় প্ৰথম শতিকাৰপৰা পঞ্চদশ শতিকাৰ ভিতৰত ৰচিত।

বৈয়াকৰণিকৰ প্ৰাকৃত প্ৰাকৃত ব্যাকৰণকাৰসকলৰ ভিতৰত ৱৰৰুচিয়েই সৰ্বপ্ৰাচীন কিন্তু তাৰো আগতে ভৰতৰ **নাট্যশাস্ত্ৰত** প্ৰাকৃত ব্যাকৰণৰ সংক্ষিপ্ত সমাচাৰ পোৱা যায়। পাণিনিৰ নামত পোৱা **প্ৰাকৃতলক্ষণ** ৱৰৰুচিৰ আগৰ ব্যাকৰণ পিছে এই পাণিনি সম্পৰ্কে মতভেদ আছে। ৱৰৰুচিৰ **প্ৰাকৃতপ্ৰকাশ** সৰ্বপ্ৰাচীন আৰু নিৰ্ভৰযোগ্য প্ৰাকৃত ব্যাকৰণ। প্ৰাকৃত লক্ষণত মাহাৰাষ্ট্ৰী অৰ্ধমাগধী জৈনমাহাৰাষ্ট্ৰী আৰু জৈনশৌৰসেনীৰ ব্যাকৰণৰীতিৰ বৰ্ণনা আছে। হেমচন্দ্ৰৰ সংস্কৃতত প্ৰণীত **সিদ্ধহেমচন্দ্ৰ শব্দানুশাসনৰ** শেষৰ অধ্যায়টো প্ৰাকৃত ব্যাকৰণ বিষয়ক। প্ৰাকৃত লক্ষণত উল্লেখ কৰা প্ৰাকৃতৰ বাহিৰেও হেমচন্দ্ৰই চুলিকা পৈশাচী অপভ্ৰংশ আৰু আৰ্য আন তিনিবিধ প্ৰাকৃতৰ বৰ্ণনা দিছে। ৰমন্তৰাজৰ **প্ৰাকৃত সঞ্জীৱনী** সদানন্দৰ **প্ৰাকৃত সুবোধিনী** পুৰুষোত্তমৰ **প্ৰাকৃতানুশাসন** আৰু ৰামশৰ্মন তৰ্কবাগীশৰ **প্ৰাকৃতকল্পতৰু** আন চাৰিখন প্ৰাকৃত ব্যাকৰণবিষয়ক পুথি। নাৰায়ণ বিদ্যাবিনোদৰ **প্ৰাকৃতপাদ** ক্ৰমদীশ্বৰৰ **সংক্ষিপ্তসাৰৰ** ভিত্তিত প্ৰণীত প্ৰাকৃত ব্যাকৰণ। এওঁলোকে হেমচন্দ্ৰই বৰ্ণনা কৰা প্ৰাকৃতবোৰেই ব্যাকৰণ ৰীতি সম্পৰ্কে আলোচনা কৰি গৈছে। মাৰ্কণ্ডেয় কবীন্দ্ৰই **প্ৰাকৃত সৰ্বস্বত** পোন প্ৰথমে ষোল্ল প্ৰকাৰ প্ৰাকৃতৰ উল্লেখ কৰে। তেওঁৰ মতে প্ৰাকৃত মূলত চাৰি প্ৰকাৰ—ভাষা

১ দ্ৰষ্টব্য—Sten Konow & C R Lanman সম্পাদিত Rajaśekhara s Karpura Manjar 1963

বিভাষা অপভ্ৰংশ আৰু পৈশাচ। মাহাৰাষ্ট্ৰী শৌৰসেনী, প্ৰাচ্যা আৱন্তী মাগধী (অৰ্ধমাগধী ভিন্ন) দাক্ষিণাত্য বাহ্লীকী উক্ত ভাষাৰ অন্তৰ্গত শাকাৰী চাণ্ডালী শাবৰী আভীৰিকী শাক্কী (ঢক্কী আৰু দ্ৰাবিড়ী ভিন্ন) বিভাষাৰ অন্তৰ্গত। তেওঁৰ মতে অপভ্ৰংশও সাতাই প্ৰকাৰ– তাৰ ভিতৰত নাগৰ ব্ৰাচড় আৰু উপনাগৰ প্ৰধান। কৈকেয় শৌৰসেন আৰু পাঞ্চাল পৈশাচৰ কথাও তেওঁ উল্লেখ কৰি গৈছে।

হেমচন্দ্ৰৰ অনুকৰণত ত্ৰিবিক্ৰমদেৱে **প্ৰাকৃতব্যাকৰণ** (বৃত্তি) প্ৰণয়ন কৰে সেই একে পৰ্যায়ভুক্ত সিংহৰাজৰ **প্ৰাকৃতৰূপাৱতাৰ** আৰু লক্ষ্মীধৰৰ **ষড়্ভাষা চন্দ্ৰিকা** উল্লেখযোগ্য ব্যাকৰণ। অপ্পয়দীক্ষিতৰ **প্ৰাকৃত মণিদীপ** আৰু শুভচন্দ্ৰৰ **শব্দচিন্তামণি** আন দুখন উল্লেখযোগ্য ব্যাকৰণ। অজ্ঞাত বাৰণ প্ৰণীত **প্ৰাকৃতকামধেনু** বা **প্ৰাকৃতলংকেশ্বৰ** আৰু কৃষ্ণপণ্ডিতৰ **প্ৰাকৃতচন্দ্ৰিকাৰ** সন্ধান পোৱা গৈছে।

এইবোৰৰ বাহিৰেও আৰু কেবাখনো প্ৰাকৃত ব্যাকৰণ পোৱা যায়। সেইবোৰৰ ভিতৰত সমন্তভদ্ৰৰ **প্ৰাকৃতব্যাকৰণ** নৰচন্দ্ৰৰ **প্ৰাকৃত প্ৰবোধ** বামনাচাৰ্যৰ **প্ৰাকৃত চন্দ্ৰিকা** ৰঘুনাথ শৰ্মাৰ **প্ৰাকৃতানন্দ** নৰসিংহৰ **প্ৰাকৃত প্ৰদীপিকা** ভামকবিৰ **ষড়্ভাষা চন্দ্ৰিকা** শ্ৰুতসাগৰৰ **ঔদাৰ্যচিন্তামণি** ভোজৰ **প্ৰাকৃত ব্যাকৰণ** উল্লেখযোগ্য।

প্ৰাকৃত শব্দসমূহৰ অধ্যয়নৰ কাৰণে হেমচন্দ্ৰৰ **দেশীনামমালা** আৰু ধনপালৰ **পাইয়লচ্ছীনামমালা** উল্লেখযোগ্য গ্ৰন্থ।

বহিৰ্ভাৰতীয় প্ৰাকৃত ফৰাচী পৰিব্ৰাজক M Dutreuil De Rhine য়ে ১৮৯২ খৃষ্টাব্দত খোটানৰ গোশৃঙ্গ পৰ্বতৰ কোহমাৰি গুহাৰপৰা **খৰোষ্ঠী** বা **প্ৰাকৃতধম্মপদ** আৱিষ্কাৰ কৰে। এইবোৰ Dutreuil De Rhine Manuscript ৰূপে পেৰিচত সংৰক্ষিত হৈছে। কচ পণ্ডিত ওল্ডেনবুৰ্গে ফৰাচী পণ্ডিত এমিল ছেনাৰ্টৰ দৃষ্টি গোচৰ কৰাত তেওঁ তাৰে এটা সংগ্ৰহ সম্পাদনা কৰি উলিয়ায়। কলিকতা বিশ্ববিদ্যালয়ৰ এচ মিত্ৰ আৰু বি এম বৰুৱাই ইয়াৰ সৰ্বাধুনিক সংস্কৰণ উলিয়ায়। জে ব্লকে ইয়াৰ ভাষা মূলতে উত্তৰ পশ্চিমা প্ৰাকৃত বুলি মন্তব্য কৰে। ছাৰ অৰেল ষ্টেইনে চীনা তুৰ্কীস্থানৰপৰা ভালেমান খৰোষ্ঠী প্ৰত্নলেখ আৱিষ্কাৰ কৰে। খোটানৰ "নিয়া অঞ্চলত পোৱা বাবে এইবোৰৰ ভাষাক **নিয়া প্ৰাকৃত**[১] বুলি অভিহিত কৰে। পেছোৱা অঞ্চলৰ প্ৰাকৃতৰ লগত নিয়া প্ৰাকৃতৰ সাদৃশ্য মন কৰিব

১ দ্ৰষ্টব্য—S Sen Comparative Grammar of Middle Indo Aryan pp 11 13

লগীয়া। সম্ভৱত এই খৰোষ্ঠী অনুশাসনসমূহ আৰু ধৰ্মপদৰ প্ৰাকৃত সংস্কৰণ উত্তৰ পশ্চিম ভাৰতবৰ্ষৰ পৰা খোটানলৈ নিয়া হৈছিল।

অনুশাসনৰ প্ৰাকৃত বিভিন্ন অনুশাসনসমূহ মৌৰ্য অশোকৰ দিনত ৰচিত। থূলমূলকৈ এইবোৰ ছভাগত বিভক্ত বৃহৎ আৰু ক্ষুদ্ৰ শিলালিপি বৃহৎ আৰু ক্ষুদ্ৰ প্ৰস্তৰলেখ স্তম্ভলেখ আৰু গুহাৰ অনুশাসন। অঞ্চলানুসাৰে তথা ভাষাৰ ফালৰপৰা ইইতক চাৰি শ্ৰেণীত ভাগ কৰিব পাৰি উত্তৰ পশ্চিমা পূৰ্বী পশ্চিমা আৰু দক্ষিণা। উত্তৰ পশ্চিমাসমূহৰ লিপি খৰোষ্ঠী আনবোৰৰ লিপি ব্ৰাহ্মী। অশোকৰ এই প্ৰস্তৰলেখসমূহে ভাৰতীয় গদ্য সাহিত্যৰ ইতিহাসত কিছু পৰিমাণে আলোকপাত কৰে। ছাহবাজগড়ী মানছেহৰা গিৰ্ণাৰ কালসী ধউলী আদিৰ বিভিন্ন প্ৰস্তৰলেখসমূহ উল্লেখযোগ্য অশোকৰ পৰৱৰ্তীকালৰ খাৰবেলৰ অনুশাসনসমূহ উল্লেখযোগ্য। উদয়গিৰিৰ হাতীগুম্ফা শিলালিপিয়ে খাৰবেলৰ ৰাজত্বকালৰ সংক্ষিপ্ত পৰিচয় দিয়ে। ৰামগড়ৰ জোগীমাৰা গুহালেখ আৰু বোধপুৰৰ ঘটয়ালৰ ওচৰত পোৱা প্ৰস্তৰলেখ মন কৰিব লগীয়া।

এই কালৰ ভাষা সাহিত্য অধ্যয়নত সমসাময়িক মুদ্ৰাৰ অধ্যয়ন অপৰিহাৰ্য। মুদ্ৰাসমূহ খোদিত আৰু অনাখোদিত দুই শ্ৰেণীত বিভক্ত। মুদ্ৰালেখত প্ৰাকৃত কাহিনী (legend) বো উল্লেখ পোৱা যায়।

কথ্য সংস্কৃত এইবিধ সংস্কৃত শিষ্ট সম্মত সংস্কৃতবেই প্ৰাকৃত মিশ্ৰিত অশিষ্ট ৰূপ। প্ৰাকৃত উপাদান প্ৰচুৰ কাৰণে ইয়াক Popular Sanskrit Dialects ৰূপে অভিহিত কৰা হয়। ই প্ৰধানকৈ তিনিভাগত বিভক্ত বৌদ্ধসংস্কৃত জৈনসংস্কৃত আৰু হিন্দুসংস্কৃত। বৌদ্ধসংস্কৃতত ৰচিত **সদ্ধৰ্মপুণ্ডৰীক ললিতবিস্তৰ জাতকমালা** আৰু **অৱদানশতক** উল্লেখযোগ্য অৱদান। এইবোৰৰ ভাষা সংস্কৃতমিশ্ৰ প্ৰাকৃত। মাৰ্কিন পণ্ডিত ফ্ৰেংকলিন এড গাৰটনে এই ভাষাক Buddhistic Hybrid Sanskrit ৰূপে অভিহিত কৰিছে।[১] জে নোবেল সম্পাদিত **সুৱৰ্ণভাসোত্তমাসূত্ৰত** ইয়াৰ সৰ্বাধুনিক পাঠ সন্নিবিষ্ট হৈছে। Popular Jain Sanskrit সম্পৰ্কে পোন প্ৰথমে আলোচনা কৰে অধ্যাপক এম ব্লুমফিল্ডে। ড এ এন উপাধ্যে **বৰাঙ্গচৰিতৰ** ভূমিকাত আৰু মুলকৰাজ জৈনে **চিত্ৰসেন পদ্মাৱতী চৰিত্ৰৰ** ভূমিকাত মধ্য ভাৰতীয় আৰ্যভাষাৰ এই উপভাষাৰ বিষয়ে আলোচনা কৰে। আনহাতে হিন্দুৰ

১ দ্ৰষ্টব্য—F Edgerton Buddhistic Hybrid Sanskrit S Sen History and Pre History of Sanskrit Comparative Grammar of Middle Indo-Aryan pp 18-19 S M Katre Prakrit Languages and their Contribution to Indian Culture pp 40

মহাকাব্য রামায়ণ পুরাণ আদিয়েই Popular Sanskrit অর সন্ধেদ দিয়ে। মহাকাব্যর ব্যাকরণ অধ্যয়ন করিলে সংস্কৃত ব্যাকরণ অসিদ্ধ ভালেমান বৈশিষ্ট্য বা উপাদান পোরা যায় এনেকুরা ধরণর উপাদান বা বিশেষত্বসমূহে সেই Popular Sanskrit অরেই সন্ধেদ দিয়ে।

মধ্য ভারতীয় আর্যভাষাসমূহর থূলমূল আলোচনার কারণে ওপরোক্ত সাহিত্য তথা অধুনাপ্রাপ্ত সাহিত্যিক রচনারাজিয়েই প্রধান অরলম্বন। এই কালর ভালেমান রচনা আজিও অনাবিষ্কৃত অবস্থাত থকার প্রমাণ আছে।

তৃতীয় অধ্যায়

প্ৰাকৃত ভাষা

মধ্য ভাৰতীয় আৰ্য ভাষাকে সাধাৰণ ভাৱে প্ৰাকৃত আখ্যা দিয়া হয় কিন্তু প্ৰাকৃতৰ প্ৰাচীনতা সম্পৰ্কে বিচাৰ কৰিবলৈ হলে আমি পশ্চাৎ মূখী গতি কৰি বৈদিক যুগলৈ আগুৰাই যাবলৈ বাধ্য হও। বৈদিক মন্ত্ৰ আদি ৰচিত হোৱা কালতে এটা লৌকিক ভাষাৰ অস্তিত্ব আছিল আৰু সে বৈদিক যুগৰ ৰচনাত নানা বস্তুবাচক শব্দাদি বহু উপাদান পোৱা যায় যিবোৰ ভাষাতাত্ত্বিক বিচাৰত প্ৰাকৃত ৰূপে প্ৰমাণিত। বুদ্ধদেৱে তেওঁৰ ধৰ্মীয় মতবাদ প্ৰ াৰ কৰিছিল সৰ্বসাধাৰণৰ সহজবোধ্য লৌকিক ভাষাত খৃ পূ৮ ৫ ৪ অব্দত স গৃহীত বৌদ্ধ গ্ৰন্থৰ ভাষা মাগধী বুলিও পণ্ডিতসকলে কব খোজে।[1] পতঞ্জলিয়ে অৱশ্যে স স্কৃতকেই সেই সময়ৰ কথ্য ভাষা বুলি মন্তব্য দি গৈছে কিন্তু সেই স স্কৃত আছিল সমাজৰ সুৰুচি সম্পন্ন অৰ্থি জাত শ্ৰেণীৰ দৈনন্দিন জীৱনৰ ভাষা। আনহাতে সৰ্বসাধাৰণৰ কথিত ভাষা এই লৌকিক বা কথ্য স স্কৃততকৈ কিছু সৰল আছিল আৰু তাকেই প্ৰাকৃত বোলা হৈছিল। স স্কৃত নাটকত সাধাৰণ শ্ৰেণীৰ লোকৰ মুখত এই পাকৃত আৰু উচ্চ শ্ৰেণীৰ লোকৰ মুখত স স্কৃত ভাষা প্ৰয়োগ কৰা হৈছিল। ভৰতৰ নাট্য শাস্ত্ৰয়ো স স্কৃত আৰু প্ৰাকৃতক মূলতে একেটা ভাষাৰে দুটা শাখা ৰূপহে পৰিচয় দিয়ে প্ৰাকৃত ৰূপে পৰিচিত প্ৰাচীনতম নিদৰ্শনৰ ধ্বনিতত্বাদিৰ যি ৰূপ পোৱা যায় সেইবোৰ সহজে স স্কৃতলৈ অনুবাদ কৰিব পাৰি দৰাচলতে সেই বোৰক সংস্কৃতৰেই অনুৰূপ বুলিব পাৰি। ভাৰতীয় বৈয়াকৰণসকলৰ মতে প্ৰকৃতি ৰপৰা প্ৰাকৃতৰ উৎপত্তি ইয়াৰ অৰ্থ হ ল মূল আকাৰ অৰ্থাৎ স স্কৃত।

আন এদল পণ্ডি ত প্ৰাকৃতকে সকলো শ্ৰেণীৰ লোকৰ কথ্যভাষা বুলি কব খোজে। তেওঁলোকৰ মতে সংস্কৃত কোনোদিনেই কথ্য বা লৌকিক ভাষা নাছিল। কিন্তু স স্কৃত এটা জীৱন্ত ভাষা সমাজৰ এক বৃহৎ অ শৰ কথিত ভাষা বা lingua franca যে স স্কৃত আছিল তাৰো প্ৰমাণ আছে।

যাস্ক আৰু পাণিনিয়ে সেই কথ্য সংস্কৃতকে ভাষা ৰূপে[2] অভিহিত কৰাৰ উপৰিও ভাৰতবৰ্ষৰ উত্তৰাঞ্চল আৰু পূৰ্বাঞ্চলৰ ভাষা ৰ বিশেষত্ব সম্পৰ্কেও আলোচনা কৰি গৈছে। কাত্যায়নে যিদৰে এই ভাষাৰ আঞ্চলিক পাৰ্থক্য বিচাৰ কৰি গৈছে পতঞ্জলিয়ে

---

১ R G Bhand rkar Wilson Philological Lectures (Lacture III)

২ নিৰুক্ত ১ ৪ ৫ অষ্টাধ্যায়ী ৩ ৪ ।

সেইদৰে বিভিন্ন প্ৰদেশত প্ৰচলিত ভাষাৰ শব্দ বাজি স গ্ৰহ কৰি গৈছে আৰু সেই বাবেই তেওঁ দ্বিধাহীন ভাৱে মন্তব্য দিব পাৰিছে যে স স্কৃত ভাষাৰ শব্দ সমূহ সৰ্বসাধাৰণৰ জীৱনৰ লগত স শ্লিষ্ট। এইদৰে স স্কৃত যে এটা জীৱন্ত ভাষা আছিল তাৰ বহু প্ৰমাণ পোৱা যায়। পিছে এই স স্কৃত সমাজৰ সকলো শ্ৰেণীৰ লোকৰে মাতৃ ভাষা আছিল নে? পতঞ্জলিয়ে স স্কৃতক শিষ্ট ব্ৰাহ্মণৰ পৰা শুনি শুনি আয়ত্ত কৰা ভাষা বুলিহে কৈছে। সেই সকল ব্ৰাহ্মণে জানো কোনো শিক্ষা নোলোৱাকৈয়ে এই ভাষাত ব্যুৎপত্তি লাভ কৰিব পাৰিছিল? দ্বিজ বৰ্ণৰ লোকৰ কথ্যভাষা আছিল স স্কৃত। আকৌ কচিবান লোকৰ প্ৰদেশ বিশেষৰ ভাষা আৰু স স্কৃত দুয়োটা ভাষাতে সমান দখল থকা কথাৰো প্ৰমাণ আছে। চীনা পৰিব্ৰাজক হিউৱেন চাঙেও চৰকাৰী ভাষা স স্কৃত আন কোনো প্ৰাদেশিক উপভাষা নহয় বোলা কথাষাৰো এই প্ৰসঙ্গত উল্লেখযোগ্য। অৱশ্যে এওঁৰ কাল খৃ ৭ম শতিকা। এইবোৰৰ পৰা সহজে অনুমান কৰিব পাৰি যে মূলতে সৰ্বসাধাৰণৰ কথ্য স স্কৃত ভাষা ৰূপে যি পৰিচয় দিছিল পৰৱৰ্তী কালত সেই পৰিচয় লোপ পালে আৰু স স্কৃত সমাজৰ এটা বিশেষ শ্ৰেণীৰ ভাষা ৰূপে ঠন ধৰি উঠিল। এইদৰে কথ্য স স্কৃত আৰু লিখিত বা শিষ্ট সম্মত স স্কৃত দুটা ভাগৰ সৃষ্টি হ'ল এই কথ্য স স্কৃতই বিভিন্ন প্ৰদেশত নানা আঞ্চলিক ৰূপ পৰিগ্ৰহ কৰি প্ৰাকৃত নাম লৈ মূৰ তুলি উঠিল।

শিক্ষিত শ্ৰেণীৰ কথ্যভাষা সংস্কৃত সমাজৰ বৃহত্তৰ শ্ৰেণীৰ বোধগম্য আছিল। স স্কৃত নাটকত প্ৰয়োগ কৰা স স্কৃত আৰু প্ৰাকৃত ভাষাত বাক্যালাপ কৰি কোনো নায়ক নায়িকা আহুকালত পৰা নাই। সাধাৰণ শ্ৰেণীৰ লোক হৈয়ো সন্ন্যাসী আৰু গণিকা সকলে ঠাই বিশেষে স স্কৃতত কথা কৈছে আনহাতে ব্ৰাহ্মণ পুত্ৰ হৈয়ো অশিক্ষিত হোৱা বাবে প্ৰদেশিক উপভাষা অৰ্থাৎ প্ৰাকৃততহে কথা কৈছে। স স্কৃত ভাষী আৰু প্ৰাকৃত ভাষী কোনো জনৰে পৰস্পৰৰ ভাষাৰ তাৎপৰ্যোপলব্ধিত আহুকালৰ সৃষ্টি হোৱা নাছিল। ইয়াৰ পৰা এইটো কথা স্পষ্টৰূপে ওলাই পৰে যে বৈদিক যুগৰ ভাষা স স্কৃত সেই স স্কৃতৰে দুটা ভাগ—বৈদিক আৰু লৌকিক স স্কৃত। এই লৌকিক স স্কৃতৰ যেটি সেই সময়ৰ সমাজৰ সৰ্বসাধাৰণৰ দৈনন্দিন জীৱনৰ ভাষা আৰু সি যেতিয়া শিক্ষিত বা সংস্কৃতিবানসকলৰ মাজত পাণিনি আদিৰ অহোপুৰুষাৰ্থৰ ফলত এটি বিশিষ্ট ৰূপত বৰপীৰা পাৰি বহিল তেতিয়াও কিন্তু জনসাধাৰণৰ মুখত লৌকিক বা কথ্যস স্কৃতে প্ৰকাশ ভঙ্গিৰ পোনপতীয়া সৰল বাটকে বিচাৰি আছিল। পৰৱৰ্তী কালত সেই স স্কৃতেই নানা অঞ্চলত ভিন ভিন আঞ্চলিক বৈশিষ্ট্য লৈ মূৰ তুলি উঠিল। গতিকে স স্কৃতে এহাতে যিদৰে বৈদিক (Vedic) আৰু শিষ্ট সম্মত ধ্ৰুপদী স স্কৃতৰ (Classical Sanskrit) জন্ম দিলে আনহাতে সেইদৰে কথ্য স স্কৃত (Spoken Sanskrit) আৰু প্ৰাদেশিক আঞ্চলিক

ভাষা অৰ্থাৎ প্ৰাকৃতবো (Prakrit) জন্ম দিলে। এই প্ৰাকৃতেও পৰৱৰ্তী কালত সুৰুচি সম্পন্ন লোকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ল আৰু সাহিত্যৰ বাহন হৈ পৰিল। খ্ৰী পূ ৬ষ্ঠ শতিকাৰ পৰা খ্ৰী ১২শ শতিকালৈকে প্ৰাকৃতে নানা স্তৰৰ মাজেদি বিভিন্ন ৰূপ পৰিগ্ৰহ কৰি জীয়াই থাকিল। এই প্ৰাকৃতৰ কালছোৱাক মধ্যভাৰতীয় আৰ্য ভাষা আখ্যা দি ভাষাগত ভিত্তিত ইয়াৰ ক্ৰমবিকাশৰ ধাৰাত তিনিটা প্ৰধান উপস্তৰ নিৰ্দেশ কৰা হৈছে। সিয়েই হ'ল—

প্ৰথম বা আদি প্ৰাকৃত খ্ৰী পূ ৬ষ্ঠ শতিকাৰ পৰা খ্ৰী ১ম শতিকালৈকে।

দ্বিতীয় বা মধ্য প্ৰাকৃত খ্ৰী ১ম শতিকাৰ পৰা খ্ৰী ৬ষ্ঠ শতিকালৈকে।

তৃতীয় বা অন্ত্য প্ৰাকৃত খ্ৰী ৬ষ্ঠ শতিকাৰ পৰা খ্ৰী ১ ম শতিকালৈকে।

এই তিনিওটা স্তৰৰ প্ৰাকৃত ভাষাৰ ভাষাতাত্ত্বিক আলোচনাৰ এটা সাধাৰণ ছবি তলত দিয়া হয়।

আদি প্ৰাকৃত প্ৰথম উপস্তৰৰ অন্তভু ক্ত প্ৰাকৃতৰ নিদৰ্শন হ'ল অাশোকৰ অনুশাসনবাজি হীনযানী বৌদ্ধৰ পালিভাষাত ৰচিত সাহিত্যৰ প্ৰাচীন অ শ বৌদ্ধ (মিশ্ৰিত) সংস্কৃতত ৰচিত সাহিত্যবাজি প্ৰাচীন স স্কৃত নাটকৰ অন্তৰ্গত মধ্য এচিয়াত আবিস্কাৰ হোৱা নাটকৰ প্ৰাকৃত আৰু ভাসৰচিত নাটকৰ প্ৰাকৃত।

অশোকৰ অনুশাসনবাজি লিখা হৈছিল স্থানীয় লোকৰ সহজবোধ্য আঞ্চলিক ভাষাত। সেইবাবেই এই প্ৰত্নলেখ সমূহৰ ভাষাৰ ৰূপ একে নহয়। ভাষাতাত্ত্বিক দৃষ্টিভঙ্গীত অশোকৰ এই শিলালিপিসমূহত চাৰি প্ৰকাৰ উপভাষাৰ (Dialect) পৰিচয় পোৱা যায়। সিয়েই হ'ল—**উত্তৰ পশ্চিমা দক্ষিণ-পশ্চিমা প্ৰাচ্য মধ্যা আৰু প্ৰাচ্য বা পূৰ্বী**।[১]

উত্তৰ পশ্চিমাৰ নিদৰ্শন হ'ল ছাহবাজগঢ়ী আৰু মানসেহৰা অনুশাসন। এই বোৰ লিখা হৈছিল খৰোষ্ঠী লিপিত উদুৰ দৰে সোঁফালৰ পৰা বাওঁফাললৈ লিখা হৈছিল। সেইবাবেই বোধহয় দীৰ্ঘস্বৰৰ চিনবোৰ হ্ৰস্বৰূপে দেখুৱা হৈছিল আৰু যুক্ত ব্যঞ্জনবোৰো একক ৰূপে দেখুৱা হৈছিল। এই উপভাষাৰ বিশেষত্ব হ'ল —

১। ৰ কাৰ যুক্ত আৰু স কাৰ যুক্ত ব্যঞ্জনৰ প্ৰচলন। যেনে—অস্তি কিট্ৰি ধ্ৰম, প্ৰাণ সহস্ৰ স্ত্ৰিয়কেন স্পৰ্গ হস্তি।

২। য ফলা যুক্ত ব্যঞ্জনৰ সমীভৱন। যেনে—কৰ্তব্য >কটবো = কট্টব্বো কল্যাণম্ >কলণ = কল্লাণ।

৩। ঋ>অ ই উ আৰু কেতিয়াবা ৰি ৰু। যেনে—মৃগ >মগো মিগো মুগো ম্ৰিগো ম্ৰুগো। কৃত>কট, কিট ভ্ৰাতৃ>ভ্ৰু।

---

১ দ্ৰষ্টব্য—Dr Sen ৰ Comparative Grammar pp 7 12

৪। পদান্তস্থিত আৰু পদমধ্যস্থিত হ্ ধ্বনিৰ লোপ। যেনে—ইহ>ইধ ব্ৰাহ্মণ~ব্ৰমণ অহ >অধ গৰ্হনা>গৰণ।

৫। শ কাৰ আৰু কেতিবাৰ ষ কাৰৰ প্ৰচলন। যেনে—শ্ৰুণ কটব্যো।

৬ স্ম স্ব ৰ ঠাইত স্প। যেনে—স্বামিক>স্পমিক স্বৰ্গ>স্পগ্ৰ স্মিন> স্পিন বিনীতস্মিন<বিনিতস্পিন।

৭। ত্বা প্ৰত্যয়ৰ ঠাইত ত্বী প্ৰত্যয়ৰ প্ৰয়োগ। যেনে—তিঠিতি তিষ্টিতি দ্ৰশেতি।

৮। শ ষ স এই তিনিওটা ধ্বনিৰ পৃথক পৃথক প্ৰয়োগ। যেনে—দশ মনুশ সুশ্ৰুষ।

শাহবাজগঢ়ী প্ৰত্নলেখ শ্ৰেষ্ঠ নিদৰ্শন। এই বিষয়ক আলোচনাৰ শেষৰ পিনে ইয়াৰ নিদৰ্শন হিচাপে প্ৰত্নলেখৰপৰা এটা অ শ উদ্ধৃত কৰা হৈছে।

দক্ষিণ পশ্চিমাৰ নিদৰ্শন হ ল গিৰ্ণাৰ আৰু সোপৰ অনুশাসনসমূহ। ইয়াৰো লিখন ব্যৱস্থা পূৰ্বোল্লিখিত প্ৰত্নলেখৰ অনুৰূপ। ভাষাগত দৃষ্টি কোণৰপৰা এই বিধ প্ৰত্নলেখৰ ভাষা বৈদিক স স্কৃতৰ অতি নিকটবৰ্তী। এই উপভাষাৰ বিশেষত্ব সমূহ হ ল —

১। ৰ কাৰ আৰু স কাৰ যুক্ত ব্যঞ্জনৰ প্ৰচলন। যেনে—অস্তি ঘৰন্ত ক্ৰম পুত্ৰ ভ্ৰাত্ৰ সৰ্বত্ৰ হস্তি।

২। শ ষ>স। যেনে—অনুসন্তি দস দসন দস ন মনুস।

৩। ঋ>অ। যেনে—কৃত>কত মৃগ >মগো।

৪। ক্ষ>ছ। যেনে—ক্ষণ>ছণ ক্ষান্তি>ছাতি ক্ষুদ্ৰ>ছুদ।

৫ য ফলা যুক্ত ব্যঞ্জনৰ সমীভৱন। যেনে —অদ্য>অজ (=এজ্জ) অন্য>অঞ (=অঞঞ) কল্যাণ>কলাণ (=কল্লাণ) মধ্যম>মঝম (=মজঝম) মনুষ্য>মনুস (=মনুস্স)।

৬। দৃ>ৰি। যেনে—যাদৃশ>য়াৰিস তাদৃশ>অকিন।

৭। ত্ব আৰু ত্ম ৰ ঠাইত ৎপ হয়। যেনে—আত্ম>আৎপ চত্বাৰ > চৎপাৰো।

৮। অয় আৰু অৱ সাধাৰণতে এ আৰু ও লৈ যথাক্ৰমে সলনি হৈছে কেতিয়াবাহে ৰক্ষিত হৈছে। যেনে—পূজয়তি>পূজেদি ভৱতি>হোতি আজ্ঞাপয়>আঞপয় ভৱতি>ভৱতি।

৯। অস্ ধাতুৰ অ ধ্বনিৰ আলোপ। যেনে—স স্নাত >*অস্নাত >অস্সা= =অস *অস্যু >অস সু =অসু।

১০। পদান্ত অ > ও। যেনে—জন >জনো প্ৰিয় >প্ৰিয়ো পিয়ো।

১১। সপ্তমী বিভ স্মিন্> ম্হি। যেনে—তস্মিন>তম্হি, *অৰ্থস্মিন্> অথম্হি *সীলস্মিন্>সীলম্হি।

নিদৰ্শন স্বৰূপে গিৰ্ণাৰ প্ৰস্তৰলেখৰপৰা অলপমান এই বিষয়ৰ আলোচনাৰ শেষৰ পিনে উদ্ধৃত কৰা হৈছে।

প্ৰাচ্য মধ্যাৰ নিদৰ্শন হ'ল কালসী অনুশাসন আৰু দিল্লীৰ তোপ্ৰাৰ স্তম্ভলেখ সমূহ। এইবোৰ ব্ৰাহ্মীলিপিত লিখা হৈছিল। ইয়াৰ বিশেষত্ব হ'ল —

১। ৰ>ল। যেনে—ৰাজা>লাজা প্ৰকৰণ>পকলন হিৰণ্য>হিল ন কৰোতি>কলেতি।

২। শ আৰু ষ কেতিয়াবাহে পোৱা যায়। যেনে—য়শ >য়ষো য়শো মনুষ্য> মনুষ মনুস দ্বাদশ>দুৱাডশ।

৩। পদান্তস্থিত বিসৰ্গযুক্ত অ কাৰৰ ঠাইত এ কাৰ হয়। যেনে—প্ৰিয় >পিয়ে কৰ্তব্য >কটৱিয়ে মৃগ >মিগে স >সে মুখত >মুখতে।

৪। পদমধ্যস্থিত ও > এ। যেনে—কৰোতি>কলেতি।

৫। ৰ আৰু স যুক্ত ব্যঞ্জনৰ সমীভৱন। যেনে—অস্তি>অথি হস্তিন্>হথি স্থিতিক>ঠিতিক স্থৱিৰ>থইৰ ধৰ্মলিপি >ধ মলিপি কৰ্ম>ক মে পৌত্ৰ>পোত সৰ্বত্ৰ>সব্বত্ত।

৬। য কাৰ যুক্ত ত ব দ ধ ল যথাক্ৰমে তিয় বিয় দিয় ধিয় আৰু য্য হয়। যেনে—অপত্য>অপতিয় কৰ্তব্য>কটৱিয় উদ্যান>উজ্জান কল্যাণ> কয্যান অধ্যক্ষ>অধিয়স ৱ্যঞ্জন>ৱিয় জন।

৭। দ্ব ভিন্ন ৱ ফলাৰ সম্প্ৰসাৰণ। যেনে—দ্বাদশ>দুৱাদশ স্ব স্ব >সুৱে সুৱে কিন্তু চত্বাৰি>চতালি = চত্তালি।

৮। ক্ষ>কৃথ ভূ>হু ত্য>চ্চ স্ম>প ফ। যেনে—মোক্ষ>মোখ = মোকৃথ কক্ষ>ককৃথ ভূতপূৰ্বম্>হুতপুলুৱে ভৱতি (<√ভূ)>হোতি সত্য>সচ্চ তস্মাৎ>তপ ফা যুস্মে = *তুস্মে>তুপ ফে।

৯। স্বৰ মধ্যস্থিত ক ৰ ঘোষীভৱন। যেনে—লোক >লোগং।

১০। -ক আৰু-গ ৰ তালব্যীভূত ৰূপৰ প্ৰচলন। যেনে—কলিঙ্গ>কলিগ্য স্থিতিক>ঠিতিক্য জ্ঞাতিক>নাতিক্য।

১১। জ্ঞ ৰ সমীভূত ঞ-(= ঞ ঞ) ৰ ঠাইত-ন হয়। যেনে—জ্ঞাতি>নাতি আজ্ঞাপয়>অনপয়।

১২। আত্মনেপদ শানচ প্ৰত্যয়ৰ ব্যৱহাৰ পোৱা যায়। নিদৰ্শন স্বৰূপে দিল্লী তোপ্ৰা অনুশাসনৰপৰা তলত কিছু অংশ উদ্ধৃত কৰা হৈছে।

প্ৰাচ্যাৰ নিদৰ্শন হ'ল ধৌলী আৰু জৌগড় প্ৰত্নলেখসমূহ। এইবোৰ লিখা হৈছিল ব্ৰাহ্মী লিপিত। ব্ৰাহ্মীত বাওপিনৰপৰা সোঁপিনলৈ লিখা নিয়ম। এই ভাষাৰ বিশেষত্ব সমূহ প্ৰাচ্য মধ্যাৰ লগত বহুপৰিমাণে মিলে। তলত কেতবোৰ বিশেষত্বৰ কথা উল্লেখ কৰা হ'ল —

১। পদান্তস্থিত অ কাৰ যুক্ত বিসৰ্গৰ ঠাইত এ কাৰ হয়। যেনে—এক মৃগ > একে মিগে স >সে প্ৰিয় >পিয়ে কৰ্তব্য >কটবিয়ে।

২। ৰ>ল আৰু শ/ষ>স। যেনে—ৰাজা>লাজা পূৰ্বম>পুলুৱম্ দোষ>দোস প্ৰিয়দৰ্শিনা>পিয়দসিনা শত (সহস্ৰ)>সত (সহস স) শুশ্ৰূষা>সুসুসা মনুষ্য>মনুস।

৩। উত্তম পুৰুষৰ সৰ্বনামত কৰ্তৃকাৰকৰ একবচন হক হয়।

৪। ই/উ কাৰ যুক্ত ত ৰ ঠাইত চ হয়। যেনে—তিষ্ঠ>চিঠ, তু>চু।

৫। ৰ কাৰ যুক্ত ব্যঞ্জনৰ সমীভৱন প্ৰৱণতা। যেনে—প্ৰিয় >পিয়ে শুশ্ৰূষা> সুসুসা অগ্ৰ>অগ পুত্ৰ>পুত প্ৰজা>পজা ভ্ৰাতৃ>ভত।

৬। দন্ত্য বৰ্ণৰ প্ৰয়োগ প্ৰৱণতা। যেনে—শত>সত শুশ্ৰূষা>সুসুসা পৰিষৎ>পলিসা কল্যাণ>কয়ান প্ৰাণ>পান প্ৰকৰণ>পকলন ব্ৰাহ্মণ> বাভন মনুষ্য>মনুস ক্ষণ>খন হিৰণ্য>হিলংন।

এই প্ৰাচ্যাৰ শ্ৰেষ্ঠতম নিদৰ্শন হ'ল জউগড আৰু ধৌলী প্ৰত্নলেখৰাজি। তলত দিয়া হৈছে।

ওপৰত উল্লেখ কৰা চাৰিবিধ উপভাষাত লিখা অশোকৰ অনুশাসনসমূহৰ ভিতৰত প্ৰথম অৰ্থাৎ উত্তৰ পশ্চিমাৰ বাহিৰে আন আটাইবোৰ ভাষাৰ অনুশাসনবোৰ দেশীয় লিপিত লিখা। নিদৰ্শন হিচাপে সেই প্ৰত্নলেখৰ ভাষা তলত উল্লেখ কৰা হ'ল

উত্তৰ পশ্চিমাৰ নিদৰ্শন শাহবাজগঢ়ী প্ৰত্নলেখৰপৰা উদ্ধৃত—

> দেৱন' প্ৰিয়ো প্ৰিয়দশি ৰয় এৱ অহতি জনো উচবুচ মংগল' কৰোতি অৱধে অৱহে বিৱহে পজুপদনে প্ৰৱসে। এতয়ে অঞয়ে চ এদিশিয়ে জনো বহু ম গল কৰোতি। অত্ৰ তু স্ৰিয়ক বহু চ বহুবিধ চ পুতিক চ নিৰঠিয় চ মংগল কৰোতি। সে কটবো চ ৱ খো ম গল। অপফলং তু খো এত। ইমং তু খো মহফল য়ো ধ্ৰমমংগল। [৯ম প্ৰত্নলেখ]

অৰ্থাৎ দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাই এইবুলি কৈছে —মানুহে সক ভাভৰ বহু মঙ্গল অনুষ্ঠান কৰে—আপদ বিপদত পুত্ৰৰ বিৱাহত, কন্যাৰ বিৱাহত সন্তান লাভত

আৰু প্ৰবাস যাত্ৰাত। এইবিলাক আৰু এনেকুৱা আন কোনো কাৰণতো মানুহে ভালমানে মঙ্গল অনুষ্ঠান পাতে। এইদৰে তিৰোতাসকলে ভালেমান আৰু সৰু আৰু বহুবিধ নিৰৰ্থক মঙ্গল অনুষ্ঠান পাতে। গতিকে মঙ্গল অনুষ্ঠান পতাটো কৰ্তব্যই। পিচে এইবোৰ মঙ্গল অনুষ্ঠান কম ফলদায়ক ধৰ্মমঙ্গল অনুষ্ঠানহে আচলতে বহুফলদায়ক মঙ্গল অনুষ্ঠান।

দক্ষিণ পশ্চিমাৰ নিদৰ্শন গিৰ্ণাৰ প্ৰত্নলেখৰপৰা উদ্ধৃত—

সৰ্বত্ৰ দেবানা প্ৰিয়স প্ৰিয়দসিনো ৰাঞো দ্বে চিকীছা কতা মনুস চিকীছা চ পসু চিকীছা চ। ওসুঢানি চ য়ানি মনুসোপগাণি চ পসোপগাণি চ য়ত য়ত নাস্তি সৰ্বত্ৰা হাৰাপিতানি চ ৰোপপিতানি চ। মূলানি চ ফলানি চ য়ত য়ত্ৰ নাস্তি সৰ্বত্ৰ হাৰাপিতানি চ ৰোপপিতানি চ। প থেসু কূপা চ খানাপিতা ব্ৰছা চ ৰোপাপিতা পৰিভোগায় পসুমনুসান। [২য় প্ৰত্নলেখ]

অৰ্থাৎ দেশৰ সকলো ঠাইতে দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাৰদ্বাৰা দুই প্ৰকাৰ চিকিৎসাৰ ব্যৱস্থা হৈছে মানুহৰ চিকিৎসা আৰু পশুৰ চিকিৎসা। মানুহৰ উপযোগী আৰু পশুৰ উপযোগী যিবোৰ ঔষধি য ত য ত নাই সেই ঠাইত সেই সকলোবোৰ আহৰণ কৰা আৰু ৰোপণ কৰা হৈছে। সেইদৰে য ত মূলসমূহ আৰু ফলসমূহ নাই তাত সেই সকলোবোৰ আহৰণ কৰা আৰু ৰোপণ কৰা হৈছে। তদুপৰি পশু আৰু মানুহৰ ব্যৱহাৰৰ বাবে ৰাজপথত কুঁৱা খন্দা হৈছে আৰু বৃক্ষও ৰোপণ কৰা হৈছে।

প্ৰাচ্য মধ্যাৰ নিদৰ্শন দিল্লী তোপ্ৰা প্ৰত্নলেখৰপৰা উদ্ধৃত—

দেৱান পিযে পিয়দসি লাজ হেৱ অহা সে ইমানি জাতানি অৱধিয়ানি কটানি সৱে চতুপদে যে পটিভোগ নো এতি ন চ খাদিয়তী। এলকা চা শূকলী চা গভিনী ৱা পায়মীনা ৱ অৱধিয় পোতকে পি চ কানি আস মাসিকে। ৱধি কুকুটে নো কটৱিয়ে। তুসে সজীৱে নো ঝাপতৱিয়ে। দাৱে অনঠায়ে ৱা ৱিহিসায়ে ৱা নো ঝাপেতৱিয়ে। জীৱেন জীৱে নো পুসিতৱিয়ে। [৫ম প্ৰত্নলেখ]

অৰ্থাৎ দেৱতাসকলৰ প্ৰিয় প্ৰিয়দৰ্শী ৰজাই এই বুলি কৈছে—মোৰ দ্বাৰা এই প্ৰাণীসমূহ অবধ্য কৰা হল সকলোবিলাক চতুষ্পদ জীৱ যিবোৰ কোনো কামত নাহে নাইবা খোৱাও নহয়। যিবোৰ মাইকী ছাগলীয়ে মাইকী ভেঁড়া বা মাইকী গাহৰিয়ে গাভিনী নাইবা পোৱালিক গাখীৰ খুৱাই আছে সেইবোৰ অবধ্য আৰু যিবোৰৰ পোৱালিৰ ছয় মাহো হোৱা নাই সিহঁতো অবধ্য। মতা কুকুৰা খাসী কৰিব নোৱাৰিব। কোনো প্ৰাণীকে (=কীট পতঙ্গ) পুৰিব নোৱাৰিব। প্ৰাণীৰদ্বাৰা কোনো প্ৰাণীকে পোষণ কৰিব নোৱাৰিব।

প্রাচ্যাৰ নিদৰ্শন জউগড় প্ৰস্তৰলেখৰপৰা উদ্ধৃত—

সবমুনিসা মে পজা। অথ পজায়ে ইছামি হক কিং তি সবেন হিতসুখেন যুজেযু তি হিদলোগিক পাললোকিকেণ হেবংমেব মে ইছ সবমুনিসেসু। [অতিৰিক্ত ২য় প্ৰস্তৰলেখ]

অৰ্থাৎ সকলো মানুহ মোৰ সন্তান। যিদৰে (নিজৰ) সন্তানৰ বিষয়ে কামনা কৰোঁ সিঁহতে যেন ইহলৌকিক আৰু পাৰলৌকিক সকলো প্ৰকাৰ হিতসুখ লাভ কৰে সেইদৰে সকলোবিলাক মানুহৰ বিষয়েও মই (তাকেই) কামনা কৰোঁ।'

পালি সাধাৰণভাৱে দক্ষিণ পশ্চিমা আৰু প্ৰাচ্য মধ্যাৰ মিশ্ৰণত সম্ভৱত উজ্জয়িণী অঞ্চলত পালিভাষাৰ উদ্ভৱ হৈছিল বুলি কোৱা হয়। পালি হ'ল আচলতে ধৰ্ম সাহিত্যৰ ভাষা। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হ ল শাস্ত্ৰপংক্তি পবিত্ৰ শাস্ত্ৰ মুল শাস্ত্ৰ। পালি কথাষাৰে বৌদ্ধশাস্ত্ৰ ত্ৰিপিটকক বুজায়। পালি কথাষাৰৰ মুল হ'ল[1] স পৰিভাষা পাৰিভাষা>পালিভাষা পালি। এই সম্পৰ্কে কেবাটাও মত আছে। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে পালি হ ল শৌৰসেনী প্ৰাকৃতৰে প্ৰাচীনতৰ ৰূপ। Geiger এ বুদ্ধদেৱৰ নিজৰ ভাষা মাগধীকে পালিভাষাৰ মুল বুলিব খোজে যদিও মাগধী কেন্দ্ৰিক কোনো এটা জনপ্ৰিয় উপভাষাৰ ভিত্তিত পালিৰ জন্ম বুলিহে কৈছে।[2] এই বিষয়ে বহল ব্যাখ্যা নকৰি মাত্ৰ ইয়াকে কব পাৰি যে বৌদ্ধ বিহাৰ সমূহত ধৰ্ম প্ৰচাৰ আৰু ধৰ্ম আলোচনাৰ বাবে নানা ঠাইৰ বহু ভাষাভাষী শ্ৰমণ আৰু ভিক্ষুসকলৰ মাজত নকৈ ৰূপ লোৱা ভাষাটোৱেই পালি। মগধ সাম্ৰাজ্যৰ অন্তৰ্গত উত্তৰ ভাৰতৰ এক বিশাল ভূখণ্ডৰ জনসমাজত দৈনন্দিন জীৱনত প্ৰচলিত Lingua Franca টোকেই পালিৰ মুল ভেটি বুলি নকৈ নোৱাৰি। পালি ভাষাৰ সাহিত্য সম্পৰ্কে পূৰ্বৰ অধ্যায়ত উনুকিয়াই অহা হৈছে। পালিভাষাৰ সাধাৰণ বিশেষত্ব সমূহ[3] তলত দিয়া দৰে দেখুৱাব পাৰি—

১। পালিত (ব্যঞ্জন আৰু স্বৰ বৰ্ণক সামৰি) ৪১টা বৰ্ণৰ ৩৩টা ব্যঞ্জন আৰু ৮টা স্বৰবৰ্ণ।

২। শ স ষ মাত্ৰ স ৰূপেহে আছে। যেনে—শিশু>সুসু শ্ৰমণ>সমণো দোষ>দোস ভীষ্ম>ভেস্‌স।

---

১ দ্ৰষ্টব্য—Dr S Sen ৰ Three Lectures on MIA in the journal of Oriental Institute of Baroda Vol XI pt 3 pp 208

২ দ্ৰষ্টব্য—Geiger ৰ Pali Literature and Language pp 4-5

৩ দ্ৰষ্টব্য—দশম অধ্যায় Geiger ৰ পূৰ্বোক্ত গ্ৰন্থ আৰু Dr Sen ৰ Comparative Grammar পৃ ১১-২

৩। ঋ>অ ই এ উ ৰ ৰি। যেনে—হৃদ>হদয় ঘৃত>ঘত মৃগ>মিগ তৃণ>তিণ বৃষভ>উসভ ঋজু>উজু গৃহ>গেহ মৃদু>মুদু ঋদ্ধি> ৰিদ্ধি বৃক্ষ>ৰুক্খ।

৪। ঐ>ই ঈ এ, আৰু ঔ>উ (উ) ও। যেনে—তৈল>তেল্ল ঐশ্বৰ্য> ইস্সৰিয় গ্ৰৈবেয়ং>গীবেয়, যৌবন>যোব্বণ মৌক্তিকম্>মুত্তিক মৌন>মোন।

৫। যুক্ত ব্যঞ্জনৰ পূৰ্বস্থিত দীৰ্ঘস্বৰৰ হ্ৰস্বতাপ্ৰাপ্তি। যেনে—কাৰ্য্য>কজ্জ উত্তীৰ্ণ>উত্তিণ্ণো মাৰ্গম>মগ্গং ধাৰ্মিক>ধম্মিকো ৰাজ্যম>ৰজ্জং।

৬। ৰেফ যুক্ত ব্যঞ্জনৰ সমীভৱন। যেনে—তাৰ্কিক>তাক্কিকো সৰ্ব>সব্ব কৰ্ম>কম্ম স্বৰ্ণ>সুবণ্ণ।

৭। যুক্তব্যঞ্জনৰ মাজলৈ কেতিয়াবা স্বৰাগম হয় নাইবা সিহঁতৰ সমীভৱন হয়। যেনে—ৰক্ত>ৰত্ত পূৰ্ব>পুব্ব ক্লেশ>কিলেস শ্ৰী>সিৰি গ্লান>গিলান স্নেহ>সিনেহ শ্লাঘা>শিলাঘা।

৮। ৰ আৰু ল অভেদ। যেনে—পৰি>পলি কিল>কিৰ ৰোম>লোম ভদ্ৰ>ভল্ল।

৯। ন আৰু ল অভেদ। যেনে—ললাট>নলাট লাঙ্গল>নাঙ্গল।

১০। বিসৰ্গৰ প্ৰয়োগ নাই। অ কাৰ যুক্ত বিসৰ্গ ও কাৰ হয়। যেনে—দেৱ>দেৱো ধাৰ্মিক>ধম্মিকো।

১১। অনুস্বাৰ যুক্ত দীৰ্ঘস্বৰৰ হ্ৰস্বপ্ৰৱণতা। যেনে—জনানাম>জনান লতাম> লত।

১২। পালিত বচন মাত্ৰ দুটা—এক আৰু বহু দ্বিবচনৰ লোপ।

১৩। পদৰ আদিত যুক্তব্যঞ্জনৰ সৰলীভৱন বা একক ৰূপ লাভ। যেনে—গ্ৰহণ>গহণ স্বপ্ন>সপ্নো জ্যোৎস্না>জোনহা স্থানম্>ঠান জ্ঞাতি> ঞাতি প্ৰশ্ন>পঞ হো স্তূপ>থুপো।

১৪। স্বৰ বিস্ময়ক আৰু নিগ গহীত তিনি বিধ সন্ধিৰ উপৰিও অকৃথবো সন্ধিৰ অৱস্থিতি।

১৫। কৰ্মকৰ্তৃবাচ্য লোপ আৰু বৰ্তমান পৰোকৃথ হিয্যত্তনী অজ্জতনী ভৱিস্সন্তী আৰু কালতিপত্তি—এই ছটা কালৰ অৱস্থিতি।

বৌদ্ধ সংস্কৃত • বিশেষ উল্লেখযোগ্য যে উত্তৰ ভাৰতৰ বৌদ্ধ সম্প্ৰদায় বিলাকে পালিকেই শাস্ত্ৰ চৰ্চাৰ একমাত্ৰ ভাষাৰূপে লোৱা নাছিল, সংস্কৃত আৰু প্ৰাকৃত মিহলি একপ্ৰকাৰ মিশ্ৰভাষাৰেতো তেওঁলোকে ধৰ্মগ্ৰন্থ ৰচনা কৰিছিল। মূলতে

কথ্য সংস্কৃত[1] ভাষাৰপৰা ইয়াৰ উৎপত্তি। ই বৌদ্ধ (মিশ্ৰ) সংস্কৃত[2] ৰূপে প্ৰসিদ্ধি লাভ কৰিছে। বৌদ্ধ শাস্ত্ৰতেই এই ভাষা সীমাবদ্ধ। কুষাণ সম্ৰাট কণিষ্কৰ অনুশাসনত ইয়াৰ প্ৰাচীন নিদৰ্শন সংৰক্ষিত হৈছে। এই ভাষাত ৰচিত প্ৰাচীনতম ৰচনা সম্ভৱতঃ মহাবস্তু তাৰ গদ্য আৰু পদ্য উভয় অংশতে সংস্কৃতায়ন বিশেষ মন কৰিব লগীয়া কথা। কুষাণ বংশীয় ৰজাসকলে অনুশাসনত এই ভাষা প্ৰয়োগ কৰি গৈছে। তলত উল্লেখ কৰা হ'ল[3] —

সৰ্বাভিভূ সৰ্ববিদু হমস্মি
সৰ্বেষু ধৰ্মেষু অনোপলিপ্তঃ।
সৰ্বং জহে তৃষ্ণক্ষয়া বিমুক্তো
ন সাদৃশো সংপ্ৰজনেতি বেদনা ॥

অৰ্থাৎ মই সৰ্বদমন সৰ্ববিদ সকলো ধৰ্মতে অনুপলিপ্ত। তৃষ্ণাক্ষয়ৰ ফলত বিমুক্ত (হোৱা লোক) মই সকলো ত্যাগ কৰিছো। মোৰ দৰে (কোনোৱে) সদৃ (ভালবেয়া সুখ দুখ) বেদনা অনুভৱ নকৰে।

বৌদ্ধ মিশ্ৰ সংস্কৃতৰ বিশেষত্ব সমূহ হ'ল —

১। নিজস্ব শব্দ যিবোৰ আন যি কোনো ভাষাত অপ্ৰচলিত। যেনে—

পৰিন্দামি – হস্তান্তৰ কৰা তুলনীয় স পৰিদদামি
অনুপৰীও – হস্তান্তৰিত <অনু পৰি দা
অখিল – অভদ্ৰ/কৰ্কশ অৰতি = (সি) যায়
অভিসাৰ – দান/সম্মান সুখিল – সুখী
দুখিল – দুঃখী সুত্তক – পাত্ৰ অপক্ষাল – দোষ
প্ৰতিবহতি – বিৰুদ্ধাচৰণ কৰা/অমান্য কৰা
অভিছাদয়তি – উপহাৰ দিয়া পলিপুঞ্ছিকা – খেৰী ঘৰ
উৎপ্ৰাৱয়তি = বিপথে নিয়া খণিতি – ক্ষণ/
মুহূৰ্ত ইত্যাদি।

২। পালিৰ লগত ইয়াৰ ৰূপতত্ত্বৰ পাৰ্থক্য প্ৰচুৰ।

৩। অ কাৰান্ত শব্দৰ ৭মীৰ ১বচনত-এস্মি এম্মি। যেনে—লোকেস্মি।

৪। অ কাৰান্ত শব্দৰ সম্বোধনৰ বহুবচনত আহো বিভক্তি। যেনে—কুমাৰাহো।

১ দ্ৰষ্টব্য—দ্বিতীয় অধ্যায়।

২ দ্ৰষ্টব্য—Dr Sen ৰ History and Pre History of Sanskrit আৰু Edgerton ৰ Buddhistic Hybrid Sanskrit

৩ দ্ৰষ্টব্য—ড' সেনৰ ভাষাৰ ইতিবৃত্ত নৱম অধ্যায়।

৫। কেতিয়াবা কেতিয়াবা পদান্তস্থিত অ >এ। যেনে—অন্ত* >অন্তে পুৰ >পুৰে।

৬। আ কাৰান্ত শব্দৰ ১মা/২য়াৰ বহুবচনৰ বিভক্তি আয়ো। যেনে—তাৰো।

৭। √স্থা-ৰ লট্ ৰূপত স্থিহতি (তিষ্ঠতি) তুলনীয় / পালি ঠহতি।

৮। √গম অৰ ল ট্ অত অনিট্ প্ৰয়োগ। যেনে—গ ম্যাত √ভূ ৰ লুঙ অত অভূষি।

৯। লুঙ আৰু বিধিলঙ অৰ ১ম পুৰুষৰ বহুবচনত এৎসু( ) কেতিয়াবা অৎসু। যেনে—ভৱেৎসু মন্তেৎসু।

১ । ল্যবৰ্থক অসমাপিকাত ই প্ৰত্যয়ৰ প্ৰয়োগ। যেনে–পশ্যি<পশ্য।

মধ্য প্ৰাকৃত দ্বিতীয় উপস্তৰৰ অন্তভু ক্ত প্ৰাকৃতৰ নিদৰ্শন হ ল সাহিত্যিক প্ৰাকৃত আৰু নাটকীয় প্ৰাকৃত।[১] প্ৰাকৃত ব্যাকৰণ মতে সাহিত্যিক প্ৰাকৃতৰ প্ৰধান উপভাষা হ ল মাহাৰাষ্ট্ৰী শৌৰসেনী অৰ্ধমাগধী মাগধী পৈশাচী আৰু স স্কৃত প্ৰভাৱহীন অপভ্ৰ শ। ভৰতৰ নাট্যশাস্ত্ৰত অপভ্ৰ শক আভীৰীসকলৰ ভাষা বুলি কোৱা হৈছে। প্ৰাকৃতৰ বিকাশ সম্পৰ্কে নানা ব্যাখ্যা পোৱা যায় যদিও আটাইবোৰতে সংস্কৃতকেই ইয়াৰ মূল বুলি কোৱা হৈছে। দণ্ডীৰ **কাব্যাদৰ্শ** (১/৩৩) মতে স স্কৃত নাম দৈৱীবাক্ তদ্ভৱস্ত-সমো দেশীত্যনেক প্ৰাকৃতক্ৰম। হেমচন্দ্ৰৰ **প্ৰাকৃত ব্যাকৰণ** মতে প্ৰকৃতি স স্কৃত তত্ৰ ভৱ তত আগত ৱা প্ৰাকৃত। কৃষ্ণপণ্ডিতৰ **প্ৰাকৃত চন্দ্ৰিকা** (১।৪) মতে প্ৰকৃতি স স্কৃত তত্ৰ ভৱত্বাৎ প্ৰাকৃত স্মৃতম। সে দৰে **প্ৰাকৃত সঞ্জীৱনীৰ** মতে প্ৰাকৃতস্য তু সৰ্বমেৱয় স স্কৃত যোনি। গতিকে প্ৰাকৃতজ্ঞ পণ্ডিত সকলে একমুখে স্বীকাৰ কৰে যে প্ৰাকৃত দৰাচন্তে স স্কৃতোদ্ভূত ভাষা। সেইবুলি প্ৰাকৃতৰ মূল পাণিনিৰ **অষ্টাধ্যায়ী** নিয়ন্ত্ৰিত ধ্ৰুপদী স স্কৃত (Classical Sanskrit) নহয় বৈদিক আৰু ধ্ৰুপদী স স্কৃতক একেলগে সামৰি লোৱা ব্যাপক অৰ্থবোধক স স্কৃতকহে প্ৰাকৃত জননী স স্কৃত ৰূপে নিৰ্দেশিত হয় আৰু সিয়ো প্ৰকৃততে লোকৰঞ্জক কথ্য স স্কৃতহে (Popular Spoken Sanskrit)। এয়া ইন্দো য়ুৰোপীয় ভাষাৰ প্ৰাচীন শাখাবোৰৰ তুলনামূলক অধ্যয়ন আৰু তাৰ বিৱৰ্তনৰ ইতিহাস পৰ্যালোচনা প্ৰদত্ত সিদ্ধান্তহে কোনো কল্পনা বিলাসী মনৰ অদ্ভুত মন্তব্য নহয়।[২] কথ্য সংস্কৃতৰ পৰা উদ্ভৱ হোৱা বাবেই প্ৰাচীন স্তৰৰ প্ৰাকৃত সমূহ কথ্যভাষাৰপৰা বেছি আঁতৰি যোৱা নাই। পৰৱৰ্তী কালত সংস্কৃতৰ নৱ জাগৰণৰ ফলত প্ৰাকৃত ভাষাত সেইবাবেই সম্ভৱত স স্কৃতায়ন (Sanskritization) পৰিলক্ষিত হৈছে। সমালোচনাত প্ৰাকৃতৰ

১ দ্ৰষ্টব্য—দ্বিতীয় অধ্যায়।

২ দ্ৰষ্টব্য—আৱৰণ।

স্থান মধ্য ভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় পৰ্য্যায় বা উপস্তৰৰ অন্তৰ্গত। ইয়াৰ প্ৰধান ছবিধ প্ৰাকৃতৰ বিশেষত্বসমূহ চমুকৈ তলত দিয়া হ'ল।[১] এই ছবিধৰ ভিতৰত মাহাৰাষ্ট্ৰী সৰ্বপ্ৰধান। ই হ'ল আদি উপস্তৰৰ দক্ষিণ পশ্চিমা প্ৰাকৃতোদ্ভূত। সাহিত্যৰ ফালৰপৰা ইয়েই আটাইতকৈ চহকী। সংস্কৃত নাটকৰ প্ৰাকৃত কবিতাসমূহ বাইকৈ মাহাৰাষ্ট্ৰীত ৰচিত। সেতুবন্ধ বা ৰাৱণবহো গাহাসত্তসঈ গউড়বহো আদি কাব্যও মাহাৰাষ্ট্ৰী প্ৰাকৃততে ৰচিত।

মহাৰাষ্ট্ৰকেই প্ৰাকৃতৰ জন্মভূমি বুলি কোৱা হয়। ষড়্‌ভাষাচন্দ্ৰিকাত পণ্ডিত লক্ষ্মীধৰে প্ৰাকৃত মহাৰাষ্ট্ৰোদ্ভৱ বুলি কৈ গৈছে। চণ্ডীদেৱৰ প্ৰাকৃত দীপিকা মতে এতদপি লোকানুসাৰাৎ নাটকাদৌ মহাপ্ৰয়োগ দৰ্শনাৎ প্ৰাকৃত মহাৰাষ্ট্ৰদেশীয় প্ৰকৃষ্ট ভাষণম্ —অৰ্থাৎ লোক ব্যৱহাৰ অনুসৰি নাটক আদিৰ প্ৰয়োগ অনুসৰি মহাৰাষ্ট্ৰ দেশৰ প্ৰাকৃতেই সৰ্বোৎকৃষ্ট ভাষা। দণ্ডীৰ কাব্যাদৰ্শ অনুসৰি মহাৰাষ্ট্ৰাশ্ৰয়ং ভাষা' প্ৰকৃষ্ট প্ৰাকৃত বিদু। ৰামতৰ্কবাগীশে প্ৰাকৃত কল্পতৰুত মাহাৰাষ্ট্ৰীকেই সকলো প্ৰাকৃতৰ সাৰ বুলি কৈছে—

সৰ্বাসু ভাষাস্বিহ হেতুভূতা ভাষা' মহাৰাষ্ট্ৰভৱাং পুৰস্তাৎ।
নিৰূপয়িষ্যামি যথোপদেশ শ্ৰীৰামশৰ্মাহমিমা প্ৰযত্নাৎ॥

আনহাতে বৌদ্ধপণ্ডিতসকলৰ মতে মাগধীহে আদি প্ৰাকৃত কচ্চায়ণ (<কাত্যায়ণ)ৰ প্ৰয়োসিদ্ধিৰ সা মাগধী মূলভাসা নৰা য়েয়াদকপ পিকা ব্ৰহ্মানো চ স্মুতলাপা সম্বুদ্ধা চাপি ভাসৰে শ্লোকটোৱে তাৰেই স্বীকৃতি দিয়ে। আকৌ জৈনীসকলৰ মতে অৰ্ধমাগধীহে আদি প্ৰাকৃত সে কি ত ভাসাবিয়া? জেন অদ্ধমগহাএ ভাসাএ ভাসেন্তি জথ য় ণ বম্ভিলিৱি পৱত্তই। আদি প্ৰাকৃত সম্পৰ্কে এনেকুৱা বিতৰ্ক আছে সচা কিন্তু অধুনালব্ধ বিভিন্ন প্ৰাকৃতৰ পৰ্যালোচনাৰ পৰা মাহাৰাষ্ট্ৰীকে মূল প্ৰাকৃত বোলাৰ যুক্তি যে অধিক তাক স্বীকাৰ নকৰি নোৱাৰি।[২] মাহাৰাষ্ট্ৰীৰ নিদৰ্শন—

অমিঅ পাউঅকব্ব পঢিউ সোউ অ জে ন আণন্তি।
কামস্স তত্ততন্তি কুণন্তি তে কহ ণ লজ্জন্তি॥ ২॥ (গাথা সপ্তশতী)

অৰ্থাৎ যিসকলে অমৃত সদৃশ প্ৰাকৃত কাব্য পঢ়া নাই বা বুজি পোৱা নাই সি সকলে কামশাস্ত্ৰৰ তত্ত্বালোচনা কৰিবলৈ গৈ কিয় লাজ পোৱা নাই?

মাহাৰাষ্ট্ৰীৰ বিশেষত্ব হ'ল

---

১ দ্ৰষ্টব্য—দশম অধ্যায় Dr Sen অৰ Comparative Grammar পৃ ১ —৩৩।

২ It is the most advanced as regards phonetic change of the MIA dialects of the second stage (Sen s Comparative Grammar pp-15)

১। পদান্ত ব্যঞ্জনৰ লোপ সাধন।

২। পদমধ্যস্থিত অঘোষ মহাপ্ৰাণ ধ্বনিৰ লোপ সাধন আৰু ঘোষ মহাপ্ৰাণ ধ্বনিৰ হ ৰূপ প্ৰাপ্ততা। যেনে—প্ৰাকৃত>পাউঅ সকল/সফল>সঅল কথ>কধ>কহ।

৩। কেতিয়াবা কেতিয়াবা স>হ। যেনে—পাষাণ>পাহাণ তস্ত>* তাস>তাহ।

৪। ত্ম>প প আৰু ক্ষ>চ্ছ। যেনে আত্মন্>অপ পা ইক্ষু>উচ্ছু।

৫। ক্ৰিয়া বিশেষণত আহি প্ৰত্যয় যোগ হয়। যেনে—দূৰাৎ>দূৰাহি মূলাৎ>মূলাহি।

৬। ৭মীৰ একবচনত স্সি বিভক্তিৰ প্ৰয়োগ। যেনে—সৰ্বস্মিং>সৱ্বেস্সিং

৭। প্ৰত্যয় ইয়>ইজ্জ ক্ত্বাচ>উল ত্বাণ>উণ। যেনে—কৰণীয়>কৰণীজ্জ দৃষ্টা>দিচ্ছিউল গম্যতে>গম্মিজ্জই পুচ্ছিত্বাণ>পুচ্ছিউণ—ইয়াৰ প্ৰচলন এটা সীমিত অঞ্চলত মাত্ৰ।

৮। সংস্কৃতৰ পুংলিঙ্গৰ পদটো মাহাৰাষ্ট্ৰীত স্ত্ৰী বা ক্লীবলিঙ্গ। যেনে—প্ৰশ্ন>পণহো / পণহা দেৱা>দেৱা / দেৱনি।

৯। শব্দৰূপ আৰু ধাতুৰূপত বৈদিকৰূপ অৰ্থাৎ প্ৰাচীনত্ব স ৰক্ষিত হৈছে।

শৌৰসেনী দক্ষিণ পশ্চিমা প্ৰাকৃতৰপৰা অহা ভাষা। স স্কৃত নাটকত নাৰী আৰু অশিক্ষিত পুৰুষৰ ভাষা হ ল শৌৰসেনী প্ৰাকৃত। মথুৰা বা সুৰশেন অঞ্চলৰ কথিত ভাষা। শৌৰসেনীৰ মাহাৰাষ্ট্ৰীৰ লগত বিশেষ মৌলিক পাৰ্থক্য নাই। শৌৰসেনীৰ নিদৰ্শন—

তা পঢ স পদ অজ্জউত্তস্স পুৰদো সঅ কিদ কি পি কব্ব। জদো ত কব্ব জ সহাসুং পঢাঅদি ত সুৱণ্ণ জ কসৱটি আঅ নিব্বডদি সা ঘৰিণী জা পদি ৰঞ্জেদি সো পুত্তো জো কুল উজ্জলেদি।

[কৰ্পূৰমঞ্জৰী]

অৰ্থাৎ সম্প্ৰতি আৰ্যপুত্ৰৰ আগত তোমাৰ স্বৰচিত কোনো কবিতা আবৃত্তি কৰাচোন। কাৰণ সিয়েই কবিতা যিবোৰ সভাত পঢ়িব পাৰি কষটি শিলত যাক পৰীক্ষা কৰি চোৱা হয় তাকেই সোণ বোলে যি তিৰোতাই স্বামীৰ মনোৰঞ্জন কৰে তেৱেঁই প্ৰকৃত গৃহিনী যি বংশ উজ্জল কৰে সিয়েই (প্ৰকৃত) পুত্ৰ।

শৌৰসেনীৰ বৈশিষ্ট্য—মাহাৰাষ্ট্ৰী আৰু শৌৰসেনীৰ মধ্যৱৰ্তী বিভাষা' আৱন্তী সম্পৰ্কে বৈয়াকৰণিকসকলে কিছু কথা কৈ গৈছে। সেই আৱন্তীতেই এই দুয়োবিধ প্ৰকৃতৰ লক্ষণ কিছু কিছু পোৱা যায়। শৌৰসেনীৰ প্ৰধান বৈশিষ্ট্য কেইটা হ'ল—

১। স্বৰ মধ্যস্থিত দ আৰু ধ (<দ/ত আৰু ধ/দ) বৰ্ণৰ অলোপ। যেনে—

গচ্ছতি>শৌ গচ্ছদি মা গচ্ছই
কথয়তি> কধেদি কহেই
গত> গদ গঅ
মত> মদ মঅ
পুৰত > পুৰদো পুৰও

২। পদ মধ্যস্থিত ন্ত > ন্দ। যেনে—হন্ত>হন্দ।

৩। ক্ষ>ক্‌খ। যেনে—ইক্ষু>শৌ ইক্‌খু মা ইচ্ছু
কুক্ষি> কুক্‌খি কুচ্ছি
প্ৰেক্ষতে> পেক্‌খদি পেচ্ছই

৪। এক বচনৰ ৭মী বিভক্তি-স্মিন্> স্সি। যেনে—
পৰস্মিন>পৰস্সিং অন্যস্মিন>অণ ণস্সি।

৫। বিধিলিঙৰ গঠন সংস্কৃতৰ দৰে। যেনে— *ৰৰ্তেৎ>ৱট্টে।

৬। কৃ ধাতুৰ ৰূপ স স্কৃতৰ দৰে। যেনে—কৰোতি>কৰোদি।

৭। শৌৰসেনী বহুলা শে সংস্কৃতানুগামী।

অৰ্ধমাগধী মধ্য-প্ৰাচ্য প্ৰাকৃতৰ পৰিণতি। অৰ্ধমাগধীত মাহাৰাষ্ট্ৰী আৰু শৌৰসেনীৰ বিস্তৰ প্ৰভাৱ আছে। সেই সূত্ৰে ইয়াৰ দুটা ভাগ **জৈন মাহাৰাষ্ট্ৰী** আৰু **জৈন শৌৰসেনী**। জৈন মতানুগামী ব্যাকৰণকাৰসকলে অৰ্ধমাগধীক তেওঁলোকৰ শাস্ত্ৰ ৰচয়িতাৰ ভাষা অৰ্থাৎ **আৰ্য প্ৰাকৃত** বুলিও অভিহিত কৰিছে। অশ্বঘোষৰ নাটকতেই অৰ্ধমাগধীৰ প্ৰাচীনতৰ বিশেষত্ববোৰ পোৱা যায় পৰৱৰ্তী কালৰ সংস্কৃত নাটকত ইয়াৰ ব্যৱহাৰ নাই।

অৰ্ধমাগধীত স স্কৃতৰ প্ৰভাৱ প্ৰচুৰ। তদুপৰি অৰ্ধমাগধী গদ্যত মাগধী আৰু শৌৰসেনীৰ প্ৰভাৱ বিদৰে পোৱা যায় অৰ্ধমাগধী পদ্যত মাহাৰাষ্ট্ৰীৰ প্ৰভাৱো সিদৰে চকুত পৰে। অৰ্ধ মাগধীৰ নিদৰ্শন—

তেন কালেণং তেণং সমএণং সিন্ধুসোৱীৰেসু জণপএসু ৱীয়ভএ নাম নয়রে হোত্থা উদায়ণে নামং ৰায়া পভাৱঈ দেবী। তীসে জেট্‌ঠে পুত্তে অভিঈ নাম জুৱাৰায়া হোত্থা।

অৰ্থাৎ সেই সময়ত সেই দিনত সিন্ধু সৌবীৰ ৰাজ্যত বীতভয় নামে এখন নগৰ আছিল। তাত উদায়ণ নামে ৰজা প্ৰভাৱতী নামে ৰাণী (আছিল) তেওঁৰ জ্যেষ্ঠ পুত্ৰ নাম অভিজিৎ যুৱৰাজ আছিল। অৰ্ধমাগধীৰ প্ৰধান বৈশিষ্ট্য হ ল—

১। ৰ ল ধ্বনিৰ প্ৰচলন।

২। বিসর্গ যুক্ত পদান্তস্থিত অ কাৰৰ এ/ও কাৰ লাভ। যেনে—জন >জনো পুত্ৰ >পুত্ৰো বৃদ্ধ >বুড়টো বুডঢে।

৩। শ ষ স ৰ ঠাইত কেবল স ৰ প্ৰচলন। যেনে কেশী>কেসি ঔষধ>ওসঢ।

৪। স্বৰ মধ্যস্থিত লুপ্ত ব্যঞ্জনৰ ঠাইত য় শ্ৰুতিৰ প্ৰয়োগ। যেনে—ৰাজা>ৰায়া সাগৰ>সায়ৰ, শত>সয় নগৰ>নয়ৰ।

৫। দন্ত ধ্বনিৰ মূৰ্ধন্যভবন প্ৰৱণতা। যেনে—তেন>তেণ, দ শ>ডসই ঔষধ>ওসঢ।

৬। পদ মধ্যৱৰ্তী প>ৱ আৰু ম> স। যেনে—পাপক>পাৱক উপনীত> উৱণীয় অস্মি>অ সি *লোকস্মিন্>লোগ সি।

৭। ল্যবৰ্থক অসমাপিকাৰ বৈচিত্ৰ্য মন কৰিব লগীয়া।

(ক) স ত্বা >ত্তা। যেনে— গত্বা>গত্তা ভূত্বা>ভৱিত্তা পৃষ্ট্বা>পুছিত্তা জ্ঞাত্বা>জাণিত্তু।

(খ) স ত্য>চ্চ। যেনে—অভিসমেত্য>অভিসমেচ্চ।

(গ) বৈ ত্বান>তুণ / ত্তুন। যনে—গৃহীত্বা>ঘেত্তুণ পৃষ্ট্বা>পুচ্ছিদূণ।

(ঘ) বৈ ত্বায়>ত্তএ। যেনে—গত্বা = *গচ্ছিত্বায়>গচ্ছিত্তএ।

(ঙ) তুমৰ্থক—তুম্>উ / ত্তু। যেনে—কৃত্বা>কাউ শ্ৰুত্বা>সুণিত্তু।

৮। কৃ ধাতুৰ ৰূপ গন্থত স স্কৃতানুগামী (*কুৰ্ব ত>কুৰবই) পন্থত মাহাৰাষ্ট্ৰীৰ দৰে (কৃণোতি>কুণই)।

৯। অতীতকালত ই সু প্ৰত্যয় হয়। যেনে—গচ্ছি সু যচ্ছি সু।

১০। শানচ (= মান/আন) প্ৰত্যয়ৰ প্ৰয়োগ আছে। যেনে—পুচ্ছমানো।

মাগধী প্ৰাচ্য প্ৰাকৃতোদ্ভূত ভাষা। মূলতে ই মগধাঞ্চলৰ কথ্য ভাষা। জোগীমাৰা সুতনুকা গুহালেখ আৰু অশ্বঘোষৰ নাটকত প্ৰাচীনতৰ মাগধীৰ নিদৰ্শন পোৱা যায়। কালিদাসৰ অভিজ্ঞান শকুন্তলা আৰু শূদ্ৰকৰ মৃচ্ছকটিক তো মাগধী প্ৰাকৃতৰ প্ৰয়োগ আছে। মাগধী প্ৰাকৃত একেবাৰে কৃত্ৰিম সাহিত্যিক ভাষা স স্কৃত নাটকত ইয়াৰ ব্যৱহাৰ হৈছিল কেৱল হাঁহি কৌতুকৰ বাবেহে।[১] ইয়াৰ নিদৰ্শন তলত দিয়া হ ল—

শুতণুক নাম দেবদশিক্কি
ত কময়িথ বলণশেয়ে
দেৱদিনে নম লুপদখে।

---

১ দ্ৰষ্টব্য—ড সুকুমাৰ সেনৰ ভাষাৰ ইতিবৃত্ত পৃ ১৪।

অর্থাৎ দেৱদাসীৰ নাম সুতনুকা। বাৰানসী বাসী দেৱদিন্ন (বা দেওদিন) নামৰ ৰূপদক্ষই তেওঁক কামনা কৰিছিল।

মাগধীৰ বিশেষত্ববোৰ হ'ল —

১। শ ষ স>শ। যেনে—শুষ্ক>শুশ ক পুৰুষ>পুলিশে ভবিষ্যতি> ভবিশ শদি পুত্ৰস্য>পুত্তশ শ।

২। ৰ>ল। যেনে—ৰাজা>লাজা ৰোহিত মৎস্য>লোহিদমশ চ ৰত্ন>লদন পুৰুষ>পুলিশে।

৩। জ>য়। যেনে—জানাতি>য়াণদি জায়তে>য়ায়দে।

৪। ক্ষ আৰু চ্ছ ক্ৰমে শ ক আৰু শ্চ লৈ পৰিবৰ্তিত হয়। যেনে—পক্ষ>পশ ক বৃক্ষ>বিশ ক গচ্ছ>গশ্চ পৃচ্ছতি>পুশ্চদি।

৫। দ্য ৰ্জ ৰ্য ন্য>য়য় (=য্য)। যেনে—অদ্য>অয় য় অৰ্জুন>অয় য়ুন কাৰ্য্য>কায় য় কন্য>কয় য়।

৬। অনুনাসিক যুক্ত ব্যঞ্জনৰ তালব্যানুনাসিক প্ৰৱণতা অৰ্থাৎ ন্য ণ্য ঞ্জ>ঞ ঞ। যেনে—অন্য>অঞ ঞ অঞ্জলি>অঞ ঞলি কন্যকা> কঞ ঞকা/কঞ ঞআ পুণ্য>পুঞ ঞ ৰাজ্ঞ>লঞ ঞো।

৭। যুক্ত ব্যঞ্জনৰ স আৰু ষ বৰ্ণৰ সাধাৰণতে সমীভৱন হয়। যেনে—বৃহস্পতি> বুহস্পদি/বুহশ শদি শুষ্ক>শুশ কে হস্ত>হস্তে/হশ তে।

৮। সম্বোধনত অ কাৰান্ত পদৰ আ কাৰ লাভ। যেনে—হে দেৱ>হে দেবা হে পুৰুষ>হে পুলিশা।

৯। প্ৰথমাৰ একবচনৰ অ>এ। যেনে—নৰ>ণলে পুৰুষ>পুলিশে স>সে।

১০। অ কাৰান্ত পদৰ ষষ্ঠীৰ একবচনত স্প বা আহ বিভক্তি হয়। যেনে— জিনস্য>য়িণস্স য়িণাহ।

১১। অস্মদ্ শব্দৰ প্ৰথমাৰ একবচনত হকে হগে আৰু বহুবচনত অহকে হয়।

১২। পদ মধ্যস্থিত দ আৰু ধ সদায় ৰক্ষিত হৈছে। যেনে—ভবিশ শদি মালেধ।

মাগধী প্ৰাকৃতৰ প্ৰধান উপভাষা হ'ল **শাকাৰী চাণ্ডালী** আৰু **শাবৰী**। মৃচ্ছকটিক নাটকত ৰজাৰ খুলশালীয়েক শকাৰৰ ভাষা শাকৰী।

পৈশাচী উত্তৰ পশ্চিমা প্ৰাকৃতাগত। লোক-সাহিত্যত এই ভাষাৰ যথেষ্ট সমাদৰ দেখা যায়। গুণাঢ্যৰ **বৃহৎকথাৰ** ভাষা পৈশাচী। বৈয়াকৰণিকসকলৰ উদ্ধৃতিতো পৈশাচীৰ নিদৰ্শন পোৱা যায়। অপভ্ৰংশৰ লগত ইয়াৰ সম্পৰ্ক অতি ঘনিষ্ঠ। ড° সুকুমাৰ সেনৰ মতে অপভ্ৰংশৰ ঠিক পূৰ্ব কালৰ এবিধ প্ৰাকৃত এই

পৈশাচী।[১] ইয়াৰ নিদর্শন— পত্তুণ কিং ফটচনো নিচন্তেহতানা
অৰ্থাসন ফচতি চম্ফনিস্থতনস্‌স
ভোত্তুন খোৰতৰতুকৃথ—সত্তাই পাপা
মোহান্ধকাৰগহন লপ কি লফম্ভি॥

অৰ্থাৎ যুদ্ধাকৰে নিজৰ দেহ দানৰ দ্বাৰা জম্ভনিষূদন (=ইন্দ্ৰ)ৰ অৰ্ধাসন লাভ নকৰেনে? পাপীয়ে শত শত দুৰ্ঘোৰ দুখ সহ্য কৰি ঘোৰ মোহান্ধকাৰত নপৰেনে?

পৈশাচীৰ প্ৰধান বিশেষত্ব হ'ল —

১। ধ্বনিতত্ত্বৰ ক্ষেত্ৰত সংস্কৃতৰ প্ৰভাৱ প্ৰচুৰ।

২। স্বৰ মধ্যগত ঘোষ ব্যঞ্জনৰ ঘোষহীনতা আৰু স্বৰ মধ্যগত স্পৃষ্ট (affricate) ব্যঞ্জনৰ অৱস্থিতি। যেনে—কন্দৰ্প>কন্তপ্প নগৰ>নকৰ ভজতি> ভচতি ৰাজা>ৰাচা।

৩। ণ>ন আৰু শ/ষ>স। যেনে—গুণেন>গুনেন প্ৰদেশ>পতেস।

৪। ত্বা>তুণ। যেনে—কৃত্বা>কাতুণ গত্বা>গতুণ।

৫। জ্ঞ ঞ্জ ণ্য>ঞ ঞ। যেনে—কন্যকা>কঞ ঞআ পুণ্য>পুঞ ঞ ৰাজ্ঞ>ৰাঞ ঞো।

৬। ৰ্য>ৰিঅ স্ন>সিন ষ্ট>সট। যেনে—ভাৰ্যা>ভাৰিআ স্নাত>সিনাত কষ্ট>কসট।

৭। আত্মনেপদী ধাতুৰ পৰস্মৈপদীৰূপ লাভ। যেনে—লভন্তে>লফন্তি।

নিয়া প্ৰাকৃতক মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় উপস্তৰৰ অন্তৰ্গত বুলিয়েই কোৱা হয়। চীনা তুৰ্কীস্থানৰ প্ৰাচীন শানশান (Shan Shan বা Kroraina) ৰাজ্যৰ সীমান্তত নিয়া নামে ঠাইৰ বালিৰ স্তূপৰ তলত এই প্ৰত্নলেখবোৰ আবিষ্কাৰ কৰিছিল ছাৰ অৰেল ষ্টেইনে (Sir Aurel Stein)। এইবোৰ আচলতে শাসন কাৰ্য অৰ্থাৎ বিচাৰ বিষয়ক আৰু ব্যৱসায় বাণিজ্য সম্পৰ্কীয় কিছুমান ৰিপোৰ্ট বা তথ্য সম্বলিত প্ৰতিবেদনৰ সমষ্টি। এইবোৰৰ ৰচনা কাল খৃষ্টাব্দ তৃতীয় শতিকা বুলি অনুমান কৰা হৈছে। উত্তৰ পশ্চিম ভাৰতৰ পোছোৱাৰ অঞ্চলৰ ভাষাকে ইয়াৰ মূল বুলি কোৱা হয়।

নিয়া প্ৰাকৃতৰ প্ৰধান বিশেষত্ববোৰ হ'ল —

১। স্বৰ মধ্যস্থিত একক ব্যঞ্জনৰ উষ্মীভৱন আৰু শ ষ স ধ্বনিৰ ঘোষবৰ্ণলৈ পৰিৱৰ্তন। যেনে—কৃত>কিদ অৱকাশ>অবগজ দাস>দঝ অপি >অবি মাস>মস গন্তব্য>গংদৱো।

---

১ দ্ৰষ্টব্য—Sen Journal of the Oriental Institute, Baroda Vol. XI pp 3

২। পদান্তস্থিত য় য়া য়ে>ই। যেনে—মূল্য>মূলি ঐশ্বৰ্য>এশ্বৰি সমাদায় >সমদই।

৩। পদমধ্যস্থিত এ>ই। যেনে—ক্ষেত্ৰ>চি ত্ৰ

৪। অঘোষ/ঘোষ বৰ্ণ হ লৈ ৰূপান্তৰিত, কিন্তু পদান্তস্থিত অঘোষ বৰ্ণ লোপ কিম্বা হ/য় শ্ৰুতিৰ আগম। যেনে—গোধূম>গোহোমি লভন্তে>লহ ন্তি দত্ত=*দিত ক>দিতএ/দিতগে সমত >সমও/সমহো।

৫। ঋ>অ উ বি ৰু। যেনে—প্ৰকৃত>পগ ড ভূতি>হুডি কৃত>ক্ৰিত/ কিড ঘৃত>ঘ্ৰিদ। *পৃচ্ছিতব্য>প্ৰুচ্ছিদবো।

৬। কেতিয়াবা কেতিয়াবা ৰ>ম। যেনে—এৱম>এব>এম চীৱৰ>চিমৰ।

৭। পদান্তস্থিত অ বিলোপ কিম্বা এ/ও ৰূপ লাভ। যেনে—মনুষ্য >মনুশ তত>তদো গন্তব্য >গ দৱো।

৮। অনুনাসিক যুক্ত ব্যঞ্জনৰ সমীভৱনত নাসিক্য প্ৰৱণতা। যেনে—ভাণ্ড> ভান আজ্ঞপ্তি>অনতি বিজ্ঞপ্তি>বি নতি।

৯। শ্ৰ>ষ স্ম> মি ষ্ট/ষ্ঠ>ঠ শ< । প। যেনে—শ্মশ্ৰু >মষু স্মিন>ৎমি অৱশিষ্ট>অৱশিঠ স্থিতক>থিদগ অশ্ব>অশপ স্বস্>শপসু।

। তৃতীয় পুৰুষৰ বহুবচনত অস্তি বিভক্তিৰ যোগত অতীত কালৰ সৃষ্টি। যেনে—গতা তি (সি/তেও) গ ল / গৈছিল।

১১। ক্ৰিয়াৰ কাল তিনিটা—বৰ্তমান (লট্) অতীত (কৃদন্ত) আৰু ভৱিষ্যত (লৃট্)। আত্মনেপদ আৰু কৰ্মবাচ্যৰ প্ৰয়োগ দুৰ্লভ।

অন্ত্য প্ৰাকৃত মধ্য ভাৰতীয় আৰ্যভাষাৰ তৃতীয় উপস্তৰটোৱেই শেষ বা অন্ত্য প্ৰাকৃতৰ কাল। এই স্তৰৰ প্ৰাকৃত ভাষাকে অপভ্ৰংশ বোলা হয়। সম্প্ৰতি ই একাধিক প্ৰাকৃতৰ ক্ষেত্ৰতহে প্ৰযোজ্য আঞ্চলিক প্ৰাকৃত আৰু নব্য ভাৰতীয় আৰ্য্যভাষাৰ মধ্যৱৰ্তী কালচোৱাত প্ৰতিবিধ প্ৰাকৃতেই কিছু পৰিমাণে সৰল হৈ পৰিছিল। এই শিথিলতৰ আঞ্চলিক প্ৰাকৃত সমূহকে সেই সেই অঞ্চলৰ প্ৰাকৃতৰ অপভ্ৰংশ ৰূপে অভিহিত কৰা হৈছে। সেই পিনৰপৰা অপভ্ৰংশৰ স্থান তলত দিয়া দৰে দেখুৱাব পাৰি—

মাহাৰাষ্ট্ৰী প্ৰাকৃত>মাহাৰাষ্ট্ৰী অপভ্ৰংশ>মাৰাঠী

শৌৰসেনী প্ৰাকৃত>শৌৰসেনী অপভ্ৰংশ>পশ্চিমা হিন্দী ৰাজস্থানী গুজৰাটী।

অৰ্ধমাগধী প্ৰাকৃত>অৰ্ধমাগধী অপভ্ৰংশ<পূৰ্বী হিন্দী অৱধী ভোজপুৰী

মাগধী প্ৰাকৃত>মাগধী অপভ্ৰংশ>অসমীয়া বঙলা উৰিয়া মৈথিলী বিহাৰী।

অর্দ্ধমাগধী প্রাকৃত>অর্দ্ধমাগধী অপভ্ৰংশ>পূৰ্ব্বী হিন্দী অবধী ভোজপুৰী
মাগধী প্রাকৃত>মাগধী অপভ্ৰংশ>অসমীয়া বঙলা উৰিয়া মৈথিলী বিহাৰী।

অপভ্ৰংশ সম্পৰ্কে বিশেষকৈ ইয়াৰ কাল সম্পৰ্কে নানা তৰ্ক আছে। পতঞ্জলিয়ে শাস্ত্ৰহীনৰ ভাষাকে অপভ্ৰংশ ৰূপে অভিহিত কৰি গৈছে। তেওঁৰ মতে সংস্কৃতৰপৰা অপভ্ৰষ্ট হোৱা ভাষাই অপভ্ৰংশ। সেই পিনৰপৰা সকলো প্রাকৃতেই ইয়াৰ অন্তৰ্ভুক্ত। কাব্যালংকাৰৰ প্রাকৃতমেৰ অপভ্ৰংশ বোলা কথামাৰৰপৰা অনুমান হয় যে অপভ্ৰংশই এবিধ প্রাকৃত ৰূপেই মূৰ দাঙি উঠিছিল। ভামহেও সংস্কৃত প্রাকৃত আৰু অপভ্ৰংশৰ স্বকীয়া ব্যৱহাৰৰ কথা কৈ গৈছে। ৰাজশেখৰ ৰুদ্ৰট আদিয়েও অপভ্ৰংশক সংস্কৃত বা প্রাকৃতৰ দৰে বিশেষ মৰ্যাদা দি কব খোজে যে অপভ্ৰংশ আচলতে কাব্যৰ ভাষা।

প্রাকৃত বৈয়াকৰণিকসকলে অপভ্ৰংশৰ বিষয়ে কিছু আলোচনা কৰি গৈছে। বৰৰুচি কিন্তু এই বিষয়ত নিমাত। হেমচন্দ্ৰই **সিদ্ধহেমশব্দানুশাসনৰ** ৮ম অধ্যায়ত অপভ্ৰংশ আৰু তাৰ উপভাষাৰ বিষয়ে আলোচনা কৰিবলৈ গৈ উদাহৰণ স্বৰূপে অপভ্ৰংশৰ কিছু নিদৰ্শনৰো উল্লেখ কৰি গৈছে। পুৰুষোত্তমে **প্রাকৃতানুশাসনত** (১১শ শতিকা) শিষ্ট লোকৰ ভাষা ৰূপে অপভ্ৰংশৰ বিষয়ে বহু নিৰ্ভৰযোগ্য বৰ্ণনা দিছে। তেওঁৰ মতে নাগৰ উপনাগৰক আৰু ব্ৰাচডক এই অপভ্ৰংশৰ প্রধান উপভাষা তাৰ ভিতৰত নাগৰক আছিল প্রধান আৰু সিয়েই আছিল আৰ্য্যাবৰ্তৰ শিষ্টজন সন্মত ভাষা অৰ্থাৎ Lingua Franca ৰূপেই পৰিগণিত হৈছিল। আকৌ মাৰ্কণ্ডেয়য়ো (১৭শ শতিকা) **প্রাকৃত সৰ্বস্বত** অপভ্ৰংশৰ বিষয়ে আলোচনা কৰি গৈছে। ইয়াৰ উপৰিও পিছেল গ্ৰিয়াচ'ণ ব্লক ভাণ্ডাৰকাৰ আদিয়েও অপভ্ৰংশ সম্পৰ্কে মতামত দি গৈছে। এওঁলোকে মধ্য ভাৰতীয় আৰ্য্যভাষাৰ কালচোৱাৰ শেষ স্তৰৰ জনসাধাৰণৰ কথিত ভাষাকে অপভ্ৰংশ আখ্যা দিছে। ভাৰতীয় আৰু অনা ভাৰতীয় এই পণ্ডিতসকলৰ আলোচনাৰপৰা অনুমান কৰিব পাৰি যে মধ্য ভাৰতীয় আৰ্যভাষা বা ব্যাপক অৰ্থত প্রাকৃত স্তৰৰ যিটো সাৰ্বজনীন ভাষা অশিষ্ট লোক সাহিত্যৰ বাহন হৈ পৰিছিল সেই ভাষাটোৱেই আছিল প্রাচীন অপভ্ৰংশ। সেই অপভ্ৰংশৰ পৰৱৰ্তী যিটো ৰূপৰপৰা আধুনিক ভাৰতীয় আৰ্যভাষা সমূহে স্বকীয় ৰূপ লৈছিল সেইটো অপভ্ৰংশকে অবহট্‌ঠ বুলি কোৱা হয়।

অপভ্ৰংশত ৰচিত গ্ৰন্থাদি সংখ্যাত তাকৰ।[১] **বিক্ৰমোৰ্বশী** আদি সংস্কৃত নাটক কেইখনমানত প্রাচীন অপভ্ৰংশৰ নিদৰ্শন পোৱা যায়। জৈন সাহিত্যৰ অন্তৰ্গত স্বয়ম্ভূৰ **পউমচৰিঅ** পুষ্পদন্তৰ **মহাপুৰাণ** সোমদেৱৰ **যশস্তিলক** হৰিভদ্ৰৰ **সমৰাইচ্চকহা** আৰু **নেমিণাহচৰিঅ** শ্ৰীশচন্দ্ৰৰ **কথাকোষ** ৰামসিংহৰ

১ দ্ৰষ্টব্য—আৱৰণ।

পাহুড়দোহা আৰু **জীনদত্তৰ উপদেশৰসায়ণৰস** অপভ্ৰংশ ভাষাত ৰচিত উল্লেখ যোগ্য গ্ৰন্থ। এই যুগৰ শেষৰ ফালে আব্দুৰ ৰহমান বিৰচিত শৃঙ্গাৰ ৰসাসিক্ত প্ৰণয়কাব্য **সংণেহৰাসয** (=সন্দেশৰাসক) আৰু পিঙ্গলাচাৰ্য্য ৰচিত **প্ৰাকৃতপৈঙ্গল** এই যুগৰে অৰ্বাচীন অপভ্ৰংশত ৰচিত আন দুখন উল্লেখযোগ্য কাব্য।

প্ৰাচীন অপভ্ৰংশৰ নিদৰ্শন—

হউ পঈ পুচ্ছিমি আঅক্খহি গঅবৰু
ললিঅ পহাৰে নাসিঅ তৰুবৰু
দূৰবিণিজ্জিঅ সসহৰ কন্তী
দিট্‌ঠী পিঅপঈ সম্মুহ জন্তী। [বিক্ৰমোৰ্ব্বশী ৪ৰ্থ অংক]

অৰ্থাৎ হে গজবৰ মৃদু আঘাতেৰে তুমি বিশাল বৃক্ষকো ভূপতিত কৰা তোমাক মই সুধিব খোজো।—মোৰ যি প্ৰেয়সীয়ে চন্দ্ৰ কান্তিকো জয় কৰিছে সেই পতিব্ৰতাক তোমাৰ সম্মুখেদি যোৱা দেখিছানে ?

পৰৱৰ্তী অৰ্বাচীন অপভ্ৰংশৰ নিদৰ্শন—

ণয়ৰ ণামু সামোৰু সৰোৰুহ দলনয়ণি
ণায়ৰজণস পুণ্ণু হৰিস সসিহৰবয়ণি।
ধবলতু গপায়াৰিহি তিউৰিহি মংডিয়উ
ণহু দীসই কুই মুক্খু সয়লু জণু পংডিয়উ ॥ [সান্দেশৰাসক]

অৰ্থাৎ হে কমলদলনয়নী মোৰ নগৰখনৰ নাম সাম্বপুৰ (=সামৰু)। হে চন্দ্ৰ বদনী সুখী নাগৰিকেৰে এই নগৰ পৰিপূৰ্ণ। বগা ওখ প্ৰাচীৰেৰে আবৃত এই নগৰৰ পদূলিবোৰ সুসজ্জিত। তাত অশিক্ষিত লোক দেখা নাযায় সকলোৱে শিক্ষিত।

অপভ্ৰংশ ভাষাৰ প্ৰধান বিশেষত্বৰোৰ হ'ল —

১। ৰ > উ। যেনে—আহৰ > আহউ।
২। উৰ পূৰ্বস্থিত ম লোপ পায়। যেনে—যমুনা > জঁউণা সম্পূৰ্ণ > সউণ্ণ।
৩। পদ মধ্যস্থিত ম > ব (ৱ)। যেনে—কমল > কৱলু > কৱঁলু তৃণ সমম > তিণ সব > তিণ সবঁ নমস্তানাম্ > নবস্তাহঁ প্ৰমাণ > পমাণ > পবঁাণ।
৪। দীৰ্ঘস্বৰৰ হ্ৰস্বতা লাভ। যেনে—গৌড়াধীপতি > গউলাহিবই তৰুণী > তৰুণি স্থলী > থলী > থলি স্থুলাবলী > থুলাবলী > থুলবলি।
৫। প্ৰথমাৰ এক বচনত বিভক্তিহীনতা নাইবা উ বিভক্তিৰ প্ৰয়োগ। যেনে— কোমলম্ > কোমল স > সু পথিক > পহিঅ > পহিয়/পহিউ ছন্দ > ছ ন্দু বাসক > বাসউ নগৰম্ > ণঅৰ > ণয়ৰু।

৬। ডা ডী উল্ল উল্লী ইল্ল আদি ভালেমান স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ। যেনে—বাগ+ইল্ল>বাঅইল্ল>বাইল্ল সেইদৰে পহিল্ল।

৭। বিভিন্ন কালত শতৃ প্ৰত্যয়ান্ত পদৰ প্ৰয়োগ। যেনে—পৱহ'তু চল্ল তিন্ন ছায় ন্তী।

৮। ত্বাচ> ইবি। যেনে—সবলীকৃত্য=সবলায়িত্বা>সবলাইবি ত্যজ +ত্বাচ =ত্যজিত>চইবি।

৯। শব্দ আৰু ধাতুৰূপৰ ক্ষেত্ৰত বহুখিনি সবলীভৱন।

১০। সৰ্বনাম পদৰ ভালেমান নতুন নতুন ৰূপৰ প্ৰয়োগ। যেনে—তুমহাৰ আমহাৰ তই মই (কৰ্ম কৰণ অধি একবচন) তুহ তুহ তুজ্ঝ মহ মজ্ঝ (সম্বন্ধ একবচন) তুম্হে অম্হে (কৰ্তৃ বহুবচন) এহ তেহ জেহ কেহ ইত্যাদি।

১১। দেশী শব্দৰ বহুল প্ৰয়োগ।

১২। সংস্কৃতৰ প্ৰভাৱ হীনতা।

অপভ্ৰংশৰ উপভাষাসমূহৰ ভিতৰত ব্ৰাচডক নাগৰক উপনাগৰক বৈদৰ্ভী গৌড়ী পাঞ্চালী ঢক্কী সিংহলী শাকাৰী শাবৰী চাণ্ডালী আৱন্তী কৈকেয় পৈশচিকা আৰু চূলিকা পৈশাচিকা আদিয়েই উল্লেখ যোগ্য। সিবোৰৰ ভিতৰত নাগৰক উপভাষা প্ৰধান।

নাগৰকৰ প্ৰধান বিশেষত্ববোৰ হ'ল —

১। শ ষ>স য়>জ ন>ণ।

২। স্বৰ মধ্যৱৰ্তী ক আৰু গ লোপ পায় স্বৰমধ্যৱৰ্তী প আৰু ফ>ব আৰু ভ।

৩। খ ঘ থ ভ>হ।

৪। তৃতীয়াৰ এক বচনত এ বিভক্তিৰ প্ৰয়োগ।

৫। দীৰ্ঘ স্বৰৰ হ্ৰস্বতা প্ৰাপ্তি।

৬। শব্দৰ প্ৰয়োগত লিঙ্গ ভেদাভেদত শিথিলতা।

৭। নতুন নতুন প্ৰত্যয় বিভক্তি আৰু অনুসৰ্গৰ প্ৰয়োগ।

৮। যুক্ত ব্যঞ্জনৰ য ফলা লোপ কিম্বা ৰ ফলাৰ প্ৰয়োগ।

৯। ডা আৰু ডী স্বাৰ্থিক প্ৰত্যয়ৰ বহুল প্ৰয়োগ।

অপভ্ৰংশৰ অৰ্বাচীন বা শেষ স্তৰটোৰ নামেই হ'ল **অবহট্‌ঠ** বা **অৰ্বাচীন অপভ্ৰংশ**। ই দৰাচলতে অপভ্ৰংশৰ শেষৰ স্তৰ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্বৰ্তী কালৰ ভাষা। অতি সূক্ষ্ম বিচাৰ অবিহনে ইয়াৰ অস্তিত্বালোচনা সম্ভৱ নহয়। ক্ৰমদীশ্বৰৰ সংক্ষিপ্তসাৰত এই অবহট্‌ঠ কথাষাৰৰ উল্লেখ আছে। তেওঁৰে

সমসাময়িক টীকাকাৰ অদ্বয়বজ্ৰই সৰহৰ **দোহাকোষ পঞ্জিকাত** অপভ্ৰংশৰপৰা উদ্ভূত অবহট্‌ঠ ভাষাক **অভিভ্ৰষ্ট** ৰূপে অভিহিত কৰিছে— দোহাঅভিভ্ৰষ্ট ৰচনয়স্তেতি। (অপভ্ৰষ্ট+বিভ্ৰষ্ট>অপিভ্ৰষ্ট অভিভ্ৰষ্ট>অবিহট্‌ঠ>অবহট্‌ঠ)। প্ৰাকৃত অপভ্ৰংশৰ বিকৃত ৰূপ এই অৰ্থত উক্ত শব্দ ব্যৱহৃত হোৱা বুলি অনুমান হয়। অবহট্‌ঠৰ কাল সাধাৰণভাৱে খৃষ্টাব্দ ৮ অথবা ১২ বুলি ধৰা হয়। ইয়াৰ পাছতো অবহট্‌ঠ ভাষাত পুথি ৰচিত হৈছে। সেইবাবে ড সুকুমাৰ সেনে ১৪শ ১৫শ শতিকালৈকে অবহট্‌ঠৰ কাল বুলি মন্তব্য দিব খোজে।

অবহট্‌ঠ ভাষাত ৰচিত গ্ৰন্থ সংখ্যাত তেনেই তাকৰ। হেমচন্দ্ৰৰ ব্যাকৰণত অবহট্‌ঠ কবিতাৰ উদ্ধৃতি পোৱা যায়। জৈন বৌদ্ধ যোগপন্থীসকলে জনসাসাধাৰণৰ লৌকিক ভাষা বুলি অৰ্বাচীন অপভ্ৰংশৰ প্ৰতি বিশেষ সমাদৰ দেখুৱাইছিল। সংস্কৃত নজনা এই চাম লোকেই সম্ভৱত অবহট্‌ঠক শিষ্ট ৰূপ দিবলৈ চেষ্টা কৰিছিল। গান কবিতা নীতিবচন আদি যিবোৰ লোক সাহিত্য অবহট্‌ঠত ৰচিত হৈছিল দৰাচলতে সেইবোৰেই নব্য ভাৰতীয় আৰ্য্যভাষাৰ সাহিত্যক এটি নতুন বস্তুৰ সন্ধান দিয়ে। জৈনী যোগী ৰামসিংহৰ **পাহুড় দোহা** পিঙ্গলাচাৰ্য্যৰ **প্ৰাকৃত পৈঙ্গল** গাহাসত্তসঈৰ কবিতাৰ অনুকৰণত ৰচিত সৰহপাদৰ **দোহাকোষ** অবহট্‌ঠ সাহিত্যৰ উল্লেখযোগ্য গ্ৰন্থ। আবদুৰ ৰহমানৰ **সংনেহয ৰাসয়** (=সন্দেশ ৰাসক) এই ভাষাত ৰচিত এখনি উল্লেখযোগ্য দূত কাব্য। এই ভাষাৰ শেষ উল্লেখনীয় গ্ৰন্থ হ'ল বিদ্যাপতিৰ **কীৰ্তিলতা** আৰু **কীৰ্তিপতাকা**। দ্বিতীয়খনে অৱশ্যে আজিও পোহৰৰ মুখ দেখা নাই।

অবহট্‌ঠৰ নিদৰ্শন —

তৰল কমলদল সৰি জুঅ ণঅণা
সৰস সমঅ সসি সুসৰিস বঅণা
মঅগলকৰিবৰ সঅলস গমণী
কমল সুকিঅফল বিহি গড়ু ৰমণী। [প্ৰাকৃত পৈঙ্গল]

অৰ্থাৎ যাৰ চকুযুৰি চঞ্চল কমলদলৰ দৰে যাৰ মুখখনি শাৰদীয় জোনটিৰ দৰে যাৰ অলস গমন মদমত্ত হাতীৰ দৰে—বিধাতাই কি সুকৰ্মৰ ফলত সেই ৰমণীক সৃজন কৰিলে?

অবহট্‌ঠৰ প্ৰধান বিশেষত্ববোৰ হ'ল —

১। সংক্ষেপন অৰ্থাৎ উদ্‌বৃত্ত স্বৰ সংকোচন। যেনে—

অন্ধকাৰ>অন্ধআৰ>আন্ধাৰ
কলহকাৰিণী>কলহআৰিণী>কলহাৰিণী

জানিত (= জাত)>জাণিঅ>জাণী

বাহ্যতে>বাহিঅদি>বাহিঅই>বাহই

চৰ্মপাদৈ = *চৰ্মপাদকেভি'>চম্মবাঅএহি >চ বাএহিঁ>চ বাহিঁ

বাজা = *বাজিক>বাইঅ>বাই

ইন্দ্ৰিয়>ইন্দিঅ>ইন্দি

মৃত্তিকা>মট্টিকা>মট্টিআ>মট্টি

ময়ূৰ>মউৰ>মোৰ তাদৃশ>তাইস>তইস>তেহ।

২। পদান্তস্থিত এ ও> ই উ যথাক্ৰমে। যেনে –

পৰ >পৰো পৰু দেৱ >দেৱো>দেও>দেউ

সকল >সঅল>সয়লু *মনে (= মনসি)>মণি

স্নেহে>ণেহে>ণেহি।

৩। পদান্ত স্বৰৰ অনুনাসিকতা। যেনে—

অহম্ = *অহকম>হউঁ স্বয়ম্>সই।

৪। পদৰ আদি বা মধ্যত থকা এ>ই। যেনে—

ঐক্য (= এক) এক>একক>ইক্ক

প্ৰেক্ষ>পেক্‌খ>পিক্‌খি

প্ৰেক্ষণ>পেচ্ছণ>পিচ্চিবি (ণ>ব)

যেন>জেন>জিনি।

৫। পদান্তস্থিত অম ৰ ম লোপ বা উ লৈ পৰিবৰ্তিত হয়। যেনে—

নৰম>নৰ'>নৰু / নৰ

নগৰম>নঅৰু ণঅৰ>ণয়ৰ / ণৰু

প্ৰিয়>পিউ / পিঅ প্ৰাকৃতম>পায়উ

যুগলম>জুয়লু মধ্যম্>মজ্ঝু।

৬। লিঙ্গ পৰিৱৰ্তনৰ নিয়মত শিথিলতা।

৭। ষষ্ঠীৰ একবচনত হ বিভক্তিৰ প্ৰয়োগ। যেনে—

অন্যাস্যা >অণ্ণস্সা>অণ্ণহ একস্যা>ইক্কহ

*আত্মস্য>অপ্পস্স>অপ্পহ তৱ>তুহ

বিজয়নগৰস্য>বিজয়ণয়ৰহ/বিজয়ণয়ৰু

প্ৰৱহন্তকস্য = *প্ৰৱহ'তস্য>পৱহ তন্নহ মুগ্ধায়া'>মুদ্ধহ।

কিন্তু কোনো কোনো পদত ষষ্ঠীত ৰু বিভক্তিৰ প্ৰয়োগ। যেনে—ধম্মৰু <ধৰ্মস্য বিত্তৰু<বিত্তস্য।

৮। স্ত্ৰ্যাৰ্থবাচক ইক প্ৰত্যয়ৰ যোগত স্ত্ৰীলিঙ্গ শব্দ গঠন।

৯। তৃতীয়াৰ একবচনত এ বিভক্তিৰ প্ৰয়োগ। যেনে—

যেন>*জেৰ্ঁ>জে পুত্ৰেণ>পুত্তেৰ্ঁ>পুত্তে
জাতেন>জাএৰ্ঁ>জাএ ত্বয়া=ত্বয়েন>ত্বয়ে
তেন>তেৰ্ঁ>তে যশসা= যশেন>জসেঁ।

। বিভক্তিহীনতা অৰ্থাৎ পদত সকলো কাৰকতে মাজে মাজে বিভক্তি যুক্ত নোহোৱাটো অবহট্‌ঠৰ এটা অতি মন কৰিব লগীয়া কথা। ইয়াক আন ধৰণেও কব পাৰি—শূন্য বিভক্তি বা বিভক্তিৰ উহ্যৰূপ।

১১। নতুন নতুন অসংস্কৃত অৰ্থাৎ দেশী শব্দৰ প্ৰয়োগ। যেনে—কিবি (=কিছু) তিবি কিবি (=কিছু কিছু) স ঝসিয় (=প্ৰচুৰ) সিহণ (=স্তন) বেহংতি (=শোভিত) কুট্টি (=খণ্ড) চল্লহি (=খুলি অহা কাপোৰ) চল্ল (=স্খলন) তুৰক্কি (=তীক্ষ্ণ) মল্‌হিৰউ (=লীলায়িত) কণ্ণুঝুণুউ (=কণুজুনু) ঝস্থৰ (=তামোল—চুণ পাণেৰে সৈতে) ঘল্লই(=দলিওৱা) পিক্কি (=তামোলৰ পিক) উত্তাবলি (=আকুল) গজ্জই (=শোভিত) বংক (=দৰিদ্ৰ) চম্পিজ্জই (=দখল কৰা) বড ভাই (=ডাঙৰ বৰ) ঘেপ্পন্তি (=লাভ কৰা) ইত্যাদি।

সেইদৰে আৰবী ফাৰ্চী শব্দৰো প্ৰয়োগ দেখা যায়। যেনে—ওল্লা (=মুছলমানৰ সাধাৰণ নাম আধুনিক বালা) সাহি (=শাহ) মেচ্ছসৰীৰ (=মুছলমানসকল এই অৰ্থত ব্যৱহাৰ হৈছে)।

১২। ড আৰু উল্ল স্বাৰ্থিক প্ৰত্যয়ৰ প্ৰয়োগ। যেনে—অৰণ্য>ৰণ্ণডঅ দেশ>দেসডঅ দোষ>দোসড।

১৩। কাৰকৰ সংখ্যা হ্ৰাস পাই মাত্ৰ তিনিটা ৰূপত বৈছেগৈ[1]—(ক) কৰ্তৃ কৰ্ম (খ) সম্প্ৰদান অপাদান সম্বন্ধ আৰু (গ) অধিকৰণ কৰণ।

১৪। যুক্ত ক্ৰিয়াৰ (Compound verb) ব্যৱহাৰৰ সূত্ৰপাত। যেনে—বিসাম কৰ=বিশ্ৰাম্যতাম্ বাট বহন্তে=পথ বহন / গচ্ছন্ ন কৰহু সেৱা=ন ক্ৰিয়তাং সেৱা, মুক্কউ চিত্তগএন্দ কৰ=মুক্ত চিত্তগজেন্দ্ৰ ক্ৰিয়তাম্।

১৫। কবিতাৰ ছন্দত সমমাত্ৰিকতা আৰু অন্ত্যানুপ্ৰাস অবহট্‌ঠৰ বিশেষ উল্লেখযোগ্য বৈশিষ্ট্য।

---

[1] দ্ৰষ্টব্য—Tagare প্ৰণীত Historical Grammar of Apabhraṁśa pp 74.

চতুৰ্থ অধ্যায়

॥ প্ৰাকৃত শব্দভাণ্ডাৰ ॥

ভাষাৰ শ্ৰেষ্ঠ সম্পদ হ'ল শব্দ ভাণ্ডাৰ। শব্দ ভাণ্ডাৰ যিমানে সমৃদ্ধ হয় ভাষাও তিমানে উন্নত হয়। ধাতু আৰু শব্দত নানা প্ৰত্যয়াদি যোগ কৰি নতুন নতুন শব্দ সৃষ্টি কৰা হয় সেইদৰে আন ভাষাৰ পৰাও প্ৰয়োজন অনুসৰি নতুন নতুন শব্দ আহৰণ কৰি ভাষা সাহিত্যত স্থান দিয়া হয়। বিদেশী শব্দ আহৰণদ্বাৰাও ভাষাৰ শব্দ সম্ভাৰ চহকী হয়। সকলো ভাষাৰ ক্ষেত্ৰতে সাধাৰণভাৱে এই কথা প্ৰযোজ্য। প্ৰাকৃত ভাষা তাৰ ব্যতিক্ৰম নহয়। প্ৰাকৃত ভাষাত বৈদিক সংস্কৃতৰপৰা সৰকি অহা সংস্কৃত মূলজ শব্দৰ সংখ্যাই সৰ্বাধিক। প্ৰাকৃতত প্ৰচলিত শব্দৰাজি চাৰি ভাগত ভাগ কৰিব পাৰি (১) মৌলিক (২) দেশী বা দেশজ (৩) বিদেশী আৰু (৪) মিশ্ৰ।

(১) **মৌলিক** শব্দসমূহ আচলতে সংস্কৃতৰ নিজস্ব শব্দ। সেই শব্দখিনি হুবহু কিম্বা কিছু পৰিবৰ্তন ঘটি প্ৰাকৃতত প্ৰৱেশ কৰিছেহি। সেই মৌলিক শব্দখিনি আকৌ দুভাগত ভাগ কৰিব পাৰি—(ক) তদ্ভৱ আৰু (খ) তৎসম।

(ক) **তদ্ভৱ** শব্দসমূহ মূলতে সংস্কৃত কিন্তু সেই সংস্কৃতৰপৰা কিছু বিকৃত ঘটি যেনে ধ্বনি আদিৰ সাল সলনি ঘটি অধিক সৰল হৈ প্ৰাকৃতত স্থান পোৱা যিবোৰ শব্দ সেইবোৰকে **তদ্ভৱ** শব্দ বোলা হয়। তৎ অৰ্থাৎ সংস্কৃত আৰু ভৱ অৰ্থাৎ জাত চমুকৈ সংস্কৃতৰপৰা অহা শব্দ। যেনে—অদ্য>অজ্জ অৰ্দ্ধ>অদ্ধ ইদৃশ>ইৰিশ/স

উপাধ্যায়>উৱজ্ঝাঅ কৰ্তব্য>কাদব্ব কৰ্ম>কম্ম কাব্য>কব্ব কৃষ্ণ>কণহ গ্ৰীষ্ম>গিমহ চক্ৰ>চক্ক তৈল>তেল্ল প্ৰাকৃত>পাইঅ/পাউঅ ব্ৰাহ্মণ>বমহণ মধ্যম>মজ্ঝম/মজ্ঝিম সত্য>সচ্চ শৃগাল>শিআল স্নেহ>সিণেহ স্থবিৰ>থইৰ/থেৰ হৃদয়>হিঅঅ সংস্কৃত>সক্কঅ ইত্যাদি।

(খ) **তৎসম** শব্দসমূহ মূলতে সংস্কৃত। সংস্কৃতৰপৰা কোনো সাল সলনি নোহোৱাকৈ অবিকল সেইদৰে যিবোৰ শব্দ প্ৰাকৃতত সোমাই পৰিছে সেইবোৰ শব্দকে তৎসম শব্দ বোলা হয়। তৎ অৰ্থাৎ সংস্কৃত আৰু সম অৰ্থাৎ সমান চমুকৈ সংস্কৃতৰ সমান বা একে শব্দ। যেনে—

অঙ্গ ইচ্ছা কুন্তল কুমাৰ কূপ গঙ্গা গন্ধ ছন্দ জবা, জল জীৱ তক দশ দূৰ দেৱ নৱ পণ্ডিত বাল মঙ্গল, মুণ্ড ৰমণী ৰাজা লোক সম সিন্ধু সুখ ইত্যাদি।

(২) **দেশী** বা **দেশজ** শব্দসমূহ দৰাচলতে প্ৰাকৃত ভাষা প্ৰচলিত অঞ্চলৰ অনা আৰ্যভাষা অৰ্থাৎ স স্কৃত ভিন্ন নানা ভাষাৰপৰা আহৰিত শব্দ। আৰ্য ভাষাভাষী সকলে অনা আৰ্য ভাষাভাষী লোকৰ লগত নানা কাৰণত এটা সম্পৰ্ক ৰাখি আহিব লগীয়া হৈছিল আৰু সেই সম্পৰ্কৰ পৰিণতি স্বৰূপে সিসকলৰ ভাষাৰ উপাদান বিশেষকৈ কিছুমান শব্দ প্ৰাকৃতত সোমাই পৰিল। দেশীয় ভাষাৰপৰা আহৰিত বাবেই এই শব্দসমূহক দেশী বা দেশজ আখ্যা দিয়া হৈছে। এনেকুৱা কিছু স খ্যক শব্দ স'স্কৃতৰ ভৰিয়তেও আহিছে কিন্তু সৰহ স খ্যকেই পোনপতীয়াকৈ আহিছে বুলি অনুমান কৰা হয়। যেনে—

কিবি কিছু কুট্টি খণ্ড কোদণ্ড ইচ্ছা থল্ল থাল খডক্কিআ কাষবদুৱাৰ =খিড়িকি ঘল্ল নিক্ষেপ চকল ঘূৰণীয়া চঙ্গ সুন্দৰ ছইল্ল বিদগ্ধ ছোল্ল চাফ কৰা ছল্লী বাকলি / চলি কাঠ ঝস্থুৰ এখন তামোল তুৰক্কি তীক্ষ্ণ গজ্জই শোভিত ভসল ভোমোৰা বড ডাই বৰ/ডাঙৰ ভুল্ল ভুল মদহ অলপ মৰট্ট অহ কাৰ/গৰ্ব মেল্ল খুলি দিয়া ৰ ক দুখীয়া ৰেহ তি ে াভিত সিহণ স্তন স ঝসিয় প্ৰচুৰ লটঠঅ মনোৰম ইত্যাদি।

(৩) **বিদেশী** শব্দসমূহ দৰাচলতে প্ৰাকৃত অধ্যুষিত অঞ্চলৰ আৰ্য নাইবা আৰ্যেতৰ কোনো ভাষাৰ পৰাই আহৰিত শব্দ নহয় বিদেশৰ অন্যান্য ভাষাৰপৰা আহৰিত শব্দখিনিকে বিদেশী াব্দ আখ্যা দিয়া হয়। বিদেশী ভাষা ভাষী লোকৰ লগত সম্পৰ্ক হোৱাৰ ফলত কিম্বা স স্কৃতৰ ভৰিয়তে প্ৰাকৃতত এইবোৰ শব্দৰ অনুপ্ৰবেশ ঘটিছে। সেই শব্দবোৰৰ এটা ক্ষুদ্ৰ তালিকা তলত দিয়া হ ল।

দ্ৰাবিড়[১] শব্দ —মোৰ<ময়ূৰ কুন্তল মুউল<মুকুল মালা পণ্ডিত পূজা কুট্ট (=সক সককৈ কটা) চুৰ পুপফ<পুষ্প মহিলা মুডঅ কুলি / মজদুৰ কু ডৰ মাটিৰ জোখ ইত্যাদি।

অষ্ট্ৰিক শব্দ জল গঅ<গজ ডিম্ব তাৰোঁল<তাম্বূল টঙ্ক ওখঠাই।

গ্ৰীক শব্দ দম্ম দাম সমিত ফুল সুৰুঙ্গ 'সুৰঙ্গ হোৱা ঘণ্টা ইত্যাদি।

ইৰাণীয় শব্দ দিপি<লিপি মুদ্দ মুদ্ৰা কাহাৱণ বস্তুৰ মান বিশেষ সাহি ৰজা হিনডা ৰজাৰ উপাধি সুলতান হজাৰো ইত্যাদি।

আৰবী শব্দ কিতেবা কিতাপ গুলামো চাকৰ তবেল্লা তবলা সল্যামো নমস্কাৰ ইত্যাদি।

---

১ দ্ৰষ্টব্য—Dr S K Chatterji ৰ প্ৰবন্ধ Dravidian Origins and the Beginnings of Indian Civilization Modern Review 1924 (December)

মঙ্গোল গোষ্ঠীৰ তুৰ্কী শব্দ তুৰুক্ক তুলুক্ক তুলক<তুৰ্কী তুৰ্ক মুছলমান সৈনিক ঠক্কুৰ<তিগিৰ সন্মান সূচক শব্দ ইত্যাদি।

(৩) মিশ্ৰ শব্দ সমূহ দৰাচলতে একাধিক ভাষাগত উপাদানেৰে গঠিত শব্দ অৰ্থাৎ প্ৰাকৃত ভাষাৰ শব্দৰ লগত আন কোনো ভাষাৰ উপাদান কিম্বা আন ভাষাৰ মূল শব্দৰ লগত প্ৰাকৃত উপাদান মিশ্ৰিত হৈ গঠিত হোৱা বাবেই এইবোৰক মিশ্ৰ শব্দ বোলে। এনেকুৱা শব্দ প্ৰাকৃতত তেনেই তাকৰ। আধুনিক ভাৰতীয় আৰ্যভাষাত মিশ্ৰ শব্দ বহু বেছি। তলত কেইটামান এনেকুৱা শব্দ দিয়া হ ল।

লভহ সুখাবহ অকৃথোহিণী/অকৃথোভনী চকৃথই সোৱাদ লোৱা ঘল্লই দলিওৱা খেপ্পন্তি লাভ কৰা চ গিম সুন্দৰ উত্তাবলি ইত্যাদি।

ওপৰত আলোচনা কৰা শব্দসমূহৰ উপৰিও আৰু কিছুমান শব্দ প্ৰাকৃতত পোৱা যায় সেইবোৰ কোনো শব্দ বা ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা কাৰণে সিহঁতক ধ্বন্যাত্মক শব্দ বুলি কব পাৰি। এনেকুৱা শব্দ স থ্যাত তাকৰ। যেনে—ঢক্কা ঝ কাৰ তিবি কিবি কুহুঝুণউ ইত্যাদি।

এই প্ৰসঙ্গতে প্ৰাকৃতত প্ৰচলিত প্ৰবাদ বাক্য বা বাগ ৰীতিৰ কথাও উল্লেখ কৰিব পাৰি। এইবোৰ আচলতে বাকৃভঙ্গিৰ অন্তভু ক্ত বস্তু। তলত কেইটামান উল্লেখ কৰা হ ল—অপুব্ব অচৰিম —আগলৈকো নাই পাছলৈকো নাই, ভত্ত ৱত্ত ঢেদি—জীৱিকা বাতিল পিট ঠিত পিট ঠিত—পিঠিয়ে পিঠিয়ে মন কৰোতি—মন কৰে অত্তণা তকৃকেও—নিজৰ বেলি আতি পতি কথচি কথচি—ক ৰবাত ক ৰবাত গচ্ছন্তে গচ্ছন্তে কালে=কালক্ৰমে, কদাচি কদাচি—কেতিয়াবা কেতিয়াবা মালেধ কুন্তেধ বা—মাৰকেই বা কাটকেই শউলাণ মুহ পেস্কশি—কুকুৰৰ মুখ দেখা শিগ ঘ শিগ ঘ —তাৎতৈয়াকৈ পানী ছিপ্পই—পানী চুই হথে ঠবিঅউ—হাত কৰি পঅভৰ মেইণি কম্পই—পদৰ ভৰত মেদিনী কঁপাই দেবহ লিকৃখিত কেণ মেটাআ—দৈৱৰ লিখন কোনে খণ্ডাব ইত্যাদি।

প্রাকৃত সাহিত্য

দ্বিতীয় খণ্ড

A C Woolner প্ৰণীত

An Introduction to Prakrit

পুথিব ব্যাকবণ অ শব অসমীয়া স স্কবণ

॥ পাতনি ॥

স্নাতক বা স্নাতকোত্তৰ শ্ৰেণীত সাধাৰণতে নাটককো পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা দেখা যায় তাৰ অধিকাংশই হ'ল প্ৰাকৃত। পৰীক্ষকসকলৰ যেনেকুৱা ধাৰণাই নাথাকক বেছিভাগ সংস্কৰণতে মূল পাঠৰ লগত একে পৃষ্ঠাতে থকা সংস্কৃত ছায়া পঢ়িয়েই শিক্ষাৰ্থীসকলে কাম চলায়। এইদৰেই শিক্ষাৰ্থীসকলৰ পঢ়া আৰম্ভ হয়। তাৰ পিছতহে তেওঁলোকে প্ৰাকৃত পঢ়িবলৈ ধৰে। সেই সময়ত তেওঁলোকে সততে লক্ষ্য ৰাখে সংস্কৃতৰ লগত প্ৰাকৃতৰ কোন কোন বিষয়ত মিল আৰু কোন কোন বিষয়ত অমিল। এইদৰে যি খণ্ডৰ সংস্কৃত ৰূপান্তৰৰ লগত আৰু তাৰ লগে লগে সম্ভৱত ইংৰাজী অনুবাদৰ লগত আগতেই যাৰ পৰিচয় হয় তাৰ কাৰণে এইবোৰ বুজিবলৈ অসুবিধা নহয়। তদুপৰি যিবোৰ ছাত্ৰই পাঠ্যক্ৰম পঢ়াত কিছুদূৰ আগবাঢ়ে তেওঁলোকৰো পঢ়োঁতে কেতিয়াবা সামান্য অসুবিধা হলেই চকু পোনেই তলত থকা ছায়ালৈ নামি আহে। ফলত কোনো ছাত্ৰৰ বাবেই কোনো এবিধ প্ৰাকৃতৰে আচল জ্ঞান সম্ভৱ নহয়। তাৰ বাবে অৱশ্যে ছাত্ৰক দোষ দিয়া নাযায়। যি কোনো কিতাপৰ বিভিন্ন সংস্কৰণসমূহ ছাত্ৰবোৰে পঢ়িব লগীয়া হয় সেই সকলোবোৰৰে প্ৰাকৃতাংশ সাধাৰণতে ভ্ৰমসংকুল। তদুপৰি আৱশ্যক অনুসৰি আলোচনা কৰিবলৈ নিভুল অথবা নিৰ্ভৰযোগ্য এনেকুৱা এখন পুথি নাই যিখন পঢ়ি ছাত্ৰসকলে প্ৰাকৃতৰ বিধিবিধান সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰে। এই প্ৰাকৃত পুথিখনৰ অন্যতম অভিপ্ৰায় হৈছে ছাত্ৰসকলৰ পাঠ্য সংস্কৃত নাটকৰ শৌৰসেনী আৰু মাহাৰাষ্ট্ৰী অংশসমূহ অধিকতৰ মনোনিবেশ আৰু যুক্তিৰে সৈতে অধ্যয়নৰ উপযোগী এখনি প্ৰাথমিক পুথি প্ৰস্তুত কৰা।

এই পুথিৰ প্ৰধান উদ্দেশ্য অৱশ্যে বৈদিক কালৰেপৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে সুবৃহৎ ভাৰতীয় আৰ্যভাষাৰ ইতিহাস চৰ্চাকাৰী তথা অধ্যয়নকাৰীসকলক সহায়তা কৰা। যি কোনো এজন ভাৰতীয় ছাত্ৰই অন্তত এটা নব্য ভাৰতীয় আৰ্যভাষাৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিহে তেওঁৰ অধ্যয়নৰ সূচনা কৰিব পাৰে। স্কুলত তেওঁ যি সংস্কৃত শিকে তাৰদ্বাৰা প্ৰাচীন ভাষাটোৰ নিয়মাবদ্ধ সাহিত্যিক ৰূপ (steriotyped literery form)ৰ লগতহে তেওঁৰ পৰিচয় ঘটে। বিশ্ববিদ্যালয়ত সংস্কৃত পঢ়িবলৈ লোৱাৰ লগে লগে তেওঁ জানিবলৈ সক্ষম হয় যে বৈদিক ভাষা ভাৰতীয় আৰ্যভাষাৰ আৰু বেছি প্ৰাচীনতৰ ভাষাৰ নিদৰ্শন। সেই সম্পৰ্কে নিৰ্ভুল

সংস্কৰণৰ পাঠ্যগ্ৰন্থ আৰু বহু প্ৰয়োজনীয় মতামত পঢ়ি চোৱাৰ নিৰ্ভৰযোগ্য পুথি আছে। (বিশেষভাৱে পঢ়িবলৈ কব পাৰি— A Vedic Grammar for Students A A Macdonell Clarendon Press ১৯১৬)।

মধ্যস্তৰ এই স্তৰ কিছু পৰিমাণে অৱহেলিত। ভাৰতবৰ্ষতেই সংস্কৃততকৈযো মধ্যকালৰ প্ৰাকৃতসমূহ আৰু বেছি মৃত ভাষা যেন হৈ পৰিছে। ভাৰতৰ বাহিৰৰ পণ্ডিতসকলে সৰ্বপ্ৰাচীন বৌদ্ধ শাস্ত্ৰবোৰৰ ভাষা পালিৰ মাজত এই স্তৰৰ নিৰ্ভৰযোগ্য তথা সুবিধাজনক নিদৰ্শন লাভ কৰিছে। ভিন ভিন প্ৰাকৃতৰ মূল মূল বিশেষত্ববিলাকৰ এটা পৰিষ্কাৰ ধাৰণা ভাৰতীয় ভাষাতত্ত্বৰ ছাত্ৰসকলৰ থকা উচিত। এই পুথিয়ে সেই অভাৱ দূৰ কৰিব বুলি আশা কৰিব পাৰি।

অধ্যয়ন পদ্ধতি প্ৰথমে এটা উপভাষা ভালদৰে শিকি লৈ তাকেই ইয়াৰ মানৰূপে ধৰি তাৰ পিছত আনবিলাকৰ লগত ইয়াৰ তুলনা কৰি শিকাটোৱেই বোধহয় সহজ উপায়। ইয়েই আছিল ভাৰতীয় বৈয়াকৰণিকসকলৰ নীতি। মাহাৰাষ্ট্ৰীকেই তেওঁলোকে অধ্যয়নৰ মানৰূপে লৈছিল কিন্তু মাহাৰাষ্ট্ৰী ভাষাত ৰচিত গদ্যৰ যিকণ অৱশিষ্ট পোৱা যায় সেয়া জৈনসকলেহে লিখা। আকৌ যি ভাষাত নাটকীয় কবিতাবোৰ ৰচিত সেয়া এই ভাষা নহয়। পালি অধ্যয়নৰ ক্ষেত্ৰত ভালেমান সুন্দৰ সহায়ক পুথি পোৱা যায় কিন্তু পালি ইমান পুৰণি যে তাক কেন্দ্ৰ কৰি আলোচনা কৰাও সম্ভৱ নহয়। তদুপৰি আমাৰ পাঠ্যক্ৰমতকৈ ই বেলেগ বিষয়। অৱশ্যে বৌদ্ধধৰ্ম শিক্ষাৰ্থীসকলৰ বাবে ইয়াকেই সাধাৰণতে উপযুক্ত বুলি ধৰা যায়। তদুপৰি সংস্কৃতৰ ছাত্ৰবোৰ আচলতে নাটকীয় প্ৰাকৃতৰ সংস্পৰ্শলৈহে আহে আৰু তাৰো বহু খনিয়েই হৈছে শৌৰসেনী। অন্যান্য যুক্তিবোৰৰ লগত তুলনা কৰি চাই এই কাৰণতেই শৌৰসেনী আৰু মাহাৰাষ্ট্ৰীৰ ওপৰত বিশেষ জোৰ দি বিষয়টোক সাধাৰণ হিচাপে উপস্থাপিত কৰাটো নিতান্ত অপৰিহাৰ্য বুলি বিবেচিত হৈছে।

যিবিলাক ছাত্ৰই এই পুথি পঢ়িব সিবিলাকে যেন আগতে সাধাৰণ পৰিচ্ছেদবোৰ আৰু তাৰ পিছতহে দুয়োবিধ প্ৰধান নাটকীয় প্ৰাকৃতৰ পিনে বিশেষ লক্ষ্য ৰাখি ধ্বনি আৰু ব্যাকৰণ সম্পৰ্কীয় অধ্যায়বোৰ মনোযোগেৰে পঢ়ে। তাতোকৈয়ো বেছি আৱশ্যকীয় দৃষ্টান্তসমূহ ডাঙৰ আখৰেৰে ছপোৱা হৈছে—সেইবোৰ মুখস্থ কৰাই উত্তম। তাৰ পিছত §১—§১৪ পাঠলৈকে সম্পূৰ্ণভাৱে আয়ত্ব কৰি সেই জ্ঞান যি কোনো নাটকৰ পাঠত ছাত্ৰবিলাকে নিজে প্ৰয়োগ কৰিব লাগিব।[১]

ইয়াৰ পৰৱৰ্তী স্তৰটো হব অধিকতৰ ভাষাতাত্ত্বিক। তাৰ ভিতৰত থাকিব

---

[১] মাত্ৰ এই দুবিধ প্ৰাকৃতৰ কাৰণে ছাত্ৰসকলে Sten Know ৰদ্বাৰা সম্পাদিত Karpuramanjari নাটক পঢ়া উচিত।

ভাষাৰ বিভিন্ন স্তৰ আৰু উপভাষাবোৰৰ তুলনা—যিবোৰ ৪ৰ্থ ১ ম অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে আৰু যিবোৰৰ নমুনা দাঙি ধৰা হৈছে ১৫শৰপৰা শেষ অধ্যায়লৈকে।[২]

পালি আৰু প্ৰাচীন প্ৰাকৃতৰ নিদৰ্শনবোৰৰ উদ্দেশ্য হ ল পৰৱৰ্তী তথা ভবিষ্যতৰ অধ্যয়নত উৎসাহ আৰু প্ৰেৰণা যোগোৱা।

প্ৰাচীন কালৰেপৰা শব্দবোৰৰ ঐতিহাসিক ধাৰাবাহিকতা দেখুৱাৰ অভিপ্ৰায়ে ঠায়ে ঠায়ে শব্দৰ আধুনিক ৰূপ উদ্ধৃত কৰা হৈছে। ছাত্ৰবিলাকে নিজ নিজ মাতৃভাষাৰপৰা আৰু কিছু পৰিমাণে আধুনিক শব্দৰ লগত তুলনা কৰিবলৈ চেষ্টা কৰা উচিত।

আংশিক পৰিমাণে পুথিৰ লগত মিলাই লোৱাৰ সুবিধাৰ্থে আৰু আংশিক পৰিমাণে শব্দৰ ৰূপবিলাক ব্যাখ্যা কৰাৰ অৱলম্বনাৰ্থে শব্দসূচীৰ সমাৱেশ কৰা হৈছে।[৩]

প্ৰতিলিপি কেইটামান বিশেষ কাৰণত ৰোমাণ প্ৰতিলিপি ব্যৱহাৰ কৰা হৈছে। বাৰ বছৰৰো অধিক কাল অধ্যাপনাৰ অভিজ্ঞতাৰ ফলত লিখক নিঃসন্দেহ যে ৰোমাণ আৰু হিন্দী দুয়োবিধ লিপিতেই অসতৰ্ক বানানৰ বহু প্ৰচলনৰ আংশিক কাৰণ একেটাই ধ্বনিমূল্যগত সামান্য পাৰ্থক্য থকা একে লিপিকেই হিন্দী আৰু সংস্কৃত লিখাত প্ৰয়োগ। দেৱনাগৰী লিপিত লিখা একে শব্দকে সংস্কৃত আৰু হিন্দী দুয়ো ভাষাতে উচ্চাৰণ কৰা যায়। যেনে ভগবান— ভগৱান বা ভগ্ ৱান ৰূপে ধৰ্ম— ধৰ্ম বা ধৰম ৰূপে সামবেদ— সামবেদ বা সাম্‌বেদ্ ৰূপে ইত্যাদি। এটা আধুনিক বানানৰ শব্দৰ ক্ষেত্ৰত প্ৰাকৃত উচ্চাৰণৰ পাৰ্থক্য ৰাখিবলৈ গলেই গোলমাল লাগি পৰে।

আন এটা কাৰণ হ ল—দেৱনাগৰীতকৈ ৰোমাণ লিপি অধিকতৰ আণৱিক (atomic) বুলি ই বাজীত ধ্বনিতত্ত্বৰ নীতি নিয়মবিলাকৰ ব্যাখ্যা দিবলৈ বেছি সুবিধা হয়।

তদুপৰি যি কোনো ভাৰতীয় ছাত্ৰই আধুনিক পাণ্ডিত্যৰ লগত সমানে খোজ মিলাই চলিবলৈ হলে এই লিপিৰ লগত সম্পূৰ্ণৰূপে পৰিচিত হোৱা নিতান্ত দৰ্কাৰ। মৌলিক আলোচনামূলক গ্ৰন্থ আৰু প্ৰাচ্যবিদ্যাৰ সাময়িক পত্ৰিকাদি (Oriental Journals) ব্যৱহাৰ কৰিবলৈ হলে পাশ্চাত্য পণ্ডিতৰ দেৱনাগৰীৰ জ্ঞানৰ নিচিনাকৈ ছাত্ৰসকলৰ এই লিপিৰ জ্ঞান থকাটো দৰ্কাৰ।

প্ৰুফ সংশোধনৰ শ্ৰম আৰু প্ৰাৰম্ভিক শিক্ষাৰ্থীয়ে এই বেশত (in this guise) সংস্কৃতৰ লগত যি অপৰিচিত ভাব পোনে পোনে অনুভৱ কৰিব পাৰে সেইবোৰ

---

২ ভাষা বৈচিত্ৰ্যৰ কাৰণে মৃচ্ছকটিকম্ নাটক সৰ্বাধিক কৌতূহলোদ্দীপক।

৩ এই সংস্কৰণত কোনো শব্দসূচী দিব পৰা নহ ল।

অসুবিধাতকৈয়ো এইবোৰ যুক্তি অধিকতৰ গুৰুত্বপূৰ্ণ যেন লাগে। সন্দেহজনক কথাত —যেনে ব্যুৎপত্তি আদিত যি ঠাইত নানাজনৰ নানা মত (doctors disagree) সেই ঠাইত পিছেলকেই (Pischel) গুৰুৰূপে লোৱা হৈছে। যিমানদূৰ সম্ভৱ পৰাপক্ষত মতবিৰোধৰপৰা আঁতৰি থকাৰ চেষ্টা কৰা হৈছে তৰ্কমূলক কোনো কোনো বিষয়ৰ উল্লেখ কৰা হৈছে এই বুলিয়েই যে এইবিলাক বিষয়ত গৱেষণাৰ ঠাই আজিও সাহসিক উদ্যমৰ প্ৰতীক্ষাত আছে।

আমাৰ বিশ্বাস ভাৰতীয় নাটক আৰু ভাৰতীয় ভাষাতত্ত্বৰ অধ্যয়নত সহায় কৰাৰ উপৰিও এই ক্ষুদ্ৰ পুথিখনে আমাৰ কেইজনমান ছাত্ৰ আৰু স্নাতকক সংস্কৃতবৃত্ত (sanskrit circle)ৰ বহিৰ্ভূত ভাৰতীয় চিন্তাধাৰণা আৰু সাহিত্যৰ ব্যাপক পৰিসৰ সম্পৰ্কে আগ্ৰহান্বিত কৰিবলৈ তথা মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এই বিষয়ত কিছু জ্ঞান নাথাকিলে মধ্যযুগৰ ভাৰতৰ জীৱন নিৰ্বাহ সম্পৰ্কে প্ৰকৃত ধাৰণা লাভ সম্ভৱ নহয়।

গুলমাৰ্গ ১৯১৭ এ চি উলণাৰ

॥ ৰোমাণ প্ৰতিলিপি ॥

স্বৰধ্বনি অ a আ ā ই i ঈ ī উ u ঊ ū এ e ও o

সংস্কৃতত ইয়াৰ বাহিৰেও ঋ ṛ ৠ ṝ ঌ ḷ ঐ ai ঔ au

টীকা (১) সংস্কৃতৰ যৌগিক স্বৰধ্বনি ঐ ai ঔ au ৰপৰা পৃথককৈ দেখুৱাৰ কাৰণে প্ৰাকৃতৰ অই আৰু অউ যথাক্ৰমে এইদৰে লিখা হয় aï আৰু aü কিন্তু প্ৰাকৃতত ঐ আৰু ঔ ধ্বনি নথকা হেতুকে ওপৰত বিন্দু নিদিলেও ভুল কৰাৰ ভয় নাথাকে। যেনে—uttarai (=তেওঁ বা সি পাৰ হয়) উত্তৰই' হয়।

(২) প্ৰাকৃতত এ আৰু ও কেতিয়াবা হ্ৰস্বস্বৰৰূপে ব্যৱহৃত হয়। ইইতৰ পাৰ্থক্য দেখুৱাবলৈ এ ĕ আৰু ও ŏ ৰূপে লিখা হয়। (দ্ৰষ্টব্য—§৬১)।

ব্যঞ্জনধ্বনি

ক্	k	খ	kh	গ	g	ঘ	gh	ঙ	ṅ
চ	c	ছ	ch	জ	j	ঝ	jh	ঞ	ñ
ট	ṭ	ঠ	ṭh	ড	ḍ	ঢ	ḍh	ণ	ṇ
ত	t	থ	th	দ	d	ধ	dh	ন	n
প	p	ফ	ph	ব	b	ভ	bh	ম	m
য	y	ৰ	r	ল্	l	ল্	ḷ	ৱ	v
শ	ś	ষ	ṣ	স্	s	হ	h		

বিসৰ্গ (প্ৰাকৃতত নাই) ḥ

অনুস্বাৰ ṁ

অনুনাসিক স্বৰধ্বনি লিখা হয় এইদৰে—ঁ ñ।

টীকা (১) সংস্কৃতৰ ন প্ৰাকৃতত সাধাৰণতে ণ হয় কিন্তু আন কোনো দন্ত্যবৰ্ণৰ আগত থকা ন একেৰকমে থাকে (অৰ্থাৎ সংস্কৃতৰ নিচিনা)। অৱশ্যে বহু সময়ত লিখা হয় এইদৰে—দং ত। জৈন গ্ৰন্থত শব্দৰ আদিত থকা ন সদায় দন্ত্য হয়।

(২) এইদৰে অন্যান্য অনুনাসিক বৰ্ণসমূহো প্ৰায়ে ৰখাবা লিখা হয়। পং চ = পঞ্চ সং খ = শঙ্খ দং ড = দণ্ড জং বু = জম্বু। কিন্তু দ্ৰষ্টব্য—§৩৫।

(৩) লঘুপ্ৰযত্নতৰ বা ক্ষীণ (shorten or weaken) য্ ৱ কাৰণে §৯ ৰ টীকা মন কৰিব লগীয়া।

(৪) হিন্দী ড়—ṛ আৰু মূৰ্দ্ধন্য ল—l। কাৰ্যক্ষেত্ৰত ঋ আৰু ৯ৰ লগত ইইতৰ পাৰ্থক্য দেখুৱাত বিশেষ একো অসুবিধা নহয়। সম্ভৱত ড ৰ তলত বিন্দু দি ড়-ধ্বনি প্ৰকাশৰ উপায় হাতত লোৱাৰ বহুকাল আগৰেপৰা ড আখৰ ড় ৰূপে উচ্চাৰিত হৈছিল।

(৫) সাধাৰণতে এইবুলি ধৰি লোৱা উচিত যে প্ৰতিলিপি পদ্ধতি মূলতে প্ৰতিবৰ্ণীকৰণ অৰ্থাৎ এবিধ আখৰৰ প্ৰয়োগ। অৱশ্যে উচ্চাৰণ সম্পৰ্কে ইয়াৰপৰা একোৱেই জনা নাযায়। এইটো খাটাং কথা যে চ মাহাৰাষ্ট্ৰীত ৎস ৰ দৰে উচ্চাৰিত হৈছিল যিদৰে বৰ্তমান মাৰাঠীত উচ্চাৰিত হয় আকৌ মগধত অ আধুনিক বঙালিৰ দৰে উচ্চাৰিত হৈছিল। তথাপি আমি নিশ্চয়কৈ কব পাৰোঁ যে মধ্যদেশীয়সকলে যি কোনো প্ৰাকৃত উচ্চাৰণৰ বেলিকা নিজৰ নিজৰ ধ্বনি পদ্ধতিতেই উচ্চাৰণ কৰিছিল।

প্ৰথম অধ্যায়

বিষয় নিৰ্দেশ

উত্তৰ ভাৰতীয় বা ভাৰতীয় আৰ্যভাষাসমূহৰ সমগ্ৰ ইতিহাস সাধাৰণভাৱে তিনিটা বিশেষ কাল বা স্তৰত ভাগ কৰা হয় প্ৰাচীন মধ্য আৰু নব্য বা আধুনিক।

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ নিদৰ্শন পোৱা যায়—(ক) ঋগ্বেদ আৰু (খ) পৰৱৰ্তী কালৰ বৈদিক গ্ৰন্থৰাজিত। (গ) ৰামায়ণ আৰু মহাভাৰতৰ ছন্দোবদ্ধ ৰচনাৱলী (ঘ) পাণিনি পতঞ্জলিৰ সাধুসমাজত প্ৰচলিত অতিশয় পৰিমাৰ্জিত (সংস্কৃত) সাহিত্যিক ভাষা আৰু তেওঁলোকৰ পৰৱৰ্তী কালৰ প্ৰখ্যাতনামা সুকবি কালিদাসৰপৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে সমুদায় সংস্কৃত পুথি প্ৰণয়নকাৰীৰ সাহিত্যৰ ভাষা এই যুগৰ কথিত ভাষাৰ সুদৃঢ় ভেটিৰ ওপৰত প্ৰতিষ্ঠিত।

(২) মধ্য ভাৰতীয় আৰ্যভাষাৰ নিদৰ্শন পোৱা যায়—পালি আৰু প্ৰাকৃত সাহিত্যত। ধ্বনি পৰিবৰ্তন আৰু ব্যাকৰণগত পৰিবৰ্তন বা ক্ৰমবিকাশৰ মাজেদি সৰকি আহি এই স্তৰ বা কালত ভাষাই যি ৰূপ ললে যেই নতুন ৰূপটোত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰপৰা মধ্য ভাৰতীয় আৰ্যভাষাক সম্পূৰ্ণৰূপে পৃথক বুলি ধাৰকৈয়ে অনুমান কৰিব পাৰি (? প্ৰায় ১১ খৃষ্টাব্দ)। অৱশ্যে তাৰ পিছৰ কালতো এই ভাষাত ভালেমান ধ্বনিগত আৰু ব্যাকৰণগত পৰিবৰ্তনৰ সূচনা হৈছে আৰু ইয়াৰ মাজতেই ফুটি ওলাল আধুনিক ভাষাৰ লগত সাদৃশ্য থকা এটি ভাষা। বিভিন্ন দেশত বিভিন্ন কালত আবিষ্কৃত হোৱা শিলালিপি আৰু সাহিত্যৰপৰা আমি এই কালৰ ভাষা সম্পৰ্কে বহু কথা জানিব পাৰোঁ। শিলালিপি আৰু সাহিত্যিক ৰচনাসমূহ এই যুগৰ ভাষাৰ নিদৰ্শনৰ ভিতৰত পৰে। শিলালিপিৰ ভিতৰত অশোকৰ অনুশাসনসমূহেই আটাইতকৈ বিখ্যাত। এই ভাষাৰ সাহিত্যিক নিদৰ্শনৰ ভিতৰত পৰে পালি ভাষাত ৰচিত 'দক্ষিণী' বা হীনযানপন্থী বৌদ্ধৰ ধৰ্মমূলক গ্ৰন্থৰাজি প্ৰাকৃত ভাষাত লিখিত জৈনৰ ধৰ্মগ্ৰন্থৰাজি প্ৰাকৃত গীতি বা গাথা কাব্য, মহাকাব্য, নাটক আৰু প্ৰাকৃত ব্যাকৰণসমূহ।

(৩) ভাৰতীয় আৰ্যভাষাৰ তৃতীয় অৰ্থাৎ আধুনিক বা নব্য স্তৰৰ সূচনাৰ সঠিক কাল নিৰ্ণয় কৰা টান। কাৰণ পণ্ডিতকান্ত ব্যাকৰণকাৰ হেমচন্দ্ৰই বৰ্ণনা কৰি যোৱা প্ৰাকৃত যুগৰ অৰ্বাচীন অৰ্থাৎ শেষ স্তৰ বা অপভ্ৰংশ আৰু আধুনিক বিভিন্ন ভাষাত

ৰচিত প্ৰাচীনতম কাব্য—ইয়াৰ মধ্যৱৰ্তী কালতেই আধুনিক ভাৰতীয় আৰ্যভাষাৰ সূচনা বা বিকাশ হয়। লাহোৰৰ সুপ্ৰসিদ্ধ কবি চান্দ বৰদাই ৰচিত প্ৰিথিৰাজ ৰসৌ নামৰ পুথিখনেই পশ্চিমা হিন্দীৰ প্ৰাচীনতম কাব্য। (? প্ৰায় ১২০ খৃষ্টাব্দ)।

মধ্য ভাৰতীয় আৰ্যভাষাক আকৌ তিনিটা বিশিষ্ট স্তৰত ভাগ কৰা যায় (১) প্ৰাচীন প্ৰাকৃত (বা পালি), (২) মধ্য প্ৰাকৃত আৰু (৩) অৰ্বাচীন (বা শেষ) প্ৰাকৃত বা অপভ্ৰংশ।

প্ৰাচীন প্ৰাকৃতৰ অন্তৰ্গত :

(ক) খৃ° পূ° ৩য় শতিকাৰপৰা ২০ খৃষ্টাব্দলৈকে সকলোবোৰ শিলালিপি। অৱশ্যে স্থান কাল পাত্ৰ ভেদে এই শিলালিপিবোৰৰ ভাষাই ভিন ভিন ৰূপ লৈছে।

(খ) হীনযান পন্থী বৌদ্ধৰ পালি গ্ৰন্থ আৰু মহাবংশ, জাতকাদি বৌদ্ধ ধৰ্মগ্ৰন্থ সমূহ। জাতকত বা নাটকত ব্যৱহৃত প্ৰাকৃত ভাষাৰ বিষয়ে বিশেষ ভাৱে আলোচনাৰ অৱতাৰণা কৰা হৈছে।

'প্ৰাকৃত' শব্দৰ বিভিন্ন প্ৰয়োগ :

প্ৰকৃতি ৰপৰা উদ্ভৱ হোৱা 'প্ৰাকৃত শব্দটোৰ দুই প্ৰকাৰ অৰ্থ হ'ব পাৰে

(১) প্ৰকৃতিৰ ভাষা বা প্ৰকৃতিৰপৰা উদ্ভূত অৰ্থাৎ কোনোৰ মূল বা আদি ৰূপোদ্ভূত নাইবা সেই মূল ৰূপটোৰ বিকৃতিৰ বিপৰীত। (সাংখ্য দৰ্শনত প্ৰাকৃত শব্দটোৰ অৰ্থ হ'ল প্ৰকৃতি অৰ্থাৎ মূল পদাৰ্থৰপৰা প্ৰস্ফুটিত)।

(২) ব্যাপক অৰ্থত 'স্বাভাৱিক সাধাৰণ অশিষ্ট, আঞ্চলিক' সম্ভৱত আদিতে জনসাধাৰণৰ কথিত ভাষাকে প্ৰাকৃত (শৌৰসেনী পাউদ' মাহাৰাষ্ট্ৰী পাউঅ) বুলি অভিহিত কৰা হৈছিল, আৰু পৰিমাৰ্জিত সুৰুচিসম্পন্ন ভাষাকে সংস্কৃতৰূপে অভিহিত কৰা হৈছিল।*

পৰৱৰ্তী কালৰ বৈয়াকৰণ আৰু আলংকাৰিকসকলে প্ৰাকৃতম্' শব্দটো প্ৰকৃতি অৰ্থাৎ 'স স্কৃতম্' ৰপৰা উদ্ভৱ হোৱা বুলি কয়। এই ব্যাখ্যা পৰিপূৰ্ণভাৱে বোধগম্য সঁচা, কিন্তু ঐতিহাসিক দৃষ্টিত সঁচা নহয়। কাৰ্যক্ষেত্ৰত শব্দৰ সংস্কৃত ৰূপকেই মূল হিচাপে ধৰি আমি ভাৰপৰা প্ৰাকৃত ৰূপ নিৰূপণ কৰোঁ। তথাপি ভাষাবিজ্ঞানে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ সংৰক্ষণৰ প্ৰতি খুব মনোযোগ দিছে সংস্কৃত শব্দৰাজিয়ে

---

* এই প্ৰসঙ্গত পৰৱৰ্তী বিভিন্ন ভাষাতাত্ত্বিক গৱেষণামূলক গ্ৰন্থসমূহ ছাত্ৰসকলে আলোচনা কৰা উচিত। তাৰ কাৰণে Bibliography দ্ৰষ্টব্য।

যেতিয়ালৈকে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ৰূপ প্ৰকাশ কৰি থাকিব তেতিয়ালৈকে তাকেই মূল বুলি গ্ৰহণ কৰা হব। অৱশ্যে বহু সময়ত প্ৰাচীন ভাৰতীয় আৰ্য ৰূপৰ সজোন সংস্কৃতত পোৱা নাযায়, পৰৱৰ্তী কালৰ কোনো পুথিত হয়তো পোৱা যায়। তেনেস্থলত সংস্কৃতেই প্ৰাকৃতৰপৰা সেইটো শব্দ আহৰণ কৰিছে বুলি ধৰি লোৱা হয়। অৱশ্যে বৈদিক ভাষা আৰু প্ৰাচীন ভাৰতীয় আৰ্য গৌতম বুদ্ধৰ জন্ম-কাহিনীত ব্যৱহাৰ কৰা গদ্যৰ ভাষাতকৈ পদ্যৰ ভাষাত প্ৰাচীনতা বেছি পৰিমাণে ৰক্ষিত হৈছে।

(গ) প্ৰাচীনতৰ জৈন সূত্ৰৰ ভাষা।

(ঘ) প্ৰথম যুগৰ নাটকত ব্যৱহৃত প্ৰাকৃত। মধ্য এচিয়াত আৱিষ্কৃত হোৱা অশ্বঘোষৰ নাটকৰ প্ৰাকৃত।

মধ্য প্ৰাকৃতৰ অন্তৰ্গত:

(ক) মাহাৰাষ্ট্ৰী—দাক্ষিণাত্যৰ তৰল (liquid) গীতি কবিতাৰ ভাষা।

(খ) কালিদাস আৰু পৰৱৰ্তী কালৰ নাট্যকাৰসকলৰ নাটকত প্ৰয়োগ কৰা প্ৰাকৃত আৰু ব্যাকৰণত উল্লেখিত প্ৰাকৃত। যেনে—শৌৰসেনী, মাগধী আদি।

(গ) পৰৱৰ্তী জৈন গ্ৰন্থৰ উপভাষা।

(ঘ) পৈশাচী—যি ভাষাত বৃহৎকথা নামৰ গ্ৰন্থ ৰচিত হৈছিল বুলি কথিত আছে, কিন্তু কেৱল ব্যাকৰণকাৰ সকলৰপৰাহে এই ভাষাৰ বিষয়ে কিছু কথা জানিব পাৰি।

অৰ্বাচীন প্ৰাকৃত বা অপভ্ৰংশ:

সাহিত্য ৰচনাত অপভ্ৰংশ বিশেষভাৱে বা যথেষ্ট পৰিমাণে ব্যৱহৃত হোৱা নাছিল। সাধাৰণ কথিত ভাষাৰ মাজেদি ইয়াৰ নিদৰ্শন ৰক্ষিত হৈছে। যেতিয়া নাটকীয় প্ৰাকৃতৰ ব্যৱহাৰ প্ৰায় একেবাৰে নোহোৱা যেন হৈ পৰিল তেতিয়া ব্যাকৰণ প্ৰণেতা সকলে এই প্ৰাকৃতকে কিছু পৰিমাণে মাৰ্জিত আৰু বিধিবদ্ধ কৰি অপভ্ৰংশৰ ৰূপ দিলে। বিয়ানদূৰ মতৰ হেমচন্দ্ৰই যি সময়ত পশ্চিমৰ কোনো এক বিশেষ অপভ্ৰংশৰ দৃষ্টান্ত লিপিবদ্ধ কৰে সেই সময়তে এই অপভ্ৰংশৰ প্ৰচলন হ্ৰাস পাবলৈ ধৰে।

এই পুথিৰ জৰিয়তে ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় অৰ্থাৎ মধ্য যুগৰ প্ৰাকৃত সম্পৰ্কে সাধাৰণভাৱে খুলমূল আলোচনাৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে তাৰ লগতে প্ৰাকৃত যুগৰ মধ্যস্তৰ অৰ্থাৎ এই যুগৰ সকলোবিলাক উপভাষাকে যদি সংস্কৃতৰ এক ব্যাপক গণ্ডীৰ অন্তৰ্ভুক্ত কৰা যায় তেতিয়া হলে প্ৰাকৃতৰ গণ্ডীভুক্ত সমস্ত ভাষাকে সংস্কৃতৰপৰা উদ্ভূত বুলি আখ্যা দিয়াৰ যুক্তিৰ সত্যতা আছে। আমাহাতে, ঠেক

গণ্ডীত ৰাখি বা সংকীৰ্ণ অৰ্থত সংস্কৃতক পাণিনি-পতঞ্জলিৰ ভাষা বা 'ভাষা' বা 'লৌকিক' (classical) সংস্কৃত ৰূপে ধৰি ললে যি কোনো প্ৰাকৃতকে সংস্কৃতজ আখ্যা দিয়া সমীচীন নহয়। আকৌ শৌৰসেনী আৰু মধ্য দেশীয় প্ৰাকৃত যিদৰে এই অঞ্চলৰ প্ৰাচীন উপভাষাৰপৰা উৎপন্ন হৈছিল সেইদৰে মূলতে সেই উপভাষাক ভিত্তি কৰিয়েই লৌকিক সংস্কৃতৰ উদ্ভৱ হৈছিল।

ইউৰোপত প্ৰাকৃত বুলিলে সাধাৰণতে এনেভাৱে অৰ্থ কৰা হয় (ক) বিশেষকৈ ভাৰতৰ প্ৰাকৃত নামে খ্যাত ভাষাসমূহ। যেনে—মাহাৰাষ্ট্ৰী বা নাটকত স্থান পোৱা প্ৰাকৃত। (খ) ভাৰতীয় ভাষাসমূহৰ মধ্যযুগ (কেতিয়াবা আকৌ পালি আৰু প্ৰাচীন শিলালিপিবোৰক প্ৰাচীনতৰ স্তৰ হিচাপে প্ৰাকৃতৰপৰা পৃথক ৰূপ বুলি দেখুওৱা হয়)।[১] (গ) শিক্ষিত অৰ্থাৎ শিষ্টসম্মত সাহিত্যিক ভাষাৰপৰা পৃথকভাৱে থকা কথিত ভাষাকে প্ৰাকৃত আখ্যা দিয়া হয়।* এই শেষোক্ত অৰ্থত কোনো কোনো গ্ৰন্থকাৰে প্ৰাকৃত কালৰ তিনিটা বিৰাট স্তৰৰ তিনিটা নামকৰণ কৰিছে প্ৰথম স্তৰ দ্বিতীয় স্তৰ আৰু তৃতীয় স্তৰৰ প্ৰাকৃত যথাক্ৰমে এইবিলাক কথিত ভাষাৰপৰাই সাহিত্যিক ভাষা পদ্ধতি ক্ৰমশ ফুলে ফলে আবিৰ্ভাব হৈ উঠিবলৈ ধৰিলে আৰু এইবোৰ লাহে লাহে বৈচিত্ৰ্যহীন অৰ্থাৎ সৰলীকৃত হবলৈ ধৰিলে। তদুপৰি সৰলমুখী অৰ্থাৎ পৰিৱৰ্তনশীল প্ৰচলিত আঞ্চলিক ভাষাসমূহৰ লগে লগে এইবিলাক ৰীতিৰ প্ৰয়োগো চলি আছিয়েই থাকিল।

১ ড° ও ফ্ৰাঙ্কে তেওঁৰ 'পালি আৰু সংস্কৃত'ত পালিক মধ্য যুগৰ ভাষাৰ (শিলালিপিৰে সৈতে) ক্ষেত্ৰত ব্যৱহাৰ কৰিছে।

* Encyclopaedia Britannica ১১শ সংস্কৰণত ড° ছাৰ জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্চনৰ 'প্ৰাকৃত' প্ৰবন্ধ দ্ৰষ্টব্য।

দ্বিতীয় অধ্যায়

প্ৰাকৃত

পালিৰ বাহিৰে সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত নিম্নলিখিতবোৰেই প্ৰধান

মা	মাহাৰাষ্ট্ৰী	নাটকীয় প্ৰাকৃত।
শৌ	শৌৰসেনী	
মাগ	মাগধী	
অমাগ	অৰ্দ্ধ মাগধী	জৈন ধৰ্মমূলক গ্ৰন্থ।
জৈমা	জৈন মাহাৰাষ্ট্ৰী	
জৈশৌ	জৈন শৌৰসেনী	
অপ	অপভ্ৰংশ	শেষ বা অৰ্বাচীন প্ৰাকৃত।

নাটকীয় প্ৰাকৃত

মা . মাহাৰাষ্ট্ৰীকেই সৰ্বশ্ৰেষ্ঠ প্ৰাকৃত বুলি অভিহিত কৰা হয়। এইবিধ প্ৰাকৃতৰ নিয়মবিলাককে প্ৰাকৃত ব্যাকৰণবোৰত প্ৰথমতে স্থান দিয়া হয়। তাৰ পিছতহে অন্যান্য প্ৰাকৃতৰ বিশেষ বিশেষ নিয়মবোৰ সমাবেশিত হয় আৰু শেষত কোৱা হয় বাকীবোৰ মাহাৰাষ্ট্ৰীৰ নিচিনা (শেষং মাহাৰাষ্ট্ৰীবৎ — the rest is like Mahārāṣṭrī)। দণ্ডীয়ে তেওঁৰ কাব্যাদৰ্শ (K D I 135) নামৰ গ্ৰন্থত এই বুলি মন্তব্য কৰি গৈছে মহাৰাষ্ট্ৰ দেশৰ ভাষাকেই উত্তম প্ৰাকৃত বুলি জানি লবা' (— মহাৰাষ্ট্ৰাশ্ৰয়াং ভাষা' প্ৰকৃষ্টং প্ৰাকৃত বিদুঃ)।

নাটকত নাৰী চৰিত্ৰই কথা পাতিছে শৌৰসেনী প্ৰাকৃতত, কিন্তু গান গাইছে মাহাৰাষ্ট্ৰী প্ৰাকৃতত। মাহাৰাষ্ট্ৰী গীত মহাৰাষ্ট্ৰৰ বাহিৰেও ভালেমান দূৰ দেশলৈকে প্ৰচাৰিত হৈছিল। গউৰবহো আদি মহাকাব্যতো মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ ব্যৱহাৰ হৈছিল। দাক্ষিণাত্যৰ কবিসকলে এই প্ৰাকৃতত পদমধ্যস্থিত একক ব্যঞ্জনৰ লোপ সাধনৰ বিধি বিধান অন্যান্য প্ৰাকৃততকৈ বহু দূৰলৈ ঠেলি নিছে। (দ্ৰষ্টব্য—১)। সাহিত্যৰ আৰু গীতৰ ভাষাত এনেকুৱা হোৱাটো স্বাভাৱিক। কিয়নো গীতত সুৰ আৰু আবেগেই হ'ল প্ৰধান বস্তু, আচল শব্দ বা তাৰ ৰূপৰ মূল্য কম। সেইবুলি মাহাৰাষ্ট্ৰীক কবিসকলৰদ্বাৰা উদ্ভাৱিত ভাষা বুলি মন্তব্য দিলে ভুল কৰা হব। গোদাবৰী দেশৰ প্ৰাচীন কবিত ভাষাই হ'ল এই প্ৰাকৃতৰ মূল অৱলম্বন আৰু ইয়াৰ মাজতেই নিহিত হৈ আছে আধুনিক মাৰাঠী ভাষাৰ ভালেমান বিশেষত্ব।

শৌ ঃ শৌৰসেনী আছিল মথুৰাৰ ('Muttra) সমীপৱৰ্তী দেশ শূৰসেনৰ মাজাহুলৰি সাধাৰণ কথা প্ৰাকৃত। ইয়েই সংস্কৃত নাটকত ব্যৱহাৰ হোৱা সাধাৰণ প্ৰাকৃত। নাৰী চৰিত্ৰ আৰু বিদূষকৰ সংলাপৰ ভাষা শৌৰসেনী প্ৰাকৃত কৰ্পূৰমঞ্জৰী নাটকত বজাৰো বাক্যালাপ কৰিছিল এই প্ৰাকৃততে। শৌৰসেনীয়েই হ'ল লৌকিক সংস্কৃতৰ একমাত্ৰ নিকটতম প্ৰাকৃত। যি ভাষাক ভিত্তি কৰি লৌকিক সংস্কৃত গঢ়ি উঠিছিল সেই একে কথিত ভাষাৰপৰাই শৌৰসেনী প্ৰাকৃতৰ উদ্ভৱ। এনেকৈয়ে শৌৰসেনী প্ৰাকৃতে সংস্কৃত আৰু হিন্দীৰ মধ্যৱৰ্তী কালৰ ভাষাৰূপে পৰিচয় দিয়ে (সিয়েই পশ্চিমা হিন্দী অৰ্থাৎ Standard Hindi—যাৰ ওপৰত সাহিত্যিক হিন্দী মূৰ্তিমান হৈ উঠিছে)। পবিত্ৰ অৰ্থাৎ শুদ্ধ ভাষাৰ লগত ঘনিষ্ঠতা গঢ়ি উঠা কাৰণে শৌৰসেনী প্ৰাকৃতৰ বৈশিষ্ট্য কিছু পৰিমাণে ম্লান হৈ পৰিছে ক্ৰমাগত সংস্কৃত-প্ৰভাৱৰ কাৰণেই যিমানদূৰ সম্ভৱ শৌৰসেনী প্ৰাকৃতে নিজৰ স্বাতন্ত্ৰ্য অক্ষুণ্ণ ৰাখি নিজ ৰূপত ঠন ধৰি উঠিব পৰা নাই।

মাগ ঃ পূৰ্ব দেশৰ প্ৰাকৃতেই হ'ল মাগধী। ভৌগোলিক স্থানানুসৰি বিচাৰ বিশ্লেষণ কৰিলে প্ৰাচীন মগধকেই ইয়াৰ উদ্ভৱস্থান বুলিব পাৰি। বিহাৰীৰ অন্যতম উপভাষা বৰ্তমান মগহী প্ৰচলিত অঞ্চলৰপৰা ইয়াৰ দূৰত্ব বৰ বেছি নহয়। নাটকত নিম্নশ্ৰেণীৰ লোকৰ মুখৰ ভাষা মাগধী প্ৰাকৃত। মাগধীৰ কেইটামান উপভাষাও আছে। যেনে—মৃচ্ছকটিকৰ ঢক্কীভাষা। ধ্বনি পৰিবৰ্তনৰ ৰীতিৰ ফালৰপৰা মাগধী অন্যান্য প্ৰাকৃতৰপৰা সম্পূৰ্ণ পৃথক স>শ ৰ>ল জ>য অ কাৰান্ত শব্দৰ প্ৰথমাৰ একবচনত এ কাৰ হয়। য অপৰিৱৰ্তিতভাৱে থাকে। (দ্ৰষ্টব্য—দশম অধ্যায়)। যি ঠাইত অন্যান্য প্ৰাকৃতত হয় 'হথো সেই ঠাইত মাগধীত হয় হশ তে, অন্যান্য প্ৰাকৃতত হয় সো ৰাআ = সংস্কৃত সো ৰাজা, মাগধীত 'শে লাআ।

জৈন প্ৰাকৃত

অমাগ ঃ আটাইতকৈ প্ৰাচীন বুলি বিবেচিত সকলোবোৰ জৈন সূত্ৰ অৰ্দ্ধমাগধীতেই ৰচিত। শূৰসেন আৰু মগধ দেশৰ (প্ৰায় অযোধ্যা) মধ্যৱৰ্তী অঞ্চলৰ উপভাষাৰপৰা এইবিধ প্ৰাকৃতৰ উদ্ভৱ। ধ্বনিগত লক্ষণৰ পিনৰপৰা অৰ্দ্ধমাগধীয়ে মাগধীৰ লগত কিছু পৰিমাণে সাদৃশ্য ৰাখিব পাৰিছে। শৌৰসেনীতকৈয়ো অৰ্দ্ধমাগধীত প্ৰাচীন ব্যাকৰণৰ প্ৰভাৱ বেছি ৰকমে ৰক্ষিত হৈছে আৰু এইবিধ প্ৰাকৃতে সংস্কৃততকৈয়ো বহু পৰিমাণে স্বাতন্ত্ৰ্য অক্ষুণ্ণ ৰাখিব পাৰিছে।

জৈমা জৈন শ্বেতাম্বৰী পন্থৰ শাস্ত্ৰ আদি ধৰ্ম গ্ৰন্থবিলাকৰ ৰচনাৰ ভাষা মাহাৰাষ্ট্ৰী প্ৰাকৃতৰে আন এটি ৰূপ। সিয়েই জৈন মাহাৰাষ্ট্ৰী নামে খ্যাত।

জৈনশৌ : জৈন দিগম্বৰী পন্থৰ শাস্ত্ৰ আদি ধৰ্ম গ্ৰন্থবোৰৰ ভাষাই কিছু পৰিমাণে শৌৰসেনী প্ৰাকৃতৰ লগত সাদৃশ্যতা ৰক্ষা কৰি আহিছে , সেই কাৰণেই তাক জৈন মাহাৰাষ্ট্ৰী বুলি কোৱা হয় ।

অৰ্বাচীন প্ৰাকৃত

অপ সমগ্ৰ ভাৰতবৰ্ষত নিম্নলিখিত অৰ্থত অপভ্ৰংশ শব্দৰ প্ৰয়োগ পৰিলক্ষিত হৈছে —

(ক) সংস্কৃতকেই শুদ্ধ ভাষাৰ মানৰূপে ধৰি তাৰপৰা ক্ৰমশঃ বিচ্যুবিত হৈ অহা ভাষাসমূহ

(খ) আৰ্য আৰু অনাৰ্য সকলোবোৰ ভাষাকে সামৰি লৈ সাহিত্যিক প্ৰাকৃতৰপৰা পৃথকৰূপে থকা ভাষাসমূহ

(গ) এই পৰ্যায়ৰ আন যি কোনো কথিত ভাষাৰ সাহিত্যক ৰূপ ।

ব্যাকৰণ প্ৰণেতাসকলে গুজৰাট অঞ্চলত প্ৰচলিত নাগৰ অপভ্ৰংশকেই একমাত্ৰ সাহিত্যিক অপভ্ৰংশ ৰূপে অভিহিত কৰি গৈছে । সিন্ধু দেশৰ ব্ৰাচড় অপভ্ৰংশৰ লগত ইয়াৰ সুন্দৰ সাদৃশ্য আছে । প্ৰধান প্ৰধান প্ৰাকৃতসমূহৰ ভিতৰত কোনো কোনো উপভাষা অৰ্থাৎ লৌকিক ৰূপ আৰু ঢক্কী কেতিয়াবা আকৌ এই অপভ্ৰংশ বুলি কোৱাও হয় । প্ৰধান প্ৰধান প্ৰাকৃতবোৰৰ প্ৰত্যেকৰ লগত জড়িত থকা ঠাইবোৰৰ যিবিলাক অপভ্ৰংশ কথা ভাষাৰূপে প্ৰচলিত হৈ আছিল সিবিলাকৰ নিদৰ্শন সংগ্ৰহ কৰিব পৰা হলে ভাৰতীয় ভাষাৰ ইতিহাসৰ এটা ব্যাপক যোগসূত্ৰ পোৱা গ'লহেঁতেন । অৱশ্যে সেই ধাৰাবাহিকতাৰ অভাৱ থকা সত্বেও অপভ্ৰংশৰ ব্যাকৰণ আৰু ধ্বনিতত্ত্ব উভয় বিষয়তে যি প্ৰৱণতা আমাৰ চকুত পৰে সিয়েই আচল প্ৰাকৃতৰ নিখুঁতৰূপ আৰু সিয়েই আধুনিক ভাষাসমূহৰ মাজত সুন্দৰভাৱে এটা যোগসূত্ৰ ৰচনা কৰাত প্ৰধান সহায়কৰূপে থিয় দিছে । অপভ্ৰংশত প্ৰণয়ন কৰা পুথি দিনে দিনে যিমানে অধিক পৰিমাণে আৱিষ্কৃত হৈ আহিব লাগিছে সিমানে হেমচন্দ্ৰৰ ব্যাকৰণৰ বিভিন্ন বৰ্ণনাবোৰ পূৰ্ণতৰ হৈ পৰিব লাগিছে ।

নাটকীয় বিভিন্ন প্ৰাকৃতৰ বিষয়ে এই পুথিৰ একাদশ অধ্যায়ৰ প্ৰাকৃত সাহিত্যত বহলাই আলোচনা কৰা হৈছে । তদুপৰি প্ৰাকৃতৰ শ্ৰেণী বিভাগ সম্পৰ্কীয় দশম অধ্যায়ত উল্লেখ কৰা বিভাষাসমূহ পৈশাচীৰ উপভাষা শিলালিপিবোৰৰ ভাষা আদি আৰু সিইতৰ পৰস্পৰৰ মাজত থকা সম্পৰ্ক প্ৰভৃতি সকলো বিষয়ে প্ৰয়োজনীয় আলোচনাৰ অৱতাৰণা কৰা হৈছে ।

তৃতীয় অধ্যায়

প্ৰাকৃতৰ সাধাৰণ লক্ষণ

প্ৰাকৃত (পালি সহ) এবিধ সংশ্লেষাত্মক ভাষাৰূপে বিবেচিত হৈছে। এই স্তৰত প্ৰাচীন ব্যাকৰণ কিছু পৰিমাণে সৰল হৈ পৰিছে। কাৰক বিভক্তিৰ ৰূপ আৰু ক্ৰিয়াৰ ৰূপত কিছু পৰিমাণে হ্ৰাস প্ৰৱণতা লক্ষ্য কৰা যায়। পৰৱৰ্তী বৈদিক সাহিত্যতকৈ ঋগ্বেদত এই সকলোবোৰৰ ৰূপ বহু বেছি ৰকমে ৰক্ষিত হৈছিল। পাণিনি ব্যাকৰণবৰ্জিত এনেকুৱা ধৰণৰ ভালেমান ৰূপ ব্ৰাহ্মণত সন্নিবিষ্ট হৈছে। পালি আৰু প্ৰাচীন অৰ্ধমাগধীত এনেকুৱা ৰূপ প্ৰচুৰ পোৱা যায়, কিন্তু শৌৰসেনী আৰু মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত নাটক আৰু গীতত এইবিলাক ৰূপ লোপ পাইছে। শেহাতৰত এইবুলি কলেও ভুল নহব যে অপভ্ৰংশই প্ৰাচীন ব্যুৎপত্তিৰ নিদৰ্শনবোৰৰ আনকি অস্তিত্বকণো নোহোৱা কৰিবলৈ চেষ্টা কৰিছিল। ফলত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হ'ল যে শব্দৰূপৰ কাৰণে দুটা বা তিনিটা বিশেষ বিভক্তিহে কেৱল গ্ৰহণযোগ্য হিচাপে ৰ'লগৈ, আকৌ ক্ৰিয়াপদ এটা কাল আৰু দুটা কৃদন্ততকৈ সামান্য অধিক অৱস্থাতহে থাকিলগৈ। তাৰ ফলত সৃষ্টি হোৱা শব্দাৰ্থৰ অনিশ্চয়তা নিবাৰণৰ কাৰণে নতুন উপায়ৰ উদ্ভাৱন হ'ল আৰু পুৰণি ভাষাৰ ধ্বংসাৱশিষ্টৰপৰা আধুনিক ভাৰতীয় বিশ্লেষণাত্মক ভাষাসমূহৰ বিকাশৰ সূচনা হ'বলৈ ধৰিলে।

সৰলীকৃত হোৱা সত্ত্বেও প্ৰাকৃত ব্যাকৰণৰ বাকী অংশ সংস্কৃত ব্যাকৰণপন্থী ৰূপেই থাকিল। এই ভাষাত সকলো প্ৰকাৰ শব্দকেই অ-কাৰান্ত শব্দৰূপত পৰিণত কৰাৰ, আৰু সকলো শ্ৰেণীৰ ধাতুক প্ৰাচীন অ গণীয় ধাতুত[1] পৰিণত কৰাৰ এটা প্ৰবল আগ্ৰহ পৰিলক্ষিত হয়। চতুৰ্থী বিভক্তি একেবাৰে লোপ পালে। প্ৰথমা আৰু দ্বিতীয়াৰ বহুবচনৰ ৰূপ মিলি যাবলৈ ধৰিলে। মধ্য প্ৰাকৃতৰ লঙ লোপ পালে। অপ্ৰয়োজনীয় বুলি দ্বিবচনৰ প্ৰচলনো নোহোৱা হ'ল। প্ৰাচীন প্ৰাকৃতৰ পৰৱৰ্তী কালত আত্মনেপদৰ ব্যৱহাৰ প্ৰায় নোহোৱা হ'ল, যিকণ অৱশিষ্টৰূপে থাকিল সিও আগৰ সেই অৰ্থত নহয়। তথাপি অনুসৰ্গ বা সহায়ক ক্ৰিয়াৰ সহায় লোৱাৰ আৱশ্যক তেতিয়াও হোৱা নাছিল। অপভ্ৰংশৰ কাললৈকে সাধাৰণ কথাবাৰ্তাত, আনকি পদ্য ৰচনাৰ বেলিকাও ব্যাকৰণগত আৱশ্যকীয় বিধিনিয়মসমূহ সংৰক্ষিত হৈছিল। অধিকতৰ সাৰগৰ্ভ ৰচনা আৰু যুক্তিমূলক গৱেষণাৰ কাৰণে সংস্কৃতৰ আশ্ৰয় লোৱাৰ

---

[1] Mardonell ৰ Vedic Grammar-ত উল্লেখ কৰা ভ্বাদিগণ পৰস্মৈপদৰ দৰে।

আগ্ৰহ পৰিলক্ষিত হয়। পালিৰ বিচিনা অৰ্ধমাগধী আৰু অন্যান্য জৈন প্ৰাকৃতসমূহ যেতিয়া এটাৰ পাছত আনটোকৈ প্ৰচলিত অঞ্চল বা দেশ আৰু সেই সময়ৰ মুখ্য ভাষাৰূপে থিয় হোৱাৰ শক্তি হেৰুৱালে তেতিয়া সিহঁত উক্ত আগ্ৰহৰ বিৰুদ্ধবাদী হ'বলৈ অসমৰ্থ হৈ পৰিল আৰু ক্ৰমশঃ সংস্কৃতকে সেই ঠাই লাহে লাহে এৰি দিবলৈ বাধ্য হ'ল।

এই সৰলীকৰণক বাদ দিলে প্ৰাকৃতৰ প্ৰধান পৰিৱৰ্তনসমূহ হ'ল তলতীয়া। যুক্ত ব্যঞ্জনসমূহ প্ৰায়ে সমীভৱন প্ৰাপ্ত হ'ল বক্ত>বত্ত (যিদৰে লেটিন fructus> ইটালীয় frutto) সপ্ত>সত্ত (যিদৰে লেটিন septem>ইটালীয় sette)। প্ৰাচীন ভাষাৰ কেইটামান ধ্বনি একেবাৰে লোপ পালে ঋ, -ঐ-, ঔ য় (মাগধীত যকাৰতে আৰু মাগধীকে ধৰি সকলো প্ৰাকৃতত শ্ৰুতিৰূপে 'য়' ধ্বনিৰ অভ্যাস দিয়াৰ বাহিৰে), -শ (মাগধীৰ বাহিৰে—য'ত স ৰ অভাৱ) -ষ বিসৰ্গ। আনহাতে সংস্কৃতত ক'তো নোপোৱা দুটা স্বৰধ্বনি প্ৰাকৃতত সুলভ হৈ পৰিল এ̆ ও̆ (অৰ্থাৎ হ্ৰস্ব এ আৰু হ্ৰস্ব ও)। পদান্তস্থিত ব্যঞ্জন লোপ পালে। দুটাতকৈ অধিক ব্যঞ্জনৰ যুক্তব্যঞ্জন' হ্ৰস্বস্বৰৰ অনুগামী ৰূপে নথকা হ'ল আৰু এটাতকৈ অধিক ব্যঞ্জনে দীৰ্ঘস্বৰক অনুগমন নকৰা হ'ল। (দ্ৰষ্টব্য—চতুৰ্থ আৰু ষষ্ঠ অধ্যায়)।

এইবিলাক পৰিৱৰ্তনৰ অপুঞ্জিত ফল কোনো একোটা শব্দৰ ওপৰত ইমানলৈকে হ'ব পাৰে যে তাৰ ৰূপ সম্পূৰ্ণ সলনি হৈ যায়। বপপৰাইঅ' শব্দটো হঠাৎ দৃষ্টি গোচৰ হ'লে কেতিয়াও ধাৰণা নহয় যে ইয়াৰ আদিৰূপ 'বাক্‌পতিৰাজ' সেইদৰে ওইণ্ণ ৰ লগত অৱতীৰ্ণ ৰ সাদৃশ্যও বেছি নহয়। আনহাতে ভালেমান শব্দ সংস্কৃতৰ সমৰূপ আৰু লৌকিক সংস্কৃত কথিত ভাষাৰ লগত সুপৰিচিত লোকে প্ৰাকৃতৰ অধিকাংশ শব্দ দেখা মাত্ৰেই সংস্কৃত তুলনীয় ৰূপ বা প্ৰতিশব্দসমূহ অনায়াসে কৈ দিব পাৰে। কেৱল শৌৰসেনীৰ ক্ষেত্ৰতে নহয়, আন আন প্ৰাকৃতৰ ক্ষেত্ৰতো এই কথা সঁচা।

ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে শিক্ষিত সমাজৰ মাজত বিভিন্ন প্ৰাকৃত বোধগম্য আছিল। যাৰ মাতৃভাষা যি কোনো এবিধ প্ৰাকৃতৰ কথিত ৰূপ তেনেকুৱা সংস্কৃতভাষী এজনে সকলো প্ৰকাৰ সাহিত্যিক প্ৰাকৃত অতি সহজে বুজি পায়। তদুপৰি শৌৰসেনী প্ৰাকৃতভাষীয়ে সংস্কৃত শব্দ অতি সহজে বুজি পায়, আৰু সংস্কৃতত বাক্যালাপ কৰিব নোৱাৰিলেও সংস্কৃত বাক্যৰ অৰ্থোদ্ধাৰ কৰিব পাৰে। প্ৰাচীন সংস্কৃত আৰু প্ৰাকৃতৰ মাজত বৰ বেছি পাৰ্থক্য নাছিল। ভাৰো আগতে ইহঁতৰ মাজত যিৰূপ বৈসাদৃশ্য পৰিলক্ষিত হৈছিল সেয়া আছিল কেৱল শুদ্ধ আৰু ভুল উচ্চাৰণত, ব্যাকৰণ সম্মত আৰু ব্যাকৰণ অসম্মত উক্তিত, পৰিমাৰ্জিত আৰু লৌকিক

তলমাত, শিক্ষিত আৰু অশিক্ষিতৰ ভিতৰত কথাবাৰ্তাদিৰ সময়ত একেটা ভাষাকে দেখা দিয়া পাৰ্থক্যৰ মাজত। এই স্তৰত কিছু পৰিমাণে বৈসাদৃশ্য থকা সত্বেও অৰ্বাচীন ভাষাই স্বকীয়া ৰূপ লোৱা নাছিল। বেডিয়াসকলে এই নতুন ভাষাই একেবাৰে সুস্পষ্ট ৰূপ গ্ৰহণ কৰিব পৰা নাছিল যে তাক সুস ৰদ্ধ ব্যাকৰণ আৰু নিজা সাহিত্য প্ৰণয়নৰ যোগ্যতাপ্ৰাপ্ত এটা স্বতন্ত্ৰ ভাষা বুলি মানি লব পাৰি।

ঋগ্বেদতো প্ৰাকৃত শব্দৰ অৰ্থাৎ প্ৰাকৃতৰ ধাৰা অনুসৰণ কৰা পদ্ধতিৰে ধ্বনিৰ পৰিৱৰ্তিত ৰূপৰ প্ৰয়োগ আমাৰ চকুত পৰে। যেনে—√প্ৰথ-ৰপৰা ইপ্সিত ৰূপ 'শিথিৰ' ৰ ঠাইত হৈছে 'শৃথিৰ'–শিথিল ঢিলা হ'। একেবাৰে (বৈদিক) স্তোত্ৰৰ ভাষা আৰু সমসাময়িক কথিত ভাষাৰ মাজত ব্যাপক পাৰ্থক্য নাছিল বুলি ভবাৰ কোনো হেতু নাই। বৰং এইবোৰ পুথিত প্ৰাকৃতৰ প্ৰয়োগ স্বীকৃত হোৱা কথাৰপৰা অনুমান হয় যে ঋষিসকলে এই বোৰকো একে ভাষাৰে সম্ভাব্য ৰূপ বুলি ধৰি লৈছিল, সম্ভৱতঃ বেডিয়াসকলে এই দুই প্ৰকাৰ ভাষাৰ মাজত থকা ব্যৱধানৰ বিষয়ে সচেতন হোৱা নাছিল।

ভাৰতীয় আৰ্যভাষা আৰু য়ুৰোপৰ ৰোমীয় ভাষাসমূহৰ সুদীৰ্ঘ ইতিহাসৰ মাজত যি সাদৃশ্য দেখা যায় সি আমাৰ মনত সহজে কৌতূহল ওপজায়। প্ৰাচীন ইটালীয় উপভাষাবিলাকৰ ভিতৰত লেটিন জাতিৰ ভাষাই মুখ্য স্থান লাভ কৰিছিল, আৰু কালত এই লেটিনেই ইটালীয় অৰ্থাৎ ৰোম সাম্ৰাজ্যৰ প্ৰধান ভাষাৰূপে পৰিগণিত হৈছিল। এই লেটিনেই আছিল মধ্যযুগৰ বৃহত্তম খৃষ্টান সম্প্ৰদায়ৰ ভাষা। পৰৱৰ্তী কালত য়ুৰোপৰ আধুনিক ভাষাবিলাকৰ স্বতন্ত্ৰ অস্তিত্ব সুপ্ৰতিষ্ঠিত নোহোৱালৈকে লেটিনেই আছিল বিজ্ঞান আৰু দৰ্শনৰ ভাষা। ভাৰতত সংস্কৃতৰ প্ৰচলনৰ দৰে লেটিনো বিভিন্ন জাতিৰ শিক্ষিত সমাজৰ কথাবাৰ্তা তথা আলাপ আলোচনাৰ মাধ্যম ৰূপে প্ৰতিপন্ন হৈছিল। তদুপৰি ধৰ্মভাষাৰূপে যাজক শ্ৰেণীৰ মুখত লেটিন প্ৰায় সদায়ে শুনা গৈছিল আৰু সাধাৰণ শ্ৰেণীৰ মানুহেও তেওঁলোকৰ কথাবাৰ্তা কিছু পৰিমাণে অনুকৰণ কৰিছিল। মধ্যযুগৰ অশিক্ষিত চিকিৎসক নাইবা স্কুলৰ শিক্ষক সকলে, যিমানে অজ্ঞ নহ'ক কথা বতৰা পাতোঁতে লেটিন ব্যৱহাৰ কৰি নিজৰ বিদ্যা বুদ্ধিৰ পৰিচয় দিয়াটো তেওঁলোকে এটা কৰ্তব্য বুলিয়েই ধৰি লৈছিল।[১] ইয়াতো দ্ব্যৰ্থবোধ নিবাৰণাৰ্থে উপসৰ্গ আৰু সহায়ক ক্ৰিয়াৰ ব্যৱহাৰৰ সূত্ৰপাত নোহোৱালৈকে ধ্বনি পৰিৱৰ্তন আৰু সাদৃশ্য (analogy)ৰ দ্বাৰা প্ৰাচীন ব্যাকৰণবিধি লাহে লাহে সৰলীকৃত হৈ আহিছিল।

---

১ দ্ৰষ্টব্য—Love's Labour Act V Holofernes the schoolmaster

ভাৰতত ভাষাৰ কেনেকুৱা ধৰণৰ পৰিবৰ্তন হৈছিল তাৰ ভিন্নমুখী হেতু নিৰ্ণয়াৰ্থে নানা গৱেষণা হৈছে আৰু তাৰ প্ৰাকৃতিক বুলি অভিহিত কৰা হৈছে। শ্ৰম লাঘৱতা বিশেষকৈ ৰাজসভাত আৰু চহৰত ভাষাৰ প্ৰগতিমূলক পৰিমাৰ্জনা নাতিশীতোষ্ণ মণ্ডলৰ জলবায়ুৰ শিথিলকৰ প্ৰভাৱ, আৰ্যভাষা গ্ৰহণকাৰী অনাৰ্যসকলৰ বাক্‌পদ্ধতিৰ প্ৰভাৱ—এইবিলাকক ভাৰত আৰু য়ুৰোপ উভয়তে ভাষাৰ ক্ৰমপৰিবৰ্তন তথা ক্ৰমবিকাশত কাৰ্যকৰী হৈছিল বুলি ধৰি লব পাৰি।

চতুৰ্থ অধ্যায়

ধ্বনি বিজ্ঞান

একক ব্যঞ্জন .

১ (ক) আদ্য ব্যঞ্জন ন য শ, ষ ভিন্ন পদাদিস্থিত একক ব্যঞ্জন অপৰিৱৰ্তিতভাৱে থকাটোৱেই সাধাৰণ নিয়ম।

ন' বৰ্ণৰ মূৰ্ধন্যকৰণ হয় (৭)।

য>জ (মাগধীৰ বাহিৰে)।

জধা<যথা (মাগ যধা) জই<যদি, শৌ জদি (মাগ যই যদি),

জোগী<যোগী।

শ ষ<স (৮)।

২ সমাসৰ দ্বিতীয় পদাদিস্থিত একক ব্যঞ্জন সাধাৰণতে পদমধ্যস্থিত ব্যঞ্জনৰূপে ব্যৱহৃত হয়। ক্ৰিয়াপদাদিস্থিত ব্যঞ্জন প্ৰায়ে অপৰিৱৰ্তিতভাৱে থাকে।

পুত্ত<পুত্ৰ কিন্তু আৰ্যপুত্ৰ>অজ্জউত্ত মা পআসেই<প্ৰকাশয়তে

শৌ আঅদ বা আগদ <আগতম্ (মা আঅঅ বা আগঅ)।

৩ নিপাতসমূহো (Enclitics) এই একে ৰকমে অপৰিৱৰ্তিতৰূপে থাকে।

কি উণ<কিম পুনৰ বি<(অ)পি অ<চ।

তাৱৎ আৰু তে ৰ (দ্বিতীয় পুৰুষ সৰ্বনাম) ত শৌ আৰু মাগ প্ৰাকৃতত পদমধ্যস্থিত ব্যঞ্জনৰ দৰে দ লৈ ৰূপান্তৰিত হয়।

মা দাৱ=মা তাৱৎ ণ দে<ন তে

পিদুণো দে<পিতুস্ তে তদো দে<ততস্ তে।

৪ কেবাটাও উপভাষাত ভূ-ধাতু আৰু ভূ-ধাতুজ শব্দৰ ভ হ'লৈ ৰূপান্তৰিত হয়।

মা হোই<ভৱতি (শৌ ভোদি),

শৌ হৱিস্সদি (মাগ হৱিশ্শদি)<ভৱিষ্যতি

শৌ মাগ হোদব্ব<ভৱিতব্য।

৫ কোনো সমাসৰ দ্বিতীয় পদাদিস্থিত ফ- সাধাৰণতে পদাদিস্থিত একক ব্যঞ্জনৰ দৰে অপৰিৱৰ্তিতৰূপে থাকে।

শৌ চিত্তফলঅ<চিত্ৰফলক বহুফল, নফল।

৬ মহাপ্ৰাণকৰণ (Aspiration).

ক>খ—খুন্দ<কৃষ্ণ। √খেল = √ক্ৰীড় [ৰামায়ণৰ সময়ৰপৰা সংস্কৃতত 'লাৰ', খেল্' অৰ্থত √খেল্ ৰ প্ৰয়োগ পৰিলক্ষিত হয় (Jules Bloch) এয়া সম্ভৱত প্ৰাকৃত প্ৰভাৱৰ ফল]।

প>ফ—শৌ ফণস মা পণস<পনস কঁঠাল গছ।

মহাপ্ৰাণ উষ্মবৰ্ণ>ছ—অমাগ ছাৱ = পালি ছাপ<শাৱ বা শাৱ 'জন্তুৰ পোৱালি', মা অমাগ ছ<ষট, ছট ঠ<ষষ্ঠ।

৭ উচ্চাৰণস্থান পৰিবৰ্তন উদাহৰণ—

দন্ত্যবৰ্ণ>তালব্যবৰ্ণ—মা চিট ঠই শৌ চিট ঠদি মাগ, চিঠদি<তিষ্ঠতি।

দন্ত্যবৰ্ণ>মূৰ্দ্ধন্যবৰ্ণ—মা ঢঙ্খ<ধৱাঙ্ক্ষ কাউৰী।

ন>ণ—ণূণ<নূনম্, ণঅণ<নয়ন।

৮ শ ষ স>(মাগ একমাত্ৰ শ)

৯ মধ্যব্যঞ্জন স্বৰমধ্যস্থিত ক গ চ জ ত দ ব্যঞ্জন একককৈ থাকিলে সাধাৰণতে লোপ পায়।

মা লোঅ<লোক সঅল<সকল, অণুৰাঅ<অনুৰাগ জুঅল<যুগল ণঅৰ<নগৰ, পউৰ<প্ৰচুৰ ভোঅণ<ভোজন ৰসাঅল<ৰসাতল হিঅঅ<হৃদয়।

কেতিয়াবা স্বৰমধ্যস্থিত প ব ৱ ব্যঞ্জন লোপ পায়।

মা ৰূঅ<ৰূপ বিউহ<বিবুধ দিঅহ<দিবস।

স্বৰ মধ্যস্থিত য়-সদায় লোপ পায়।

বিওঅ<বিয়োগ পিয়<প্ৰিয়।

টীকা. উচ্চাৰণৰ সময়ত লুপ্ত ব্যঞ্জনৰ ঠাইত একোটা য় ধ্বনিৰ ক্ষীণ আভাস পোৱা যায়। (লঘু-প্ৰযত্নতৰ য় কাৰ)। সংস্কৃত আৰু যাবাঠীৰ য ধ্বনিতকৈ য় ক্ষীণতৰ আৰু লিখাৰ সময়ত ইয়াৰ ব্যৱহাৰ নহয়। কেৱল জৈনপন্থীসকলৰ পুথিতহে ইয়াৰ প্ৰয়োগ দেখা যায়। যেনে—হিয়য়<হৃদয়।

১ গীতি কবিতাৰ সাহিত্যিক মাহাৰাষ্ট্ৰীত স্বৰ মধ্যস্থিত ব্যঞ্জনৰ লোপসাধন ৰীতি বহুদূৰ পাইছেগৈ। ফলত তাত স্বাভাৱিকভাৱে কিছু অনিশ্চয়তাৰ সৃষ্টি হৈছে। কই' শব্দই কতি' 'কৱি' 'কপি এই তিনিটা শব্দৰ প্ৰতিনিধিত্ব কৰে। তদুপৰি সকলো ব্যঞ্জনবৰ্ণ লোপ হৈ উঅঅ (= উদক) ৰ নিচিনা সৃষ্টি হোৱা স্বৰৰাশিয়ে মূল শব্দৰ বৈশিষ্ট্য বা অস্তিত্ব উদ্ধাৰ দুৰূহ কৰি তুলিছে। এনেকুৱা ব্যঞ্জনৰ পৰিবৰ্তন সিদ্ধ হোৱা কথাৰ পৰা ইয়াকে বুজিব পাৰি যে উচ্চাৰণৰ ক্ষেত্ৰত ইংৰাজী ব্যঞ্জন ধ্বনিতকৈ

ভাৰতীয় ব্যঞ্জনধ্বনি আজিকালিৰ হবে ক্ষীণতৰ আছিল। দৈনন্দিন জীৱনত ব্যৱহৃত উপভাষাবোৰ অৱশ্যে এই বিষয়ত কিছু পৰিমাণে ৰক্ষণশীল আছিল। হেমচন্দ্ৰই কৈ গৈছে অপভ্ৰংশত স্বৰমধ্যস্থিত ক ত প লোপ নহৈ যথাক্ৰমে গ দ ৱ লৈ ৰূপান্তৰিত হয়।

ণাঅগু<নায়ক আগদো<আগত· সফলউ<সফলকম্।

সাহিত্যিক প্ৰাকৃতবোৰ কিছুমানত এনেকুৱা পৰিৱৰ্তন দেখা যায়। প্ৰাচীনতম যুগত, যেনে পালিত ক ত প একেৰকমে থাকে বা উপভাষাত ঘোষবৰ্ণলৈ ৰূপান্তৰিত হয়। যেনে—সাগল<সকল।

১১ উদাহৰণ —

শৌ অদিধি<অতিথি কধেহু<কথয়তু, পাৰিদোসিঅ<পাৰিতোষিক ভোদি< ভৱতি কধিদো<কথিত কিৰাদ<কিৰাত আণেদি<আনয়তি তদো< ততঃ, কিদ<কৃত গদ<গত সকৃকদ<সংস্কৃত সৰস্সদী<সৰস্বতী (মা সৰস্সই)।

মাগ পালিদোশিঅ<পাৰিতোষিক শাঅদং<স্বাগতম হগে (মই)< *অহক <অহম্।

অমাগ আৰু জৈমা অসোগ<অশোক লোগ<লোক আগাস<আকাশ।

পালি লোক গচ্ছতি ৰূপ।

১২ স্বৰমধ্যস্থিত ত ৰ এনেকুৱা পৰিৱৰ্তন ৰীতিৰপৰা আমি নাটকৰ শৌৰসেনী আৰু মাহাৰাষ্ট্ৰীৰ মাজত এটা প্ৰকৃতিগত পাৰ্থক্য দেখিবলৈ পাওঁ। নিম্নলিখিত শব্দ সমূহ তুলনীয় —

শৌৰসেনী	মাহাৰাষ্ট্ৰী	সংস্কৃত
জাণাদি	জাণাই	জানাতি
এদি	এই	এতি
হিদ	হিঅ	হিত
পাউদ	পাউঅ	প্ৰাকৃত
মৰগদ	মৰগঅ	মৰকত
লদা	লআ	লতা
ঠিদ	ঠিঅ	স্থিত
পহুদি	পহুই	প্ৰভৃতি
সদ	সঅ	শত
এদং	এঅং	(এতদ্)

১৩ স্বৰমধ্যস্থিত মহাপ্ৰাণ খ ঘ থ, ধ, ফ, ভ>হ।

মুহ<মুখ সহী<সখী, মেহ<মেঘ লহুঅ<লঘুক, মুহ<মুখ, কহিৰ<কথিৰ বহু<বধূ সহৰ<শফৰ অহিণৱ<অভিনৱ, ণহ<নভস্ বা নখ।

১৪ শৌৰসেনী মাগধী আৰু আন কেইটামান উপভাষাত আকৌ আগৰৰে অঘোষ থ ৰ ঠাইত ঘোষ ধ প্ৰয়োগ কৰিছে। শৌ অধিধি কধেহু তধা অধ জধা<যথা। মাগ যধা<যথা তধা। (পালিত অঘোষবৰ্ণ থ ৰক্ষিত হৈছে—অথ, যথা তথা)।

এইটো শৌৰসেনী আৰু মাহাৰাষ্ট্ৰীৰ মাজত আন এটা পাৰ্থক্য। যেনে—

শৌৰসেনী	মাহাৰাষ্ট্ৰী	সংস্কৃত
অধ	অহ	অথ
মনোৰধ	মনোৰহ	মনোৰথ
কধ	কহ	কথম্
ণাধ	ণাহ	নাথ

১৫ কেতিয়াবা কেতিয়াবা স্বৰমধ্যস্থিত একক ব্যঞ্জন লোপ নহয় (৯) নাইবা হ লৈকো ৰূপান্তৰিত নহৈ (১৩) দ্বিত্ব ৰূপ লয়।

শৌ উজ্জু<ঋজু মা ণক্ক<নখ মা শৌ এক্ক (ekka)<এক।

টীকা (১) আন ব্যঞ্জনধ্বনিয়েও এনেকৈয়ে দ্বিত্ব ৰূপ লাভ কৰে। যেনে—জোব্বণ (jobbana)<যৌৱন তেল্ল (tella)<তৈল 'পেম্ম (pemma)<প্ৰেমন্।

(২) যুক্তব্যঞ্জনৰ পূৰ্বস্বৰ সদায় হ্ৰস্ব হয়। ইয়াত 'এ আৰু ও হ্ৰস্বস্বৰ (৬৮)।

(৩) মহাপ্ৰাণ ব্যঞ্জন দ্বিত্ব কৰিবলৈ হলে তাৰ নিজস্ব অল্পপ্ৰাণ বৰ্ণটো আগত বহুৱাব লাগে ক্খ গ্ঘ ইত্যাদি।

কোনো পুৰণি পুথিত মহাপ্ৰাণ বৰ্ণৰদ্বাৰাই দ্বিত্ব ৰূপ দেখুৱা হৈছে। যেনে—খখ, ছছ, ইত্যাদি। এয়া কেৱল লিখন পদ্ধতিৰহে পাৰ্থক্য, উচ্চাৰণ উভয় ক্ষেত্ৰতে একে।

১৬ স্বৰ মধ্যস্থিত অঘোষ মূৰ্দ্ধন্য ট, ঠ > ঘোষ মূৰ্দ্ধন্য ড, ঢ।

পড<পট পডাঅ<পটাক, কুডিল<কুটিল

কুডুম্ব<কুটুম্ব, বড<বট পঢণ<পঠন।

কোনো কোনো উপভাষাত ড>ল (২২)।

মা কক্কোল (kakkola)<কৰ্কোট, মাগ শঅল (saala)<শকট

(শৌ সঅড), যুলক (yulaka)<যুটক (শৌ * যুডঅ)।

১৭ যদি লোপ নহয় তেনেহলে প>ৱ।

ৰূৱ<ৰূপ দীৱ<দীপ (তুলনীয় দীৱালী) উৱৰি<উপৰি,

উৱঅৰণ<উপ*কৰণ, উৱজ ঝাঅ<উপাধ্যায় (তুলনীয় ওঝা) অৱি<অপি

অৱৰ<অপৰ (হিন্দী উৱ*) তাৱ<তাপ।

১৮ ব>ৱ।

কৱল<কবল সৱৰ<শবৰ।

১৯ **মহাপ্ৰাণকৰণ** (Aspiration) সংস্কৃতৰ ক প্ৰাকৃতত কেতিয়াবা খ হয়। পদমধ্যস্থিত খ আকৌ হ হয়।

মা ণিহস<নিকষ মা শৌ ফলিহ (phaliha)<স্ফটিক।

ট>ঠ>ঢ—অমাগ বঢ<বট।

ত>থ>ধ—মা ভৰহ<ভৰত, বসহি<বসতি।

প>ফ>ভ (বিৰল)—অমাগ কচ্ছভ<কচ্ছপ।

ন ম ল আৰু উষ্মবৰ্ণবোৰে কেতিয়াবা মহাপ্ৰাণ ৰূপ লাভ কৰে।

মা ণহাবিঅ (কিন্তু শৌ মাগ ণাবিদ)<নাপিত অৰ্থাৎ *স্নাপিত

< √ স্না। অমাগ লহসুণ (আৰু লসুণ)<লশুন (৩)

মহাপ্ৰাণ ৰূপৰ কেতিয়াবা আকৌ বিপৰ্যয় ঘটে।

মা দিহি<*দিথি<ধৃতি।

মা ধূআ শৌ মাগ ধূদা<দুহিতা।

শৌ মাগ বহিণী<ভগিনী

মা ঘেত্তুং (ghettum) ‹গ্ৰহীতুম্ (<*ঘৃপ্তুম্)।

মহাপ্ৰাণৰূপৰ কেতিয়াবা আকৌ বিলোপ ঘটে।

শৌ সঙ্কলা<শৃঙ্খলা কিন্তু সঙ্খলা আৰু সিঙ্খলা শব্দও পোৱা যায়।

২ উচ্চাৰণস্থান পৰিৱৰ্তন।

দন্ত্য ধ্বনি>মূৰ্ধন্য ধ্বনি

পডি<প্ৰতি মা পডিঅ শৌ মাগ পডিভ<পতিত পঢম<প্ৰথম।

অৰ্ধ মাগধীত এই মূৰ্ধন্যকৰণ প্ৰচুৰ

অমাগ ওসঢ<ঔষধ (মা শৌ ওসহ)।

অধিক সংখ্যক উপভাষাত ন>ণ। যেনে—পুণ, ণঅণ।

* তুলনীয়—প্ৰাচীন অসমীয়া অউৰ/আউৰ/আৰৰ।

২১ উষ্মবর্ণঃ সংস্কৃতৰ তিনিওটা উষ্মবৰ্ণ প্রাকৃতত কেৱল দন্ত্য স হৈছে (মাগধীত কিন্তু তালব্য শ হৈছে)। [শ স ষ>স কিন্তু মাগ শ]। অসেস<অশেষ ইত্যাদি মাগ কেশেণ্ড<কেশেষু (শৌ আদিত কেসেষু)।

২২ প্রায় সদায়ে ড>ল (ḷ) (১৬)। উত্তৰ ভাৰতীয় ছপা পুথি আৰু সাঁচিপতীয়া পুথি উভয়তে ল (ḷ) ৰ ঠাইত -ল (l) ৰ প্রয়োগ হৈছে।

মা গৰুল (garuḷa (শৌ গৰুড় মাগ গলুড়) মা শৌ কীলা<ক্রীড়া।

২৩ কেতিয়াবা কেতিয়াবা ত দ>ল ল (ḷ)।

শৌ অলসী<অতসী মা সালবাহন<সাতবাহন মা শৌ দোহল (dohaḷa) <দোহদ।

২৪ বিশেষণীয় (adjectival) আৰু সর্বনামীয় (pronominal) সমাসত থকা দৃশ দৃশ' দৃক্ষ শব্দৰ দ ৰ ঠাইত ৰ হয়।

এৰিস<ঈদৃশ (শৌ ঈদিস আন এটা ৰূপ) কেৰিস অণাৰিস তুম্হাৰিস সৰিস।*

২৫ কেইটামান উপভাষাত কেতিয়াবা কেতিয়াবা ম>ৱ।

মা ৱম্মহ শৌ ৱম্মধ<মন্মথ।

মা ওণৱিঅ (<*অৱণমতি)<অৱনত।

এই পৰিবর্তন অপভ্রংশত ইয়াতকৈ বহু বেছি। তদুপৰি এনেকুৱা ঠাইত পূর্বস্থিত স্বৰ বা অর্ধস্বৰ (semi vowel) সাধাৰণতে অনুনাসিকলৈ ৰূপান্তৰিত হয় আৰু তাৰ পাছত অর্ধস্বৰ বা নাসিক্য (nasal element) যি কোনো এটা লোপ পায়। এইদৰে অপ কঁৱল<কমল জ উঁণা<যমুনা নৱহি<নমস্তি। এই নাসিক্য বিধি মাহাৰাষ্ট্ৰীতো আছে। যেনে—মা চাঁউণ্ডা শৌ চামুণ্ডা।

আধুনিক উপভাষাত 'কুঁৱৰ<কুমাৰ আৰু 'গাঁৱ এইবোৰৰ নানান বৈচিত্র্য দেখা যায় আৰু এই পৰিবর্তনৰ মাজতে ইয়াৰ ব্যাখ্যাও পোৱা যায়। [সং গ্রাম> পালি, প্রায়বোৰ প্রাকৃত (গ)গাম (দ্রষ্টব্য—বীমস্ ১ ১৫৪)]।

২৬ ৰ>ল মাগধীত আন উপভাষাত কেতিয়াবাহে এই পৰিবর্তন হয়।

মাগ শৌ দলিদ্দ<দৰিদ্র মুহল<মুখৰ।

---

* Woolner প্রমুখ ধ্বনি পৰিবর্তনৰ এই নিয়মৰ লগত আৰু এটা কথা শিক্ষার্থীসকলে মন কৰা উচিত। ১৪ ১৫ৰ বাহিৰে ১-ৰ পৰা ১৮ লৈকে সংখ্যাবাচক শব্দবোৰত দ ৰ ঠাইত -ৰ হৈছে। যেনে— একাৰস<একাদশ বাৰস<দ্বাদশ তেৰস<তেদস<*ত্রেদশ<ত্রয়োদশ পন্নৰস<পঞ্চদশ পন্নৰস<সপ্তদশ অট্ঠাৰহ<অষ্টাদশ।

মহাৰাষ্ট্ৰী আৰু শৌৰসেনীতকৈ অৰ্দ্ধমাগধীত এই পৰিৱৰ্তন বহুত বেছি।

২৭ কেতিয়াবা কোনো বিশেষ উপভাষা বা বিশেষ শব্দ সমষ্টিত উষ্মবৰ্ণৰ ঠাইত হ হয়।

মা ধণুহ = *ধন্নুষ <ধন্নুস্

মা পচ্চূহ <প্ৰত্যুষ প্ৰভাত সূৰ্য কিন্তু পচ্চূস উষা

(দ্ৰষ্টব্য—পিছেল প্ৰাকৃত ব্যাকৰণ §২৬৩)

মা পাহাণ <পাষাণ মা অণুদিঅহং (শৌ অণুদিঅস) <অণুদিৱসম। ভৱিষ্যত কালৰ ক্ৰিয়াপদত যেনে—মা ণেহিই <নেষ্যতি অমাগ গাহিই <গাস্যতি জৈমা পাহামি <পাস্যামি অমাগ গমিহিই <গমিষ্যতি। সম্বন্ধপদত যেনে—মাগ কামাহ <কামস্য অপ কৰঁবহ <কাম্যস্য।

সৰ্বনাম পদৰ ৰূপত যেনে—অপ এহো <এষ প্ৰা তুম্হে <*তুষ্মে মা তাহ (আৰু তাস <*তস্স) <তস্য তহিং <তস্মি <তস্মিন্।

এনেকুৱা পৰিৱৰ্তন অপভ্ৰংশত সাধাৰণতে সদায়ে দেখা যায়। শব্দৰূপ আৰু ধাতুৰূপৰ নিয়মৰ সহায়ত ব্যাখ্যা কৰা হৈছে যদিও এই শ্ৰেণীৰ পৰিৱৰ্তনৰ ইতিহাস প্ৰায়ে অজ্ঞাত আৰু ইয়াৰ প্ৰভাৱ বিস্তাৰ সম্পৰ্কেও সন্দেহ ওপজে। (দ্ৰষ্টব্য—পিছেল প্ৰাকৃত ব্যাকৰণ § ২৬৩ § ৪২২ § ৪২৫ § ৫২ জে ব্লক লা মাৰাথে § ৬২)।*

২৮ কেতিয়াবা সংস্কৃত হ >প্ৰাকৃত ধ আদি মহাপ্ৰাণ। যেনে—শৌ মাগ ইধ মা ইহ, তুলনীয়—পালি ইধ। ইয়াত শৌৰসেনীয়ে মৌলিক ধ্বনিকে ৰাখিছে। বহু সময়ত সংস্কৃত হ ধ্বনি মূল (ইন্দো য়ুৰোপীয়) ভাষাৰ ঘোষ মহাপ্ৰাণ ধ্বনিৰ ঠাইত ব্যৱহৃত হয়। তুলনীয়—হস্তি আৰু অঘ নন্ জঘাম।

২৯ **অন্ত্য ব্যঞ্জন** পদান্তস্থিত একক ব্যঞ্জন সদায় লোপ পায়। অনুনাসিকবৰ্ণবোৰ অনুস্বাৰ হয় অৰ্থাৎ ঙ, ঞ ণ ন ম > ং। আকৌ অ >ও। বিসৰ্গ সদায় লোপ পায়। কেতিয়াবা আকৌ তাৰ পাছতেই অন্ত্যস্থিত স্বৰটোৱে অনুনাসিকৰ ৰূপ লয়।

সমাসস্থিত পদৰ অন্ত্যবৰ্ণসমূহৰ ব্যৱহাৰ সম্পৰ্কে সন্ধি অধ্যায় বিশেষ দ্ৰষ্টব্য। (অধ্যায়—৮ম)।

---

* এই প্ৰসঙ্গত শিক্ষাৰ্থীসকলে Dr S K Chatterji-ৰ Origin and Development of Bengali Language গ্ৰন্থৰ ৫৪৯ ৫৫ ৫৫৫ ৭৫১ আৰু ৯৬৩ পৃষ্ঠাত সন্নিৱিষ্ট আলোচনাখিনি পঢ়া উচিত।

পঞ্চম অধ্যায়

যুক্ত ব্যঞ্জন

৩০ পদৰ আদিত সদায় মাত্র এটাহে ব্যঞ্জন থাকিব পাৰে।

ব্যতিক্রম (১) ণহ যেনে—ণহাণ<স্নান।

(২) ম্হ যেনে—ম্হি<(অ)স্মি ম্হো ম্হ<স্ম।

(৩) সমাসসিদ্ধ পদৰ দ্বিতীয় পদৰ প্ৰথম বৰ্ণ।

টীকা ণহ আৰু ম্হ ক যুক্ত ব্যঞ্জন হিচাপে নলৈ মহাপ্ৰাণ ণ আৰু ম হিচাপে ললে ইয়াক কেতিয়াও ব্যতিক্রম বুলিব নোৱাৰি।

৩১ কোনো শব্দৰ মধ্যবৰ্তী স্থানত স্বৰূপতঃ দুটাতকৈ অধিক যুক্ত ব্যঞ্জন নাথাকে। এইবোৰ হব পাৰে যেনে—

(১) দ্বিত্ব যেনে—ক্ক (ক্খ হবও পাৰে)

(২) অনুনাসিকৰ পাছত একেবৰ্গৰ স্পৰ্শবৰ্ণ যেনে—ঙ্ক ও নাইবা

(৩) মহাপ্ৰাণ অনুনাসিক (বা ল্হ)।

৩২ ফলস্বৰূপে অধিক সংখ্যক যুক্ত ব্যঞ্জনেই সমীভূত হৈছে নাইবা স্বৰভক্তিৰ দ্বাৰা বিযুক্ত হৈছে।

৩৩ সমীভৱন (Assimilation) সাধাৰণ নিয়ম হৈছে এয়ে যে সমপৰ্যায়ৰ (অৰ্থাৎ সমধৰ্মী) বৰ্ণৰ মাজত দ্বিতীয় বৰ্ণ অসম (অৰ্থাৎ অসমধৰ্মী) বৰ্ণৰ মাজত অধিকতৰ শক্তিশালী বৰ্ণটোৱে প্ৰাধান্য লাভ কৰে।

শক্তি অনুসৰি তলত বৰ্ণবোৰ সজোৱা হল। ইয়াত ক্ৰমশ শক্তি কমাইহে লক্ষ্য ৰখা হৈছে।

(১) স্পৰ্শবৰ্ণ (অনুনাসিকত বাহিৰে পাঁচ বৰ্গৰ বৰ্ণ)

(২) অনুনাসিক বৰ্ণ

(৩) ল স ৱ য় ৰ—ক্ৰম অনুসৰি।

হ বৰ্ণই সদায় একে নিয়মকে অনুসৰণ কৰে। (৫২—৫৪)।

৩৪ দুটা স্পৰ্শবৰ্ণ ওপৰত উল্লেখ কৰা নিয়মানুসৰি ক্+ত>ত্ত গ্+ধ> দ্ধ, দ্+গ>গ্গ ইত্যাদি।

উদাহৰণ —মুত্ত<মুক্ত, ৱগপৰাইআ<বাক্পতিৰাজ, দুদ্ধ<দুগ্ধ, ছচ্চণ<ষট্+চৰণ (৬), খগ্গ<খড়্গ বলক্কাৰ<বলাৎকাৰ, উপ্পল<উৎপল, উগ্গম<

উদ্দাম, সত্তাৱ<সদ্ভাৱ, মুক্ত<মুগ্ধ, খুজ্জ<কুব্জ (৮), সদ্দ<শব্দ, লদ্ধ<লব্ধ।

এইদৰে এটা দুটা স্পৰ্শবৰ্ণৰ (অনুনাসিক বাদে) মাজত হোৱা সমীভৱন প্ৰগত (Progressive) অৰ্থাৎ প্ৰথম বৰ্ণটো দ্বিতীয় বৰ্ণ লৈ ৰূপান্তৰিত হৈছে। ইয়াক এনে ভাৱেও ব্যাখ্যা কৰা যায় যে যুক্ত ব্যঞ্জনৰ প্ৰথম বৰ্ণটোৰহে ইয়াত কেৱল অভিনিহিত (implosive) উচ্চাৰণ হয়।

৩৫ সমবৰ্গীয় স্পৰ্শবৰ্ণৰ পূৰ্বস্থিত অনুনাসিক অপৰিৱৰ্তিতভাৱে থাকে, কিন্তু অসম বৰ্গৰ ক্ষেত্ৰত সি অনুস্বাৰলৈ ৰূপান্তৰিত হয়।

সংখল<শৃঙ্খল কোঞ্চ (koñca)<ক্ৰৌঞ্চ কণ্ঠ মহৰ জম্বূ কিন্তু দি মুহ<দিঙ্মুখ পংতি<পংক্তি বিংঝ<বিন্ধ্য (৪৪)।

৩৬ স্পৰ্শবৰ্ণৰ পাছৰ অনুনাসিক সেই স্পৰ্শবৰ্ণৰ লগত সমীভূত হয়।

অগ্গি<অগ্নি, বিগ্ঘ<বিঘ্ন সবত্তী<সপত্নী জুগ্গ<যুগ্ম।

ব্যতিক্ৰম (ক) জ্ঞ>ণ্ণ। আণবেদি<আজ্ঞাপয়তি অণহিণ্ণ<অনভিজ্ঞ জণ্ণ<যজ্ঞ।

টীকা:—(১) সমাসবদ্ধ পদৰ দ্বিতীয় পদৰ আদিস্থিত জ্ঞ জ্জ-লৈ ৰূপান্তৰিত হব পাৰে। যেনে—মণোজ্জ (manojja)<মনোজ্ঞ।

(২) হেমচন্দ্ৰৰ মতে মাগধীত ঞ্ঞ হব (৪—২৯৩)।

(খ) মাহাৰাষ্ট্ৰীত প্ৰায়ে আৰু অপভ্ৰংশত সদায় আত্মন্ শব্দ অপ্প হয়। (তুলনীয়—হিন্দী আপ *)। আন উপভাষাবোৰত অপ্প আৰু অত্ত উভয় ৰূপ দেখা যায়।

(গ) দ্ম>ম্ম। পোম্ম (pomma)<পদ্ম (আৰু পউম ৫৭)।

৩৭ 'ল+স্পৰ্শবৰ্ণ' ল সদায় স্পৰ্শবৰ্ণৰ লগত সমীভূত হয়। ৱক্কল<ৱল্কল ফগ্গুণ<ফাল্গুণ, অপ্প<অল্প কপ্প<কল্প। (ব্যতিক্ৰম √জল্প> √জম্প, কিন্তু √জপ্প ও হয়)। পবংগ<প্লৱগ।

৩৮ স্পৰ্শবৰ্ণ আৰু উষ্মবৰ্ণ এই ক্ষেত্ৰত স্পৰ্শবৰ্ণ অঘোষ হব। যেতিয়া উষ্মবৰ্ণ আগত থাকে তেতিয়া স্পৰ্শবৰ্ণৰ লগত তাৰ সমীভৱন হয় আৰু স্পৰ্শবৰ্ণটোৱে মহাপ্ৰাণতা লাভ কৰে যেনে—স্ত>ত্থ। আকৌ যেতিয়া উষ্মবৰ্ণ কোনো সমাসবদ্ধ পদৰ প্ৰথম পদৰ শেষত থাকে বিশেষকৈ প্ৰথম পদটো যদি 'দুস্' ধৰ্মী উপসৰ্গ হয় তেনেহলে পৰৱৰ্তী স্পৰ্শবৰ্ণ মহাপ্ৰাণ নহয়।

শ্চ>চ্ছ—অচ্ছৰিঅ<আশ্চৰ্য পচ্ছা<পশ্চাৎ, কিন্তু নিচ্চল<নিশ্চল দুচ্চৰিদ<দুশ্চৰিত। (মাগধীত 'শ্চ' থাকে, যেনে—নিশ্চল)।

* তুলনীয়—অসমীয়াত আপুনি কামৰূপী উপভাষাত আপনি।

ষ্ক ষ্খ>ক্খ—শৌ পোক্খৰ (pokkhara)<পুষ্কৰ সুক্খ<শুষ্ক।

ইয়াত অৱশ্যে মহাপ্ৰাণতা প্ৰায়ে নহয়।

মা চউক্ক, শৌ চদুক্ক<চতুষ্ক।

মা শৌ দুক্কৰ<দুষ্কৰ নিক্কম ৰ ঠাইত নিকম্‌ ইত্যাদি।

ষ্ট ষ্ঠ>ট্ঠ—দিট্‌ঠি<দৃষ্টি, সুট্‌ঠু<সুষ্ঠু।

ব্যতিক্ৰম বেঢ>বেষ্ট (তুলনীয় পালি—বেঠতি)।

ষ্প, ষ্ফ>প্ফ—পুপ্‌ফ<পুষ্প নিপ্‌ফল<নিষ্ফল।

স্ত স্থ>ত্থ—থণ<স্তন অত্থি<অস্তি হত্থ<হস্ত (তুলনীয়—পাঞ্জাবী হত্থ) অৱত্থা <অৱস্থা কাঅত্থঅ<কায়স্থক। সমাস—দুক্কৰ>দুস্তৰ। কেতিয়াবা এই স্থ ৰ মূৰ্দ্ধন্য কৰণ হয়। মা শৌ অট্‌ঠি<অস্থি। √স্থা ধাতুৰ থ আৰু ট্‌ঠ উভয়ৰূপ হয়। শৌ থিদ বা ঠিদ<স্থিত (মা থিঅ বা ঠিঅ) মা শৌ ঠান<স্থান (মা থাণ ৰূপো হয়) শৌ থিদি বা ঠিদি<স্থিতি (মা থিই বা ঠিই)।

স্প স্ফ>প্ফ—ফংস<স্পৰ্শ (৪৯) ফলিহ (phaḷiha)<স্ফটিক।

অমাগ ফুসই<স্পৃশতি।

৩৯ উষ্মবৰ্ণ স্পৰ্শবৰ্ণৰ পাছত থাকিলে উভয়ে চ্ছ লৈ ৰূপান্তৰিত হয়।

অচ্ছি<অক্ষি ৰিচ্ছ<ঋক্ষ মা চুহা<ক্ষুধা মচ্ছৰ<মৎসৰ বচ্ছ<বৎস (মূল শ বৃক্ষ ও হব পাৰে) অচ্ছৰা<অপ্সৰা জুগুচ্ছা<জুগুপ্সা।

৪ সাধাৰণতে ক্ষ>ক্‌খ।

শৌ খত্তিঅ<ক্ষত্ৰিয়, খিত্ত<ক্ষিপ্ত অক্‌খি<অক্ষি ণিক্‌খিবিদু <নিক্ষেপ্তুম সিক্‌খিদ<শিক্ষিত দক্‌খিণ<দক্ষিণ (দাক্ষিণাত্য)।

কেতিয়াবা কেতিয়াবা উপভাষাবোৰত চ্ছ ক্‌খ উভয়ৰূপেই দেখা যায়।

মা উচ্ছু শৌ ইক্‌খু<ইক্ষু মা কুচ্ছি শৌ কুক্‌খি<কুক্ষি

মা পেচ্ছই/শৌ পেক্‌খদি (pecchaı/pekkhadı)<প্ৰেক্ষতে,

মা শৌ সাৰিচ্ছ শৌ সাৰিক্‌খ<*সাদৃক্ষ।

কেতিয়াবা কেতিয়াবা ক্ষ>ঝ।

শৌ পজ্ঝৰাবেদি<*প্ৰক্ষৰাপয়তি, মা শৌ ঝীণ<ক্ষীণ (খীণ ৰূপো আছে)।

টীকা: শিলালিপি আৰু আন কিছুমান নিদৰ্শনৰপৰা জানিব পাৰি* যে ভাৰতবৰ্ষত

---

* ইয়াৰ বিস্তাৰিত আলোচনাৰ কাৰণে ছাত্ৰসকলে তলৰ পুথিবোৰৰ ই বাজ্ঞী স কৰণ সমূহ আলোচনা কৰা ৰ্কাৰ —জে ব্লক প্ৰণীত লা' মাৰাথে §১ ৪ পিছেল প্ৰণীত প্ৰাকৃত ব্যাকৰণ §৩১৮—§৩২১ আৰু গাইগাৰ প্ৰণীত পালি সাহিত্য' §৫৩।

পশ্চিমা আৰু উত্তৰ পশ্চিমা উপভাষাত ছ আৰু পূৰ্বী ভাষাত কৃথ ৰূপৰ প্ৰচলন আছিল।

৪১ সমাসত 'ত+শ বা ত+স'>স্স বা স, একক স হলে পূৰ্ববৰ্তী স্বৰৰ দীৰ্ঘতা লাভ।

পজ্জুস্সুহ্অ<পর্যুৎসুক উসব<উৎসব*, শৌ উস্সাস বা উসাস>উচ্ছ্বাস।

৪২ স্পৰ্শবৰ্ণযুক্ত ৰ স্পৰ্শবৰ্ণৰ লগত সমীভূত হয়।

মা কটিঅ শৌ কটিদ<কথিত শৌ পক্ক<পক্ব উজ্জল<উজ্জ্বল সত্ত<সত্ত্ব দিঅ<দ্বিজ কিন্তু উব্বিগ গ<উদ্বিগ্ন উৎ উপসৰ্গৰ লগত থাকিলে সদায়ে এনেকুৱা পৰিবৰ্তন ঘটে।

৪৩ স্পৰ্শবৰ্ণৰ লগত যুক্ত য সদায় সমীভূত হয়। চাণক্ক<চাণক্য সোক্খ< সৌখ্য জোগ্গ<যোগ্য নট্টঅ<নাট্যক অব্ভন্তৰ<অভ্যন্তৰ।

৪৪ এনেকুৱা পৰিবৰ্তনৰ আগ মুহূৰ্তত দন্ত্যবৰ্ণ তালব্যলৈ ৰূপান্তৰিত হয়। সচ্চ<সত্য ণেবচ্ছ<নেপথ্য অচ্চন্ত<অত্যন্ত বচ্ছা<বধ্যা অজ্জ<অদ্য উবজ্ঝাঅ<উপাধ্যায় স ঝা<সন্ধ্যা মজ ঝ<মধ্য।

৪৫ স্পৰ্শবৰ্ণৰ লগত যু ৰ সদায় সমীভূত হয়।

তক্কেমি<তৰ্কয়ামি চক্ক<চক্ৰ মগ গ<মাৰ্গ, গাম<গ্ৰাম সমুচ্ছিদ<সমুচ্ছ্ৰিত ণিব্বন্ধ<নিৰ্বন্ধ চিত্ত<চিত্ৰ পত্ত<পত্ৰ অথ<অৰ্থ ভদ্দ<ভদ্ৰ সমুদ্দ<সমুদ্ৰ অদ্ধ<অৰ্ধ।

ব্যতিক্ৰম অত্ৰ>অত্থ, তত্ৰ>তত্থ।

(ৰ দন্ত্যবৰ্ণৰ আগত থাকিলে কেতিয়াবা দন্ত্যবৰ্ণ মূৰ্ধন্যলৈ ৰূপান্তৰিত হয় আৰু ৰ সেই মূৰ্ধন্যবৰ্ণৰ লগত সমীভূত হৈ পৰে। বিশেষকৈ অৰ্ধমাগধীত এই পৰিবৰ্তনৰ প্ৰচলন দেখা যায়। যেনে—বট্টদি<বৰ্ততে)।

৪৬ **দুটা অনুনাসিক।** ম ৰ পূৰ্বস্থিত ঙ আৰু ণ অনুস্বাৰত পৰিণত হয়। ন পৰবৰ্তী ম ৰ লগত আৰু ম পৰবৰ্তী ন (ণ) ৰ লগত সমীভূত হয়। দিংমুহ<দিঙ্মুখ মা ছ মুহ<ষণ্মুখ উম্মুহ< উন্মুখ ণিণ ণ<নিম্ন পজ জুণ ণ<প্ৰদ্যুম্ন।

৪৭ **উষ্মবৰ্ণৰ লগত অনুনাসিক।** অনুনাসিক আগত থাকিলে সি অনুস্বাৰলৈ ৰূপান্তৰিত হয়। উষ্মবৰ্ণ আগত থাকিলে সি হ ত পৰিণত হয় আৰু লগে লগে উভয়ৰ স্থান পৰিবৰ্তন হয়।

* তুলনীয়—অসমীয়া উছৱ/ৱ।

শ্ন>ণহ	পণহ<প্রশ্ন
শ্ম>ম্হ	কম্হীৰ<কাশ্মীৰ
ষ্ণ>ণহ	উণহ<উষ্ণ কণহ<কৃষ্ণ
ষ্ম>ম্হ	গিম্হ<গ্ৰীষ্ম
স্ন>ণহ	ণহাণ<স্নান
স্ম>মহ	অম্হে<আস্মে বিম্হঅ<বিস্ময়।

ব্যতিক্রম (১) ৰশ্মি>ৰস্সি (২) আদিস্থিত শ্ম>ম—মসাণ<শ্মশান (৩) স্নেহ/স্নিগ্ধ>ণেহ/ণিদ্ধ বা সিণেহ/সিণিদ্ধ (৪) সর্বনাম পদৰ অধিকৰণ কাৰকৰ একবচনৰ বিভক্তি স্মিন>স্সি স্সি।

শৌ এদস্সি<এতস্মিন্ মা এঅস্সি বা এঅম্মি (অমাগ সি লোগংসি <লোকস্মিন=লোকে ত সি<তস্মিন্)।

4 অন্তঃস্থ বর্ণৰ (Semi Vowel) লগত অনুনাসিক

অন্ত স্থবর্ণৰ লগত অনুনাসিকৰ সদায়ে সমীভূত হয়। গুম্ম<গুল্ম মে চ্ছ (meccha)<ম্লেচ্ছ অণ ণেসণা<অন্বেষণা পুণ ণ<পুণ্য অণ ণ<অন্য সা ম্ম (somma)<সৌম্য ধম্ম<ধর্ম কণ ণ<কর্ণ।

টীকা দীর্ঘস্বৰৰ পৰবৰ্তী ম্য>ম—কাম এ<কাম্যায়া।

৪৯ উষ্মবর্ণ আৰু অন্ত স্থ বর্ণ অন্ত স্থ বর্ণ উষ্মবর্ণৰ লগত থাকিলে সদায় সমীভূত হয়।

সাহণীঅ<শ্লাঘনীয় পাস<পার্শ্ব মা আস শৌ অস্স<অশ্ব অবস্সং<অবশ্যম মা মীস শৌ মিস্স<মিশ্র মহুস্স<মনুষ্য শৌ পৰিস সঅদি<পৰিষজ্যতে ৰহস স<ৰহস্য বঅস স<বয়স্য তস স<তস্য সহস স<সহস্ৰ সহস্স<স্বহস্ত শৌ সৰস্সদী<সৰস্বতী সাঅদ<স্বাগতম্।

টীকা • (১) কেতিয়াবা আকৌ এই স স স ত পৰিণত হৈ (ক) পূর্ববর্তী স্বৰক দীর্ঘ কৰে (মা মীস আস পূর্বোক্ত) নাইবা (খ) পূর্বৱতী স্বৰক অনুনাসিকত পৰিণত কৰে। শ্ৰ বো প্ৰায়ে এইভাৱে পৰিবৰ্তন ঘটে আৰু র্শ সদায় এই নিয়ম মানি চলে।

অংসু<অশ্রু ফ স<স্পর্শ দ সণ<দর্শন। (৬৪)।

(২) কোনো কোনো উপভাষাত স>হ। যেনে—মাগ কামাহ, অপ কামহো (kāmaho)। পৰবর্তী কালত বিভক্তিৰ (শব্দৰূপ আৰু ধাতুৰূপ উভয়ত) ওপৰত ইয়াৰ প্ৰভাৱ তাৎপর্যপূর্ণ (২৭)।

৫ **দুটা অন্তঃস্থ বৰ্ণ ঃ** ইহঁতৰ ভিতৰত তলত ক্ৰম অনুসৰি সজোৰা হবে আগৰটোৱে পাছৰটোৰ ওপৰত প্ৰাধান্য লাভ কৰে—ল ৱ ৰ য। গল্লক<গৰ্ৱক, মূল্ল<মূল্য দুল্লহ<দুৰ্লভ কৱ্ব<কাব্য পৰিব্বাজল<পৰিব্ৰাজক সব্ব<সৰ্ব।

ব্যতিক্ৰম ৰ্য (ৰ+য)<র্জ<জ্জ অজ্জ<আৰ্য কজ্জ<কাৰ্য। কেতিয়াবা ৰ্য<র্য<ৰ, পৰন্ত<পৰ্যন্ত।

টীকা ঃ মাগধীত বাহিৰে য্য<জ্জ।

৫১ ক খ প ফ বৰ্ণৰ পূৰ্বস্থিত বিসৰ্গ উষ্মবৰ্ণৰ দৰে লোপ পায়। দুকৃখ<দুঃখ অন্তকৰণ<অন্তঃকৰণ কিন্তু উষ্মবৰ্ণৰ পূৰ্বস্থিত বিসৰ্গ অপৰিবৰ্তিত ভাৱে থাকে। শৌ চদুস সমুদ্দ<চতুঃ সমুদ্ৰ, দুস সহ<দুঃ সহ (তদুপৰি মা শৌ দূসহ)।

৫২ অনুনাসিক বা ল ৰ আগত হ থাকিলে বৰ্ণ বিপৰ্যয় ঘটে।

অৱৰণহ<অপবাহ্ন, মজ্ঝণ্হ<মধ্যাহ্ন মা গেণ্হই শৌ গেণ্হদি<গৃহ্নাতি চিণ্হ<চিহ্ন (তদুপৰি মা চিহ্ন) বম্হণ<ব্ৰাহ্মণ পল্হত্থ<*প্ৰহ্লস্ত (<√হ্লস=হ্ৰস)।

৫৩ হ্য (হ+য)>হ্জ>ভ্ঝ।

সজ্ঝ<সহ্য অণুগেজ্ঝ<অনুগ্ৰাহ্য।

৫৪ হ্ব>ভ্ভ (<ৱ হ), হ। বিভ্ভল<বিহ্বল জীহা<জিহ্বা (অমাগ জিব্ভা)।

(হ্ৰ ৰ্হ ৰ বাবে দ্ৰষ্টব্য—৫৭)

৫৫ **মূৰ্ধন্যীকৰণ** (Cerebralisation). কেতিয়াবা দন্ত্যবৰ্ণৰ যুক্ত ব্যঞ্জন মূৰ্ধন্যত পৰিণত হয়। শৌ মট্টিআ<মৃত্তিকা শৌ মা বুড্ঢ<বৃদ্ধ গণ্ঠি<গ্ৰন্থি।

মাহাৰাষ্ট্ৰী আৰু মাগধীত এই পৰিবৰ্তন সাধাৰণতে মূল ইন্দো য়ুৰোপীয় ভাষাৰ ৰ বা ঋ ৰ পৰস্থিত দন্তবৰ্ণৰ ক্ষেত্ৰত দেখা যায়, কিন্তু অৰ্ধমাগধীত আন শব্দত বিশেষকৈ উষ্মবৰ্ণৰ পাছত থকা দন্ত্যবৰ্ণৰ ক্ষেত্ৰত এই পৰিবৰ্তন ঘটে। (পিছেল প্ৰাকৃত ব্যাকৰণ, § ২৮৯ তুলনীয় গাইগাৰ পালি সাহিত্য, § ৬৪)

৫৬ তিনিটা বৰ্ণৰ যুক্ত ব্যঞ্জনৰ ক্ষেত্ৰতো এই নিয়মেই অটুট থাকে। যেনে—মৎস্য>মচ্ছ অৰ্ঘ্য>অগ্ঘ অস্ত্ৰ>অত্থ ইত্যাদি।

৫৭ **স্বৰভক্তি** (Anaptyxis) যুক্ত ব্যঞ্জনৰ এটা বৰ্ণ যদি অনুনাসিক নাইবা অন্তঃস্থবৰ্ণ হয় তেনেহলে সেই যুক্তাক্ষৰটোক কেতিয়াবা এটা স্বৰধ্বনিৰ সহায়ত পৃথক কৰি দুটা একক ব্যঞ্জনলৈ ৰূপান্তৰিত কৰা হয় আৰু তেতিয়া সেই ব্যঞ্জন বৰ্ণ দুটা একক ব্যঞ্জনৰ নিয়মৰ অন্তৰ্ভুক্ত হৈ পৰে। সাধাৰণতে ই নাইবা ওষ্ঠ্যবৰ্ণৰ

লগত উ স্বৰ প্ৰয়োগ কৰি এই স্বৰভক্তি বা বিপ্ৰকৰ্ষ সম্পাদিত কৰা হয়। আকৌ কেতিয়াবা অ- ধ্বনিও প্ৰয়োগ কৰা হয়।

মা অৰণ শৌ ৰদণ, মাগ লদন<ৰত্ন, মা শৌ সলাহা<শ্লাঘা,
আমাৰিস<আমৰ্ষ ৰৰিস<বৰ্ষ হৰিস<হৰ্ষ কিলন্ত<ক্লান্ত
কিলিণ ণ<ক্লিন্ন মিলাণ<ম্লান তুৰৰ<ত্বৰ(ৰ) ছ্বাৰ/দাৰ<দ্বাৰ, সুবো<শ্ব,
অৰিহ<অৰ্হ, পউম<পদ্ম (পালি পদুম), শৌ সুমৰদি<স্মৰতি।

৫৮ যুক্ত ব্যঞ্জনৰ এটা বৰ্ণ যদি য ধ্বনি হয় তেনেহলে সি লোপ পায়।

আচাৰিঅ<আচাৰ্য (উচ্চাৰণৰ আচল পাৰ্থক্য ইয়াত নিচেই কম) বেৰুলিঅ<
বৈদূৰ্য চোৰিঅ<চৌৰ্য হিও<হ্য।

কেতিয়াবা আকৌ ঈ ধ্বনিৰ আগম হয়। অচ্ছৰিঅ বা শৌ অচ্ছৰীঅ<আশ্চৰ্য (মা অচ্ছেৰ ৭৬), শৌ পটীঅদি—পালি পঠীয়তে<পঠ্যতে।

ষষ্ঠ অধ্যায়

স্বৰ ধ্বনি

৫৯ সংস্কৃত ব্যাকৰণত স্বৰধ্বনিৰূপে ব্যৱহৃত ঘোষবৰ্ণ ঋ আৰু ঌ-পালিৰ দৰে প্ৰাকৃততো বৰ্জিত হৈছে। আজি কালিৰ দৰে প্ৰাচীন ভাৰতীয় ভাষাত-ঋ ৰি' ৰূপে উচ্চাৰিত নহৈছিল। কিয়নো এইটো কোনো স্বৰধ্বনিযুক্ত ব্যঞ্জন নহয়—বৰ ইয়াক স্বৰধ্বনিৰূপে ব্যৱহৃত ঘৃষ্টবৰ্ণ (sonant fricative) বুলিহে অভিহিত কৰিব পাৰি। ইয়াৰ উচ্চাৰণ কোনো কোনো শ্লাভ ভাষাৰ ঘোষ ৰ ধ্বনিৰ উচ্চাৰণৰ মিচিনা বুলিব পাৰি। যেনে—Srbi—সাৰ্ব সকলৰ নিজৰ ভাষাত নিজৰ নামকৰণ। এই ধ্বনিৰ প্ৰচলন নথকা ভাষাবোৰত স্বাভাৱিকতে এটা অস্পষ্ট ə ৰধাৰা অথবা ব্যঞ্জন ৰ ধ্বনিৰ আগত বা পাছত এটা স্বৰাগমৰদ্বাৰা ইয়াৰ প্ৰয়োগ দেখুৱা হয়। (কেতিয়াবা আকৌ আগে পাছে দুয়ো ঠাইতে)। সেয়ে বৰ্তমান বেছি সহজ হৈ ওলাইছ পৰিছে কি কাৰণে (ক) ঋ ৰ গুণ অৰ (ৰে নহয়) (খ) আৱেস্তানত বৃত্ৰহণ >বেৰেথ্ৰ্ঘ্ন ঋজু>এৰেজু (গ) পা'লত ইৰিম্বিজ<ঋত্বিজ ইকব্বেদ<ঋগ্বেদ আৰু (ঘ) প্ৰাকৃতত এ নথকাৰ কাৰণে (বা এ ৰ কোনো চিহ্ন নথকা বাবে) ঋ ৰ ঠাইত অ ই বা উ আৰু ৰি হয়। ঌ ৰ প্ৰাচীন উচ্চাৰণৰ ছাপ বহু পৰিমাণে অস্পষ্ট। এইটো ই ৰাজীৰ ব্যাটল (battle) শব্দৰ অন্ত্যবৰ্ণৰ ধ্বনিৰ (ঘোষ বা আক্ষৰিক syllabic ল বৰ্ণ) মিচিনা বুলি ধাৰণা ওপজে—যি ঠাইত ত আৰু ল ৰ মাজত কোনো স্বৰধ্বনিয়ে ঠাই পোৱা নাই। ইয়াৰ গুণ হৈছে অল্। প্ৰাকৃতত এই ধ্বনিৰ ৰূপ হৈছে ইলি লি বা অ। যেনে—কিলিও=কৢপ্ত (klpta)

৬ ঋ-ৰ অনুকল্প (Substitute for r)।

ৰি (আত্তহিত ঋ ৰ সলনি) মাগধী লি।

ৰিদ্ধি<ঋদ্ধি ৰিচ্ছ<ঋক্ষ ৰিসি<ঋষি।

অ মা কঅ শৌ কদ<কৃত বসহ<বৃষভ।

ই (সাধাৰণ) কিবিণ<কৃপণ গিদ্ধ<গৃধ্ৰ দিট্ঠি<দৃষ্টি

সিআল<শৃগাল হিঅঅ<হৃদয়।

উ (ওষ্ঠ্যবৰ্ণৰ পাছত বা আন এটি উ বৰ্ণ পাছত থাকিলে)

মা নিহুঅ, শৌ নিহুদ<নিভৃত মা পুচ্ছই

শৌ পুচ্ছদি<পৃচ্ছতি মুণাল<মৃণাল, বুত্তন্ত<বৃত্তান্ত।

টীকা : (১) একে উপভাষাতে এই স্বৰধ্বনিৰ অন্তৰ্ক্যৰ পাৰ্থক্য দেখা যায়। শৌ ৰিচ/দিঢ=দৃঢ মা ণিঅত্ত/ণিবুত্ত<নিবৃত্ত।

(২) সমাসবদ্ধ প্ৰথম পদস্থিত নাইবা ক প্ৰত্যয়ৰ পূৰ্বস্থিত বিশেষ্য পদৰ ঋ সাধাৰণতে -উ হয়। শৌ জামাদুঅ<জামাতৃক ভাদুসঅ<ভ্ৰাতৃ শত, কিন্তু কেতিয়াবা আকৌ ই হয়। শৌ, ভট্টিদাৰঅ<ভ্ৰাতৃদাৰক।

(৩) পদাদিস্থিত ঋ>অ ই উ। অমাগ অণ<ঋণ শৌ ইসি<ঋষি উজ্জু<ঋজু, (মা অচ্ছই পালি অচ্ছতি <ঋচ্ছতি—পিছেলৰ এই ব্যুৎপত্তি অস্ বা আস্ ৰ অপৰিণত ৰূপ বুলি আন বহুতে ব্যাখ্যা কৰে। (দ্ৰষ্টব্য—পিছেল প্ৰাকৃত ব্যাকৰণ §৪৮ গাইগাৰ পালি সাহিত্য §২৩৫ ২)।

(৪) ঋ>ঈ উ।

(৫) উপভাষাভেদে দক্ষিণ পশ্চিমাত অ পূৰ্বমধ্য আৰু উত্তৰত ই আৰু উ (ওষ্ঠ্যবৰ্ণৰ পাছত)। (দ্ৰষ্টব্য—জে ব্লক লা মাৰাথে §৩১ তুলনীয়—পিছেল প্ৰাকৃত ব্যাকৰণ §৪৯ §৫১ গাইগাৰ পালি সাহিত্য §১২)।

§৬১ যৌগিক স্বৰ ঐ ঔ>এ ও যথাক্ৰমে। দ্বিত্ব ব্যঞ্জনৰ আগত এ ও হ্ৰস্ব হয়। (১৫ ৬৮)।

শৌ এদিহাসিঅ<ঐতিহাসিক এৰাৱণ<ঐৰাৱণ তেল্ল (tella)<তৈল বেজ্জ (bejja)<বৈদ্য। মা কোমুঈ শৌ কোমুদী<কৌমুদী জোব্বণ (jobbana) <যৌৱন সোম্ম (somma)<সৌম্য।

টীকা • মাহাৰাষ্ট্ৰী আৰু অন্যান্য প্ৰাকৃতত কেতিয়াবা ঐ ৰ ঠাইত অই আৰু ঔ ৰ ঠাইত অউ হয়। শৌৰসেনী আৰু মাগধী প্ৰাকৃতত এই পৰিৱৰ্তন শুদ্ধ নহয়।

৬২ **মাত্ৰা পৰিৱৰ্তন :** দীৰ্ঘ স্বৰৰ পাছত মাত্ৰ এটা ব্যঞ্জন বৰ্ণহে থাকিব পাৰে আৰু সেয়ে যুক্ত ব্যঞ্জনৰ পূৰ্বস্থিত স্বৰ সাধাৰণতে হ্ৰস্ব হৈ পৰিছে বহু ক্ষেত্ৰত তাৰ কাৰণ সুন্দৰভাৱে এই নিয়মটোৰ মাজতেই পোৱা যায়। এনেকুৱা ঠাইত ব্যঞ্জনবৰ্ণটো সংক্ষেপ বা চুটি কৰি (অৰ্থাৎ একক কৰি) পূৰ্বস্বৰটো দীৰ্ঘ কৰাৰ এটা স্পৃহা দেখা যায়। মাহাৰাষ্ট্ৰীত ইয়াৰ প্ৰচলন বৰ বেছি (বিশেষকৈ অৰ্ধ মাগধী আৰু জৈন মাহাৰাষ্ট্ৰীত)। শৌৰসেনী আৰু মাগধীত ইয়াৰ প্ৰচলন মাহাৰাষ্ট্ৰীতকৈ কম। আধুনিক ভাৰতীয় ভাষাবোৰত এই পৰিৱৰ্তন ৰীতিৰ প্ৰচলন অত্যন্ত বেছি। (তুলনীয়—প্ৰা অগ্গি পাঞ্জাবী অগ্গ, কিন্তু হিন্দী আগ)।

৬৩ **হ্ৰস্বস্বৰৰ দীৰ্ঘকৰণ :** সাধাৰণতে ৰ +ব্যঞ্জন (বিশেষকৈ এটা উষ্মবৰ্ণ) উষ্ম বৰ্ণ+য, ৰ বা উষ্মবৰ্ণ।

শৌ কাদুং<কৰ্তুম্ কাদব্ব<কৰ্তব্য।

অমাগ ফাস<স্পৰ্শ মণুস<মনুষ্য (শৌ মণুস্স)।

মা আস<অশ্ব (শৌ অস্স)।

মা ঊসব<উৎসব দূসহ<দুঃসহ।

৬৪ কেতিয়াবা স্বৰবৰ্ণ দীৰ্ঘকৃত নহৈ যুক্ত ব্যঞ্জনৰ আদি ব্যঞ্জনটোৰ ঠাইত অনুস্বাৰ ৰূপ লাভ কৰে। দ দংণ<দৰ্শন ফ স<স্পৰ্শ (৪৯)।

মা অ সু<অশ্ৰু (শৌ অস্সু) অমাগ অ সি<অশ্মি (শৌ মৃহি)।

৬৫ কেতিয়াবা ইয়াৰ বিপৰীত ৰূপ লয় অৰ্থাৎ ম স বা হ ৰ পূৰ্বস্থিত অনুস্বাৰটো লোপ হৈ পূৰ্বৱৰ্তী স্বৰ দীৰ্ঘকৃত হয়। দাঢা<দ্ৰ ষ্টা।

মা পীসই শৌ পীসেদি<*পি সতি<পিনষ্টি

মা সীহ<সি হ (আক সি ঘ শৌ সিংহ)।

৬৬ আন ভালেমান ঠাইত স্বৰধ্বনি দীৰ্ঘতা প্ৰাপ্ত হয়। কেতিয়াবা সমাসৰ মধ্যৱৰ্তী স্থানত কেতিয়াবা বিভক্তিৰ পূৰ্বৱৰ্তী স্থানত নাইবা আন শব্দৰ 'সাদৃশ্যৰ কাৰণে (by analogy)। মা শৌ সাৰিচ্ছ শৌ সাৰিকৃখ<*সাদৃক্ষ<শদৃক্ষ—অদৃক্ষ যদৃক্ষ শব্দৰ সাদৃশ্যৰ কাৰণে।

৬৭ **স্বৰধ্বনিৰ হ্ৰস্বকৰণ** যিদৰে ওপৰত কোৱামতে দ্বিত্ব ব্যঞ্জনৰ পূৰ্বৱৰ্তী হ্ৰস্ব হব লাগে সেইদৰে অনুস্বাৰৰ লগত ব্যঞ্জন থাকিলে তাৰ পূৰ্বস্থিত স্বৰ সদায় হ্ৰস্ব হব। পূৰ্বস্বৰ যদি জোৰ বা ঘাতপ্ৰধান (accented) হয় তেনেহলে পৰৱৰ্তী স্বৰটো কেতিয়াৱা হ্ৰস্ব হৈ পৰে। অলিঅ<অলীক (álika), নাইবা পৰৱৰ্তী স্বৰ যদি জোৰ প্ৰধান হয় তেনেহলে পূৰ্বস্বৰ হ্ৰস্ব হয়। মা ম জৰ<মাৰ্জাৰ (mārjará) কিন্তু মংজাৰ (শৌ মজ্জাৰ)।

টীকা মাহাৰাষ্ট্ৰীয়ে বৈদিক স্বৰাঘাত আৰু শৌৰসেনীয়ে লৌকিক সংস্কৃতৰ স্বৰাঘাত গ্ৰহণ কৰিছে। মাৰাঠী আৰু হিন্দীৰ মাজৰ বৈসাদৃশ্যসমূহ এই (স্বৰাঘাতৰ) ভিন্নতাৰ ফলত হোৱা বুলি অনুমান হয়।

৬৮ মূল শব্দৰ অন্ত্যস্থিত স্বৰ জোৰপ্ৰধান হলে একক ব্যঞ্জনটো দ্বিত্ব হোৱাৰ লগে লগে তাৰ পূৰ্বস্থিত স্বৰটো হ্ৰস্বতা প্ৰাপ্ত হয়।

এ ব্ব<এবং (evám) জো ব্বণ<যৌবন (yauvaná),

তে ল্ল<তৈল (tailá), পে ম্ম<প্ৰেমন্ (premán)।

টীকা: (১) যুক্ত ব্যঞ্জন থকা নিপাতৰ পূৰ্বস্থিত শব্দৰ অন্ত্যস্থিত স্বৰ হ্ৰস্ব হৈ পৰে। যেনে—মা ঠিঅম্হি<স্থিতাস্মি।

(২) শৌ জেব জে ব্ব (jebba)<এব, কিন্তু হ্ৰস্বস্বৰৰ পাছত জ্জেব্ব, জ্জে ব

(jjebba) হয়। যেনে—অজ্জস্স জেব্ব (jjebba)<আৰ্যস্যৈৰ, নাইবা হ্ৰস্ব এ আৰু ও-ৰ পাছত ভূমিএ জেব্ব (bhumie jjebba)<ভূম্যামেৱ ইদো জেব্ব (ido jjebba)<ইত এৱ।

(৩) শ্ৰী<সিৰি।

(৪) মাহাৰাষ্ট্ৰীত ক্ৰিয়াবিশেষণৰ অন্ত্যস্থিত আ বহু ঠাইত হ্ৰস্ব হৈছে। জহ<যথা।

৬৯ **স্বৰৰ সঙ্গতি স্বৰান্তৰ।** উদাহৰণ—স্বৰাঘাত যুক্ত ব্যঞ্জনবৰ্ণৰ পূৰ্বস্থিত অ>ই (শৌৰসেনী মাগধীতকৈ মাহাৰাষ্ট্ৰী প্ৰাকৃতত অধিকতৰ)।

পিক্ক<পক্ব (pikvá) (শৌ পক্ক)।

মা মজ্ঝিম কিন্তু শৌ মজ্ঝম<মধ্যম।

মা কইম কিন্তু শৌ কদম<কতম।

[টীকা হিন্দী পক্কা (pakkā) মাৰাঠী পিকা (pika)]

অ>উ—(ক) ওষ্ঠ্যবৰ্ণৰ লগত। পুলোএদি<প্ৰলোকয়তি (শৌৰসেনীতকৈ মাহাৰাষ্ট্ৰী আৰু অৰ্ধমাগধীত অধিক)।

(খ) অ কাৰান্ত বিশেষকৈ জ্ঞ অন্ত ধাতুত। সব্বণ্ণু<সৰ্বজ্ঞ।

অ>ই—(কেতিয়াবা) স্বৰাঘাতৰ পাছত। মা জম্পিমো<জল্পাম (jálpāmaḥ) স্বৰাঘাতৰ আগত। অমাগ বিঅত্থিমিত্ত<বিতস্তিমাত্ৰ। এনেকুৱা ঠাইত সাধাৰণতে আ প্ৰদত্ত ই>এ (হ্ৰস্ব)। যেনে—মেত্ত (metta)<মাত্ৰ।

৭ পাছত উ থাকিলে পূৰ্বস্থিত ই>উ।

মা উচ্ছু<ইক্ষু অমাগ উসু<ইষু (কিন্তু শৌ ইক্খু)।

দ্বিত্ব ব্যঞ্জনৰ পূৰ্বস্থিত ই>এ (হ্ৰস্ব)। এত্থ (ettha)<ইত্থা গেজ্ঝ (gejjha)<* *গৃহ্য (<*গিজ্ঝ< গৃহ্য<গ্ৰাহ্য)।

ঈদৃশ আদি শব্দত থকা ঈ>এ/ঈ। শৌ এৰিস সাধাৰণতে ঈদিস সেইদৰে কেৰিস, কীদিস। (টীকা এৰিস<বৈদিক অয়া (ayá)+দৃশ পিছেল—প্ৰাকৃত ব্যাকৰণ §১২১)।

৭১ দ্বিতীয় অক্ষৰত (syllable) উ থাকিলে প্ৰথম অক্ষৰৰ উ যদি অ হয়। গৰুঅ<গুৰুক, মউল<মুকুল।

উ>ই পুৰিস<পুৰুষ (মাগ পুলিশ)।

উ>ও (হ্ৰস্ব) যুক্তব্যঞ্জনৰ আগত। শৌ পোক্খৰ (pokkara)<পুষ্কৰ, পোত্থঅ (pŏtthaa)<পুস্তক (তুলনীয়—হিন্দী, পোথী), মোগ্গৰ (mŏggara)<মুদ্গৰ, মা গোচ্ছ (gŏccha)<গুচ্ছ।

উ>ও (হ্রস্ব বা দীর্ঘ)—দ্বিত্ব ব্যঞ্জনর আগত থাকিবা যুক্তব্যঞ্জন হ'ত সরলীকৃত অর্থাৎ অসযুক্ত রূপ লাভ করিছে। মা মোল্ল (mŏlla)>মূল্য, থোর (thora)/ *থোর (thora)<স্থূর। সেইদরে তম্বোল<তাম্বূল (তাম্বুল=*তম্বুল—তাম্বোল্ল (tambŏlla)=তম্বোল)।

৭২ এ>ই —(ক) স্বরাঘাতহীন আখরত। মা ইণ (iṇá)<এন (ená) বিঅণা<বেদনা (vedanā) দিঅর (diara)<দেবর (devarā)।

(খ) দ্বিত্ব ব্যঞ্জনর আগত। শৌ মিত্তেঅ<মৈত্রেয়।

(গ) (উপভাষাত) দীর্ঘস্বরর পাছত। শৌ মাগ এদিণা<এতেন (আরু এদেণ)।

৭৩ ও>উ —(ক) দ্বিত্ব ব্যঞ্জনর আগত। মা অণ্ণুণ্ণ/অণ্ণোণ্ণ (annonna)*(৮১)<অন্যোন্য।

(খ) অপভ্রংশত অ —রপরা উত্তর হোৱা ও র ঠাইত (অ কারান্ত কর্তৃকারকর একবচনত যিদরে হয়)। লোউ<লোক সীহ<সিংহ। (সন্ধিত আজিও বর্তমান। যেনে—চণ্ডু বা চন্দ্র্<চন্দ্র)।

৭৪ স্বরধ্বনির লোপসাধন। উদাহরণ —অমাগ পোসহ<উপবসথ (upabasatha) শৌ বট্‌ঠিদ<অবস্থিত মা রণ্ণ<অরণ্য (রণ্ণ—কচ্ছ)। অপি>

পি (অনুস্বারর পাছত) বি (স্বরর পাছত)।

ইতি<তি (অনুস্বারর পাছত) ত্তি (স্বরর পাছত)।

শৌ মাগ দাণিং<ইদানী

মা পিউস সিঅ<পিতৃস্বস্কা<*পিউস সিআ।

মা শৌ পোপ্ফলি (popphali)=পূগফলী থু<থলু।

মজ্ঝণ্ণ<মধ্যংদিন (madhyamdina) শৌ মাগ ধীদা<দুহিতা (<*দুহীতা)।

টীকা: কেৱল স্বরাঘাতহীন স্বরধ্বনি লোপ হয়। এই বিলোপ সাধন রীতিরপরা কোনো শব্দর স্বরাঘাত সম্পর্কে স্পষ্ট ধারণা করিব পরা যায়।

৭৫ সম্প্রসারণ সংস্কৃতত্তকৈ প্রাকৃতত য/য় ই আরু র ব ঠাইত উ হোৱার উদাহরণ বহুপরিমাণে পোৱা যায়। অয় আরু অব<এ আরু ও, যথাক্রমে।

শৌ তিরিচ্ছ=*তির্যক<তির্যক তুবিদ<ত্বরিত কধেদু<কথয়তু ওদার<অবতার, ণোমালিঅ<নবমল্লিকা মা লোণ<লবণ, শৌ ভোদি<ভবতি।

৭৬ অপিনিহিত (Epenthesis) অর্থ, আর্য প্রাকৃত 'অবিধ' কেতিয়াবা

কেতিয়াবা এৰ হয়। পেৰন্ত<পৰ্যন্ত মা অচ্ছেৰ<আশ্চৰ্য (কিন্তু শৌৰসেনী অচ্ছৰিঅ)।

মা কেৰ<কাৰ্য শৌ তুম্হকেৰ অম্হকেৰ।

টীকা. প্ৰাচীন হিন্দী আৰু প্ৰাচীন গুজৰাটীত ষষ্ঠীৰ একবচনত ব্যৱহাৰ হোৱা কেৰো কেৰী<কেৰক। কাৰ্য>কেৰক—এই ব্যুৎপত্তি বীম্‌চে মানি লোৱা নাই। (দ্ৰষ্টব্য—বীমচ ii—§২৮৬)। হিন্দী কা কী আদি, ৰাজস্থানী—ৰো, ৰী আদি আৰু বঙালি এৰ (অসমীয়া ৰ অৰ)<কেৰক।

সপ্তম অধ্যায়

সন্ধি

(ক) ব্যঞ্জন :

৭৭ প্ৰাকৃতত পদৰ শেষত কোনো ব্যঞ্জনবৰ্ণ নাথাকে (২৯)। সেয়ে সংস্কৃতৰ প্ৰত্যক্ষ বা বহিৰ্সন্ধিৰ প্ৰায় অধিকাংশ জটিলতা ইয়াত লোপ পাইছে। সাধাৰণতে পদান্তস্থিত ব্যঞ্জনবৰ্ণ লোপ হলেও স্বৰবৰ্ণৰ পূৰ্বস্থিত ব্যঞ্জন কেতিয়াবা কেতিয়াবা সংৰক্ষিত হয়।

অমাগ জদ্ অথি<যদ্ অস্তি

মাগ যদ্ ইশ্চশে<যদ্ ইচ্ছসে নাইবা নিপাতৰ আগতো কেতিয়াবা থাকে।

অমাগ ছচ্চেৱ<ষড এৱ ছপ পি<ষড অপি (এইবোৰ সাধাৰণ অপৰিবৰ্তনীয় বাক্যাংশ)। দুৰ আৰু নিৰ ৰ ৰ থাকে। শৌ দুৰাগদ<দুৰাগত নিৰন্তৰ।

ম্ কেতিয়াবা কেতিয়াবা থাকে। মা এ কম্ (ekkam) / এক্ক (ekkam) <এৰৈককম্।

৭৮ এইদৰে পৰিৱৰ্তিত হোৱাৰ পাছত ইয়াৰ লগত বিভক্তি যোগ কৰি শব্দৰূপ কৰিব লাগে। যেনে—এ কম (ekkam)—এ ক্কে (ekke)। এইদৰে ম সন্ধি ব্যঞ্জনৰূপে ব্যৱহৃত হয়। যেনে—অঙ্গ ম্ অঙ্গম্মি<অঙ্গে অঙ্গে গোণ ম আঈ<গবাদয়ো এস ম্ অগ গী<এষোগ্নিঃ।

য় আৰু ৰ—ৰ সন্ধি ব্যঞ্জনৰূপে ব্যৱহাৰ বিৰল। অমাগ ধি ৰ অত্থু< ধিগ অস্তু।

৭৯ সমাসত প্ৰথম পদান্ত ব্যঞ্জনবৰ্ণটো দ্বিতীয় পদাদিস্থিত ব্যঞ্জনৰ লগত সমীভূত হয়, কিন্তু কেতিয়াবা কেতিয়াবা দুয়োটা পদকে পৃথক শব্দ হিচাপেও লোৱা যায়।

মা সৱিস কুল<সৱিৎসংকুল, দূলহ<দুৰ্লভ (সাধাৰণতে দুল্লহ) দুসহ<দু সহ (সাধাৰণতে দুস্সহ বা দূসহ)।

(খ) স্বৰ :

৮ প্ৰাকৃতত সন্নিকৃষ্ট স্বৰ (hiatus) ৰক্ষিত হয় কিন্তু সমাজত সাধাৰণতে সংস্কৃতৰ দৰে প্ৰথম পদান্তস্থিত স্বৰৰ লগত দ্বিতীয় পদাদিস্থিত স্বৰৰ সন্ধি হয়।

শৌ. কিলেসাণল<ক্লেশানল, জম্মন্তৰে<জন্মান্তৰে (দুটা ব্যঞ্জনৰ আগত অ/- আ), ৰাএসি=ৰাঅ+ইসি<ৰাজৰ্ষি।

কেতিয়াবা আকৌ ইহঁতৰ মাজত সন্ধি নহয়। শৌ পূআঅৰিহ<পূজার্হ বসন্তস্সৰ উৰাসন<বসন্তোৎসৱোপাসন।

৮১ সমাসৰ দ্বিতীয় পদৰ আদিৰ স যুক্ত ব্যঞ্জনৰ আগত ই বা উ নাইবা ঈ বা ঊ থাকিলে প্ৰথম পদান্তস্থিত অ বা আ লোপ পায়।

মা গইন্দ<গজেন্দ্ৰ শৌ ণৰিন্দ<নৰেন্দ্ৰ মন্দ মাৰুদ উব্বেল্লিদ (ubbellıda)< মন্দ মাৰুতোদ্বেল্লিত মহূসৱ<মহোৎসৱ বসন্তূসৱ।

ব্যতিক্ৰম কেতিয়াবা দ্বিতীয় পদৰ আদিৰ একক ব্যঞ্জনৰ পূৰ্বস্বৰ যদি ঈ ঊ হয় তেনেহলে দুয়োটা স্বৰৰ সন্ধি হয়। শৌ মহাবোক উপসৰ্গৰ লগত সদায় সন্ধি হয়। শো পেকখদি (pekkadı) মা পেচ্ছই (pecchaı) মাগ পেক্খদি<প্ৰেক্ষতে।

ই ঈ বা উ ঊ আৰু অসদৃ। স্বৰৰ মাজত সন্ধি নহয়।

৮২ পদমধ্যস্থিত ব্যঞ্জনৰ লোপ সাধনৰ ফলত উদ্বৃত্ত হোৱা সন্নিকৃষ্ট স্বৰৰ মাজত সন্ধি নহয়।

ব্যতিক্ৰম (ক) এই নিচিনা সন্নিকৃষ্ট সমস্বৰ কেতিয়াবা মিলিত হয়। পাইক = পাআইক্ক<পাদাতিক।

(খ) অ আ—স্বৰৰ পাছত থকা সন্নিকৃষ্ট ই ঈ উ ঊ স্বৰৰ মাজত সন্ধি হয়। থেৰ = থইৰ<স্থবিৰ। মা পোম্ম (pomma) শৌ পউম<পদ্ম মোৰ ময়ূৰ (আৰু মউৰ) মা মোহ<ময়ূখ (আৰু মউহ)।

(গ) সমাসত। মা অন্ধাৰিঅ<অন্ধকাৰিত। দেশী—চম্মাৰঅ<চৰ্মকাৰক। অমাগ লোহাৰ<লৌহকাৰ দেউল<দেৱকুল। মাগ লাউল<ৰাজকুল।

৮৩ বাক্যস্থিত পদৰ মাজত সন্ধি নহয় অৰ্থাৎ সন্নিকৃষ্ট স্বৰধ্বনিও একেৰকমেই থাকে।

ব্যতিক্ৰম (ক) ন (= নহয়) কেতিয়াবা পদাদিস্থিত স্বৰৰ লগত সন্ধিবদ্ধ হয়। ণত্থি<নাস্তি ণাহ<ন+অহম। শৌ ণাদিদূৰ<নাতিদূৰ ণেচ্ছদি (necchadı) <ন+ইচ্ছতি।

(খ) শৌ আৰু মাগ প্ৰাকৃতত স্ম+এতদ<ণেদ এটা পদৰূপে ব্যৱহৃত হয়।

(গ) সংস্কৃতৰ দৰে এ, ও স্বৰৰ পৰৱৰ্তী পদাদিস্থিত অ কেতিয়াবা কেতিয়াবা লোপ হয়।

অষ্টম অধ্যায়

শব্দৰূপ

৮৪ নিম্নলিখিত কথাবোৰৰ কাৰণে প্ৰাকৃত আৰু সংস্কৃতত সমগ্ৰ শব্দসমূহে পৃথক ৰূপ লৈছে (ক) পূৰ্বোক্ত ধ্বনিতত্ত্বৰ নিয়মানুসৰি পৰিবৰ্তন আৰু বিভক্তিসমূহ প্ৰভাৱান্বিত হোৱা নিয়মবোৰ (খ) সাদৃশ্য দ্বাৰা এক শ্ৰেণীৰ শব্দ আন শ্ৰেণীভুক্ত কৰাৰ ফলত শব্দৰূপত সৰলতাৰ সৃষ্টি। সংস্কৃতত অব্যৱহৃত কেইটামান বিভক্তিৰ চিন বা কীৰ্তি প্ৰাকৃতত কম সংখ্যক শব্দৰূপত পোৱা যায় সেইবোৰ সংস্কৃতক বাদ দি আন প্ৰাচীন ভাষাৰপৰা প্ৰাকৃতে আহৰণ কৰিছে। মুঠতে প্ৰাকৃত ব্যাকৰণৰপৰা ইয়াকে বুজা যায় যে প্ৰাচীন পদ্ধতি ক্ষয়প্ৰাপ্ত হোৱা অনুপাতে নতুন পদ্ধতি ৰচিত হোৱা নাই।

৮৫ দ্বিবচন একেবাৰে লোপ পাইছে। চতুৰ্থী বিভক্তিৰ ৰূপ ষষ্ঠী বিভক্তিত প্ৰায় একেবাৰে বিলীন হৈ গৈছে—(মাহাৰাষ্ট্ৰীত অ কাৰান্ত শব্দৰ চতুৰ্থীৰ একবচন পোৱা যায়)। ধ্বনি পৰিৱৰ্তনৰ সাধাৰণ নিয়মানুসৰি ব্যঞ্জনান্ত শব্দৰূপ একেবাৰে লোপ পাইছে ক ৰবাতহে দুই এটা নিৰ্দেশমাত্ৰ পোৱা যায়।

অধিক সংখ্যক বিশেষ্য পদৰেই ৰূপ এই নিচিনা —

(১) অ কাৰান্ত পুংলিঙ্গ নাইবা ক্লীৱলিঙ্গ পদ।

(২) ই কাৰান্ত বা উ কাৰান্ত পুংলিঙ্গ নাইবা ক্লীৱলিঙ্গ পদ।

(৩) আ কাৰান্ত ই কাৰান্ত ঈ কাৰান্ত উ কাৰান্ত ঊ কাৰান্ত স্ত্ৰীলিঙ্গ পদ।

৮৬ অ কাৰান্ত শব্দৰ ৰূপ। সাধাৰণ।

পুংলিঙ্গ পুত্ত<পুত্ৰ পুতেক।

		শৌ	মা
একবচন	কৰ্তা	পুত্তো	পুত্তো
	কৰ্ম	পুত্ত	পুত্ত
	কৰণ	পুত্তেণ	পুত্তেণ( )
	সম্প্ৰদান	—	পুত্তাঅ
	অপাদান	পুত্তাদো	পুত্তাও
	সম্বন্ধ	পুত্তস্স	পুত্তস্স
	অধিকৰণ	পুত্তে	পুত্তম্মি/পুত্তে।

বহুবচন	কৰ্তা	পুত্ৰা	পুত্ৰা
	কৰ্ম	পুত্ৰে	পুত্ৰা/পুত্ৰে
	কৰণ	পুত্ৰেহি	পুত্ৰেহি
	অপা১	(পুত্ৰেহি তো)	(ভালেমান ৰূপ)
	সম্ব	পুত্ৰাণ	পুত্ৰাণ
	অধি	পুত্ৰেসু( )	পুত্ৰেসু( ) ।

টীকা (১) পুত্তাদো পুত্তাও অপাদান একবচন=*পুত্ৰতস । অপাদানত এই তস বিভক্তিৰ আগত হ্ৰস্ব স্বৰ দীৰ্ঘ হৈছে যদিও ই ক্ৰিয়া বিশেষণ হিচাপে ব্যৱহাৰ হোৱাৰ সময়ত হ্ৰস্ব স্বৰ অপৰিৱৰ্তিতভাৱে থাকিবও পাৰে। যেনে— অগগদো <অগ্ৰত জমমদো<জন্মত ।

সম্ভৱত পুত্তাদো পুত্ৰাৎ শব্দদ্বাৰা প্ৰভাৱান্বিত হৈছে।

(২) পুত্তে কৰ্ম বহুবচনত এই ৰূপপ্ৰাপ্তিৰ মূলতে সৰ্বনাম তুমহে ইমে আদিৰ সাদৃশ্য (Analogy)।

(৩) পুত্তেহি কৰণ বহুবচন<*পুত্ৰেভি (ঋগ্বেদত থকা দবে) (২৯)।

(৪) অপাদান বহুবচন—অমাগ ভিন্ন আন প্ৰাকৃততো খুব কমস থ্যক ৰূপহে পোৱা যায়। পুত্তেহি তো=কৰণ বহুবচন+তস ।

(৫) পুত্তমিম<*পুত্ৰস্মিন (সৰ্বনামৰ ৰূপ)।

৮৭ **ক্লীৱলিঙ্গ ফল**

পুত্ত শব্দৰ দৰে একে নিয়মে ৰূপ হব—কেৱল কৰ্তা কৰ্ম একবচন ফল কৰ্তা কৰ্ম বহুবচন ফলাই ।

৮৮ **ই-কাৰান্ত শব্দৰ ৰূপ**। সাধাৰণ।

পুংলিঙ্গ অগগি<অগ্নি জুই ।

একবচন	কৰ্তা	অগগী
	কৰ্ম	অগগি
	কৰণ	অগগিণা
	অপা	সাধাৰণতে ব্যৱহাৰ নহয়। (ভালেমান ৰূপ)
	সম্ব	অগগিণো বা মা অগগিসস
	অধি	অগগিমমি ।
বহুবচন	কৰ্তা	অগগীও বা অগগিণো (মা অগগিণো বা অগগী)
	কৰ্ম	অগগিণো
	কৰণ	অগীহি (মা অগগীহি)

অপা (ব্যৱহাৰ নহয়)
সম্ব অগ্গীণ (বা অগ্গীণ)
অধি অগ্গীসু( )

টীকা (১) সম্বন্ধ একবচন অগ্গিণো—স ংস্কৃত ক্লীবলিঙ্গ শব্দৰ দৰে ইন ভাগান্ত শব্দৰূপবপৰা আহৰিত অগ্গিসস সিদ্ধ হৈছে পুত্তস্স শব্দৰ সাদৃশ্য ৰ দ্বাৰা।

(২) অধিকৰণ একবচন অগ্গিম্মি—তুলনীয় পুত্তম্মি।

(৩) কৰ্ত্তা কৰ্ম বহুবচন অগ্গিণো ইন ভাগান্ত শব্দৰ সাদৃশ্য দ্বাৰা।
অগ্গীও—তুলনীয় ঈ কাৰান্ত স্ত্ৰীলিঙ্গ বহুবচন ঈও<ঈ অস।

(৪) বা অগ্গী—পুত্ত ৰূপৰ হোৱা পুত্তা ৰ সাদৃশ্য দ্বাৰা।

(৫) অগ্গীহি কৰণ বহুবচন। হি হি—বিভক্তিৰ পূৰ্বস্বৰ সদায় দীৰ্ঘ হয়। তুলনীয় পুত্তেহি। শব্দৰ এইবিলাক ৰূপত মাহাৰাষ্ট্ৰী আৰু অন্যান্য কো না কোনো উপভাষাৰ পদান্তস্থিত অনুস্বাৰ বিকল্পে লোপ পাইছে।

৮৯ **ক্লীবলিঙ্গ** দহী<দধি দৈ।

অগ্গী শব্দৰ দৰে একে নিয়মে ৰূপ হব—কেৱল কৰ্তা কৰ্ম একবচনত দহি বা দহি বহুবচনত দহীই।

৯ উ কাৰান্ত শব্দৰ ৰূপো প্ৰায় একে নিয়মে হব। যেনে—বাউ<বায়ু একবচন—কৰ্ত্তা বাউ কৰ্ম বাউ কৰণ বাউণা সম্ব বাউণো (বা বাউসস) অধি বাউম্মি। বহুবচন—কৰ্ত্তা বাউণো (ব' বাউ) কৰ্ম বাউণো কৰণ বাউহি( ) সম্ব বাউণ( ) অধি বাউসু( )।

ক্লীবলিঙ্গ মহু<মধু মৌ কৰ্তা কৰ্ম একবচন মহু( ) বহুবচন মহূই।

১১ **স্ত্ৰীলিঙ্গ শব্দৰ ৰূপ**

কৰণ সম্বন্ধ আৰু অধিকৰণ একবচনৰ ৰূপ একেৰকমৰ। আ কাৰান্ত ঈ কাৰান্ত বিশেষ্যৰ ৰূপ অবিকল একে।

একবচন	মালা	দেৱী	বহূ (বধূ)
কৰ্ত্তা	মালা	দেৱী	বহূ
কৰ্ম	মালং	দেৱিং	বহুং
অপা	মালাদো	দেৱিদো	বহূদো
	(বা মালাও)	(বা দেৱীও)	(বা বহূও)
কৰণ/সম্ব /অধি	মালাএ	দেৱীএ	বহূএ
সম্বো	মালে	দেৱি	বহু

বহুবচন

কৰ্তা কৰ্ম	মালাও মালা	দেবীও	বহুও
কৰণ	মালাহি( )	দেবীহি( )	বহূহি( )
অপা	মালাহি তো	দেবীহি তো	বহূহিংতো
সম্ব	মালাণ( )	দেবীণ( )	বহূণ(১)
অধি	মালাসু( )	দেবীসু( )	বহূসু( )

টীকা (১) অপাদান একবচন আদো—আও পুংলিঙ্গ শব্দৰূপৰ সাদৃশ্য বশাৱা। শো আএ।

(২) কৰণ সম্বন্ধ অধিকৰণ একবচন—আএ যজুৰ্বেদ আৰু ব্ৰাহ্মণত সম্বন্ধ আৰু অপাদানত ব্যৱহৃত স স্কৃত আয়ৈ ইয়াৰ মূল।

(৩) কৰ্তা বহুবচন আও—দেবীও শব্দৰ সাদৃশ্য বশাৱা। (ঈও<ই+অ)।

৯২ সাধাৰণ শব্দৰূপৰ বিভিন্ন ৰূপ অ কাৰান্ত শব্দ

(১) কৰ্তা একবচন মাগ অমাগ এ। মাগ পুলিশে অমাগ পুৰিশে <পুৰুষ। অপ কৰ্তা একবচন উ।

(২) অমাগ সম্প্ৰদান একবচনত আএ (স্ত্ৰীলিঙ্গ শব্দৰূপৰপৰা) দেবাএ <দেৱস্বায়।

(৩) মাগ অমাগ অপাদান একবচনত আও ছন্দ ৰক্ষাৰ্থে (for metricausa) আউ হয়। ৰণ ণাউ<অৰণ্যাৎ।

মা অমাগ তে আ (< আৎ) যুক্তৰূপো আছে। বসা<বশাৎ ঘৰা <গৃহাৎ।

মাহাৰাষ্ট্ৰীত অপাদান একবচনত হি বিভক্তি সদায় পোৱা যায় মূলাহি দূৰাহি। হি তো বেছি স থ্যক ঠাইত পোৱা নাযায় হিঅআহিংতো<হৃদয়াৎ।

এই ভাষাত তলত লিখা বৈশিষ্ট্যবোৰ লক্ষ্য কৰা যায়। ৰ>ল, অ-কাৰান্ত পুংলিঙ্গ আৰু ক্লীবলিঙ্গ শব্দৰ ৰূপত কৰ্ত্তাৰ একবচনত মাগধীৰ দৰে এ বিভক্তি হয়। আনহাতে স ৰক্ষিত হৈছে কিন্তু শ নাই (কালসীত শ ধ্বনিও আছে)। এই উপভাষাক মাগধী বোলা হয়। কিন্তু লুডাৰ্চে কয়—ই অৰ্দ্ধমাগধী। ইয়াৰ প্ৰকৃত নাম যিয়েই নহ'ক—অশোক আৰু তেওঁৰ ৰাজসভাৰ পণ্ডিতসকলে এই ভাষাতেই বাক্যালাপ কৰিছিল। পশ্চিম আৰু উত্তৰ অঞ্চলৰ শিলালিপিতো এই ৰাজ-দৰবাৰী ভাষাৰ প্ৰভাৱ পৰিছিল সেইবিলাক সম্পূৰ্ণৰূপে স্থানীয় কথ্য ভাষাত ৰচিত হোৱা নাছিল। এই প্ৰভাৱৰ কাৰণে সেই ভাষাত শব্দৰ যিবিলাক ৰূপ ব্যৱহৃত হৈছে সিবিলাকক সাধাৰণতে 'মাগধী প্ৰয়োগ' বোলা হয়।

গির্ণাবৰ শিলালিপিত পশ্চিমাঞ্চলৰ (ভাষাৰ) নিদৰ্শন পোৱা যায়। এই ভাষাত কৰ্তাৰ একবচনত ও ক্লীবলিঙ্গ অ' আৰু ৰ স ধ্বনিৰ প্ৰয়োগ পোৱা যায়। (মাগধী প্ৰয়োগ—প্ৰিয়ো>প্ৰিয়ে, জনো>জনে, মূল >মূলে ইত্যাদি)। এই ভাষাৰ কোনো কোনো লক্ষণে পালি ভাষাৰ কথা মনত পেলায় সেইবুলি পালিৰ লগত এই ভাষা অভিন্ন নহয়।

বহুতে অনুমান কৰে যে পশ্চিমী ভাষাৰ মাজেদি মৌৰ্য সাম্ৰাজ্যৰ এখন প্ৰধান প্ৰদেশৰ ৰাজধানী উজ্জয়িনীৰ কথ্যভাষাৰ কম বেছি পৰিমাণে নিদৰ্শন পোৱা যায়।

দক্ষিণ ভাৰতত আৱিষ্কৃত শিলালিপিসমূহৰ ভাষাৰ লগত পূৰ্বদেশতকৈ পশ্চিম দেশৰ ভাষাৰ সাদৃশ্যহে বেছি। অৱশ্যে এই ভাষাৰ নিজস্ব বৈশিষ্ট্যও কেইটামান আছে।

উত্তৰ পশ্চিমাঞ্চলৰ লিপিবোৰৰ লগত পূৰ্বাঞ্চল আৰু পশ্চিমাঞ্চলৰ লিপিৰ মাজত বহুখিনি প্ৰভেদ দেখা যায়। শাহ্‌বাজ গড়ীতকৈ মানসেহৰাত মাগধী প্ৰয়োগ বেছি। "উভয়তে ৰ স শ ধ্বনিৰ প্ৰয়োগ আছে। শাহ্‌বাজ গড়ীত কৰ্তাৰ একবচনত ও ক্লীবলিঙ্গত অ' প্ৰধান বিভক্তি। আকৌ মানসেহৰাত (অৰ্ধ) মাগধীৰ এ বিভক্তিৰ প্ৰতি বেছি পক্ষপাতিত্ব দেখা যায়। উভয়তে ৰ ধ্বনিৰ লগত আন বৰ্ণৰ যুক্তাৱস্থা প্ৰায়ে বৰ্ণবিপৰ্যয়ৰ মাজেদি দেখা যায়। পিয়দসি> প্ৰিয়দ্ৰসি ভূতপ্ৰৱ—গিৰ্ণাৰত ভূতপূৰ্বং—ধৌলিত হুতপুলৱা শাহ্‌বাজ গড়ীত ত্ৰয়ো—গিৰ্ণাৰত ত্ৰী, শাহ্‌বাজ গড়ীত ত্ৰ‍ুগো=মানসেহৰাত ত্ৰিগে—গিৰ্ণাৰত মগো—পূৰ্বদেশ ম্বিগে।

শেষোক্ত উদাহৰণটো পূৰ্বদেশ আৰু পশ্চিমদেশৰ মাজত থকা পাৰ্থক্যৰ আন এটা নিদৰ্শন। (৬)।

শাহ্‌বাজ গড়ীয়ে ক্ষৰিতৰ্ষিয় শব্দত থকা দৰে ক ৰাখিছে, কিন্তু গিৰ্ণাৰত ছমিতেৰ আৰু পূৰ্বদেশত খমিতেৰ। (৪)।

পশ্চিমা আৰু উত্তৰ পশ্চিমা দুয়োবিধ ভাষাতে ব্যৱহৃত সংযুক্ত ব্যঞ্জন যেনে প্ৰ (প্ৰিয় শব্দত) কোনো একালত সংস্কৃত প্ৰয়োগ বুলি ধৰা হৈছিল। এইবোৰ প্ৰাচীন ধ্বনিতত্ত্বৰ ভগ্নাৱশিষ্ট। উত্তৰ পশ্চিমৰ আধুনিক ভাষাত আজিও এনেকুৱা যুক্তব্যঞ্জনৰ প্ৰচলন আছে। যেনে, লহ্‌নডা—ত্ৰে (তিনি) তু সিন্ধী—ট্ৰণ।

উত্তৰ পশ্চিম দেশৰ শব্দৰ ৰূপসমূহৰ লগত আনবিলাকৰ তুলনা কৰা সময়ত মনত ৰখা উচিত যে খৰোষ্ঠী লিপিত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ মাজত কোনো পাৰ্থক্য নাই।

এইটোৱো মনত ৰখা দৰ্কাৰ যে অশোকৰ শিলালিপিৰ খৰোষ্ঠী নাইবা ব্ৰাহ্মী কোনোবিধ লিপিতেই যুক্তব্যঞ্জন ব্যৱহৃত হোৱা নাই। সেয়ে 'চক্ৰবাকে'ৰ ঠাইত চকবাকে 'চক্‌খুদানে ৰ ঠাইত চখুদানে পোৱা যায়।

বৰ্ত্তমান কলিকতাত সংৰক্ষিতাৱস্থাত থকা বৈৰাট ভাব বা শিলালিপিত ধৰ্মগ্ৰন্থৰ পৰা উদ্ধৃত অশোকৰ প্ৰিয় কিছুমান অংশ পোৱা যায়। এই শিলালিপিৰ ভাষাৰ বিষয়ে বহল আলোচনা হৈ গৈছে। পালিৰ 'ৰাহুল ব ঠাইত 'ৰাহুল' আৰু 'অধিগিচ্য' (<অধিকৃত্য)—এইবিলাক শব্দৰ সমানৰূপ শিলালিপিত পোৱা যায়। এইবোৰ বৌদ্ধধৰ্মৰ পুথিতকৈ প্ৰাচীনতৰ ভাষাৰ নিদৰ্শন বুলি বিবেচিত হয়। এই ভাষাত সকলো ঠাইতে একক ৰ ল বৰ্ণত পৰিণত হৈছে যেনেকুৱাত হুল্ট্‌চ (Hultzsch) পঠিত প্ৰিয়দৰ্শি সৰ্বে প্ৰসাদে আৰু অভিপ্ৰেতং ৰূপবিলাক অদ্ভুত যেন লাগে। এই কথা মানি লোৱাই মঙ্গলজনক যে শিলত খোদিত এই যুক্তবৰ্ণত সক সক সকলো ৰেখাকেই ৰ বুলি ধৰি লোৱা হয়। সেইবিলাক সকলো ঠাইতেই খুব স্পষ্টও নহয়। সেয়ে অনুমান কৰিব পাৰি যে শিলৰ অসমতা ভিন্ন এইবোৰ আন একো নহয়।

অশোকৰ অনুশাসনৰ উপভাষাবোৰৰ শ্ৰেণীবিভাগ পৰৱৰ্ত্তী প্ৰাকৃতৰ শ্ৰেণীবিভাগৰ লগত নিমিলে। সি একো আচৰিত কথা নহয়। সাহিত্যিক সংস্কৃতিৰ কেন্দ্ৰ সমূহে ক্ৰমবিকাশৰ ধাৰাটোক ৰক্ষা নকৰিলে কেইটামান শতাব্দীৰ পিছত সাধাৰণ প্ৰয়োজনৰ কাৰণে ব্যৱহাৰ কৰা ভাষাবোৰৰ শ্ৰেণীবিভাগত পাৰ্থক্য থকা স্বাভাৱিক। নাটকত ব্যৱহৃত প্ৰাকৃতবিলাকৰ মাজত পঞ্জাব আৰু উত্তৰ পশ্চিম অঞ্চলৰ ভাষা বুলিবলৈ একোৱেই নাই। (এইবোৰ দেশৰ ভাষা বুলি) পৈশাচী প্ৰাকৃতৰ বিষয়ে যি দাবী কৰা হয় সেই কথা আগতে উল্লেখ কৰা হৈছে। উত্তৰ দেশৰ বৌদ্ধসকলৰ মাজত প্ৰচলিত হোৱা আন এবিধ প্ৰাকৃতৰ নিদৰ্শনো পোৱা যায়। খৰোষ্ঠী লিপিত ৰচিত দুত্ৰেউইল দে ৰিনচ নামৰ ধৰ্মপদ গ্ৰন্থৰ কিছু অংশ খোটানৰ ওপৰত পোৱা যায়। ইয়াৰ মাজত এনেকুৱা কিছুমান ভাষাগত বৈশিষ্ট্য দেখা যায় যিবোৰ উত্তৰ পশ্চিম দেশৰ আধুনিক ভাষাতো পোৱা যায়। [Journal Asiatique (Senart) 1898 pp 193 (J Bloch) 1912, pp 331]।

পালি পালিৰ মূল অৰ্থ চাৰিসীমা সীমা বা ৰেখা'। হীনয়ানী বৌদ্ধ শাস্ত্ৰগ্ৰন্থৰ কথা বুজাবলৈকে পালি শব্দৰ প্ৰয়োগ হৈছিল। সেই কাৰণে ইয়াক ধৰ্মগ্ৰন্থৰ ভাষা বুলি কোৱা হয়। আন শাস্ত্ৰবহিৰ্ভূত পুথিতো এই ভাষা পোৱা যায়। সি হল ব্ৰহ্মদেশ আৰু শ্যামদেশত ধৰ্মপ্ৰচাৰকৰ বিবোৰ বিহাৰ আছিল সেইবোৰতেই এইবিলাক সংৰক্ষিত হৈছে। আকৌ পালি বুলিলে কেতিয়াবা কেতিয়াবা তলত লিখাবোৰকো সূচায় —(ক) অশোকৰ শিলালিপিৰ (ভাষা), ইয়াৰ মাজত তিনি চাৰি বিধ বিশিষ্ট উপভাষাৰ নিদৰ্শন থাকিলেও, (খ) অশোক সাম্ৰাজ্যৰ আদালত দৰবাৰৰ ভাষা মধ্যযুগৰ বহুবিস্তৃত ভাৰতীয় ভাষাৰ এটা ৰূপ

আৰু (গ) শিলালেখৰ পাচত লিখা প্ৰাকৃত—যেতিয়ালৈকে সংস্কৃতে প্ৰাকৃতৰ (পালিৰ) ঠাই অধিকাৰ কৰা নাছিল তেতিয়ালৈকে সকলোবোৰ শিলালিপিৰ ভাষা ইয়াৰ অন্তৰ্গত। বৌদ্ধ গ্ৰন্থৰ পালি ভাষা এটা স্বতন্ত্ৰ শিক্ষণীয় বিষয় হিচাপে পৰিগণিত—ব্ৰহ্মদেশৰ বৌদ্ধবিলাকৰ কাৰণে ই সংস্কৃত ভাষাৰ অনুৰূপ। ভাৰতবৰ্ষত ইয়াৰ অধ্যয়ন চৰ্চা বৰ বেছি বকমে হোৱা নাছিল। তথাপি (ক) ভাৰতীয় ভাষাৰ ইতিহাস আৰু (খ) প্ৰাচীন প্ৰাকৃত শিলালিপিৰ পাঠ চৰ্চাৰ কাৰণে পালি ভাষাৰ চৰ্চা বা গৱেষণাৰ আৱশ্যকতা যথেষ্ট।

পৰিমাৰ্জিত বা কচিসন্মত পালি ভাষা অধ্যয়নৰ সাহায্যাৰ্থে ভালেমান পালি ব্যাকৰণ সাহিত্য পাঠ মূলগ্ৰন্থ আৰু অনুবাদ পোৱা যায়। সেই কাৰণে ইয়াত অতি সাধাৰণ ধাপৰ এটা বৰ্ণনাৰ সমাবেশ কৰিলেই যথেষ্ট হব।

পালিৰ বিশেষত্ব অৰ্দ্ধমাগধীতকৈ পালিয়ে প্ৰাচীন ব্যাকৰণগত পদ্ধতি অৰ্থাৎ ৰীতি-নিয়ম বহু বেছি ৰকমে সংৰক্ষণ কৰিছে। আত্মনেপদৰ অধিকতৰ ব্যৱহাৰ লুঙ বিশেষকৈ স যুক্ত (s aorist) প্ৰচুৰ পৰিমাণে পোৱা যায়। (লুঙ আৰু লঙ একেটা ৰূপত মিলি গৈছে)। লিট্ খুব কমেইহে ব্যৱহৃত হয়—কিন্তু পোৱা যায়। প্ৰাচীন ধাতুৰূপৰ গণবিলাক অধিকতৰ পৰিমাণে পোৱা যায়। যেনে—

সুণোতি – শৌ সুণাদি
কৰোতি (আত্মনেপদ কুৰ বতে) – শৌ কৰেদি
দদাতি (আৰু দেতি) – শৌ দেদি।

ধ্বনিতত্ত্বত বিশেষ মন কৰিব লগীয়া লক্ষণবোৰ হ'ল —উষ্মবৰ্ণৰ মাজত কেৱল স ৰক্ষিত ৰ ৰক্ষিত, কেতিয়াবা কেতিয়াবা ৰ>ল কিন্তু মাগধীৰ দৰে সদায় নহয়, ন কেতিয়াবাহে মূৰ্দ্ধণ্য নহয়। স্বৰ মধ্যৱৰ্তী ব্যঞ্জন সাধাৰণতে অটুট থাকে আৰু অঘোষ ব্যঞ্জনবৰ্ণ বিশেষ বিশেষ ক্ষেত্ৰতহে কেতিয়াবা ঘোষ ব্যঞ্জনলৈ পৰিবৰ্তিত হয়। যেনে—ভৱতি বা হোতি কথেতি পুচ্ছতি, গচ্ছতি ইত্যাদি। মতো<মৃত কতো<কৃত।

কিছুমান শব্দত ত্ৰ ব্ৰ জাতীয় যুক্তব্যঞ্জন ৰক্ষিত হৈছে।

স্বৰভক্তি সুলভ। আৰ্য>অয্য বা অৰিয়।

এইবিলাক উদাহৰণৰপৰা বুজিব পাৰি যে পালি অশোকীয় (Asokan) উপভাষাত বাহিৰে উল্লিখিত আন সকলোবোৰ প্ৰাকৃততকৈ প্ৰাচীন।

পালিৰ ভৌগোলিক অৱস্থিতি সম্পৰ্কে মতভেদ আছে। ঐতিহ্য তথা ইতিহাস মতে বুদ্ধৰ উপদেশ বাণী আদি মাগধীত প্ৰচাৰিত হৈছিল যেন লাগে। দক্ষিণ দেশীয়

বৌদ্ধসকলে স্বাভাৱিকতে ধৰি লৈছিল যে এইবিলাক ধৰ্মগ্ৰন্থৰ ভাষা বুদ্ধৰ নিজৰ ভাষা। সেয়ে পালি ভাষা মাগধীয়েই হোৱা উচিত কিন্তু প্ৰকৃতপক্ষে সি নহয়—কৰ্তাৰ একবচনত ও' আৰু ৰ ন' ত'ৰ প্ৰয়োগে সেই কথাকেই সাক্ষ্য দিয়ে। কিছুমানে ইয়াক উজ্জয়িনীৰ ভাষা বুলি ধৰি লয় যোজে তাৰপৰাই অশোকৰ পুত্ৰেক মহিন্দই শাস্ত্ৰগ্ৰন্থ কিছুমান সিংহললৈ নিয়ে। আন কিছুমানৰ মতে পালি কলিঙ্গ দেশৰ আৰ্যভাষা।

আন এটা সিদ্ধান্ত মতে পৈশাচীৰ লগত পালিৰ কিছুমান বিষয়ত সাদৃশ্য (যেনে—ঘোষ ব্যঞ্জনৰ অঘোষীকৰণ) লৈ চাই পালিক বিন্ধ্য অঞ্চলৰ ভাষা বুলি কোৱা হয়। আকৌ একেবিলাক সাদৃশ্যৰ কাৰণে আন কিছুমানে ইয়াক তক্ষশীলাৰ ভাষা বুলিও কব খোজে। মাগধীৰ ঐতিহ্যৰ প্ৰতি লক্ষ্য ৰাখি গেইগাৰে মন্তব্য দিয়ে যে পালি এক প্ৰকাৰ অৰ্ধমাগধীৰপৰাই উদ্ভূত হোৱা ভাষা পালি কোনো স্থান বিশেষৰ অবিমিশ্ৰিত ভাষা নহয়।

যদি পালি শাস্ত্ৰবিলাক প্ৰাচীনতম সাহিত্যিক নিদৰ্শন নহয় তেনেহলে ঐতিহ্যৰ সহায়ত যিবিলাক যুক্তি দৰ্শোৱা হৈছে সেই সকলোবিলাক অসাৰ হৈ পৰিব। বুদ্ধৰ বাণী আৰু তাৰ সৰ্ব প্ৰাচীন ৰূপসমূহ পূৰ্বদেশীয় ভাষাত যে লিখিত হৈছিল সেই বিষয়ত লেশমানো সন্দেহ নাই। তাৰ পাছতহে এইবিলাক আন আন উপভাষাত অনূদিত হৈছিল আৰু সেইবিলাকৰে এটা নতুন ৰূপান্তৰ হ'ল এই পালিশাস্ত্ৰসমূহ। ড° এচ কে চেটাৰ্জিয়ে কয় যে ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বিচাৰ বিশ্লেষণৰপৰা পালিক মধ্যদেশীয় পশ্চিমা উপভাষা (শৌৰসেনীৰ প্ৰাচীন ৰূপ) বোলা যাব পাৰে তদুপৰি ইয়াৰ মাজত মূল ভাষাৰো ভালেমান ভগ্নাৱশিষ্ট ৰক্ষিত হৈছে। মৌৰ্য সাম্ৰাজ্যৰ পতনৰ লগে লগে পূৰ্বদেশীয় ৰাজদৰবাৰৰ ভাষাৰ (অৰ্ধমাগধী) ব্যাপক প্ৰচলনো বহু পৰিমাণে হ্ৰাস পাই আহিছে। সাধাৰণতে ধাৰণা ওপজে—ইয়াৰ পাছতেই পালিৰ নিচিনা এটা পশ্চিমাৰ্যমিশ্ৰিত ভাষা (Western lingua franca) বিভিন্ন অঞ্চলত প্ৰচলিত হৈছিল, সেই ভাষাৰ নিদৰ্শন পোৱা যায় খাৰৱেল শিলালিপিত।

এই সম্পৰ্কে প্ৰকৃত সত্য যিয়েই নহ'ক সুন্দৰভাৱে বুজা যায় যে পালিৰ গঠনত ভালেমান বিভিন্ন ভাষাৰ প্ৰভাৱ অৰ্থাৎ ছাপ পৰিছে আৰু কালক্ৰমে এই ভাষাৰ পৰিৱৰ্তনো ঘটিছে। প্ৰাচীনতম ৰূপ পোৱা যায় গাথাসমূহত, তাৰ পাছৰ নিদৰ্শন ধৰ্ম-গ্ৰন্থৰ গদ্যাংশ তাৰ পাছত শাস্ত্ৰবহিৰ্ভূত সাহিত্য আৰু সৰ্বশেষৰ নিদৰ্শন হ'ল এই ভাষাৰ পৰৱৰ্তী স্তৰসমূহ। পালিৰ ক্ৰমবিকাশ সংস্কৃতৰদ্বাৰা বহুলাংশে প্ৰভাৱান্বিত।

অশোকৰ পৰৱৰ্তী প্ৰাকৃত শিলালিপি বিলাকৰ অধিক সংখ্যকেই ইয়াৰ স ফিঙ

যে লিপিমালাকৰ উপভাষাবোৰৰ সুনিশ্চিত শ্ৰেণীবিভাগ কৰা সম্ভৱ নহয়। হাথীগুম্ফা গুহাৰ প্ৰৱেশ পথ খৃ পূ দ্বিতীয় শতিকাৰ বুলি উল্লিখিত খাৰবেলৰ শিলালিপিৰ ভাষাৰ অশোকীয় শিলালিপিৰ পূৰ্বদেশীয় উপভাষাতকৈ পশ্চিমদেশীয় আৰু দক্ষিণদেশীয় ভাষাৰ লগতহে বেছি পৰিমাণে সাদৃশ্য পৰিলক্ষিত হয়। তাৰেমান বিষয়ত পালিৰ লগত ইয়াৰ সাদৃশ্য লক্ষ্য কৰা যায়, আকৌ কিছুমান বিষয়ত পাৰ্থক্যও দেখা যায়।

ৰামগড় পাহাৰত জোগীমাৰা গুহাৰ এখন শিলালিপিত মাগধীৰ এটা প্ৰাচীন ৰূপ সংৰক্ষিত হোৱা বুলি অনুমান হয়।

অশ্বঘোষ• মধ্য এচিয়াত তাল পাতত (Palm leaf) লিখিত পাণ্ডুলিপিৰ কেইটামান ছিৰা টুকুৰা লুডাৰ্চে জোৰা লগাইছিল তাৰ ভবিষ্যতে দুখন বৌদ্ধ নাটকৰ কিছু কিছু অংশই বিদ্বৎ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিছে। এখনত বিশেষকৈ উদ্ধাবিত অংশত কেৱল সংস্কৃত ভাষাহে ব্যৱহৃত হৈছে। আন এখন নাটক যিখনৰ ৰচক হিচাপে কণিষ্কৰ ৰাজত্ব কালৰ প্ৰখ্যাতনামা বৌদ্ধ সাহিত্যিক অশ্বঘোষৰ নাম উল্লেখ কৰা হয় তাত একাধিক প্ৰাকৃতৰ ব্যৱহাৰ দেখা যায়। ইয়াত দুষ্ট প্ৰকৃতিৰ লোকে এবিধ প্ৰাকৃত কৈছে য ত স>শ ৰ>ল কৰ্তাৰ একবচনত ও>এ হৈছে। কোনো কোনো বিষয়ত এই প্ৰাকৃত বৈয়াকৰণৰ নাটকীয় মাগধীত কৈয়ো অধিকতৰ প্ৰাচীন হগে>অহক কীশ>কিশ শ। লুডাৰ্চে ইয়াক প্ৰাচীন মাগধীৰ শ্ৰেণীভুক্ত কৰিছে। এই নাটকত আন এটা চৰিত্ৰৰ ভাষাৰ লগত শিলাস্তম্ভৰ লিপিৰ উপভাষাৰ বিশেষ সাদৃশ্য দেখা যায় তাক অৰ্ধমাগধীৰে এটা প্ৰাচীন ৰূপ বুলি অনুমান কৰা হয়। বিদূষক আৰু গণিকাৰ ভাষাক প্ৰাচীন শৌৰসেনী বুলি ধৰি লোৱা হয়। এই উপভাষাত স্বৰ মধ্যৱৰ্তী ব্যঞ্জন ৰক্ষিত হৈছে, ন ৰ মূৰ্ধন্যকৰণ হোৱা নাই আৰু য ধ্বনি জ লৈ ৰূপান্তৰিত হোৱা নাই।

একালে অশ্বঘোষ আৰু আনকালে কালিদাস ভৱভূতি আদি—মোটামুটিভাৱে ইহঁতৰ মধ্যৱৰ্তী কালৰ এক প্ৰকাৰ প্ৰাকৃতক কিছুমান পণ্ডিতে সাহিত্যত স্থান দিছে। আবিষ্কাৰকৰ্ত্তাৰ ভাসৰ নামত আৰোপিত ত্ৰিবেন্দ্ৰম নাট্যাৱলীত এই প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়। প্ৰথম দৃষ্টিত এনেকুৱা ধাৰণা হ'ব পাৰে যে এইবোৰ নাটকৰ ভাষা অশ্বঘোষে ব্যৱহাৰ কৰা প্ৰাকৃতৰ পৰৱৰ্তী স্তৰৰ আৰু গুপ্তযুগৰ কবিসকলে ব্যৱহাৰ কৰা প্ৰাকৃততকৈ প্ৰাচীন। ভাসৰ সময় যদি খৃষ্টীয় দ্বিতীয় বা তৃতীয় শতিকা বুলি ধৰা হয় আৰু এইবোৰ নাটক যদি ভাসৰদ্বাৰা প্ৰণীত বুলি ধৰা হয় তেতিয়া হলে কিছুমান কথা সুন্দৰভাৱে মিলি যায়।

দুৰ্ভাগ্যবশত এইবোৰ নাটক যে ভাসৰদ্বাৰা প্ৰণীত সেই কথা আমি নাজানো। দক্ষিণ ভাৰতীয় পুথিৰপৰা আমি এই নাটকবিলাকৰ পৰিচয় পাওঁ—অথচ সপ্তম শতিকা

বা তাৰ পিছৰ কালত ৰচিত নাটকৰ ভাষাৰ লগত দক্ষিণ ভাৰতীয় পুথিৰ ভাষাৰ এইবিলাক লক্ষণত সাদৃশ্য বিচাৰি পোৱা যায়।

দক্ষিণ ভাৰতীয় প্ৰাকৃতৰ পৰম্পৰাগত বানানতকৈ উত্তৰ ভাৰতীয় বানান প্ৰাচীন। দক্ষিণত প্ৰচলিত ভাষা দ্ৰাবিড় সেয়ে তাত প্ৰচলিত প্ৰাকৃতৰ উচ্চাৰণ উত্তৰতকৈ কম পৰিৱৰ্ত্তনাধীন।

প্ৰাকৃত ইতিহাসত দক্ষিণদেশীয় পুথিৰ প্ৰাচীন ৰূপবোৰ প্ৰয়োজনীয়, কিন্তু আজিও এনেকুৱা কোনো চূড়ান্ত প্ৰমাণ পোৱা নাই—যিবোৰৰদ্বাৰা এই প্ৰাকৃতক বিশেষভাৱে ভাসৰ লগত নাইবা খৃষ্টীয় দ্বিতীয় শতিকাৰ লগত সাঙুৰিব পাৰি। অৱশ্যে কালিদাস আদিৰ নাটক আৰু প্ৰাকৃত ব্যাকৰণৰ পূৰ্ববৰ্ত্তী কালৰপৰা যে এই ভাষা প্ৰচলিত হৈ আহিছে সেই বিষয়ত সন্দেহ নাই।

ত্ৰিবেন্দ্ৰম নাটকসমূহত শৌৰসেনী আৰু মাগধী পোৱা যায়। কৰ্ণভাৰ নাটকত ইন্দ্ৰ আৰু দুজন যোদ্ধাই যি ভাষাত বাক্যালাপ কৰিছে তাৰ লগত অৰ্দ্ধমাগধীৰ সাদৃশ্য পোৱা যায়।

এই শৌৰসেনীৰ প্ৰধান বিশেষত্ববিলাক এয়ে ল>ল (ḷ) জ্ঞ>ঞ ঞ, ণ ণ, ন্ন>ণ ণ।

	ত্ৰিবেন্দ্ৰম	সাধাৰণ প্ৰাকৃত
	উজ্জ>উঝ পালিৰ দৰে	উজ জ
	র্য >য্য পালিৰ দৰে (অশ্বঘোষ)	জ জ
কৰ্ম বহু পুং	আণি তুলনীয় প্ৰাচীন অৰ্দ্ধমাগধী	এ
কৰ্ত্তা কৰ্ম বহু ক্লীব	আণি (পালি আনি)	আই
অধি এক স্ত্ৰী	আৰ তুলনীয় পালি আয় ( )	আএ
	তব (অশ্বঘোষ)	তুহ
	কিস্স পালি কিস্স (অশ্বঘোষ মাগ কিশ শ্)	কীস
	গণ হদি তুলনীয় পালি গন্ত্বাহি, গেণ হদি	

বৰ্ত্তমান কালবাচক কৃদন্ত

কৰ্মবাচ্য তুৱাণ, তুলনীয় -ইয়মান (মাত্ৰ এঠাইত) -ঈঅন্ত

কত্তুং কত্তুক আৰু কাত্তুং কাদব

অসমাপিকা (Gerund) কৰিঅ কদুঅ

গচ্ছিঅ গদুঅ

অৰ্বাচীন বা শেষ প্ৰাকৃত : অপভ্ৰংশ : (দ্ৰষ্টব্য—২য় অধ্যায়) ভাষাতত্ত্বৰ ছাত্ৰ ছাত্ৰীৰ কাৰণে অপভ্ৰংশ ৰূপৰ প্ৰধান প্ৰধান বিশেষত্বসমূহ লক্ষ্য কৰা নিতান্ত প্ৰয়োজনীয়। প্ৰাচীন প্ৰাকৃতত যিবোৰ ধ্বনিগত পৰিবৰ্তনসমূহ নাটকীয় প্ৰাকৃতৰ দৰে তিমান দূৰলৈ ঠেলি নিয়া হোৱা নাই সেইদৰে অৰ্বাচীন প্ৰাকৃতত এইবিলাক স্বাভাৱিকতে আৰু দূৰলৈ ঠেলি নিয়া হৈছে। কোনো অপভ্ৰংশ পুথিত প্ৰাচীন ৰূপ ব্যৱহৃত হোৱা দেখিলে বুজিব লাগিব যে গ্ৰন্থকাৰে কোনো সাহিত্যিক উদ্দেশ্যেৰে এই সাধাৰণ প্ৰাকৃত শব্দবোৰ ব্যৱহাৰ কৰিছে নাইবা কেতিয়াবা দেখা যায় ক্ৰমপৰিবৰ্তনধাৰাৰ বাহিৰৰ যিবিলাক প্ৰাচীন ৰূপ স্থানীয় উপভাষাত তেতিয়াও প্ৰচলিত হৈয়ে আছিল তাৰপৰাই এইবিলাক আহৰিত হৈছিল। বহিঃচক্ৰৰ কিছুমান উপভাষাৰ ভালেমান প্ৰাচীন ৰূপ সংৰক্ষিত কৰা দেখা যায়।

তলত উল্লেখ কৰা শব্দৰূপ আৰু ধাতুৰূপৰ বৰ্ণনাত (হেমচন্দ্ৰৰ বৰ্ণনাৰ অৱলম্বনত) কেৱল অপভ্ৰংশৰ ৰূপবিলাকহে বিশেষভাৱে দেখুৱা হৈছে, প্ৰাকৃতৰ লগত অভিন্ন ৰূপসমূহ ইয়াত উল্লেখ কৰা নাই।

শব্দৰূপ

একবচন	কৰ্তা কৰ্ম	পুত্ত (ক্লীব কমলু)	
	কৰণ	পুত্তে	
	অপা	পুত্তহেঁ	পুত্তহু
	সম্বন্ধ	পুত্তস্সু	পুত্তহো (puttahõ), পুত্তহ
	অধি	পুত্তি	পুত্তহি
বহুবচন	কৰ্তা কৰ্ম	পুত্ত (ক্লীব কমলাইঁ)	
	কৰণ	পুত্তহিঁ( )	
	অপা	পুত্তহু	
	সম্বন্ধ	পুত্তহঁ	
	অধি	পুত্তহি	

কৰ্তাত বাহিৰে আন কাৰকৰ ৰূপবোৰৰ তুলনা কৰিলে সুন্দৰভাৱে দেখা যায় যে পদান্তস্থিত স্বৰবোৰ অস্পষ্টভাৱে উচ্চাৰণ কৰিলেই একবচনত সকলো বিভক্তিৰ ৰূপ একে ধৰণৰ হৈ পৰে আৰু বহুবচনতো সকলোবোৰ ৰূপেই সানুনাসিক হৈ অভিন্নতা লাভ কৰে অৰ্থাৎ একে হৈ পৰে। (দ্ৰষ্টব্য—বীবচ ২য় খণ্ড, §৪২)। অপভ্ৰংশৰ কৰ্তাৰ একবচনৰ উ পিছৰ ভাষাত অতি হ্ৰস্ব 'উ' ৰূপে পোৱা যায়।

সম্বন্ধত একবচনৰ স যুক্ত ৰূপ অপভ্ৰংশতো ৰৈ গৈছে। হিন্দী সৰ্বনামৰ

শব্দৰূপত এই স-ৰেই ভিস বা হিস বা আদিত আত্মপ্ৰকাশ কৰিছে। য়ুৰোপীয় জিপচীসকলৰ ৰোমনী (Romani) ভাষাতো ইয়াৰ প্ৰচলন আছে। যেনে— চোৰেস কেৰো (cores kero) 'চোৰৰ'। কাশ্মীৰীত এই স যুক্ত এটা তিৰ্যক ৰূপ আছে—ৎসুৰস নিশ (tsuras nish) চোৰৰ কাৰণে গুৰস নিশ (guras nish) ঘোঁৰাৰ কাৰণে'—ই সম্প্ৰদান কাৰকত ব্যৱহৃত হয়। মাৰাঠীতো এই 'স সম্প্ৰদান অৰ্থত ব্যৱহৃত হয়।

ধাতুৰূপ

	একবচন	বহুবচন
১ম পু	পুচ্ছউ	পুচ্ছহু
২য় পু	পুচ্ছসি বা পুচ্ছহি	পুচ্ছহু
৩য় পু	পুচ্ছই	পুচ্ছহি

এইবিলাক ৰূপ প্ৰাচীন হিন্দী ভাষাৰ খুব সমীপৱৰ্তী আৰু আধুনিক হিন্দীৰ ৰূপ পুছু পুছে পুছো পুছে আদিৰপৰাও বেছি দূৰৱৰ্তী নহয়।

অপভ্ৰংশত বৰ্ণ পৰিৱৰ্তনৰ মূল কথাবোৰ এনেকুৱা —'উ'ৰ পূৰ্বস্থিত ৱ-ধ্বনিৰ লোপ আহউ<আহৱ সহাউ<স্বভাৱ। উ আৰু অ স্বৰৰ পূৰ্বস্থিত ম ধ্বনিৰ লোপ জউণা<যমুনা ভউহা (ভ্ৰূ অৰ্থত)<ভমুহা। দুগ গউ (আৰু দুগ গমু)<দুৰ্গম।

পদান্ত ই আৰু উ স্বৰৰ নাসিক্যভবন ৩য় পু এক সুণই ভণই; ২য় পু এক ৰমহি, কৰ্তা এক ভণিউ ভমিউ।

স্বৰমধ্যস্থিত ম>ৱঁ/ৱ (ব—ও লিখা হয়) কুৱঁৰ<কুমৰ ভৱণ<ভ্ৰমণ, সৱণ<শ্ৰমণ পৱাণ<প্ৰমাণ।

স্বৰৰ হ্ৰস্বতা লাভ বাণিজ্জ<বাণিজ্য কৰণ<কাৰণ নিয়<নীত পিয়<পীত।

সংকোচন অন্ধাৰ<অন্ধকাৰ, ভণ্ডাৰ<ভাণ্ডাগাৰ উণহাল<উষ্ণকাল পিয়াৰ<*পিয়ৱৰ<প্ৰিয়তৰ।

বিকল্পত অৰ্থাৎ যুক্ত ব্যঞ্জনৰ হ্ৰস্বীকৰণ (আৰু স্বৰৰ দীৰ্ঘীকৰণ) সহাস<সহস্স<সহস্ৰ ভৱিস<ভৱিস্স<ভৱিষ্য।

বিশেষ্য প্ৰাতিপদিক অ, (অ)ড উঅ যুক্ত হৈ প্ৰায় বিস্তাৰ লাভ কৰে। এইবিলাক প্ৰত্যয় প্ৰাচীন প্ৰাকৃতত সুলভ হলেও সদায় ব্যৱহৃত নহৈছিল। যেনে—

প্ৰাকৃতত মৎ ৰৎ অৰ্থত বা তৎ সম্বন্ধীয়' অৰ্থত আল আলু, ইল, উল প্ৰত্যয় পোৱা যায়।

উদাহৰণ ঃ—

আল মা সিহাল<শিখাৰৎ অমাগ সদ্দাল<শব্দৱৎ ধণাল<ধনৱৎ আল+ক অমাগ মহালয়<মহৎ।

আলু পিদ্দালু<নিদ্ৰালু (এইটো প্ৰত্যয় সংস্কৃততো পোৱা যায়)।

ইল (মা জৈমা অমাগ প্ৰচলিত) মা কেসৰিল কন্দলিল তুলিল পেউৰিল অমাগ নিয়ডিল<নিকৃতিমৎ মাইল<মায়াৱিন ভাইলগ<ভাগিন গোইল<গোমৎ কণইল ভাটৌ<দেশী কণ বাহিৰিল বাহ্যিক মা অমাগ গামিল কৃষক অমাগ জৈমা পূৰ বিল পূৰ্ৱৰ।

উল প্ৰাকৃতত কেতিয়াবাহে পোৱা যায় দপ পুল<দৰ্পিন। বিশেষণৰ অন্যান্য প্ৰত্যয়বিলাক

অল (অল ঠাইত) আৰু ইৰ মা অমাগ মহল<মহৎ নৱল<নৱ ভমিৰ 'ভ্ৰাম্যমান লম্বিৰ লম্বমান হসিৰ হাস্যময়।

অৰ্থ পৰিবৰ্তন ব্যতীত ক আৰু ড (সংস্কৃত ট) দেশডঅ—দেশ, দোসড—দোষ বৰ্ণ শডঅ—অৰণ্য। এই দুয়োটা প্ৰত্যয় অপভ্ৰংশত প্ৰচুৰ।

সাধাৰণভাৱে এইবুলি কব পাৰি যে আধুনিক ভাষাসমূহৰ শব্দৰ ব্যুৎপত্তি আৰু সিহঁতৰ ধ্বনিতত্ত্বৰ তুলনামূলক অধ্যয়নৰ কাৰণে অপভ্ৰংশ ৰূপবিলাকক (যিমান দূৰলৈকে সন্ধান পোৱা যায়) আদি ৰূপ তথা প্ৰাথমিক হিচাপে লোৱাহে উচিত।[১] হিন্দী শব্দৰ প্ৰথম শব্দৰ ব্যুৎপত্তিৰ কাৰণে প্ৰথম" বা পঢ়মো শব্দৰপৰা আৰম্ভ নকৰি অপভ্ৰংশ পহিলউ ৰপৰা আৰম্ভ কৰাহে যুগুত।

প্ৰাচীনতৰ ব্যাকৰণকাৰসকলৰ মতে অপভ্ৰংশ অৰ্থাৎ সাহিত্যিক অপভ্ৰংশ তিনি প্ৰকাৰ ব্ৰাচট নাগৰ আৰু উপনাগৰ। মেকোৰীয়ে ব্ৰাচট বা ব্ৰাচড়-কেই প্ৰাচীনতম ৰূপে দেখুৱাইছে।[২] সপ্তম শতিকাৰ ব্যাকৰণকাৰসকলৰ মতে ই সিন্ধু অঞ্চলৰ ভাষা। ইয়াকেই আভীৰ (বৰ্তমান কালৰ অহীৰ) সকলৰ আভীৰী ভাষা যেন লাগে। মেকোৰীয়ে ব্ৰাচট নামটো ব্ৰজ পশুপালকৰ জিৰণিস্থান শব্দৰ বুলি কয় আৰু হিন্দী সাহিত্যিক ভাষা ব্ৰজভাষাৰ নামৰ লগত ইয়াৰ সাদৃশ্যৰ তুলনা কৰিছে। এই অপভ্ৰংশৰ প্ৰধান বিশেষত্ব ব্যঞ্জনবৰ্ণৰ পৰৱৰ্তী ৰ সংৰক্ষণ বা ব্যঞ্জনৰ পাছত ৰ যুক্ত কৰণ আৰু -ঋ সংৰক্ষণ।

---

১ দ্ৰষ্টব্য—শ্ৰী গহণ ভাৰতীয় আৰ্যভাষাসমূহৰ ধ্বনিতত্ত্ব।

২ দ্ৰষ্টব্য—ভবিসত্তকহা প্ৰস্তাৱনিকা।

নাগৰ (নাগৰিক) ইতৰজন অৰ্থাৎ অধিকতৰ অসভ্য পশুপালকৰ ভাষা আৰু কম উন্নত উপনাগৰ আৰু গ্ৰাম্য ভাষাতকৈ নাগৰ অপভ্ৰংশক অধিক মাৰ্জিত আৰু সংস্কাৰপ্ৰাপ্ত মাধ্যম বুলি ধৰি লব পাৰি। হেমচন্দ্ৰই উদাহৰণ সহ এই অপভ্ৰংশৰেই বৰ্ণনা দি গৈছে। য়েকোবীয়ে হেমচন্দ্ৰৰ নাগৰ অপভ্ৰংশতকৈ কিছু পৃথক প্ৰকাৰৰ বৰ্ণনা দিছে ইয়াৰপৰাই। গুৰ্জৰৰ ৰাজধানী অণহিল্ল পাটকত ১১৫৯ খৃষ্টাব্দত ৰচিত হৰিভদ্ৰৰ নেমিণাহচৰিউ পুথিত ইয়াৰে এবিধৰ ব্যৱহাৰ দেখা যায়। এই ভাষাক গুৰ্জৰ অপভ্ৰংশ আখ্যা দিব পাৰি আৰু শ্বেতাম্বৰী জৈনসকলে লিখনত ইয়াকেই প্ৰথম স্থান দিছিল। ধনবাল বিৰচিত ভৱিসত্তকহা পুথিত ব্যৱহৃত নাগৰ অপভ্ৰংশক য়েকোবীয়ে উত্তৰদেশীয় (Northern) নামেৰে অভিহিত কৰিছে। এই পুথি প্ৰাচীনতৰ আৰু অধিকতৰ সহজ ৰীতিত লিখিত। তদুপৰি ইয়াত প্ৰাকৃত আৰু অপভ্ৰংশ কাৰৰ প্ৰয়োগো কিছু পৰিমাণে কম। দিগম্বৰ জৈনীসকলে বোধহয় এই অপভ্ৰংশক বেছি সমাদৰ কৰিছিল। ইহঁতৰ ভিতৰত ব্যাকৰণগত প্ৰধান বৈসাদৃশ্য হৈছে বিশেষ্যৰ শব্দৰূপত ব্যৱহৃত স্বৰধ্বনিৰ পাৰ্থক্য।

প্ৰাচীন ব্যাকৰণকাৰ আৰু কবিসকলৰ মাজত ব্যৱহৃত অপভ্ৰংশ নামটোৱে সম্ভৱত নাগৰৰ নিচিনা সাহিত্যিক ভাষাৰ কথাহে সূচাইছিল—যি ভাষা হয়তো কোনো বিশেষ ঠাইত উদ্ভূত হৈ তাৰ পাছত ভালেখিনি ব্যাপকতৰ ঠাই বা অঞ্চল ব্যাপি ব্যৱহৃত হবলৈ ধৰিলে। এই অৰ্থত অপভ্ৰংশ পশ্চিম ভাৰতৰ অৰ্থাৎ বৰ্তমান গুজৰাটী সিন্ধী আৰু মাৰোৱাৰী প্ৰচলিত অঞ্চলৰ ভাষা আছিল আৰু অন্যান্য ঠাইত ইয়াক অনুকৰণ কৰিছিল। যিয়ে নহ'ক পৰৱৰ্তী কালত এই নামটো নানা অঞ্চলৰ স্থানীয় ভাষা বা দেশ ভাষা ৰূপে বুজাবৰ কাৰণে ব্যৱহৃত হৈছিল। সেই অৰ্থত শৌৰসেনী অপভ্ৰংশৰ ভালেমান ৰূপ আছিল আৰু সেইবোৰ শৌৰসেনী প্ৰাকৃত সাহিত্যিক ভাষাত পৰিণত হোৱাৰ পিছত মথুৰা অঞ্চলৰ দাঁতি কাষৰীয়া ঠাইবোৰত কথ্য ভাষা ৰূপে চলি আহিছিল। সেইদৰে মাগধী আৰু মাহাৰাষ্ট্ৰী প্ৰাকৃত প্ৰচলিত অঞ্চলবোৰত মাগধী আৰু মাহাৰাষ্ট্ৰী অপভ্ৰংশ ব্যৱহৃত হোৱাটোৱেই স্বাভাৱিক। ইহঁতৰ নিজা নিজা বৈশিষ্ট্যবিলাক সুস্পষ্টৰূপে লক্ষণীয় নোহোৱালৈকে এইবোৰ ভাষাৰ প্ৰতি কোনোৱে বিশেষ মনযোগ নিদিব আৰু সাধাৰণতে যিবোৰ ভাষাত কোনো সাহিত্য সৃষ্টি হোৱা নাই সেইবোৰ ভাষাৰ বিষয়ে কোনো কথাই লিপিবদ্ধ হোৱা নাই।

ভৰতে নাট্যশাস্ত্ৰত কোনো কোনো চৰিত্ৰৰ উপযোগী কেইটামান বিভাষাৰ উল্লেখ কৰিছে শাকাৰী (মাগধীৰ আশ্ৰয়ত উদ্ভূত) চাণ্ডালী শাবৰী আভীৰী চক্কী ইহঁতৰ অন্তৰ্গত।

মাৰ্কণ্ডেয়ই এইবোৰৰ বিষয়ে কিছু বহল বৰ্ণনাৰ সমাৱেশ কৰিছে আৰু এটা তালিকাত দ্ৰাবিড়সহ সাতাইশটা বিভাষাৰ উল্লেখ কৰিছে। ইয়াত দ্ৰাবিড় অৰ্থত তামিলৰ নিচিনা কোনো দ্ৰাবিড়ীয় ভাষাৰ কথা কোৱা যেন নালাগে ই আচলতে তামিল ভাষাভাষী অঞ্চলত প্ৰচলিত অৰ্বাচীন ভাৰতীয় আৰ্যভাষাৰ এটা ভ্ৰষ্ট ৰূপকহে বুজাইছে। ৰামতৰ্কবাগীশে পাঞ্চালী মালৱী মধ্যদেশীয় আদি বিভাষা সম্পৰ্কে কিছু টীকা দি গৈছে। এইবোৰক স্বকীয় স্থানীয় উপভাষা বুলি ব্যাপকভাৱে প্ৰচলিত সাধাৰণ অপভ্ৰংশৰ অৰ্থাৎ পশ্চিমদেশীয় সাহিত্যিক অপভ্ৰংশৰ বিভিন্ন ৰূপভেদ বুলি কোৱাহে সমীচীন। মাহাৰাষ্ট্ৰীৰপৰা মাৰাঠী আৰু মাগধীৰপৰা বঙালি ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসত কোনো অপভ্ৰংশ স্তৰৰ কথা লিপিবদ্ধ হোৱা নাই। প্ৰাচীনতৰ বিভাষাবোৰৰ মধ্যযুগীয় বিৱৰণ পঞ্জীতকৈ সুপৰিচিত প্ৰাকৃতৰ স্থানীয় (নাইবা উপজাতিগত) ৰূপান্তৰ হোৱাৰ সম্ভাৱনাই অধিক। গতিকে আমি ইহঁতৰ উপাদান বোৰৰ শ্ৰেণীবিভাগৰ চেষ্টা কৰিলেও ভাৰতীয় আৰ্যভাষাৰ বংশ তালিকাত ইহঁতৰ বিভিন্ন স্থান নিৰ্ধাৰণ কৰিবলৈ অসমৰ্থ।

একাদশ অধ্যায়

প্ৰাকৃত সাহিত্য

খ্ৰীষ্ট পূৰ্ব তৃতীয় শতিকাৰ অশোকৰ অনুশাসনবিলাকে বাদ দি ধৰে প্ৰাচীনতম প্ৰাকৃতৰ নিদৰ্শন। তাৰো আগতে আছিল বৌদ্ধ ধৰ্মগ্ৰন্থসমূহ। আমি আগতে পাই আহিছোঁ অশোকে এইবোৰৰপৰা তেওঁৰ প্ৰিয় অংশবোৰৰ কেইটামান শিৰোনামাৰ উল্লেখ কৰিছিল। তেওঁৰ উদ্ধৃতিৰ ৰূপ দেখিলে অনুমান হয় যে ব্ৰহ্মদেশ আৰু সিংহলত হীনযানপন্থীসকলৰ মঠত প্ৰচলিত শাস্ত্ৰীয় পালিভাষাত তেতিয়াও ধৰ্ম পুথিবোৰ লিপিবদ্ধ হোৱা নাছিল। কোনো পালি গ্ৰন্থকেই অশোকৰ আগৰ কালত ৰচিত বুলি নিশ্চয়কৈ কব নোৱাৰি।

সাহিত্যৰ বৰ্ণনা হিচাপে শিলালিপিৰ কোনো বিশেষ স্থান নাই। তথাপি অশোকৰ অনুশাসনবোৰ কোনো পুথিৰ আকাৰত সংৰক্ষিত হোৱা হলে এই ৰচনা সমূহ নিঃসন্দেহে প্ৰাকৃত সাহিত্যৰ প্ৰাচীনতম তাৰিখযুক্ত ৰচনাৰূপে বিবেচিত হ'ল হেঁতেন। এইবোৰত প্ৰয়োগ কৰা উপভাষা আৰু লিপিতৰ কিছু ৰূপ বৈচিত্ৰ্যৰ বিষয়ে ওপৰত উল্লেখ কৰা হৈছে। গদ্য সাহিত্যৰ ইতিহাসত এই ৰচনা ৰীতিৰ বিশেষত্ব মন কৰিবলগীয়া। সকলো প্ৰকাৰ অলংকাৰযুক্ত এই ভাষাই সম্ৰাটৰ ঐকান্তিকতা আৰু আগ্ৰহৰ সুপৰিচয় দিয়ে। এইবোৰৰ পাণ্ডুলিপি স্বয়ং ৰজাৰ হাতেৰে প্ৰস্তুত হৈছিল বুলি ভবাৰ যুক্তি আছে। কিয়নো এই অনুশাসনবোৰত সভাসদ্ বা লিপিকাৰ-সকলৰ স্বভাৱসিদ্ধ স্তুতিবাদৰ কোনো নাম গোন্ধেই নাই।

এই অনুশাসনৰ ৰচনাৰীতি দৰায়ুসৰ শিলালিপিসমূহৰ লগত তুলনা কৰিব পাৰি। সম্ৰাটৰ বিভিন্ন কাজ কামৰ বিষয়ে পাহাৰৰ শিলাখণ্ডত খোদিত কৰা কল্পনা তথা পদ্ধতি পাৰস্যৰপৰাহে আহিছিল। আৰু আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল পাটলিপুত্ৰৰ ৰাজসভাত প্ৰাচীন পাৰ্চী ভাষা ইমান সুপৰিচিত আছিল যে তাৰদ্বাৰা হয়তো অশোকৰ অনুশাসনৰ ভাষাও প্ৰভাৱান্বিত হৈছিল, কিন্তু ইয়াৰ কোনো প্ৰমাণ নাই। যিয়ে নহ'ক এই দুয়োটা পৰ্যায়ৰ মাজত দৃষ্টিভঙ্গীৰ ব্যাপক পাৰ্থক্য আছে। অহুৰমজ্দাৰ সাহায্যেৰে প্ৰতিদ্বন্দীবোৰক পৰাজিত কৰি নিজৰ বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ পাই দৰায়ুস আনন্দত অভিভূত হৈ পৰিছিল। অশোকে আকৌ কলিঙ্গ বিজয়ৰ কাৰণে অনুশোচনাহে কৰিছে। তেওঁৰ মূল অভিপ্ৰায় আছিল দেশ বিদেশত ধৰ্মৰ ব্যাপক প্ৰসাৰ সাধন কৰা। সেই উদ্দেশ্যে তেওঁ শিলালিপি পন্থা অৱলম্বন কৰিছিল লিপিবিলাকৰ বৰ্ণনা কৰি সেই ধৰ্ম আদেশ প্ৰচাৰ কৰিছিল। মৌৰ্য সাম্ৰাজ্যৰ শাসন-পদ্ধতি আৰু সেই কালৰ অনেক প্ৰত্নাৱশেষ পাৰসিক

জনসাধাৰণৰ হিতাৰ্থে কেনেভাৱে কাম-কাজ হাতত লৈছিল সেইবিলাক কথাও প্ৰসঙ্গক্ৰমে অনুশাসনবোৰত কিছু পৰিমাণে পোৱা গৈছিল।

অশোকৰ এই পৰ্যায়ৰ কৰ্মপদ্ধতিৰ ভিতৰত কিছুমান তেওঁৰ নিজৰেই বিশেষত্ব যেন লাগে। এই সমগ্ৰ অনুশাসনবাজিৰ প্ৰকাশভঙ্গিৰ সৰলতাই লিইতক এনেকুৱা একোটা মৰ্যাদা দিছে যিটো সঁচাকৈয়ে পৰৱৰ্তীকালৰ অল কাৰবহুল প্ৰশস্তিবোৰত একেবাৰে পোৱা নাযায়।

প্ৰাকৃত সাহিত্যক যদি ব্যাপক অৰ্থত লোৱা হয় তেনেহলে পালিকেই আটাইতকৈ গুৰুত্বপূৰ্ণ স্থান দিব লাগিব। পালিৰ এই দাবী কেৱল ইয়াৰ প্ৰাচীনতাৰ কাৰণেই নহয় বৰ প্ৰাচীন বৌদ্ধ সাহিত্যৰ স্বকীয়া মূল্য আৰু ঐতিহাসিক প্ৰায়োজনৰ ওপৰতহে অধিক নিৰ্ভৰশীল। ভাৰতীয় ধৰ্ম সমূহৰ ভিতৰত বৌদ্ধধৰ্মৰ প্ৰভাৱ আটাইতকৈ গভীৰ হিচাপে বিস্তাৰিত হৈছে। পালিৰ ত্ৰিপিটক বা তিনিটা পেৰা তেই বৌদ্ধধৰ্মৰ প্ৰাচীনতম ধৰ্মগ্ৰন্থবোৰ বিৰাজমান। তদুপৰি পালি ধৰ্ম পুথিবোৰৰপৰাই আমি প্ৰসঙ্গক্ৰমে ভাৰতীয় জীৱন নিৰ্বাহৰ কিছু পৰিচয় পাওঁ। এই বিলাকক ব্ৰাহ্মণ্যধৰ্ম যাজসকলৰ পণ্ডিতীয়া দৃষ্টিভঙ্গিৰ আৰু কবি সকলৰ কাল্পনিক বৰ্ণনাসমূহৰ পৰিপূৰক বুলি অভিহিত কৰিব পাৰি। প্ৰতিজন ভাৰতীয় ইতিহাসৰ ছাত্ৰ ছাত্ৰীয়ে কমেও অন্ততঃ কেইটামান জাতক আৰু বুদ্ধৰ জন্ম কাহিনী পঢ়া উচিত।[১] বুদ্ধৰ জীৱনৰ এই গল্পবিলাক আৰু দৃশ্যবাজি বৌদ্ধ স্তূপ আৰু বিহাৰসমূহৰ প্ৰাচীৰৰ গাত খোদিত কৰা দেখা যায়। এইবোৰ ধৰ্মগ্ৰন্থত প্ৰকাশিত বৌদ্ধনীতিৰ সাধাৰণ জ্ঞান আৰু বৌদ্ধ ভিক্ষু আৰু উপাসক সকলৰ জীৱন নিৰ্বাহৰ বিষয়ে কিছু পৰিমাণে নাজানিলে কোনো ছাত্ৰৰ পক্ষেই বৌদ্ধধৰ্ম প্ৰতিষ্ঠাতাৰ মৃত্যুৰ পাছত এহাজাৰো অধিক কাল ব্যাপি যি ভাৰতীয় ইতিহাসৰ প্ৰধান বিষয় হিচাপে স্থান লাভ কৰিছিল সেই বিষয়ত স্পষ্ট ধাৰণা কৰা সম্ভৱ নহয়। ভাৰতীয় দৰ্শনৰ ছাত্ৰসকলেও হৃদয়ঙ্গম ক'ৰিবলৈ সক্ষম হব যে সূক্ষ্ম যুক্তি আৰু নিৰ্ভীক চিন্তা কেৱল হিন্দু দৰ্শনতেই সীমাবদ্ধ নাছিল বৰ বৌদ্ধ ধৰ্মৰ মাজতো পোৱা গৈছিল।

সিংহলৰ প্ৰাচীন ইতিহাসৰ বিষয়ে আলোচনা কৰা পুথিৰ নাম মহাবংশ। ই ভিক্ষুসকলৰ গাথাবদ্ধ বৰ্ণনাৰদ্বাৰা সমৃদ্ধ।

প্ৰাকৃত সাহিত্য বুলিলে সাধাৰণতে পালি সাহিত্যক তাৰ অন্তৰ্ভুক্ত কৰা নহয়। পালি ৰচনাসমূহ বাদ দিলে সমগ্ৰ প্ৰাকৃত সাহিত্যৰ বহুলাংশই হ'ল জৈন সাহিত্য। আগতে কোৱা দৰে এই সাহিত্য তিনি বিধ স্বকীয়া প্ৰাকৃতত পোৱা যায়।

শ্বেতাম্বৰ পন্থীৰ মাজত প্ৰচলিত জৈন পুথিৰ ভাষা হ'ল অৰ্দ্ধমাগধী। এই শাস্ত্ৰীয়

১ দ্ৰষ্টব্য—গ্ৰন্থপঞ্জী।

গ্ৰন্থৰ অন্তৰ্ভুক্ত ৪৫টা আগমৰ ভিতৰত ১১টা অঙ্গ আৰু ১২টা উপাঙ্গ। ইইতক কেতিয়াবা কেতিয়াবা প্ৰাকৃত নামেৰেও অভিহিত কৰা হয়।

১ম অঙ্গ আয়ৰঙ্গ সুত্ত = আচাৰাঙ্গ সূত্ৰম।

২য় অঙ্গ সূয় গড়ঙ্গ = সূত্ৰকৃতাঙ্গম্।

৭ম অঙ্গ উবাসগ দসাও = উপাসক দশা [১]।

ম উপাঙ্গ ঔববাঈয় সুত্ত = ঔপপাতিক সূত্ৰম্।

খৃষ্টাব্দ পঞ্চম শতিকাত দেৱৰ্দ্ধি গণিন দ্বাৰা এই ৰচনাৰ এটা বিৰাট সংকলন সম্পাদিত হয়। এই কাম সম্পূৰ্ণৰূপে সমাধা হোৱাৰ কাল (date) জৈনধৰ্ম প্ৰতিষ্ঠাতাৰ নিৰ্বাণ লাভৰ ৯৮ বছৰ পিছত অৰ্থাৎ ৪৫৪ খৃষ্টাব্দত (নাইবা আনুমানিক ৫১৪ খৃষ্টাব্দত) বুলি ধৰি লোৱা হয়।

পূৰ্ব নামে খ্যাত যিবিলাক প্ৰাচীন পুথিৰ ভিত্তিত সম্পাদনাৰ কাম সমাধা হৈছিল সেইবিলাক পুথি একেবাৰে লোপ পাইছে। এই সংগ্ৰহত বিভিন্ন শতিকাৰ উপাদানসমূহ এইদৰেই মিহলি হৈ গৈছে আৰু সেই কাৰণে ইইতক পৃথক কৰি লোৱা যথেষ্ট দুৰূহ হৈ পৰিছে। কিছু অ। ভদ্ৰবাহুৰ (প্ৰায় খৃ পূ ৩) ৰচনা বুলি অনুমান কৰা হয়। এই শ্ৰেণীৰ এখনি মূল্যবান ৰচনা হ'ল কপ্পসুত্তং (= কল্পাসূত্ৰম)[২] ইয়াত মহাবীৰৰ জীৱন কাহিনী লিপিবদ্ধ হৈছে। গতিকে ই খৃষ্টাব্দ ৫ম শতিকাৰ আগৰ কালৰ ৰচনা হবই নোৱাৰে।

প্ৰাচীনতম গদ্য পুথিৰ ৰচনা ৰীতি কথাপ্ৰধান। বহুল বৰ্ণনা আৰু সীমাহীন পুনৰুক্তিত লিখকৰ অপাৰ আনন্দ। সাধাৰণ ছাত্ৰ ছাত্ৰীৰ বাবে ইয়াৰ প্ৰধান আৱশ্যকতা হ'ল এই যে ইয়াত প্ৰসঙ্গক্ৰমে উল্লেখিত সাধাৰণ দৈনন্দিন জীৱনৰ বিভিন্ন ঘটনা আৰু পাৰিপাৰ্শ্বিকতাৰ কথা আছে।

জৈন সাহিত্যত প্ৰাচীনতম কাব্য গ্ৰন্থ হৈছে পউমচৰিয় ই ৰামায়ণৰে অন্যতম সংস্কৰণ। ইয়াৰ ৰচনা কাল সম্ভৱত খৃষ্টাব্দ ৩য় শতিকা।[৩]

জৈন মাহাৰাষ্ট্ৰীত শ্বেতাম্বৰ পন্থীসকলৰ মাজত শাস্ত্ৰৰ বাহিৰেও আন পুথি আছে। সিবোৰৰ অধিকাংশই গল্প সংগ্ৰহ ঃ খ্যাতনামা ধৰ্মপ্ৰাণ ব্যক্তিসকলৰ জীৱন কাহিনী আৰু বিভিন্ন লোকক জৈন ধৰ্মত দীক্ষিত কৰাৰ উপাখ্যান। আধুনিক পণ্ডিতসকলে কিছু পৰিমাণে শ্বেতাম্বৰী সাহিত্যৰ অনুসন্ধান কৰিছে আৰু ইয়াৰ ভালেমান বিষয়

১ Hoernle দ্বাৰা Bibliotheca Indica ত সম্পাদিত আৰু অনূদিত।

২ Jacobi দ্বাৰা সম্পাদিত আৰু Sacred Books of the East Series ত অনূদিত। দ্ৰষ্টব্য—গ্ৰন্থপঞ্জী।

৩ অপভ্ৰংশ ভাষা সাহিত্যেকো ম্লান কৰি তোলা বিষয় ভালেমান অমাৰ্জিত কথা ইয়াত সন্নিবিষ্ট হৈছে।

বস্তু এতিয়াও ভাষাতত্ত্ব আৰু ঐতিহাসিক বিজ্ঞান সন্মত আলোচনাৰ প্ৰতীক্ষাত আছে। জৈন শৌৰসেনীত দিগম্বৰ পন্থীৰ পৰিচিত ৰচনা আৰু কম।* কুন্দকুন্দাচাৰ্যৰ পৱয়ণসাৰ (প্ৰৱচনসাৰ) আৰু কাৰ্তিকেয় স্বামিনৰ কত্তিগেয়াণুপেক্খা (কাৰ্তিকেয়াণুপ্ৰেক্ষা) ৰপৰা কিছু কিছু অংশ ভাণ্ডাৰকাৰে প্ৰকাশ কৰিছে। এই দুয়োখন পুথিয়েই পদ্যত ৰচিত।

জৈন সাহিত্য পালি বৌদ্ধ সাহিত্যৰ দৰে তিমান প্ৰসিদ্ধও নহয় বা ইয়াৰ চৰ্চাও তিমান ব্যাপকভাৱে হোৱা নাই। ইয়াৰ অধিকাংশই এতিয়াও হাতেলিখা পাণ্ডুলিপি ৰূপেই আছে অথবা ভালদৰে সম্পাদিত নোহোৱাকৈয়ে আছে। তদুপৰি ইয়াৰ বেছিখিনিয়েই টীকাহীন বুলি (নাইবা টীকাৰ সহায়তো) বুজা কষ্টকৰ।

জৈন ধৰ্মগ্ৰন্থৰ বাহিৰেও কোনো কোনো শিলালিপিত আৰু অশ্বঘোষ আৰু তেওঁৰ সমসাময়িক লিখকসকলৰ নাটকত ব্যৱহৃত ভাষাৰপৰা অৰ্ধমাগধীৰ সাহিত্যিক বিকাশ সম্পৰ্কে অনুমান কৰিব পাৰি। কক্কুক শিলালিপিত জৈন মাহাৰাষ্ট্ৰীৰ প্ৰয়োগ পৰিলক্ষিত হয়। অতীজৰেপৰা কাব্য প্ৰণয়নত মুখ্যতম প্ৰাকৃত হিচাপে মাহাৰাষ্ট্ৰীৰেই প্ৰচলন আছিল বেছি পৰিমাণে। ইয়েই আছিল প্ৰাকৃত মহাকাব্য আৰু গীতি কাব্যৰ ভাষা আৰু প্ৰাকৃত ব্যাকৰণকাৰ সকলে এই প্ৰাকৃতকে ভিত্তি কৰি তেওঁলোকৰ ব্যাকৰণ প্ৰণয়ন কৰিছিল।

মহাকাব্যৰ ভিতৰত আটাইতকৈ বিখ্যাত হ'ল সেতুবন্ধ ইয়াৰ ৰচনাৰীতি বা কলাকৌশল ইমান চমৎকাৰ যে বহু সময়ত ইয়াক কালিদাসৰ নামৰ লগত সাঙুৰি দিয়া হয়। এই কাব্যৰ প্ৰকৃত নাম **ৰাৱণবহো** বা **দহমুহবহো**। ইয়াত ৰামৰ কাহিনী আছে কিন্তু কাশ্মীৰ ৰজা প্ৰৱৰসেনৰদ্বাৰা শ্ৰীনগৰত নাৱেৰে সেতু নিৰ্মাণ কৰা কথাকেই ইয়াৰ জৰিয়তে স্মৰণীয়কৈ ৰখা বুলি অনুমান কৰা হয়।

গউড়বহো পুথিত খৃষ্টাব্দ ৭ম শতিকাৰ শেষ ভাগত কনৌজৰ যশোবৰ্মনৰ দ্বাৰা বঙ্গবিজয়ৰ কাহিনী উদ্‌ঘাটিত হৈছে। পুথি প্ৰণেতাৰ নাম বপ্পইৰাঅ (=বাক্‌পতিৰাজ) এয়া লিখকৰ ছদ্মনাম বুলিহে কোৱা হয়। এইজন পুথিকাৰৰে আন মহাকাব্যৰ নাম **মহুমহবিঅঅ**—ইয়াৰ কেৱল এটা বা দুটা শ্লোকহে স ৰক্ষিত হৈছে।

ৰাৱণবহো আৰু গউড়বহো দুয়োখন কাব্য গ্ৰন্থই স স্কৃত ৰীতিৰদ্বাৰা যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত। সেয়ে ইয়াত দীঘলীয়া সমাসবদ্ধ পদৰ প্ৰয়োগ হৈছে।

হেমচন্দ্ৰৰ **দ্ব্যাশ্ৰয় মহাকাব্যৰ** শেষৰ আঠটা পৰ্বই **কুমাৰপালচৰিত** নামেৰে এখনি ক্ষুদ্ৰ আকাৰৰ প্ৰাকৃত মহাকাব্যত পৰিগণিত হৈছে। ইয়াত গুজৰাটৰ

---

* Woolner ৰ এই মন্তব্য বৰ্তমান গ্ৰহণযোগ্য বুলিব নোৱাৰি কিয়নো যোৱা পকাশ বছৰ মানৰ ভিতৰত এই বিধ প্ৰাকৃতৰ প্ৰয়োজনীয় ৰচনাসমূহ সম্পাদিত আৰু অনূদিত হৈছে।

অণ হিলুৰাজৰ কুমাৰপালৰ কৰ্মপন্থাৰ বৰ্ণনা আছে। সমগ্ৰ ৰচনাত থকা দৰে ইয়াতো লিখকৰদ্বাৰা ৰচিত সিদ্ধ হেমচন্দ্ৰ নামে খ্যাত সংস্কৃত আৰু প্ৰাকৃত ব্যাকৰণৰ সূত্ৰসমূহৰ উদাহৰণ দেখুৱা হৈছে।

মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ অধ্যয়নৰ কাৰণে মুখ্যতম পুথিখনেই হালৰ সত্তসঈ (= সপ্তশতকম্)। এইখন ভালেমান কবিৰ বিভিন্ন কবিতা স গ্ৰহৰ এখনি স কলন। ইয়াৰ এটা টীকাত ১১২ জন কবিৰ নাম পোৱা যায় ভুবনপাল নামৰ জনৈক টীকাকাৰে ৩৮৪ জন কবিৰ নামৰ উল্লেখ কৰিছে। শ্লোক সমূহৰ শ্ৰেণীবিভাগতো বিভিন্ন স স্কৰণৰ মাজত পাৰ্থক্য দেখা যায় আৰু নিচেই কমস খ্যক শ্লোক ৰচয়িতাৰ নামহে পোৱা যায়। এই স কলনটিৰপৰা সুন্দৰভাৱে প্ৰমাণিত হয় যে মাহাৰাষ্ট্ৰীত বহুস-খ্যক কাব্য ৰচিত হৈছিল কিন্তু অতি কম স খ্যক কাব্যহে স ৰক্ষিত হৈছে। হাল আৰু সাতবাহণ (বেলেগ বেলেগ বানান—শিলবাহণ ইত্যাদি) একেজন কবি বুলি পৰিচিত। অৱশ্যে আন সূত্ৰেও আৰু কেইটামান নাম পোৱা যায়। ৰাজশেখৰৰ কৰ্পূৰ মঞ্জৰীৰ ম অঙ্কৰ ২ ১৯ পৃষ্ঠাত হৰিউড ঢ ণন্দিউড ঢ আৰু পোট্টিস—এই তিনিটা নামৰ উল্লেখ আছে। বিদূষকে কলে, তা উজ্জুঅম্ জেৱ কিম্ ণ ভণীঅদি অমহাণম চেডিআ হৰিউড ঢ ণন্দিউড ঢ পাট্টিস হালপ পহূদীণম পি পুৰদো সুকঈ ত্তি (অৰ্থাৎ তেনেহলে তুমি পোনপটীয়াকৈ নোকোৱা কিয় আমাৰ দেশত হৰিবৃদ্ধ নন্দিবৃদ্ধ পোট্টিস কে আদি কবি আৰু ভালেমান প্ৰথম শ্ৰেণীৰ কবি আছে — সুকঈ = সুকবি Lanman অৰ অনুবাদ)।

এই স গ্ৰহৰ কাল আজিও সঠিক নিৰ্ণয় হোৱা নাই। বেবাৰৰ মতে ইয়াৰ ৰচনা কাল অতি প্ৰাচীন হলেও খৃ° ৩য় শতিকাৰ আগৰ নহয় কিন্তু ৭ম শতিকাৰ পৰৱৰ্তীও নহয়। মেকডোণেলৰ মতে কবি হাল সম্ভৱত খৃ ১ অৰ আগৰ কালত জীৱিত আছিল। অন্ধ ৰাজৱ শৰ (৬৪ খৃষ্টাব্দ) সপ্তদশ ৰজাৰ লগত হাল আৰু সাতবাহনক একেজন বুলি কোৱা কাৰণে এই বিষয়ে বাৰ্কেয়ে সন্দেহ ওপজে।[১] আনহাতে মেকোৰীয়ে তেওঁক জৈনসকলৰ ধৰ্মপঞ্জিকা পৰিবৰ্তন কৰিবলৈ ৪৬৭ খৃষ্টাব্দত নানাভাৱে অহোপুৰুষাৰ্থ কৰা প্ৰতিষ্ঠানৰ ৰজা সাতবাহনৰ লগত একেজন বুলি মন্তব্য কৰি গৈছে।

এই বিষয়ত কোনো সন্দেহ নাই যে ৰাজশেখৰৰ সময়ত প্ৰখ্যাত কবি সকলৰ কবিতাৰদ্বাৰ এই কাব্য স'গ্ৰহ স'কলিত হৈছিল আৰু সি কোনো পধ্যে খৃষ্টীয় ১ম শতিকাৰ হবই নোৱাৰে। কিয়নো সেই সময়তেই পালিস্তৰৰ প্ৰাচীন প্ৰাকৃতৰ নিদৰ্শন পোৱাৰ আশা কৰা যায়। সত্তসঈৰ অৱতৰণিকাৰ শ্লোকৰপৰা স্পষ্ট ধাৰণা ওপজে যে দক্ষিণ দেশৰ এই প্ৰেমগীতি সমূহ আগৰ কালৰ দৰে মানুহৰ মুখে মুখে শুনা নগৈছিল।

১ দ্ৰষ্টব্য—V Smith অৰ Early History of India-ৰ ৩য় স স্কৰণৰ ১৬ পৃষ্ঠা।

শ্বেতাম্বৰী জৈন পন্থৰ জয়বল্লভৰ জম্বুবল্লহং বা বজ্জালগগ এনে বিষয়বস্তুৰদ্বাৰা ৰচিত আন এখনি কাব্য সংকলন।

নাটকীয় প্ৰাকৃত সংস্কৃত নাটকত ব্যৱহৃত তিনি প্ৰকাৰ প্ৰাকৃতৰ (মা শৌ মাগ) লগত সংস্কৃত সাহিত্যৰ প্ৰতিজন ছাত্ৰৰেই সুন্দৰ পৰিচয় আছে। বিভিন্ন চৰিত্ৰ মুখৰ প্ৰাকৃত সম্পৰ্কে বিশেষজ্ঞসকলৰ মাজতো মতভেদ দেখা যায়। প্ৰাকৃত উপভাষাবিলাকৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত মৃচ্ছকটিক এখনি উল্লেখযোগ্য নাটক।

নায়ক আৰু বিদূষক ভিন্ন আন সমপৰ্যায়ৰ পুৰুষ চৰিত্ৰই সংস্কৃতত কথা কয় আৰু গানো গায়। নাৰী চৰিত্ৰই সংস্কৃতত কথা কোৱাটো নিয়মৰ ব্যতিক্ৰম কিন্তু মালতী মাধৱত বৌদ্ধ ভিক্ষুনীয়ে সংস্কৃতত কথা পাতিছে। নায়কে প্ৰাকৃতত বাক্যালাপ কৰা প্ৰাকৃত নাটকো বিৰল—কৰ্পূৰ মঞ্জৰীয়েই ইয়াৰ একমাত্ৰ সাক্ষী।

সংস্কৃত ব্যৱহাৰ নকৰাৰ উপযুক্ত ব্যাখ্যাৰ অৱতাৰণা কৰাটো নাটক ৰচয়িতাই প্ৰয়োজন বুলি নাভাবে। সেয়ে প্ৰস্তাৱনাত সূত্ৰধাৰে কয় — তেনেহলে কৱিয়ে সংস্কৃত এৰি প্ৰাকৃতত ৰচনা কৰিলে কিয়? তেওঁৰ সহায়কাৰীয়ে মাহাৰাষ্ট্ৰীত উত্তৰ দিছে — পৰুসা সক্কঅবন্ধা পাউঅবন্ধো বি হোই সুউমাৰো। পুৰিস মহিলাণম জেত্তিঅমিহন্তৰম্ তেত্তি অমিমাণম্॥ অৰ্থাৎ সংস্কৃত কবিতা শ্ৰুতিকটু কিন্তু প্ৰাকৃত কবিতা অতি শ্ৰুতিমধুৰ। এই বিষয়ত পুৰুষ স্ত্ৰীৰ মাজত যিমান পাৰ্থক্য ইহঁতৰ মাজতো তিমানখিনি পাৰ্থক্য দেখা যায়।

শৌৰসেনী হ'ল নাৰী আৰু বিদূষকৰ সাধাৰণ গদ্যৰ ভাষা। মাহাৰাষ্ট্ৰী সেই বিলাক চৰিত্ৰৰেই পদ্যৰ ভাষা। মাগধীত বাক্যালাপ কৰে নিম্নশ্ৰেণীৰ চৰিত্ৰ বাওনা বিদেশী আদিয়ে। যেনে—শকুন্তলা নাটকৰ পুলিচ দুজন আৰু বিদেশীৰ কথা বাৰ্তা। জৈন সাধু আৰু নিচেই কম বয়সীয়া ল'ৰাবোৰেও মাগধীতে কথা পাতে।* চৰিত্ৰ মুখৰ ভাষা সম্পৰ্কে অলংকাৰ পুথিৰ নিৰ্দেশ আৰু টীকাকাৰ সকলৰ মন্তব্যৰ লগত প্ৰাচীন পুথি আৰু ছপা পুথিৰ বিৰোধ দেখা যায়। প্ৰাচীন পুথিত উপভাষাসমূহৰ এনেকুৱা বেমেজালি দেখা যায় যে মাগধীকো প্ৰায় শৌৰসেনী যেন লাগে। ভাৰতীয় নাটকত থকা এনেকুৱা ধৰণৰ বিভিন্ন ভাষাৰ মিশ্ৰণ সম্পৰ্কে প্ৰচুৰ যুক্তি তৰ্ক হৈছে আৰু নানাপ্ৰকাৰ ব্যাখ্যাৰো অৱতাৰণা কৰা হৈছে।

এই ভাৰতীয় ৰীতিৰ অবিকল অনুৰূপ আন ক'তো নাই। হাস্যৰসাত্মক নাটকত

---

* কেনেকুৱা চৰিত্ৰৰ সংলাপত মাগধী প্ৰাকৃত ব্যৱহৃত হৈছিল সেই বিষয়ে বিশেষভাৱে জানিবলৈ হলে ছাত্ৰসকলে Pischel অৰ Grammatik der Prakrit Sprachen ৰ §২৩ পঢ়ি চোৱা উচিত। (সম্প্ৰতি এই পুথিৰ ইংৰাজী সংস্কৰণ ওলাইছে)।

বিদেশী ভাষাৰ আলম লৈ হাঁহি ধেমালি কৰা হয়। এৰিষ্টোফেনিসৰ নাটকত যে সীয় বৰ্বৰ চৰিত্ৰ ট্ৰিবাল্লোসে গ্ৰীক ভাষাৰ লগত অস্পষ্ট সাদৃশ্যপূৰ্ণ এটি ভঙা ভঙা ভাষাত কথা কৈছে। লেটিন কৌতুক নাটকত ফিনিচীয় ভাষাৰ বিদ্ৰূপাত্মকভাবে অনুকৰণ কৰা হৈছে অৱশ্যে তাৰ পাঠ বহু দোষযুক্ত বুলিয়েই সেই বিষয়ে আলোচনা কৰা নাযায়। শেক্সপীয়েৰৰ য়েলচ বাসী আৰু ফৰাচীসকল সুপৰিচিত। প্ৰহসনত শিক্ষিত সমাজৰ পৰিমাৰ্জিত ভাষাই সদায়ে ঠাই পাই আহিছে। শেক্সপীয়েৰৰ দিনবেপৰা উচ্চ পৰ্যায়ৰ নাটকতো কম বেছি পৰিমাণে জনসাধাৰণৰ উপভাষাবোৰে নাটকত আত্মপ্ৰকাশ কৰি আহিছে। তদুপৰি গ্ৰীক ট্ৰেজেদিত আমি প্ৰায়ে দেখোঁ যে নাটকত ব্যৱহৃত ভাষা আৰু সেই নাটকৰ কোৰাচ ৰ ভাষা একে নহয়। এটিক নাটকত থকা ডোৰিক কোৰাচ অন্যান্য গীতি কবিতাৰ দৰে এবিধ কৃত্ৰিম ভাষা। ই আচলতে ডোৰিক উপভাষা মিশ্ৰিত এবিধ লিখিত কাব্যিক ভাষা।* আচলতে ভাৰতত এনেকুৱা ধৰণৰ ভাষাকেই লিখিত প্ৰাকৃত আখ্যা দিয়া হয়।

এইবিলাক আংশিক সমতাৰ লগত ভাৰতীয় ৰীতিৰ পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰথমতে আমি চাৰিটা আৰু নিয়মিতভাৱে তিনিটা ভাষা একে পৰিয়ালতে বিভিন্ন ব্যক্তিৰ মাজত ব্যৱহাৰ হোৱা দেখোঁ। দ্বিতীয়তে ইইতৰ ভিতৰত আন এটা হ'ল শিক্ষিত ভাষা (অপ্ৰচলিত)—ই ভাষাৰ ক্ৰমবিৱৰ্তনৰ পূৰ্বস্তৰৰ অন্তৰ্ভুক্ত। তৃতীয়তে একে নাটকতে বহু দূৰ দূৰ অঞ্চলৰ প্ৰধান উপভাষা এনেকুৱা যুক্তিপূৰ্ণ কাৰণ নাথাকিলেও কোনো চৰিত্ৰৰ মুখত আৰোপিত হৈছিল আৰু কালক্ৰমে এই অভ্যাসেই ৰীতিবদ্ধ হৈ পৰিল।

নাটকীয় প্ৰাকৃতৰ এই নিয়ম ৰীতিবদ্ধতাত আচৰিত হব লগীয়া একো নাই। কাব্যাল কাৰৰ প্ৰচুৰ সংখ্যক নিয়মৰদ্বাৰা ভিন্ন প্ৰকৃতিৰ নায়কৰ গুণ গৰিমাৰপৰা আৰম্ভ কৰি দোষ কল কলৈকে নাটক সম্পৰ্কীয় সকলো কথাই শ্ৰেণীবদ্ধ আৰু লিপিবদ্ধ হৈছে। এনেকুৱা সূক্ষ্ম নিয়ম প্ৰণয়ন কৰাটো সকলো যুগৰ ব্ৰাহ্মণৰ কাৰণ এটা বিশেষ গুণ বুলিব পাৰি।

এই সংস্কৃত প্ৰাকৃত নাটকৰ ব্যাখ্যা দুই বা তিনি প্ৰকাৰে হব পাৰে। এবিধ বাস্তৱধৰ্মী অৰ্থাৎ নাটকৰ কথোপকথনৰাজিয়ে গুপ্ত যুগৰ ভাৰতীয় জীৱন নিৰ্বাহৰ আচল অৱস্থাৰ এটা সুন্দৰ পৰিচয় ডাঙি ধৰিছে। গ্ৰীয়াৰ্ছনে লিখিছে — ভাৰতত এনেকুৱা ধৰণৰ ভালেমান ভাষাৰ খিচুৰি হোৱাটো একো আচৰিত কথা নহয়। বৰ্তমান বঙ্গদেশৰ এটা বিৰাট ঘৰৰ লগত সমতা আছে। সমগ্ৰ ভাৰতৰ প্ৰতি অঞ্চলৰ লোকেই ইয়াত বসবাস কৰিছেহি আৰু প্ৰত্যেকেই নিজৰ ভাষাত কথা কৈছে আৰু

** দ্ৰষ্টব্য —Prof Giles অৰদ্বাৰা প্ৰণীত Manual of Comparative Philology §614 6।

পৰস্পৰে পৰস্পৰৰ ভাষা বুজিও পায়, কিন্তু কোনোৱেই নিজৰ মাতৃভাষাত বাহিৰে আন ভাষাত কথা কৰলৈ চেষ্টাও কৰা নাই।[১] বীমচেও এনেকুৱা ধৰণৰ আন এটা ব্যাখ্যা দি গৈছে।[২] এইটো স্বীকাৰ কৰিবই লাগিব যে উপভাষাবোৰ নিয়মতন্ত্ৰৰ বিধিবদ্ধ কৃত্ৰিম ভাষা, লৌকিক বা কথিত ভাষাৰ অবিকল ৰূপ নহয়। তদুপৰি কোনো এটা বিশেষ চৰিত্ৰৰ মুখত কোনো বিশেষ ভাষা হয়তো কিছু পৰিমাণে সেই সময়ৰ প্ৰকৃত অৱস্থানুসৰি আৰোপিত হৈছে। আকৌ যদি ধৰি লোৱা হয় যে শিক্ষিত পুৰুষে সংস্কৃত কব পাৰে আৰু তিৰোতাবোৰে সাধাৰণতে নোৱাৰে তেতিয়া হলেও এইদৰে ভবা উচিত নহয় যে পুৰুষ বিলাক সংস্কৃতৰ বাহিৰে আন ভাষাত কথা পাতিবলৈ অক্ষম আছিল। তেওঁলোকে নিজৰ নিজৰ তিৰোতাবোৰৰ লগতেই নহয় ভৃত্য অনুচৰ আদিৰ লগতো সেই ভাষাতে কথা পাতিছিল।

সুশিক্ষিত পুৰুষে সংস্কৃতত অনায়াসে বাক্যালাপ কৰিব পাৰিছিল। সেয়ে নায়কে সংস্কৃতত কথা কয় আৰু ৰঙ্গমঞ্চৰ সুনিৰ্দিষ্ট নীতি অনুসৰি সদায়ে বাক্যালাপ কৰে— যিদৰে ৰঙ্গমঞ্চৰ ৰজাই সদায়ে ৰাজমুকুট পৰিধান কৰে কিন্তু আচল ৰজাই বিশেষ অনুষ্ঠান আদিৰ সময়তহে পিন্ধে।

এই ব্যাখ্যাৰপৰা ইয়াকে বুজা যায় যে শৌৰসেনীৰ দেশতেই সংস্কৃত নাটকৰ ৰূপে স্থিতি লাভ কৰিছিল। কাব্যত মহাৰাষ্ট্ৰীৰ প্ৰয়োগ সম্পৰ্কে আন এটা যুক্তিধাৰা অৱলম্বন কৰিবই লাগিব। এইটো যে একপ্ৰকাৰ সাহিত্যিক প্ৰথা সেই কথা স্পষ্টভাৱে ওলাই পৰে। দক্ষিণ দেশত এবিধ গীতি কবিতৰ উদ্ভৱ হৈছিল আৰু সেই বিশাল সাম্ৰাজ্যৰ সীমা অতিক্ৰম কৰিও ই বহুদূৰলৈকে প্ৰসিদ্ধি লাভ কৰিছিল। পাৰস্য দেশীয় গাথাবিলাক যিদৰে আজিও গোৱা হয় সেইদৰে মহাৰাষ্ট্ৰী শ্লোকবিলাকো নিসন্দেহে ভাৰতৰ সকলো ঠাইতে গোৱা হৈছিল। প্ৰাকৃত সঙ্গীতৰ কাৰণে ইয়েই একমাত্ৰ মৰ্যাদাপূৰ্ণ ভাষাৰূপে পৰিগণিত হোৱাটো স্বাভাৱিক হৈ পৰিছিল।

এই যুক্তিধাৰাৰ সহায়ত অন্যান্য উপভাষাবোৰৰ কাৰণ নিৰ্দেশ কৰা অতি দুৰূহ কথা।[৩] ভাৰতীয় নাটকৰ ইতিহাস আৰু ক্ৰমবিকাশৰ লগত এই সমস্যাৰ সমাধান বিশেষভাৱে জড়িত। এই সম্পৰ্কে আমাৰ প্ৰত্যক্ষ জ্ঞান নিচেই কম। কোনো কোনো নাটকত মৃচ্ছকটিকৰ নিচিনা প্ৰাকৃত ভাষাৰ বৈচিত্ৰ্য প্ৰাচীন নে অৰ্বাচীন যুগৰ পৰিচায়ক এই বিষয়ে মত বিৰোধ আছে। আকৌ কিছুমানে ভাবে যে মূল প্ৰাকৃত নাটকত পৰৱৰ্তী কালত সংস্কৃতৰ সমাৱেশ কৰা হৈছে।

কেৱল নাটকতে নহয় মহাকাব্য আৰু পুৰাণো মূলতে প্ৰাকৃত ভাষাত ৰচিত

১ দ্ৰষ্টব্য—Encyclopaedia Britannica ১১ সংস্কৰণ Vol 22 পৃ ২৫৪।
২ দ্ৰষ্টব্য—Comparative Grammar of Modern Indian Languages Vol 1 পৃ ৭।
৩ দ্ৰষ্টব্য—Sylvain Levi দ্বাৰা প্ৰণীত Le Theatre Indian (1890) পৃ ৩১।

হৈছিল বুলি এটা মতবাদৰ প্ৰচলনো আছে।[1] সাহিত্যিক কিংবদন্তীৰদ্বাৰা প্ৰমাণিত হয় যে **বৃহৎকথা** পৈশাচী প্ৰাকৃতত ৰচিত কাব্য। মহাভাৰত আৰু পুৰাণ পুথিও যে প্ৰাকৃতত ৰচিত হৈছিল সেই কথাৰ প্ৰমাণ স্বৰূপে ব্যাকৰণ আৰু ছন্দৰ কিছুমান সৰু সৰু কথাৰ বিষয়ে উল্লেখ কৰা হয়—এই সৰু সৰু কথাবোৰ প্ৰাকৃতৰপৰা সংস্কৃতলৈ অনূদিত বোলাৰ যুক্তি আছে। ইয়াত এই প্ৰশ্নৰ আলোচনা সম্ভৱ নহয়। এটা কথা মনত ৰখা উচিত যে যিবিলাক কাব্য বা পদ্য সাহিত্য লৌকিক (সিবোৰ যিমানেই অনিৰ্দিষ্ট আৰু পৰিবৰ্তনশীল ৰূপৰ নহওক) মূলতে জনসাধাৰণৰ ভাষাৰ আশ্ৰয়ত চলি থকাৰ বহুকাল পিছত সংস্কৃত ভাষাত বিশেষ ৰূপ লাভ কৰিছে। কবিতাবোৰ বহু পৰিমাণে পুৰণি হলে ধৰি লব লাগিব যে ইয়াৰ আদি ৰচনা মধ্যযুগৰ প্ৰাকৃতত হোৱা নাছিল প্ৰাথমিক প্ৰাকৃততহে হৈছিল। প্ৰাথমিক প্ৰাকৃত পাণিনিৰ সংস্কৃতৰ লগত পাৰ্থক্যহীন নহব কিন্তু সিহঁতৰ মাজত গোষ্ঠীগত বিশেষ সাদৃশ্য পোৱা যাব। পিছৰ কালত এই সাহিত্যক উন্নত সংস্কৃতলৈ অনুবাদ কৰাৰ প্ৰচেষ্টা সমগ্ৰ ৰচনাৰ বিভিন্ন অংশত সমানভাৱে পৰিলক্ষিত নহয় কাৰণে কাব্যৰ ভাষাত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হল যিটো মহাকাব্যৰ ভাষাত সুস্পষ্ট। এনেভাৱে প্ৰাথমিক প্ৰাকৃতৰ সংস্কৃতলৈ ৰূপান্তৰ আৰু প্ৰাথমিক প্ৰাকৃতৰ সংস্কৃতত অনুবাদ—এই দুটা তাৎপৰ্যৰ মাজত যথেষ্ট পাৰ্থক্য আছে।

প্ৰাকৃত ব্যাকৰণ সমূহৰদ্বাৰা প্ৰাকৃত সাহিত্যৰ এটা বিশেষ অংশ ৰূপায়িত হৈছে। সৰ্বপ্ৰাচীন প্ৰামাণিক গ্ৰন্থখনেই **ভাৰতীয় নাট্য-শাস্ত্ৰ**। ইয়াৰ ১৭শ অধ্যায়ৰ ৬ৰপৰা ২৩ শ্লোকত প্ৰাকৃত ব্যাকৰণ সম্পৰ্কীয় এটা মাত্ৰ চুটি বৰ্ণনা আছে। ৩২শ অধ্যায়ত সন্নিবিষ্ট হৈছে প্ৰাকৃত উদাহৰণসমূহ। দুৰ্ভাগ্যবশত এই গ্ৰন্থৰ পাঠ অত্যন্ত পৰিমাণে ভ্ৰমসঙ্কুল হোৱা কাৰণে ইয়াক তেনেই সামান্য পৰিমাণেহে কামত প্ৰয়োগ কৰিব পাৰি।

প্ৰাকৃত লক্ষণ নামৰ ব্যাকৰণ পাণিনিৰ ৰচনা বুলি ধৰি লোৱাৰ কোনো যুক্তি নাই। বৰৰুচি কাত্যায়ণ প্ৰণীত **প্ৰাকৃত প্ৰকাশ** খনেই প্ৰাচীনতম প্ৰাকৃত ব্যাকৰণ। এওঁক পাণিনিৰ বাৰ্ত্তিক ৰচয়িতা বুলিও ধৰা হয়।[2] ভামহৰ **মনোৰমা** প্ৰাকৃত প্ৰকাশৰ সৰ্বপ্ৰাচীন টীকা। ভামহৰ টীকাযুক্ত এই গ্ৰন্থ খনকেই কাৱেলে সম্পাদনা আৰু অনুবাদ কৰিছে। পৈশাচী প্ৰাকৃত সম্বন্ধে লিখা দশম অধ্যায়ত ভামহে যি দুটা উদ্ধৃতিৰ সমাৱেশ কৰিছে সম্ভৱত এই দুয়োটাই বিলুপ্ত বৃহৎকথাৰপৰা আহৰণ কৰা।[3]

---

১ দ্ৰষ্টব্য—Grierson অৰ Prakrit প্ৰবন্ধ Encyclopaedica Britannica পৃ ২৫০।

২ দ্ৰষ্টব্য—Pischel অৰ Grammatik der Prakritspracaen § ২।

৩ চতুৰ্থ সূত্ৰ—ইৰস্য পিৱ। কমলা পিব মুখম। চতুৰ্দশ সূত্ৰ—হৃদয়স্য হিতঅক। হিতঅক কৰসি মে তুলনি।

চণ্ডই তেওঁৰ **প্ৰাকৃত লক্ষণত** এই প্ৰসঙ্গতে মাহাৰাষ্ট্ৰী আৰু জৈন প্ৰাকৃতৰ (অথাৎ জৈন্মা জৈশৌ) বিষয়ে আলোচনা কৰিছে। ইয়াৰ বিষয়ক্ৰমৰপৰা তুলনামূলক বিচাৰত ই যে কিছু পুৰণি সেই কথা অনুমান কৰা যায়।

গুজৰাটৰ হেমচন্দ্ৰৰ (১০৮৮—১১৭২) **প্ৰাকৃত ব্যাকৰণ** খনেই সৰ্বপ্ৰধান।* ইয়েই সিদ্ধ হেমচন্দ্ৰৰ অষ্টম অধ্যায়। তাৰ প্ৰথম সাতটা অধ্যায়ত সংস্কৃত ব্যাকৰণৰ আলোচনা সন্নিবিষ্ট হৈছে। এইগৰাকী পুথিকাৰেই **দেশীনামমালা** সংকলন কৰিছে।**

অন্যান্য প্ৰাকৃত ব্যাকৰণ ক্ৰমদীশ্বৰৰ **সংক্ষিপ্তসাৰৰ** শেষ অধ্যায়। ইয়ো বৰৰুচিৰ অনুকৰণত ৰচিত আৰু ইয়াৰ গুৰুত্বও তেনেই কম। ত্ৰিবিক্ৰমদেৱৰ **প্ৰাকৃত ব্যাকৰণ** (প্ৰায় ১৩শ শতিকা) হেমচন্দ্ৰৰ অনুকৰণত প্ৰণীত।

মাৰ্কণ্ডেয় কবীন্দ্ৰৰ **প্ৰাকৃতসৰ্বস্ব**। এওঁ মুকুন্দদেৱৰ ৰাজত্ব কালত উৰিষ্যাৰ অধিবাসী আছিল (সম্ভৱত ১৭শ শতিকা)।

ৰামতৰ্কবাগীশৰ **প্ৰাকৃত কল্পতৰু** আৰু অন্যান্য সৰু সৰু বহুত থাক ব্যাকৰণ আছে।

জৈন গ্ৰন্থ সমূহ অলংকাৰ শাস্ত্ৰৰ গ্ৰন্থ আৰু পৰৱৰ্তী কালৰ (শুক সপ্ততি আৰু বেতাল পঞ্চবিংশতিৰ নিচিনা) গল্প সংগ্ৰহত অপভ্ৰংশত ৰচিত ভালেমান বিচ্ছিন্ন শ্লোক সংকলিত হৈছে। বিশেষ উল্লেখযোগ্য হ'ল কোনো কোনো পুৰাণ পুথিত সন্নিবিষ্ট বিক্ৰমোৰ্বশী নাটকৰ চতুৰ্থ অংকৰ ৰজাপুৰুৰবাৰ আবৃত্তিৰ কাৰণে ৰচিত অপভ্ৰংশ শ্লোকৰাজি। অপভ্ৰংশ বা সৰ্বাধুনিক প্ৰাকৃতৰ আন এটা উৎস হ'ল ১৪শ শতিকা নাইবা তাৰো পিছৰ কালৰ ছন্দৰচিত **প্ৰাকৃতপৈঙ্গলম** পুথি। ইয়াৰ ভাষা পৰৱৰ্তী কালতকৈয়ো ইমান পিছৰ যে য়েকোবীয়ে এই ভাষাক অপভ্ৰংশ বোলাৰ যুক্তিযুক্ততাৰ বিষয়ে সন্দেহ প্ৰকাশ কৰে। দৰাচলতে ইয়াক আধুনিক কথিত ভাষাৰ ঠিক পূৰ্ব কালৰ বোলাবহে যুক্তি আছে।

অধুনাপ্ৰাপ্ত শ্ৰেষ্ঠ অপভ্ৰংশ পুথিখনেই হ'ল ধণবাল ৰচিত **ভবিসত্তকহা**। ইয়াত আছে সদাগৰৰ পুতেক ভবিষ্যদত্তৰ দুঃসাহসিক অভিযান সমূহৰ বৰ্ণনা তেওঁৰ দেশ পৰিভ্ৰমণৰ কথা আৰু কুৰুজাঙ্গল আৰু পোতনৰ (য়েকোবীয়ে পোতনকে তক্ষশীলা বুলি অনুমান কৰে) যুদ্ধত যে তেওঁ যোগ দিছিল সেই কথাৰ বৰ্ণনা। তাৰ পিছত সংযোজিত হৈছে প্ৰধান প্ৰধান চৰিত্ৰসমূহৰ পূৰ্বজন্ম আৰু পৰজন্মৰ ইতিবৃত্ত।

---

* সম্প্ৰতি ড পি এল বৈদ্যৰদ্বাৰা প্ৰাকৃত শব্দসূচী আৰু টীকা সহ এই ব্যাকৰণৰ সৰ্বাধুনিক সংস্কৰণ ছপা হৈ ওলাইছে। ছাত্ৰসকলে চোৱা উচিত।

** ছাত্ৰসকলে Pischel অৰদ্বাৰা সম্পাদিত এই দেশীনামমালা চোৱা উচিত।

প্রাকৃত সাহিত্য

তৃতীয় খণ্ড

পালি প্ৰাকৃত-অপভ্ৰংশ ভাষাত ৰচিত সাহিত্যৰ নিদৰ্শন

পাঠ সংকলন (বি এ এম এ)

পাঠ সংকলন

॥ বহুধিব ॥

(BAHUDHIVA)

স বৎসবে ১ মজে ৩ধিবহ ১ ৪৪ ইজ চুনমি খোতন ম বম বমতিবয় হিনঝবেব বিজিদসি.হস্ত ত কলি।

অস্তি মমুশ নগবগ থ ববণবসে নম তথ মদ্রেদি অস্তি মম্নি উত তসুবগ। সো উত অফিএয়ু হবদি ধহি অথি ভদ্রিক্ষু বশো। ত ইদনি সো উতো বিক্রিনাম্বি মুল্যেন মবে সহস্র অষ্টি ৪৩ সুশিগ বগতি বধগস্য সগজি। তস্য উতস্য কিদে বগিতি বধগে নিববশিজো মুল্যো মবে ধিতু থ বর্নব সস্য গ্রহিতু সুধি উবগদু।

অজি উবদমি সো উত বগিতি বধগস্য তসুবগ স বৃত স্নথ গম গবণীয় সব কিচ কবণীয়। য়ো পচেম কলি তস্য উতস্য কিদে চুদয়তি বিদিয়তি বিবদু উঠবিয়দি তেন তথ ধড়ু ধিনদি স্নথ বাজধমূ স্যদি।

ময় ধলরগু বহুধিবে লিখিতু থ বর্নব সস্য অজিযনমি পুবতু ।

(Document from Chinese Turkestan)

দ্রষ্টব্য ওপবোক্ত অনুশাসনব বোমক প্রতিলিপিত তলব কথাবাবলৈ লক্ষ্য বখা দর্কাব —জ = z জ = J গ = s ব = v য় = y।

॥ অপ্রমাদ বতি আক ভিক্ষু-ধর্ম ॥

(APRAMADA RATI AND BHIKSU DHARMA)

১ অপ্রমদ প্রশজতি প্রমদু গবহিতু জ দ।

২ হিণ ধম জেব অ প্রমদেণ ন জ বজি
মিছদিঠি ন ষোয় অ ন জি অ লোক বঢণো।

৩ য়ো দু পুবি প্রমজতি পছ সু ন প্রমজদি
সো ইম লোকু ওহজে দি অভ মুতো ব সুবি'উ।

৪ অবহধ নিথমধ মুজথ বুধ শশণে
ধুণথ মুচুণো জে ণ নগুকব ব কুঞ্জব।

৫ অপ্রমদ খদিময় স্নশিল ভোহ ভিক্ষবি
সুজ'মহিদ জ'গণ অ'চিত অণুবক্ষধ।

৬ য়ো ইমস ধম্ম বিণ ই আপ্রমত্তু বিহরিষদি
প্রহ ই জদি জ ৎশব দুখ্খস্দ করিষদি।
৭ ত য়ু বদমি ভদ্রঞ্ঞু য়বদেথ জ'মকদ
অপ্রমদ বদ ভোধ জ ধমি সুপ্রবেদিদি।
৮ প্রমদ পরিবজেত্তি অপ্রমদ বদ জ দ
ভবেথ কুশল ধম্ম য়োক ক্ষেমজ প্রত অ।
৯ জ লবত নদিমঞ্ঞে অ নঞ্ঞেষ পিহ ও বি অ
অঞ্ঞেষ পিহ ও ভিক্ষু জ মধি নধিকচ্ছদি।
অপ লভো ত্তু য়ো ভিখু জ লবত নদিমঞদি
ত ও দেব প্রশজদি শুধ য়িব অতন্দ্রিদ।
১১ ক্রমবমু কম বত্তু কমু অণুবিচিদ ও
কমু অণুস্বরো ভিখু জ ধর্ম পরিহয়দি।
১২ ধমবমু ধম বত্তু ধমু অণুবিচিদ ও
ধমু অণুস্বরো ভিখু জ ধর্ম ন পরিহয়দি।
১৩ ১৪ ন শিল বদ মত্রেণ বহো য়ুকেণ ব মণো
অধ জ মধি লভেণ বিবিত্ত শযণেণ ব
ফুষমু নেখম সুখু অপ্রুধজন জে বিদ
ভিখু বিশপশম অ (পদি) অপ্রত্তে অসর ক্ষয়ে।
১৫ ন ভিখু অরদ ভোদি য়বদ ভিক্ষদি পর
বিশপ ধর্ম জ মদই ভিখু ভোদি ন ভরদ।
১৬ য়ো ত্তু বহেত্তি পরণ বদর ব্রমম য়িবর
জ গ ই চরদি শোকু সো ত্তু ভিখু ত্তুর চদি।
১৭ মেত্র বিহরি য়ো ভিখু প্রজ স্থ বুধ শণে
তুপদি পরক ধর্ম ক্রম পত্র ব মত্তুক।

॥ সুভাষিত ॥

(SUBHĀSITA)

১ অপ পমত্তো পমত্তেস্থ সুত্তেস্থ বহুজাগরো
অবলস্সং ব সীঘস্সো হিত্বা য়াতি সুমেধসো।
২ দূরনিগ গহস্স লহুনো য়থকামনিপাতিনো
চিত্তস্স দমথো সাধু চিত্ত' দন্ত সুখাবহং।

৩ ন পরেস' বিলোমানি ন পরেসং কতাকত
অত্তনো'ব অবেখ থেয় য কতানি অকতানি চ।
৪ যথাপি পুপ ফরাসিমহা কয়িরা মালাগুণে বহূ
এব জাতেন মচ চেন কত্তব ব কুসলং বহুং।
৫ পুত্তা ম অথি ধন ম অথি ইতি বালো বিহঞ্ঞতি
অত্তা হি অত্তনো নথি কুতো পুত্তো কুতো ধন ।
৬ সেলো যথা একঘনো বাতেন ন সমীরতি
এব নিন্দাপস সাসু ন সমিঞ্জন্তি পণ্ডিতা।
৭ য়ো সহস্স সহস্সেন সঙ্গামে মানুসে জিনে
এক চ জেয্য অত্তান স বে সঙ্গামজ উত্তমো।
৮ সব বে তসন্তি দণ্ডস্স সব বে ভায়ন্তি মচ্চ নো
অত্তান উপম কত্বা ন হনেয য ন ঘাতয়ে।
৯ সব বে তসন্তি দণ্ডস্স সব বেস জীবিত পিয়
অত্তান উপম কত্বা ন হনেয় য ন ঘাতযে।
১ পস্স চিত্তকত বিম্ব অরুকায় সমুস্সিত
আতুর বহুসঙ্কপ প যসস নথি ধুব ঠিতি।
১১ অপ পস্সুতা য পুরিসো বলিবদ্দো ব জীবতি
ম সানি তস্স বড চন্তি পঞ্ঞা তসস ন বড ঢতি।
১২ অচরিত্বা ব্রহ্মচরিয় অলদধা য়োব বনে ধন
জিণণকোঞ্চা ব ঝায়ন্তি খীণমচ ছে ব পল্ললে।
১৩ অত্তা হি অত্তনো নাথো কো হি নাথো পরো সিয়া
অত্তনা ব সুদন্তেন নাথ লভতি দুল্লভ ।
১৪ উত্তিটঠে নপ পমজ জেয় য ধমম সুচরিত চরে
ধম্মচারী সুখ সেতি অসমি লোকে পরমহি চ।
১৫ ন কহাপণ বস্সেন তিত্তি কামেসু বিজ্জতি
অপ পস্সাদা দুকখা কামা ইতি বিঞ্ঞায় পণ্ডিতা।
১৬ জয়' বের পসবতি দুক্খং সেতি পরাজিতো
উপসন্তো সুখং সেতি হিত্বা জয়পরাজয় ।
১৭ আরোগ গপরমা লাভা সন্তুটঠিপরম ধন
বিস্সাসপরমা ঞাতি নিব বাণ পরম সুখং।

১৮ যা পিয়েহি সমাগঞ্চ হি অপ পিয়েহি কুদাচনং
পিয়ান অদস্সনং দুক্খং অপ পিয়ানঞ্চ দস্সনং।

১৯ অক্কোধেন জিনে কোধ অসাধুং সাধুনা জিনে
জিনে কদরিয় দানেন সচ ছেন অলিকবাদিনং।

২ ন তেন পণ্ডিতো হোতি যাবতা বহু ভাসতি
খেমী অবেরী অভয়ো পণ্ডিতো তি পবুচ চতি।

২১ দূরে সন্তো পকাসেন্তি হিমবন্তো ব পব বতো
অসন্ত এথ ন দিস্সন্তি রত্তি খিত্তা যথা সরা।

২২ সুখা মত্তেয় যতা লোকে অথো পেত্তেয় যতা সুখা
সুখা সামঞ্চ এতা লোকে অথো ব্রহ্মঞ্চ এত সুখা।

২৩ ২৪ চক্খুনা স বরো সাধু সাধু সোত্তেন সংবরো
ঘাণেন স বরো সাধু সাধু জিব হায় স বরো
কায়েন স বরো সাধু সাধু বাচায় স বরো
মনসা স বরো সাধু সাধু সব বথ সংবরো।

২৫ য়স্স কয়েন বাচায় নত্থি দুক্খতং
স বুতং তীহি ঠানেহি তম অহং ব্রূমি ব্রাহ্মণ।

২৬ ন জটাহি ন গোত্তেহি ন জচ চা হোতি ব্রাহ্মণো
য়ম্হি সচ চ চ ধম্মো চ সো সুচী সো চ ব্রাহ্মণো।

২৭ ধম্ম চরে সুচরিত
ন তং দুচ চরিত চরে
ধম্মচারী সুখ সেতি
অস্মিং লোকে পরম্হি চ।

২৮ য়থা বুব্বুলক পস্সে
য়থা পস্সে মরীচিকং
এবং লোক অবেক্খন্তং
মচ চুরাজা ন পস্সতি।

২৯ এথ পস্সথ ইমং লোক
চিত্তং রাজরথূ পমং
য়থ বালা বিসীদন্তি
নত্থি সঙ্গো বিজানত।

৩০ য়স্স পাপ কত কমম্‌
কুসলেন পিথীয়তি
সো ইম লোক পভাসেতি
অব ভা মুত্তো ব চন্দিমা।

৩১ অনধভূতো অয় লোকো
তনুক্ এত্থ বিপস্সতি
সকুন্তো জালমুত্তো ব
অপ পো সাগ গায় গচ ছতি।

৩২ এক ধমম অতীতসস
মুসাবাদিস্স জন্তুনো
বিতিণ ণপরলোকসস
নত্থি পাপ অকারিয়ং

৩৩ ন বে কদরিয়া দেবলোক বিজন্তি
বালা হবে নপ পস সন্তি দান
ধীরো চ দান অনুমোদমানো
তেন এব সো হোতি সুখী পরত্থ।

৩৪ পথর য়া একবজ জেন পগ গস্স গমনেন বা
সব বলোকাধিপচ চেন সোতাপত্তিফল বর।

(The Pali Dhammapada)

॥ ভাস ॥

(BHASA)

(ততঃ প্রবিশতি বাসবদত্তা আবন্তিকাবেষেণ চেটি চ)

চেটী —এদু এদু অয্যা। দিঢ খু ভট্টিদারিআ সীসবেদণাএ দুক্খাবিদা।

বাসবদত্তা —হদধি। কহি সঅণীঅ রইদ পদুমাবদীএ।

চেটী —সমুদ্দগিহকে কিল সয় যাত্থিণ ণা।

বাসবদত্তা —তেণ হি অগ গদো যাহি।

(উভে পরিক্রামতঃ)

চেটী —ইদং সমুদ্দগিহকং। পবিসদু অয্যা। জাব অহং বি সীসাণুলেবণং তুবাবেমী। (নিষ্ক্রান্তা)।

